# জীৱন আৰু জ্ঞানৰ অন্বেষণ

ইছমাইল হোছেইন



Barueh Library
ACC No.
Date
Paschim Guwahati Mahavidyalaya

## কৃতজ্ঞতা...

✧ চন্দ্ৰপ্ৰসাদ শইকীয়া, বিশিষ্ট সাহিত্যিক
✧ স্বৰ্গীয় মেদিনী চৌধুৰী, বিশিষ্ট সাহিত্যিক
✧ তোযেশ্বৰ চেতিয়া, বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী
✧ শিৱপ্ৰসাদ গগৈ, বিশিষ্ট কবি
✧ জিতেন চুতীয়া, বিশিষ্ট কবি, শিক্ষাবিদ
✧ হেমন্ত ভৰালী, তৰুণ লেখক, সাংবাদিক
✧ খগেশ্বৰ পেগু, কবি, গল্পকাৰ
✧ বসন্ত মঙ্গল দত্ত, প্ৰবক্তা, মাছখোৱা মহাবিদ্যালয়
✧ বাসন্তী মৰাং, প্ৰবক্তা, ঢকুৱাখনা মহাবিদ্যালয়
✧ কুশল গগৈ, সাংবাদিক
✧ ঘনশ্যাম শইকীয়া, উপ-আৰক্ষী অধীক্ষক তথা সাহিত্য-সংগঠক
✧ ধীৰাজ গোস্বামী, কেম্‌ব্ৰিজ ইণ্ডিয়া
✧ খগেন গগৈ, লক্ষীমপুৰ
✧ ইন্দেশ্বৰ পেগু, কবি, ঔপন্যাসিক । মাতমৰা
✧ অনুৰাধা শৰ্মা পূজাৰী, সম্পাদক, সাদিন
✧ পুষ্পা গগৈ, ঢকুৱাখনা
✧ হৃদয়ানন্দ গগৈ, সহকাৰী সম্পাদক, গৰীয়সী
✧ নৱ কলিতা, ধেমাজি বুক ষ্টল
✧ ছাবেৰা আৰু ছাকিল

## সূচীপত্ৰ


○ জীৱনৰ অৰ্থ : ৯
○ মানুহে আত্মহত্যা কৰে কিয় ? : ১৮
○ প্ৰেমৰ ধাৰণা : ২৩
○ নাৰী, প্ৰেম আৰু কাৰ্লমাৰ্ক্স : ২৬
○ লেনিনৰ 'স্বাধীন প্ৰেম' : ৩০
○ প্ৰেম আৰু বিবাহ : ৩৬
○ ৰাছেলৰ দৃষ্টিত প্ৰেম আৰু যৌনতা : ৩৮
○ জ্ঞানৰ বিস্তৃতি আৰু ছাত্ৰ-অভিভাৱক সম্পৰ্ক : ৪১
○ শিক্ষক হোৱাৰ গুৰুত্ব : ৪৫
○ বিপ্লৱী সংস্কৃতি : ৪৯
○ সাংস্কৃতিক জাগৰণৰ প্ৰয়োজনীয়তা : ৫৪
○ নাটকৰ বিষয় আৰু বক্তব্যৰ গুৰুত্ব : ৫৭
○ ভাৰতত সাম্প্ৰদায়িক ইতিহাস-চিন্তাৰ সূচনা আৰু তাৰ প্ৰয়োগ : ৬২
○ বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু সাহিত্য সভা : ৬৮
○ বৃহত্তৰ অসমীয়া জাতি গঠনত মিচিং জনগোষ্ঠীৰ অৱদান : ৭৩
○ অসমীয়া ভাষা আৰু অসমৰ অধিবাসী : ৮৭
○ বিশ্বশান্তিৰ প্ৰশ্ন ঃ কিছু আনুষংগিক চিন্তা : ৯৫
○ বিহু পাতিলে মুছলমানৰ জাত যাব নেকি ? : ১০৬
○ ফাটবিহুৰ বিহুনামৰ বৈশিষ্ট্য : ১১২
○ মাছখোৱাৰ 'ৰাতিবিহু' চাই আহিলোঁ : ১২৩
○ বিহু গ'লে বিনাবা কাক ? : ১৩১
○ আলি আঃয়ে লৃগাং চাই আহিলোঁ : ১৩৭
○ কুৰি শতিকাৰ অসমীয়া সাহিত্যৰ চমু খতিয়ান : ১৫০
○ সাহিত্যৰ নোবেল পুৰস্কাৰ আৰু মহিলা সাহিত্যিক : ১৫৬



Librarian ACC No. Date Paschim Guwahati Mahavidyalaya


# জীৱনৰ অৰ্থ

### এক ঃ জীৱনৰ নষ্টালজিয়া

নষ্টালজিয়া (Nostalgia) বা গৃহৰ প্ৰতি আকুলতা এটা বেমাৰ । মনৰ বেমাৰ । যাক গৃহব্যাধি (Home Sickness) বুলিও কোৱা হয় । জীৱন আৰু সমাজক ভালপোৱা প্ৰতিজন মানুহেই এটা বয়সত (বিশেষকৈ পৌঢ় আৰু বৃদ্ধ বয়সত) নষ্টালজিয়াত ভোগে । গাঁৱৰ সেউজীয়া পৰিৱেশত অতিবাহিত কৰা শৈশৱ, কৈশোৰ আৰু যৌৱনৰ অতীত ৰোমন্থন আৰু হেৰাই যোৱা সময়ৰ পুনৰুদ্ধাৰৰ চিন্তাত মনুষ্যত্বৰ ধ্বজাবাহক প্ৰায়বোৰ মানুহেই নষ্টালজিয়াৰ পিছে পিছে দৌৰে । জীৱনৰ উদ্দেশ্য সাধনত বিফলতা, প্ৰেম আৰু বন্ধুত্বৰ সংঘাত, মৃত্যু-চিন্তা, সমাজত মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় আদি অনেক কাৰকে মানুহক নষ্টালজিক কৰি তোলে । নষ্টালজিক মানুহবোৰ মূলতঃ মানৱতাবাদী । ৰবিনছন ক্ৰুছৰ বিষয়ে লিখা 'আলেকজেণ্ডাৰ ছেলকাৰ্ক' কবিতাত আমি এই নষ্টালজিক বা গৃহব্যাধিৰ সন্ধান পাওঁ ।

### দুই ঃ জীৱনৰ সংজ্ঞা

এতিয়ালৈকে যিসকল দাৰ্শনিক আৰু মহৎ লোকে বিভিন্ন দৃষ্টিকোণৰ পৰা জীৱনৰ সংজ্ঞা দাঙি ধৰিছে, তেওঁলোকৰ ভিতৰত ভি.আই. লেনিনৰ সংজ্ঞাই শ্ৰেয় বুলি প্ৰতিপন্ন হৈছে । লেনিনৰ মতে জীৱনটো মানুহে মাথোন এবাৰেই পায় আৰু এবাৰেই যথেষ্ট । সেয়ে জীৱনটোক এনেদৰে গঢ়িব লাগে যাতে অতীতৰ গ্লানি আৰু হতাশাই মনোকষ্ট নিদিয়ে । মৃত্যুৰ সময়ত যাতে এনেদৰে ক'ব পাৰে—মই মোৰ সমগ্ৰ জীৱনটো মানুহৰ কল্যাণৰ হ'কে উৎসৰ্গিত কৰিছিলোঁ ।

প্ৰকৃততে সচেতন জীৱন অবিহনে কোনো ব্যক্তিয়েই নিজৰ জীৱনটোক মানুহ আৰু সমাজৰ কল্যাণৰ হ'কে উৎসৰ্গিত কৰিব নোৱাৰে । এটা সচেতন জীৱন গঢ়ি তোলা বৰ কষ্টকৰ কাম । নিকাৰাগুৱাৰ কবি ৰুবেন দাৰিওয়ে (১৮৬৭-১৯১৬) তেওঁৰ 'ভৱিতব্য' শীৰ্ষক কবিতাত সচেতন জীৱন সম্পৰ্কে কৈছে ঃ

*"জীয়াই থকাৰ যন্ত্ৰণাতকৈ ডাঙৰ দুঃখ আৰু একো নাই;*
*নাই সচেতন জীৱনতকৈ গভীৰতম কোনো বিড়ম্বনা ।"*

মেক্সিম গৰ্কীয়ে সচেতন জীৱন এটাৰ কথা ক'বলৈ গৈ উল্লেখ কৰিছে যে,

জীৱনৰ প্ৰতিটো মুহূৰ্ততে একোটা মহৎ উদ্দেশ্য থাকে । সেই উদ্দেশ্যত উপনীত হ'বলৈ কৰা কঠিন প্ৰয়াসতেই জীৱনৰ আচল অৰ্থ লুকাই থাকে ।

১৯৫০ চনৰ সাহিত্যৰ ন'বেল বঁটা বিজয়ী বাৰ্ট্ৰাণ্ড ৰাছেলে সচেতন বা সৎ জীৱনৰ বাবে মানুহৰ হৃদয়খনক মূৰটোৰ সমানেই প্ৰয়োজন বুলি কৈছে । এলবাৰ্ট আইনষ্টাইনে তেওঁৰ কেবাটাও লেখাৰ মাজেৰে বিশ্লেষণ কৰি দেখুৱাইছে যে জীৱনৰ মুখামুখি হ'বলৈ যিকেইটা আদৰ্শই সাহস গোটায় সেইকেইটা হ'ল—প্ৰেম, সৌন্দৰ্য আৰু সত্য । তেওঁৰ মতে ভোগবাদী জীৱন, বিলাস-বৈভৱ, ধন-সম্পত্তিৰ প্ৰাচুৰ্যতা আৰু সস্তীয়া কৃতকাৰ্যতা আদিয়ে জীৱনৰ আচল অৰ্থ হেৰাই পেলায় । জীৱনৰ এনেবোৰ মহৎ অভিধাৰ মাজত কেতিয়াবা অৰ্থহীন হৈ পৰে জীৱন । অৰ্থহীন জীৱনক আমি অৰ্থবহ কৰি তুলিব পাৰো মানুহৰ প্ৰতি গঢ়ি তোলা প্ৰেম, মমতা আৰু আন্তৰিকতাৰ মাজেৰে । কাৰণ—

*"জীৱনৰ স্বকীয় অৰ্থ নাই যিদৰে মানুহৰ আছে*
*মানুহ অনন্ত জীৱনৰ সুনিপুণ খনিকৰ*
*মানুহ মাটিৰ আদিম বণিক*
*দুহাতত যাৰ যুগল প্ৰেমৰ ঘৰ ।*

..........

*ইচ্ছা থাকিলে জীৱনক অৰ্থবহ কৰিব পাৰি*
*নিৰৰ্থক বিলাসৰ বিপৰীতে যদিহে অনুভৱ কৰিব পাৰি*
*মানুহৰ অন্তৰঙ্গ সঙ্গৰ কল্যাণময় মাদকতা ।"*

আমি কেতিয়াবা জীৱনৰ উদ্দেশ্য আৰু মহত্ত্বৰ সন্ধান কৰিবলৈ যাওঁতে এক বিপৰীত চিত্ৰ দেখিবলৈ পাওঁ । আজিৰ বিশ্বত জীৱনক ৰঙীণ আৰু আনন্দময় কৰিবলৈ যি বাতাবৰণৰ প্ৰয়োজন তাৰ চূড়ান্ত অৱক্ষয় দেখি আমি মাজে সময়ে আৰ্তনাদ কৰি চিঞৰি উঠো । কবি জীবনানন্দৰ ভাষাত আজিৰ জীৱন যেন ঃ

*"যক্ষ্মাৰ ৰোগীৰ মতো ধুঁকে মৰে মানুষেৰ মন !*
*জীবনেৰ চেয়ে সুস্থ মানুষেৰ নিভৃত মৰণ !"*

### তিনি ঃ মৃত্যু-চিন্তা

মৃত্যু-চিন্তা জীৱনৰ আন এক বেমাৰ । নষ্টালজিয়া যিদৰে এক অতীত ৰোমন্থন, তেনেদৰে মৃত্যু-চিন্তা হ'ল ভৱিষ্যতৰ অৱলোকন, জীৱন হেৰাই যোৱাৰ এক দুঃশ্চিন্তা । মৃত্যু অৱশ্যম্ভাৱী যদিও ব্যক্তি-জীৱনত যেতিয়া হতাশাই গা কৰি উঠে তেতিয়া আত্মহননৰ মাজেৰে মৃত্যু আগবাঢ়ি আহে । আত্মহনন বা আত্মহত্যা (Suicide)ৰ চিন্তাই কেতিয়াবা এনে এটা ৰূপ লয় যে, ই জীৱনৰ বাবে এটা ডাঙৰ শান্ত্বনাস্বৰূপ





হৈ পৰে আৰু কেতিয়াবা অনেক দুৰ্যোগৰ নিশা আত্মহত্যাৰ চিন্তাৰে পাৰ কৰি দিব পাৰি । আত্মহত্যাক জীৱনৰ এটা শান্ত্বনা বুলি ক'লেও ফ্ৰিয়েডৰিখ নীৎছে মানুহে জীৱনৰ পৰা আশীৰ্বাদৰ সৈতে বিদায় ল'বলৈ কৈছে ।

মৃত্যু-ভয় জীৱনৰ আন এক দুৰ্ভাৱনা । মৃত্যু-ভয়ৰ দুৰ্ভাৱনাক লৈ মানুহে জীৱনৰ অনেক মূল্যবান সময় পাৰ কৰে । চিন্তাবিদ ভল্টেয়াৰে মৃত্যু-ভাৱনা সম্পৰ্কে কৈছে ঃ "মৃত্যুৰ বিষয়ে অবাবতে চিন্তা-ভাৱনা কৰি সময় অপচয় নকৰিবা, কেৱল কাম কৰি যোৱা । জীৱনটোক সহনশীল কৰি তোলাৰ সেইটোৱেই একমাত্ৰ উপায় ।" মৃত্যুৰ সিপাৰত এক অন্য জগত আছে বুলি ভাববাদী ধাৰণাত বুৰ গৈ থকা মানুহে ভাৱে । এনে অহেতুক ভাববাদী ধাৰণাই মানুহক সৰ্বদায় ভীতিগ্ৰস্ত কৰি ৰাখে, ঈশ্বৰৰ কল্পনাত বিভোৰ কৰি ৰাখে । মৃত্যু-ভয়ৰ লগত ঈশ্বৰ-ভীতিৰ বিষয়টো এটা ভ্ৰান্ত ধাৰণা । ইয়াৰ পৰা মুক্তি পোৱাৰ অন্যতম পন্থাই হৈছে মৃত্যুক এক অৱশ্যম্ভাৱী ঘটনা বুলি ধৰি লৈ জীৱনক জয়ী কৰাত লাগি যোৱা ।

### চাৰি ঃ প্ৰেম আৰু মৃত্যু-ভয়

"মোৰ যেতিয়া মৃত্যু হ'ব
প্ৰিয়তমা পাৰ হৈ যাব মোৰ কবৰৰ কাষেৰে,
ঈৰ্ষাতুৰ প্ৰতিদ্বন্দীবোৰে তাইক দেখুৱাই দিব
এইটো তাইৰেই ভালপোৱাত নিহত এজন শ্বহীদৰ স্মৃতিস্তম্ভ ।"

পাৰস্য-সাহিত্যৰ জনপ্ৰিয় আফগান কবি নাদিমৰ (১৮৮৭-১৯১৬) মাত্ৰ ২৯ বছৰ বয়সত মৃত্যু হৈছিল । কিন্তু তেওঁ প্ৰেম আৰু মৃত্যুৰ মাজেৰে 'মোৰ হৃদয়' শীৰ্ষক কবিতাত জীৱনৰ যি কৰুণ অথচ তেজোদীপ্ত ৰস সঞ্চাৰ কৰি থৈ গৈছে, তেনে ৰস খুব কম সংখ্যক কবিয়ে সৃষ্টি কৰিব পাৰিছে । আমেৰিকাৰ নিগ্ৰো মহিলা কবি জৰ্জিয়া ডগেলাছ জনচনেও (১৮৮৬-১৯৬৫) তেওঁৰ 'পৰাভৱ' শীৰ্ষক কবিতাত প্ৰেম সম্পৰ্কে কৈছে ঃ

"কিয়নো প্ৰেমে নেমানে যুক্তি, নিৰ্যাতিত হৃদয়ৰ ভিতৰে বাহিৰে
বহ্নিমান যি অব্যাহত গতি কোনে জানে তাৰ কি প্ৰকৃত যুক্তি ?"

বঙ্গৰ কবি জীবনানন্দ দাশৰ কবিতাত মৃত্যু আৰু প্ৰিয়তমা প্ৰায় একেটা শাৰীত অৱস্থান কৰিছে । তেওঁৰ 'জীৱন' নামৰ কবিতাত কৈছে ঃ

"মৃত্যুৰে বন্ধুৰ মতো ডেকেছি তো,—প্ৰিয়াৰ মতন !
চকিত শিশুৰ মতো তাৰ কোলে লুকায়েছি মুখ;
ৰোগীৰ জ্বৰেৰ মতো পৃথিবীৰ পথেৰ জীবন;
অসুস্থ চোখেৰ পৰে অনিদ্ৰাৰ মতন অসুখ;

তাই আমি প্ৰিয়তম;—প্ৰিয়া ব'লে জড়ায়েছি বুক,
ছায়াৰ মতন আমি হয়েছি তোমাৰ পাশে গিয়া ?
যে ধূপ নিভিয়া যায় তাৰ ধোঁয়া আঁধেৰ মিশুক,
যে ধোঁয়া মিলায়ে যায় তাৰে তুমি বুকে তুলে নিয়া
ঘুমানো গন্ধেৰ মতো স্বপ্ন হ'য়ে তাৰ ঠোঁটে চুমো দিও, প্ৰিয়া ।"

জীৱনানন্দৰ 'প্ৰেম' শীৰ্ষক কবিতাত প্ৰায় একেই সুৰ বাজি উঠে ঃ

"একদিন-একৰাত কৰেছি প্ৰেমেৰ সাথে খেলা !
একৰাত-একদিন কৰেছি মৃত্যুৰে অবহেলা ।
একদিন-একৰাত; —তাৰপৰ প্ৰেম গেছে চ'লে,
সবাই চলিয়া যায়, সকলেৰে যেতে হয় ব'লে ।"

সম্ভৱতঃ 'সবাই চলিয়া যায়, সকলেৰে যেতে হয় ব'লে' -এই সত্যই হ'ল চিৰসত্য । জীৱনজুৰি প্ৰেম ফচফৰাচৰ দৰে জ্বলি থাকে; হয়তো মৃত্যুৱেও নুমুৱাব নোৱাৰে প্ৰেমৰ সেই জুই । এই প্ৰেম কেৱল নাৰী আৰু পুৰুষৰ মাজৰ প্ৰেমেই নহয়—এই প্ৰেম বন্ধু আৰু বন্ধুৰ, মানুহ আৰু সমাজৰ, মানুহ আৰু পৃথিৱীৰ ।

## পাঁচ ঃ বন্ধুত্ব আৰু প্ৰেম

'বন্ধু কোন' বুলি ক'লে আমি হয়তো সেইজনকেই বুজো যিয়ে —বন্ধুক জানে আৰু ভাল পায় ঠিক নিজৰ দৰে (A friend is someone who knows all about you and still loves you) । পৃথিৱীখন আঁতৰি গ'লেও যিয়ে লগ নেৰে বন্ধু, 'শ্মশান, বিপ্লৱ আৰু ৰাজদুৱাৰত যিয়ে তিষ্ঠি থাকে সেয়ে প্ৰকৃত বন্ধু' ।

বঙ্গৰ বিখ্যাত লেখক তাৰাশঙ্কৰ বন্দোপাধ্যায়ে 'বিচাৰক' গ্ৰন্থত এইবুলি লিখিছে যে, 'বন্ধুৰ দৰে শত্ৰু আৰু কোনো হ'ব নোৱাৰে' । পৃথিৱীৰ ইতিহাসত বন্ধুৰ হ'কে বন্ধুৱে প্ৰাণ বলিদান দিয়াৰ উদাহৰণ যিদৰে আছে তেনেদৰে আছে বন্ধু হৈ বন্ধুৰ স'তে কৰা চৰম বিশ্বাসঘাতকতাৰ কথা । সেয়ে বেঞ্জামিন ফ্ৰেংকলিনে বন্ধু-নিৰ্বাচন কৰা সন্দৰ্ভত কৈছে যে এজন বন্ধু নিৰ্বাচন লাহে লাহে কৰিব লাগে যাতে সেই বন্ধুজনৰ মানসিক পৰিৱৰ্ত্তনো হয় লাহে লাহে (Be slow in choosing a friend, slower in changing) । ছিচিলিয়ান সাধুবাদ (Sicilian Proverb)ত পোৱা যায়, সেইজনেই তোমাৰ একমাত্ৰ প্ৰকৃত বন্ধু যিজনে কয় যে, তোমাৰ মুখমণ্ডল লেতেৰা হৈ আছে (only our real friends will tell you when your face is dirty); অৰ্থাৎ প্ৰকৃত বন্ধুৱেহে বন্ধুৰ ভুলবোৰ দেখুৱাই দিয়ে । এই ক্ষেত্ৰত প্লুটাৰ্কে অধিক আগবাঢ়ি গৈ কৈছে যে, যি বন্ধুৱে তেওঁ সলনি হ'লে বন্ধুজনো সলনি হয়, তেওঁ নাঙঠ





হ'লে বন্ধুজনো নাঙঠ হয়, তেনে বন্ধু তেওঁ নিবিচাৰে (I donot need a friend who changes when I change and who nods when I nod, my shadow doesnot much better"-Plutark) । প্ৰকৃত বন্ধুত্ব প্ৰেমৰ দৰে গভীৰ । 'বন্ধুত্বৰ পোহৰ ফছফৰাছৰ পোহৰৰ দৰে, চৌদিশ আন্ধাৰে আৱৰি থাকিলেও ইয়াক অত্যন্ত সমতল যেন অনুমান হয়' (ক্লাম অ'ৱেল) । Long Fellow এ 'The Fire of Drift Wood' ত কৈছে ঃ

"And all that fills the hearts of friends,
When first they feel with secret pain
Their lives there after have separate ends
And never can be one again."

বন্ধুত্ব আৰু প্ৰেমৰ সম্পৰ্কৰ মাজত প্ৰতিদ্বন্দিতা, আত্ম-সমালোচনা, প্ৰতি-সমালোচনাৰ প্ৰকাশ ঘটিব পাৰে; তেনে বন্ধুত্ব আৰু প্ৰেমে অন্ধ অনুসৰণ আৰু অন্ধ অনুগ্ৰহৰ বিপৰীতে প্ৰকৃত আন্তৰিকতা আৰু উপলব্ধিৰ গুৰুত্ব বঢ়ায় । তৎস্বত্বেও বন্ধুত্বৰ মাজত যিটো বিষয় আটাইতকৈ গুৰুত্বপূৰ্ণ কথা সেইটো হ'ল ভদ্ৰতা বা পলাইটনেচ (Politeness is an inexpensive way of making friends) । মুৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰু যে অধিক উপকাৰী, এই নীতিকথাষাৰো যুগ যুগ ধৰি চলি আহিছে । মুৰ্খ বন্ধুৱে কেতিয়াও ভুলবোৰ দেখুৱাই দিব নোৱাৰে; কিন্তু জ্ঞানী বন্ধুবোৰে ভুলবোৰ দেখুৱাই দিব পাৰে, যাৰ পৰা আমি শিক্ষা গ্ৰহণ কৰিব পাৰো । সেয়ে কোৱা হয়, "Pay attention to your enemies, for they are the first to discover your mistakes."

ডব্লিউ, আৰ, উইলিয়ামচে যৌৱনক ঋতুৰ আশা, সংগঠক আৰু শক্তি বুলি কৈছে; এই শক্তি অকল ব্যক্তি-বিশেষৰেই নহয়, এটা জাতিৰো (Youth is the season of hope, enterprises and energy to a nation as well as individuals) । এই যুৱশক্তিৰ উত্তৰণে জাতি এটা নতুনকৈ গঢ়িব পাৰে অথবা তেওঁলোকৰ অধঃপতনে জাতিক ধ্বংসও কৰিব পাৰে । সাম্প্ৰতিক অৱস্থাত বিশ্ব-গোলকীকৰণ (Globalization) ৰ প্ৰভাৱত আমাৰ যুৱ-সমাজ পশ্চিমীয়া বিজতৰীয়া সংস্কৃতি-অপসংস্কৃতিৰ অন্ধ অনুকৰণত লাগিছে । প্ৰেমৰ নামত যৌনতা আৰু ভোগ-বিলাস, বন্ধুত্বৰ নামত ফেশ্বন আৰম্ভ হৈছে । এইবোৰে মানুহৰ মাজত সহজাত প্ৰেম-ভালপোৱা আৰু আন্তৰিকতাৰ গুৰুত্ব কমাই আনিছে ।

প্ৰেম হ'ল মানুহৰ জীৱনত জৈৱিক আসক্তিৰ লগত সাংস্কৃতিক সংযোগ । আজিৰ ডেকা-গাভৰুৰ মাজত জৈৱিক আসক্তি আছে; কিন্তু সেয়া ইতিবাচক দিশৰ পৰা যথেষ্ট দুৰ্বল; কিন্তু নেতিবাচক দিশৰ পৰা যথেষ্ট সবল । আনহাতে প্ৰেমৰ সৈতে সংস্কৃতিৰ সম্বন্ধ ? আজিৰ সমাজত ডেকা-গাভৰুৰ মাজৰ প্ৰেমত সংস্কৃতিৰ সম্বন্ধ

নাই বুলিয়েই ক'ব পাৰি । প্ৰেমত জৈৱিক আসক্তি আৰু সাংস্কৃতিক সংযোগ সমান্তৰালভাৱে নেথাকিলে সেই প্ৰেম বিস্ময়কৰ অথবা যুগমীয়া নহয় । ফ্ৰান্সৰ লেখক স্তাভালে প্ৰেমক সভ্যতাৰ যি বিস্ময় সৃষ্টি (Love is the mircle of civilization) বুলি কৈছে তাৰ সৈতে এই জৈৱিক আসক্তি আৰু সাংস্কৃতিক সংযোগৰ গভীৰ সম্পৰ্ক আছে । জীৱনৰ যিকোনো মহত্ত্বৰ প্ৰকাশ ঘটে প্ৰেমৰ মাজেৰে । বিজ্ঞানে আমাক সত্য কথা কয়; কিন্তু শান্তি বা সুখৰ কথা ডাঠিকৈ ক'ব নোৱাৰে (Science has promised us truth. It has never promised us either peace or happiness—Gustave Le Bon) । প্ৰেমে আমাক শান্তি বা সুখানুভূতিৰ কথা কয়; কিন্তু পৰম সত্যৰ কথা লুকাই ৰাখে । প্ৰেমৰ মাজত পৰম সত্য লুকাই নেথাকিলে তাৰ প্ৰতি থকা আকৰ্ষণ কমি যায় । বন্ধুত্ব আৰু প্ৰেমৰ সম্পৰ্কই পৰম সত্যৰ সন্ধান দিব পাৰে একমাত্ৰ হৃদয়ৰ স্পৰ্শানুভূতিৰ মাজেৰে । চিত্ৰকৰ মাৰ্ক চাগালে (Marc Chagall) কোৱাৰ দৰে ঃ

"If you want to touch people's hearts,
you must weep softly"

## ছয় ঃ জীৱনৰ বিদ্ৰোহ, দৰিদ্ৰতা আৰু ভোক

"Poverty is very good in poems,
but very bad in the house,
Very good in maxims and sermons
but very bad in practical life"
(H.W. Beecher)

দৰিদ্ৰতাত নিমজ্জিত হৈ আছে আমাৰ সমাজ জীৱন । কোনোবাই আৰ্থিকভাৱে দৰিদ্ৰতাত ভুগিছে, কোনোবাই ভুগিছে মনৰ দৰিদ্ৰতাত । সমাজত মুখ্যতঃ দুটা বিপৰীত শ্ৰেণীৰ সৃষ্টি হৈছে—ধনী আৰু দুখীয়া, সবলী আৰু দুৰ্বলী । কবি অমূল্য বৰুৱাৰ ভাষাত এদল খাবলৈ পোৱা কুকুৰ আৰু আনদল খাবলৈ নোপোৱা কুকুৰ । এদল শোষক, আনদল শোষিত । মধ্যভোগী এটা শ্ৰেণীৰো সৃষ্টি নোহোৱা নহয় । মধ্যবিত্তসকলৰ বেছিভাগেই এই মধ্যভোগী মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত । আজিৰ সমাজত তেওঁলোকৰ অৱস্থাও দুখলগাকৈ দুৰ্বল । সমাজৰ নিৰ্ণায়ক শক্তি (determinant power) হোৱাৰ বিপৰীতে এওঁলোকে সমাজত এক সুবিধাবাদী অৱস্থান গ্ৰহণ কৰিছে । এওঁলোকৰ চাৰিওফালৰ অৰণ্য পুৰি ছাঁই হৈ গৈছে; কিন্তু এওঁলোক এতিয়াও বিলাস-বৈভৱত মত্ত । এওঁলোকৰ চাৰিওফালৰ মানুহক ভোকৰ তাড়ণাই দহিছে অথচ এওঁলোক আছে ভোগত মত্ত হৈ ।





প্ৰায় এশকোটি জনসাধাৰণৰ দেশ ভাৰতবৰ্ষৰ শতকৰা চল্লিশ ভাগেই আজি ভোগৰ তাড়ণাত দগ্ধ; কিন্তু আন এক ভয়ংকৰ জন্তুসদৃশ ভোকে আজি খেদি আহিছে দেশৰ জনগণক । কিউবাৰ কবি নিকোলাচ গিয়েনে তেওঁৰ এটা কবিতাত এই 'ভোক'ৰ বৰ্ণনা দি কৈছে ঃ

"ই এটা ভোক । ই এনে এক ধৰণৰ জন্তু
যাৰ বিষদাঁত আৰু চকু আছে ।
ইয়াক কেতিয়াও উপেক্ষা কৰা বা ফাঁকি দিয়া নেযায় ।
দিনত মাথোন এবাৰ মাত্ৰ খায়েই ই সন্তুষ্ট নহয়,
মধ্যাহ্ন বা নৈশভোজতো ই তৃপ্তি নেপায় ।
সৰ্বদায় তেজৰ ভয় দেখুৱায় ।
ক্ৰুদ্ধ সিংহৰ দৰে গৰ্জন কৰে, ভয়ংকৰ অজগৰৰ দৰে
নিষ্পেষণত গুড়িয়াই দিয়ে, মানুহৰ দৰে ভাৱে ।
আপোনালোকৰ চকুৰ সন্মুখতেই এই জন্তুটো
ভাৰতবৰ্ষৰ (বোম্বাইৰ এক উপকণ্ঠত) ধৰা পৰিছিল,
কিন্তু পৃথিৱীৰ অনেক দেশত
অল্প-বিস্তৰ প্ৰায়বোৰ বৰ্বৰ অঞ্চলতেই পোৱা যায়
জন্তুটো ।"
—(ভোক ঃ নিকোলাচ গিয়েন)

পুঁজিবাদ (Capitalism)ৰ স্বাৰ্থত আজি সাম্ৰাজ্যবাদী শক্তিবোৰে সমগ্ৰ ভাৰতবৰ্ষ জুৰি, ইয়াৰ ভিতৰে বাহিৰে যি 'ভোক'ৰ জাল পাতি দিছে সেই ভোকে আজি মানুহৰ পেটৰ ভোকৰ কথা পাহৰাই ৰাখিছে । শোষণ, সংঘৰ্ষ, সাম্প্ৰদায়িকতা, বিচ্ছিন্নতাবাদ, গোষ্ঠীবাদৰ নামত সাম্ৰাজ্যবাদৰ এই 'ভোক' আমাৰ দেশৰ ইমূৰে সিমূৰে এনেদৰে বিয়পি পৰিছে যে, পেটৰ ভোকত নিৰ্যাতিত মানুহবোৰ জন্তুসদৃশ সাম্ৰাজ্যবাদী 'ভোক'ৰ অত্যাচাৰত ত্ৰস্তমান হৈ পৰিছে । এই ভোকে মানুহৰ হৃদয়ৰ পৰা কাঢ়ি নিছে প্ৰেম আৰু সম্প্ৰীতিৰ বাণী, নুমাই দিছে জীৱন আৰু সৃষ্টিৰ অনল । যেন সেউজী বননিত শইচৰ সুবাস বিৰাজ কৰাৰ সলনি চৌদিশে মৰাশৰ বিদ্ৰোহী কুটিল নাচ চলিছে ।

যিখন দেশত প্ৰতি মিনিটত আঠচল্লিশজন মানুহৰ মৃত্যু হয় সেইখন দৰিদ্ৰ দেশে মাত্ৰ ৪৮ ঘণ্টাৰ ভিতৰত পাঁচোটাকৈ আণৱিক বিস্ফোৰণ ঘটোৱাত সাম্ৰাজ্যবাদৰ শিখণ্ডীস্বৰূপ আমেৰিকাই চিঞৰি উঠিছে ঃ 'খাবলৈ নোপোৱা মানুহৰ দেশে আণৱিক শক্তিৰ লগত কিহৰ ধেমালি পাতিছে' ।

হয়, ক্ষুধা বা ভোকে পীড়িত কৰিলে মানুহে মাটি খায়, গছ খায়, অস্ত্ৰ খায় আৰু

খায় সমস্ত জগত । আমাৰ দেশত যেনিবা ভাত নাই খাবলৈ, আছে মন্দিৰ-মছজিদৰ ইটা । আৰু আমেৰিকাত যেনিবা ভাত আছে কিন্তু সেই ভাতেৰে পেট নভৰাত তেওঁলোকে খায় বোমা-বাৰুদ আৰু যুদ্ধৰ সামগ্ৰী ।

সাম্ৰাজ্যবাদৰ এই আগ্ৰাসন আৰু একনায়কত্ববাদৰ সম্মুখত আজি দেশ এখনৰ স্বাধীনতাই বিপন্ন হোৱা নাই, বিপন্ন হৈছে প্ৰেম আৰু ভালপোৱাৰ স্বাধীনতা, চিন্তা আৰু বিবেকৰ স্বাধীনতা, মানুহৰ জীৱন-সংগ্ৰাম আৰু জীয়াই থকাৰ স্বাধীনতা । জীৱন আজি বিধ্বস্ত, বিধ্বস্ত হ'বলৈ ধৰিছে মানৱতা । দুইজাতীয় ক্ষুধা—এটা পেটৰ, আনটো মনৰ ঃ এই ক্ষুধাই কাঢ়ি নিছে মানুহৰ জীৱনৰ ছন্দ । সেয়ে আজি ঃ

"ক্ষুধাৰ ৰাজ্যে পৃথিৱী গদ্যময় ঃ
পূৰ্ণিমা-চাঁদ যেন ঝলসানো ৰুটি ।।"

(হে মহাজীৱন—সুকান্ত ভট্টাচাৰ্য)

## সাত ঃ জীৱনৰ সমাপ্তি

"আৰু বহুদিন ধৰি মানুহে মোক মৰম কৰিব
কাৰণ মোৰ বীণাৰ তাঁৰত
মই বান্ধিছিলোঁ মৰমৰ সুৰ,
আৰু এক নিষ্ঠুৰ যুগত মই গাইছিলো
মুক্তিৰ গান, কৰুণা প্ৰাৰ্থনা কৰিছিলোঁ
অন্ধ বিচাৰৰ ওচৰত ।"

—(আলেকজেণ্ডাৰ পুস্কিন)

চে. গুৱেভাৰাই বলিভিয়াৰ পৰা পিতৃ-মাতৃলৈ লিখা এখন চিঠিত উল্লেখ কৰিছিল ঃ "প্ৰায় দহবছৰ আগতে মই তোমালোকলৈ আৰু এখন চিঠি লিখিছিলোঁ । যিমানদূৰ মনত পৰে আটাইতকৈ ভাল সৈনিক আৰু ভাল ডাক্তৰ হ'ব নোৱাৰাৰ বাবে আক্ষেপ কৰিছিলোঁ । শেষৰটোৱে মোক আৰু আকৰ্ষণ নকৰে; কিন্তু এজন সৈনিক হিচাপে মই এতিয়া সিমান বেয়া নহয় ।" আমেৰিকান সাম্ৰাজ্যবাদৰ আজ্ঞাবাহী ব্যাতিস্থা চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি কিউবা বিপ্লৱ সংঘটিত কৰাৰ পিছত চে. গুৱেভাৰা গৈছিল বলিভিয়াক স্বাধীন কৰিবলৈ । এজন আয়ুৰ্বেদিক ডাক্তৰ হৈয়ো গুৱেভাৰাই দেশমুক্তিৰ বাবে নিজৰ বৃত্তি এৰি হাতত বন্দুক তুলি লৈছিল । তেওঁ আছিল জন্মগতভাৱে হাপানী বেমাৰী । বলিভিয়াৰ অৰণ্যত যেতিয়া প্ৰতিপক্ষৰ সৈন্যৰ হাতত চে. গুৱেভাৰাই প্ৰাণ দিছিল তেতিয়া তেওঁৰ মুখত পানী দিবলৈ কোনো নাছিল । বলিভিয়াৰ অৰণ্যত গেলি-পচি গৈছিল গুৱেভাৰাৰ দেহ । সম্প্ৰতি কিউবাৰ





ফিডেল কাষ্ট্ৰো নেতৃত্বাধীন কমিউনিষ্ট চৰকাৰৰ উদ্যোগত গুৱেভাৰাৰ কঙ্কাল উদ্ধাৰ কৰা হৈছে । গভীৰ অৰণ্যত কৰুণভাৱে মৃত্যুক আঁকোৱালি লোৱা গুৱেভাৰাক মৃত্যুকালত মাত দিবলৈ কোনো নাছিল সঁচা; কিন্তু গুৱেভাৰা আজি পৃথিৱীৰ বিপ্লৱী জনগণৰ হৃদয়ে হৃদয়ে । বলিভিয়াৰ অৰণ্যত গুৱেভাৰাৰ মৃতদেহৰ কাষত আন একো নেথাকিলেও তেওঁৰ কান্ধৰ মোনাত আছিল পাব্‌লো নেৰুদাৰ কবিতাৰ কিতাপ 'সেনাধ্যক্ষৰ কবিতা' আৰু অঙ্কৰ এখন কিতাপ ।

গুৱেভাৰাই যাৰ কবিতা প্ৰাণৰ দৰে ভাল পাইছিল সেইজন কবি পাব্‌লো নেৰুদাৰ মৃত্যু হৈছিল চিকিৎসা অবিহনে, ১৯৭৩ চনত, ছান্টিয়াগোৰ এক অখ্যাত চিকিৎসালয়ত । নেৰুদাৰ মৃত্যুৰ পিছত ফেচিষ্ট বাহিনীৰ সেনাই নেৰুদাৰ ভাল-পাৰাইছো আৰু ইছলানেগ্ৰাৰ বাসগৃহ দুটা লুটপাত কৰি সমস্ত অমূল্য সম্পদ, নথি-পত্ৰ, পাণ্ডুলিপি, পাবলো পিকাছোৱে উপহাৰ দিয়া ছবি আদি ধ্বংস কৰে । তাৰ পিছত ঘৰ-বাৰীৰ পানীৰ সমস্ত কল খুলি ৰখা হৈছিল যাতে নথি-পত্ৰবোৰ পানীত বিনষ্ট হয় ।

নেৰুদাৰ মৃতদেহ ঘৰৰ সম্মুখৰ পানীত ডুবি থকা ৰাস্তাৰ ওপৰত ৰখা হৈছিল য'ত পাঁচ বা ততোধিক মানুহৰ প্ৰবেশ নিষিদ্ধ কৰি দিয়া হৈছিল । শোভাযাত্ৰা, শোক সভা, শ্লোগান, এনেকি 'কমৰেড' শব্দটোৰ উচ্চাৰণো নিষিদ্ধ কৰি দিয়া হৈছিল । ...সেই নেৰুদা আজি বিশ্ববন্দিত, যাৰ কবিতা আজি মানুহৰ মুখে মুখে ।

চে. গুৱেভাৰা বা পাব্‌লো নেৰুদাৰ দৰে নিষ্ঠুৰ সময়ৰ ওচৰত নতি স্বীকাৰ নকৰাকৈ মৃত্যুবৰণ কৰিলে জীৱন জয়ী হয়; কিন্তু তেনে ত্যাগৰ জীৱন এটা গঢ়ি তোলাটো বৰ কঠিন । আৰু যদি গঢ়ি তুলিবই পৰা যায় তেনেহ'লে আমি প্ৰেম আৰু ভালপোৱাৰ আকুলতাক জীৱন সংগ্ৰামলৈ পৰ্যবসিত কৰিব পাৰিম আৰু তেতিয়া জীৱন হৈ পৰিব ধন্য, ঠিক পল ৰবচনে ভৱাৰ দৰে ঃ

"Sometimes I feel like a motherless child
A longway from home
Sometimes I feel like a moonless dawn
A longway from home
But I keep laughing
Instead of crying
I will keep on fighting
untill I am dying."

—(Pol Robson)

# মানুহে আত্মহত্যা কৰে কিয় ?

**এক ঃ আত্মহত্যাৰ চিন্তা কেনেকৈ আহে ?**

"মানুহৰ প্ৰিয়তম শব্দ 'জীৱন'
শাশ্বত কালৰ ই এক স্ৰোতস্বিনী নদী
যাৰ পাৰে পাৰে চেতনাৰ বিদীৰ্ণ ইতিহাস
মানুহ তাৰ সমতলৰ নাচি থকা গছ।"

মানুহৰ প্ৰিয়তম শব্দটো 'জীৱন' যদিও সেই মানুহে জীৱনৰ পৰা অতি নিষ্ঠুৰতাৰে বিদায় লোৱাৰ পন্থা হিচাপে কেলেইনো আত্মহত্যাৰ পথ বাছি লয় তাৰ সম্পূৰ্ণ শুদ্ধ উত্তৰ আজিলৈকো কোনেও দিব পৰা নাই । যিসকল সমাজতাত্বিক আৰু মনোবৈজ্ঞানিকে আত্মহত্যাৰ বিভিন্ন কাৰক সন্দৰ্ভত বিশ্লেষণ আগবঢ়াই গৈছে তেওঁলোকে এটা কথাত একমত হৈছে যে, আত্মহত্যাৰ চিন্তাটো হ'ল এক বিমূৰ্ত চিন্তা । মূলতঃ হতাশাৰ পৰাই আত্মহত্যাৰ চিন্তা মনলৈ আহে বুলি মনোবৈজ্ঞানিক সকলে মতামত আগবঢ়াই গৈছে ।

যিসকল লোকে সাহিত্য, মনোবিজ্ঞান আৰু সমাজতত্ব অধ্যয়ন কৰে তেওঁলোকে ফ্ৰেডেৰিক নীৎছেৰ নাম নুশুনাকৈ থকা নাই । নীৎছেৰ ৰহস্যময় জীৱন-ধাৰাৰ সৈতে আত্মহত্যাৰ বিষয়টো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে । নীৎছেৰ মতে আত্মহত্যাৰ চিন্তা এটা ডাঙৰ সান্ত্বনাৰ উৎস; ইয়াৰ সহায়েৰে বহুতো দুৰ্যোগৰ নিশা পাৰ কৰি দিব পাৰি । (The thought of suicide is a great source of comfort. With it a calm passage is to be made across many a bad sight.—Frederich Nietzeche)

ফ্ৰেডেৰিক নীৎসেৰ দৰেই পৃথিৱীত এনে এজন ব্যক্তি নাই যিজনে এবাৰৰ বাবে হ'লেও আত্মহত্যাৰ কথা ভৰা নাই । আত্মহত্যাৰ চিন্তা মানুহৰ জীৱনলৈ বিভিন্ন সময়ত আহে । শৈশৱ, কৈশোৰ, যৌৱন, প্ৰৌঢ় বা বৃদ্ধ অৱস্থা বুলি কথা নাই; জীৱনৰ যিকোনো স্তৰতে মানুহ হতাশা আৰু অৱসাদগ্ৰস্ততাত ভূগিব পাৰে আৰু





সেই অৱসাদগ্ৰস্ততাৰ পৰা বিদায় লোৱাৰ মানসেৰে আপোনঘাতী হোৱাৰ কথা ভাৱিব পাৰে । এটা উদাহৰণেৰে কথাষাৰ বিশ্লেষণ কৰিলে হয়তো বিষয়টো অধিক স্পষ্ট হ'ব । উদাহৰণটো হ'ল বাৰ্ট্ৰাণ্ড ৰাছেলৰ জীৱন অৱধাৰিত এক আপোনঘাতী চিন্তা । ৰাছেলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'সুখৰ সন্ধান' (The Conquest of Happiness)ত লিখিছে যে, মাত্ৰ পাঁচ বছৰ বয়সতেই তেওঁৰ মনলৈ আত্মহননৰ চিন্তা আহিছিল । ৰাছেলৰ মতে—"চেঙেলীয়া অৱস্থাত মোৰ জীৱনৰ প্ৰতি বেছি বিতৃষ্ণা জাগিছিল আৰু আপোনঘাতী হোৱাৰ বাসনা লাহে লাহে জাগ্ৰত হৈছিল । সৌভাগ্যক্ৰমে যেনিবা গণিতশাস্ত্ৰত বিশেষ বুৎপত্তি লাভ কৰাৰ আকাংক্ষাত মই আপোনঘাতী হোৱাৰ পৰা বিৰত থাকিলো । ফলত এতিয়া মই জীৱন উপভোগ কৰিছোঁ । আনকি ইয়াকো ক'ব পৰা হৈছোঁ যে একো একোটা বছৰ পাৰ হৈ যৌৱনকাল বাঢ়ি যোৱাৰ লগে লগে জীৱনৰ উপভোগো বেছিকৈ কৰিছোঁ । মোৰ জীৱনৰ অতি হেঁপাহৰ বস্তুবোৰ কি তাক জানিব পৰা বাবেই কিছু পৰিমাণে জীৱনৰ সুখ ভোগ কৰা সম্ভৱ হৈছে আৰু লাহে লাহে সেইবিলাকৰ বেছি ভাগেই ভালকৈ বুজি-মেলি ল'ব পৰা হৈছোঁ ।"

ৰাছেলে যেতিয়া এই স্বীকাৰোক্তি দিছিল তেতিয়া তেওঁৰ বয়স হৈছিল পঞ্চাশ বছৰৰো ওপৰত । এসময়ত জীৱন সম্পৰ্কে হতাশাগ্ৰস্ত হৈ আত্মহত্যাৰ চিন্তা কৰা ব্যক্তিগৰাকী আঠানব্বৈ বছৰকাল জীয়াই আছিল । তাতোকৈ ডাঙৰ কথা যে, ৰাছেলে 'The Conquest of Happiness', 'History of Western Philosophy', 'Education and the Social Order', 'Has Man a Future', 'Roads to Freedom', 'Human Knowledge : Its Scope and Limits, 'The Analysis of Mind', 'Our Knowledge of the External World', 'An Inquiry into Meaning and Truth', 'Marriage and Morals', 'Mysticism and Logic' আদি গ্ৰন্থ ৰচনা কৰি ১৯৫০ চনৰ সাহিত্যৰ নোবেল বঁটা লাভ কৰিছিল । জীৱন সাধনাৰে আত্মহত্যাৰ চিন্তাক দূৰ কৰা বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে অনেক বিখ্যাত চিন্তাবিদেও আত্মহননৰ বিপৰীতে জীৱনক জয়ী কৰিবলৈ সক্ষম হৈছে । তেনে লোকৰ জীৱন-কৰ্ম আৰু চিন্তা-চেতনাৰ বিশ্লেষণ কৰাৰ আগতে আমি আত্মহত্যাৰ অন্তৰ্নিহিত কাৰণবোৰ বিশ্লেষণ কৰাটো যুগুত হ'ব ।

মনোবিজ্ঞানী ফ্ৰয়েডৰ মতে, মানুহে আত্মহত্যা কৰে আত্ম-প্ৰতিশোধৰ বাবে । তেওঁৰ মতে, অতিৰিক্ত অহমিকাবোধৰ (Super Ego) পৰা আত্ম-প্ৰতিৰোধৰ ভাৱ মনলৈ আহে আৰু তেনে অহমিকাবোধত ভোগা ব্যক্তিসকল ব্যক্তি-জীৱনত অতি সোনকালেই বিষণ্ণ হৈ পৰে । ফ্ৰয়েডে ভাৱে যে, বিষণ্ণতা মানুহৰ অন্যতম বেমাৰ আৰু ই হ'ল মানুহৰ আত্মহননৰ অন্যতম কাৰক ।

আত্মকেন্দ্ৰিকতাই মানুহৰ মনত অহমিকাবোধৰ জন্ম দিয়ে । ফৰাচী সমাজতাত্বিক

এমিল ডাৰ্কহাইমে তেওঁৰ বিখ্যাত গ্ৰন্থ 'লা চুইচাইড'ত (La Suicide) অহমিকাবোধৰ ফলত সংঘটিত হ'ব পৰা আত্মহত্যাক আত্মকেন্দ্ৰিক আত্মহত্যা (Egoistic Suicide) বুলি অভিহিত কৰিছে। ডাকহাইমৰ মতে আত্মহত্যাক তিনিটা ভাগত ভগাব পাৰি। যথা— ১। আত্মকেন্দ্ৰিক আত্মহত্যা (Egoistic Suicide) ২। নিঃস্বাৰ্থ বা পৰাৰ্থী আত্মহত্যা (Altruistic Suicide) আৰু ৩। নৈতিকতাবিহীন বা শৃঙ্খলতাবিহীন আত্মহত্যা (Anomic Suicide)। ইয়াৰে আত্মকেন্দ্ৰিক আত্মহত্যা ব্যক্তি বিশেষৰ মানসিক প্ৰতিৰক্ষা ক্ষমতা (Immunity) কমি যোৱাৰ ফলত অতিৰঞ্জিত আত্মকেন্দ্ৰিকতাৰ কবলত পৰি সংঘটিত হয়। পৰাৰ্থী আত্মহত্যাই মানুহৰ মনত বাহ সাজে হতাশাগ্ৰস্ততাৰ ফলত। সমাজৰ প্ৰতি কোনো এজন মানুহ অধিক দায়বদ্ধ হ'লে সেইজন যদিহে কৰ্ত্তব্য পালনত ব্যৰ্থ হয় তেতিয়া মানুহজন পৰাজয় অথবা ব্যৰ্থতাৰ আলিদোমোজাত থিয় হৈ হতাশাত ভোগে। নিঃসঙ্গতা আৰু সমাজৰ মানুহ বা লগৰীয়াৰ পৰা পোৱা অৱহেলাৰ ফলত একালৰ সমাজপ্ৰিয় মানুহজন ক্ৰমান্বয়ে মানসিকভাৱে দুৰ্বল হৈ পৰে আৰু অৱশেষত পৰাৰ্থী আত্মহত্যাৰ আশ্ৰয় লয়। আনহাতে নৈতিকতাহীন আত্মহত্যাৰ মূল কাৰণ হ'ল—যেতিয়া ব্যক্তি এজনৰ ব্যৱহাৰিক জীৱনত নৈতিকতাৰ অৱমূল্যায়ণ ঘটে তেতিয়া তেওঁৰ মানসিক বিকাৰগ্ৰস্ততা বৃদ্ধি পাবলৈ ধৰে আৰু তেনে বিকাৰগ্ৰস্ততাৰ ফলতেই তেওঁ আত্মহত্যাৰ পথ বাছি লয়।

সমগ্ৰ পৃথিৱী জুৰি আত্মহত্যাৰ যিবোৰ ঘটনা ঘটি আছে সেইবোৰৰ বেছিভাগেই এনʼমিক বা নৈতিকতাবিহীন আত্মহত্যা। পৰাৰ্থী আত্মহত্যাৰ বলি হোৱা লোকো কম নহয়। এনে ধৰণৰ আত্মহত্যাৰ ঘটনা বাঢ়ি যোৱাৰ অন্যতম কাৰণ হ'ল সৰ্বত্ৰতে গা কৰি উঠা ভ্ৰষ্টাচাৰ আৰু অসামাজিক পৰিবেশ। আধুনিক ভোগবাদী জীৱন ব্যৱস্থাই মানুহক ক্ৰমান্বয়ে ব্যক্তিকেন্দ্ৰিক কৰি গঢ়ি তোলাৰ ফলত সামাজিক বান্ধোন ঢিলা হৈ পৰিছে আৰু সমাজৰ পৰা সামূহিক চিন্তা-কৰ্মই বিদায় ল'বলৈ ধৰিছে। তেনে অৱস্থাতো যিসকল মানুহ সৎ, সামাজিক বহুমাত্ৰিক চিন্তাপুষ্ট হৈ থকাৰ বাবে যত্ন কৰি আছে তেওঁলোকে কিবা কাৰণত হতাশগ্ৰস্ত হৈ পৰিলেই পৰাৰ্থী আত্মহত্যাৰ বলি হৈ পৰে।

আমাৰ সমাজত পৰাৰ্থী আত্মহত্যাতকৈ আত্মকেন্দ্ৰিক আত্মহত্যাৰ ঘটনা কিছু কম। যিসকল ব্যক্তি আত্মকেন্দ্ৰিক তেওঁলোক বহু পৰিমাণে একাকী, স্বাৰ্থপৰ আৰু সংকীৰ্ণমনা হৈ পৰাৰ থল থাকে। এনে লোকৰ আত্মবিশ্বাস কম আৰু সহজতেই আত্ম-প্ৰতাৰণা কৰিব পাৰে। এনে লোকে যিবোৰ কাৰণত আত্মহত্যা কৰে তাৰে বেছিভাগেই একান্ত পাৰিবাৰিক দ্বন্দ আৰু ব্যক্তিগত আক্ৰোশ বা হিংসাৰ ফলত হ'ব পৰা ঘটনা। নিজৰ মতকে শুদ্ধ বুলি ধৰি থকাৰ পিছত যেতিয়া নিজে কিবা কাৰণত





হাৰি যায় তেতিয়া ব্যক্তিকেন্দ্ৰিক মানুহবোৰ হতাশাত ভোগাৰ উপৰিও নিজৰ ব্যৰ্থতা ঢাকিবলৈ লোকচক্ষুৰ পৰা পলায়ণ কৰিব খোজে। তদুপৰি একান্ত আপোনজনে প্ৰতাৰণা বা বিশ্বাসঘাতকতা কৰিলেও সেইজনৰ প্ৰতি মনৰ মাজত সঞ্চিত হোৱা ক্ষোভ আৰু ঘৃণাৰ অৱসান বিচাৰিয়ো বহুতে আত্মহত্যা কৰে। এনে আত্মহত্যাৰ হতাশগ্ৰস্ত ব্যক্তিজনে বিশ্বাসঘাতকতা কৰা ব্যক্তিজনৰ মনো-চেতনাত স্থায়ী আঘাত হানিবলৈয়ো আত্মহত্যা কৰি নিজে নিজৰ পৰা বিদায় লয়। এনে আত্মকেন্দ্ৰিক আত্মহত্যাৰ বলি হোৱা ব্যক্তিসকলৰ সৰহভাগেই ভাৱবাদী দৰ্শনত বিশ্বাসী। তেওঁলোকে ভাৱে যে বিশ্বাসঘাতক ব্যক্তি বা সমাজ জীৱনৰ পৰা আঁতৰি গ'লে পৰজনমত আন এক নতুন জীৱন লাভ কৰিব পৰা যাব আৰু সেই জীৱনক আগৰ ব্যৰ্থ জীৱনতকৈ অধিক সফলৰূপত গঢ় দিব পৰা যাব। মূলতঃ মানসিকভাৱে দুৰ্বল ব্যক্তিসকলেই এনে আত্মহত্যাৰ বলি হোৱা দেখা যায়। মহিলাসকলৰ সংখ্যা এইক্ষেত্ৰত বেছি। কাৰণ, স্বাভাৱিক কাৰণতেই মহিলাসকল মানসিকভাৱে দুৰ্বল আৰু পৰকালত অধিক বিশ্বাসী। তদুপৰি প্ৰেম, লাঞ্ছনা, সমাজৰ কুপদৃষ্টি আদিৰ বলিও মহিলাসকলেই বেছিকৈ হয়। সেয়ে প্ৰেমৰ ব্যৰ্থতাৰ নিৰাময়, লাঞ্ছনা-গঞ্জনাৰ অৱসান, কুপদৃষ্টিৰ পৰা পলায়ন আদি বিভিন্ন কাৰণত মহিলাসকলে আত্মহত্যা কৰে।

নৈতিকতাবিহীন বা শৃংখলাবিহীন আত্মহত্যাৰ বলি হোৱা বেছিভাগ লোকৰেই বয়স কম। ব্যক্তিগত আৰু সামাজিক জীৱনতো তেনে লোক উশৃংখল আৰু নৈতিকতাবিহীন। আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স, জাপান আদি দেশত সংঘটিত হোৱা আত্মহত্যাৰ সৈতে জড়িত ব্যক্তিসকলৰ বেছিভাগেই যুৱক-যুৱতী বা প্ৰৌঢ়-প্ৰৌঢ়া। পশ্চিমীয়া মুক্ত জীৱন ব্যৱস্থাৰ বলি হৈ এওঁলোকৰ বেছিভাগেই অনৈতিকতা আৰু শৃংখলাহীনতাৰে জীৱনৰ ব্যৰ্থতা মাতি আনে আৰু অৱশেষত সেই ব্যৰ্থতাৰ পৰা মুক্তি পাবলৈকে তেওঁলোকে আত্মহত্যাৰ পথ বাছি লয়। এনে নৈতিকতাবিহীন আত্মহত্যাত পৰজন্ম বা অলৌকিক চিন্তাৰ বিশেষ প্ৰভাৱ নাথাকে।

**দুই ঃ আত্মহত্যাৰ পৰা আঁতৰি থকাৰ উপায় কি ?**

আত্মহত্যা বা আত্মহননৰ পৰা আঁতৰি থকাৰ উপায় নাইনে ? এই প্ৰশ্নটিৰ উত্তৰ বিচৰাৰ আগতে আমি চিন্তাবিদ ভল্টেয়াৰৰ এষাৰ কথা উদ্ধৃত কৰিব বিচাৰিছোঁ। ভল্টেয়াৰে আত্মহত্যাৰ পৰা আঁতৰি থকাৰ উপায় হিচাপে এটা পৰামৰ্শ দি কৈছে যে, তুমি যদিহে আত্মহত্যাৰ পৰা আঁতৰি থাকিব খোজা তেনেহ'লে কিবা এটা কামত লাগি থাকিবা। এই লাগি থকা কামটো বিভিন্ন ধৰণৰ হ'ব পাৰে; যেনেঃ

পঢ়া-শুনা কৰা, সামাজিক-সাংস্কৃতিক কামত লাগি থকা, নিজৰ পৰিয়ালৰ চোৱা-চিতা, দেশৰ কল্যাণৰ হ'কে কাম কৰা, ব্যৱসায়-বাণিজ্যত লাগি থকা ইত্যাদি । যাৰ যি কাম, তাত লাগি থাকিলে কেতিয়াও হতাশাই মনৰ মাজত বাহ সাজিব নোৱাৰে । কামে জীৱনক চহকী কৰে, অৰ্থপূৰ্ণ কৰি তোলে । চিডনী স্মিথ নামৰ চিন্তাবিদ গৰাকীয়ে কৈছিল যে, ব্যস্ত হৈ থকা মানুহবোৰৰ মনত অতি সোনকালেই হতাশাই ভীৰ কৰে । সেয়ে তেওঁ হতাশাক জয় কৰা সন্দৰ্ভত কৈছে—"হতাশাক কেতিয়াও প্ৰশ্ৰয় নিদিবা; তাক লাহে লাহে বাধা দিয়া । অন্যথাই হতাশাই তোমাক গ্ৰাস কৰি পেলাব ।"

মনৰ পৰা হতাশাৰ ভাৱ দূৰ কৰিবলৈ কিবা এটা কামত লাগি থকাৰ উপৰিও আমি আত্মহত্যাৰ চিন্তা আঁতৰ কৰিব পৰা আন কিছুমান ব্যৱস্থা হ'ল—আত্মকেন্দ্ৰিক মনোভাৱ দূৰ কৰা, একাকীত্বৰ বিপৰীতে সমাজমুখী হ'বলৈ যত্ন কৰা, ব্যৰ্থতাত হতাশ নহৈ পুনৰায় কৃতকাৰ্য হোৱাৰ লক্ষ্যৰে কাম কৰি যোৱা, মনৰ পৰা ভয় ভাৱ দূৰ কৰা, সুখ-আৰু অসুখৰ ধাৰণাক আপেক্ষিক বুলি মানি লোৱা, অপবাদ, ষড়যন্ত্ৰ বা পৰাজয়ৰ কথা নেভাবি প্ৰতিযোগী মন এটা লৈ কাম কৰি যোৱা ইত্যাদি ।

---





# প্ৰেমৰ ধাৰণা

প্ৰেম বা ভালপোৱা সম্পৰ্কে যিসকল বিশিষ্ট লোকে বিশ্লেষণ বা মন্তব্য আগবঢ়াইছে তেওঁলোকৰ মাজত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ভলাদিমিৰ ইলিচ লেনিনৰ মন্তব্যই উচ্চ-চিন্তাসম্পন্ন আৰু অধিক সুৰুচিকৰ যেন ধাৰণা হয় । এবাৰ লেনিনক কেইজনমান যুৱক-যুৱতীয়ে প্ৰশ্ন কৰিছিল—'প্ৰেম কি' বুলি । লেনিনে এই প্ৰশ্নৰ উত্তৰত কৈছিল—'প্ৰেম হ'ল জৈৱিক আসক্তি আৰু সাংস্কৃতিক সংযোগ' (Love is biology plus culture.)

লেনিনে প্ৰেম সম্পৰ্কে এটা বাক্যত উত্তৰ দিলেও তেওঁ 'Biology' আৰু 'Culture' ৰ কোনোটোকে বিশেষভাৱে আগস্থান দিয়া নাই যেন লাগে । কিন্তু জীৱন সম্পৰ্কে লেনিনৰ দৃষ্টিভংগীৰ বিচাৰ কৰিলে দেখা যায় যে প্ৰেমৰ ক্ষেত্ৰত তেওঁ 'Culture'ক প্ৰথম আৰু 'Biology' ক দ্বিতীয় স্থান দিছিল । অৰ্থাৎ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাৰ প্ৰথম চৰ্ত হ'ব লাগিব সংস্কৃতি—এয়াই হ'ল লেনিনৰ প্ৰেম সম্পৰ্কীয় দৃষ্টিভংগী । ইয়াত সংস্কৃতি বুলি কওঁতে হৃদয় আৰু মনৰ সংযোগৰ কথা কোৱা হৈছে । হৃদয় আৰু মনৰ সংযোগ অবিহনে কেৱল দৈহিক চাহিদা পূৰণৰ অৰ্থে যি প্ৰেম গঢ়ি উঠে সেই প্ৰেম হ'ল জৈৱিক আসক্তিৰ কাৰক । এনে প্ৰেমৰ স্থায়িত্ব বৰ কম । প্ৰেমিক-প্ৰেমিকাৰ দৈহিক লালসা পূৰণ হ'লে প্ৰেমৰ গুৰুত্ব কমি যায় । সেয়ে জৈৱিক আসক্তিৰ প্ৰেমক অস্থায়ী আৰু বিকৃত প্ৰেম বুলি কোৱা হয় । এই বিচাৰত সাংস্কৃতিক প্ৰেম হ'ল স্থায়ী প্ৰেম । দৈহিক সম্পৰ্ক গঢ়ি নুঠিলেও প্ৰেমিক-প্ৰেমিকাৰ মন আৰু মগজুত এনে প্ৰেমে সমগ্ৰ জীৱন জুৰি ক্ৰিয়া কৰি থাকে । আনহাতে প্ৰেম জৈৱিক আসক্তি বা সাংস্কৃতিক সংযোগৰ কাৰক হ'লেও এই দুয়োটাৰ মিলনত প্ৰেমে মানুহৰ মনত বিস্ময়ৰ সৃষ্টি কৰিব পাৰে । ফ্ৰান্সৰ লেখক স্তাভালে প্ৰেমক সভ্যতাৰ যি বিস্ময় সৃষ্টি বুলি কৈছে, তাৰ সৈতে জৈৱিক আসক্তি আৰু মন-মগজুৰ সাংস্কৃতিক সংযোগৰ গভীৰ সম্পৰ্ক আছে । এই বিস্ময়-সৃষ্টিক স্থায়ী আৰু সংহত ৰূপ দিবলৈ হ'লে প্ৰেমিক-প্ৰেমিকাৰ ক্ষেত্ৰত প্ৰথমতেই গঢ়ি উঠিব লাগিব মন আৰু মগজুৰ সাংস্কৃতিক সংযোগ আৰু তাৰ পিছতহে জৈৱিক আসক্তি ।

প্ৰেম সম্পৰ্কে লেনিনৰ ধাৰণাৰ সৈতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিন্তাৰ সংযোগ ঘটা দেখা যায় । ৰবীন্দ্ৰনাথে প্ৰেমক 'ভালপোৱা' আৰু 'ভাল লগোৱা'—এই দুই ভাগত

ভাগ কৰিছিল । তেওঁৰ মতে, ভাল পোৱাটো স্থায়ী আৰু ভাল লগোৱাটো অস্থায়ী । অৰ্থাৎ প্ৰেমৰ সাংস্কৃতিক সংযোগ স্থায়ী আৰু জৈৱিক আসক্তি বা শাৰীৰিক সম্পৰ্কটো অস্থায়ী । ৰবীন্দ্ৰনাথৰ মতে প্ৰেমৰ ৰহস্য যিহেতু অতি প্ৰাচীন আৰু দুৰ্গম, সেয়ে এই ৰহস্যই আপোন সাৰ্থকতাৰ বাবে তৰ্কৰ ওপৰত নিৰ্ভৰ নকৰে । প্ৰেমৰ সাংস্কৃতিক সংযোগ ঘটিলে অৰ্থাৎ বাস্তৱ অৰ্থত ইজনে সিজনক ভাল পালে ভালপোৱা আৰু প্ৰেমৰ সম্পৰ্ক তৰ্কাতীত হৈ পৰে ।

লেনিন আৰু ৰবীন্দ্ৰনাথৰ দৃষ্টিৰে প্ৰেমৰ বিচাৰ কৰিলে দেখা যায় যে শতকৰা ৯৯ ভাগ প্ৰেম-কাহিনী বা প্ৰেমৰ সম্পৰ্কৰ মাজত সাংস্কৃতিক সংযোগ নাই । আজিৰ ভোগবাদী সমাজত প্ৰেমে সাংস্কৃতিক সংযোগ হেৰুৱাই ক্ৰমান্বয়ে জৈৱিক আসক্তিৰ ৰূপ ল'বলৈ ধৰিছে । প্ৰেম মানে যে ৰূপ-বন্দনা, ধন-সম্পদ, যৌন-সম্ভোগ আৰু অবাধ চলা-ফিৰা এনে এটা ধাৰণাই আজিৰ সৰহভাগ ডেকা-গাভৰুৰ মনত খোপনি পোতাৰ মূলতেই হ'ল পশ্চিমীয়া সভ্যতাই আনি দিয়া অপ-সংস্কৃতি আৰু ভোগবাদী মানসিকতা । পুঁজিবাদী সমাজ-ব্যৱস্থাত যেতিয়া মানৱীয় প্ৰমূল্যবোধৰ সকলোবোৰ সমল অসাৰ হৈ পৰে, তেতিয়া যৌনতা আৰু সন্ত্ৰাসক মূল অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে শাসকবৰ্গই । উদাহৰণ স্বৰূপে আমেৰিকাৰ কথাকে ক'ব পাৰি । সাম্ৰাজ্য বিস্তাৰ আৰু পুঁজি সংগ্ৰহৰ নামত আমেৰিকান সাম্ৰাজ্যবাদে আজি সমগ্ৰ পৃথিৱী জুৰি অস্ত্ৰ বিক্ৰীৰ বজাৰ সৃষ্টি কৰাৰ লগে লগে বজাৰত এৰি দিছে কিছুমান সস্তীয়া সামগ্ৰী । সেই সস্তীয়া সামগ্ৰীবোৰ সংগ্ৰহ আৰু ব্যৱহাৰৰ নামত হতাশগ্ৰস্ত বা ভোগবাদী মানসিকতাৰ একাংশ যুৱক-যুৱতীয়ে যৌনতা আৰু প্ৰেমক একেটা ৰূপত চোৱাৰ চেষ্টা কৰিছে । এই ক্ষেত্ৰত স্বয়ং আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টনে পথ-প্ৰদৰ্শকৰ ভূমিকা লৈছে । ১৯৯৮ চনত বিল ক্লিণ্টন আৰু মণিকা নামৰ গাভৰুগৰাকীৰ মাজৰ যৌন সম্পৰ্কৰ খবৰেই সাম্ৰাজ্যবাদী আৰু পুঁজিবাদী শক্তিৰ মানসিকতাৰ পৰিচয় দাঙি ধৰে । এই ক্লিণ্টনৰূপী অসুৰ-প্ৰেমৰ পৰা ৰক্ষা পাবলৈ হ'লে মানুহৰ মনৰ মাজত পাপবোধৰ বিচাৰ কৰিব পৰা শক্তি থাকিব লাগিব । প্ৰেমিকে যেতিয়া প্ৰেমিকাক কেৱল প্ৰণয়িনীৰূপেহে কল্পনা কৰে তেতিয়া পাপবোধৰ বিচাৰ কৰিব পৰা শক্তি কমি যায় । কিন্তু যেতিয়াই প্ৰেমিকে প্ৰেমিকাৰ মাজত এগৰাকী মাতৃ বা ভগ্নীৰ প্ৰতিচ্ছবি দেখিবলৈ পায়, তেতিয়াই সেই প্ৰেমত সাংস্কৃতিক সংযোগ ঘটে; প্ৰেমে হৃদয় আৰু মন জয় কৰে । এনে প্ৰেমে অনুভৱ আৰু উপলব্ধিৰ জগতখনৰ পৰিধি অধিক বহল কৰে ।

প্ৰেমৰ দৈহিক আৰু সাংস্কৃতিক সম্পৰ্কৰ বিচাৰ কৰিবলৈ যাওঁতে বিশ্ব-বিশ্ৰুত চিন্তাবিদ বাৰ্ট্ৰাণ্ড ৰাছেলৰ 'The Conquest of Happiness' গ্ৰন্থৰ এটা অধ্যায়ত





উল্লেখ কৰা এষাৰ কথা মনত পৰে । এজন ল'ৰাই পাপ কাম কিয় কৰে, কিয় এজন মানুহ অসুখী হয়---এই সন্দৰ্ভত বিস্তৃত আলোচনা কৰি বাৰ্ট্ৰাণ্ড ৰাছেলে গ্ৰন্থখনত লিখিছে---"যেতিয়া তেওঁ কোনো গাভৰুৰ প্ৰেমত পৰে, তেতিয়া তেওঁ প্ৰণয়িনীৰ পৰা মাকৰ দৰে মৰম চেনেহ পাবলৈ আশা কৰে । কিন্তু যেতিয়াই সেইজন ল'ৰা আৰু গাভৰু গৰাকীৰ মাজত দৈহিক মিলন ঘটিব, ঠিক তেতিয়াৰ পৰা সেই গাভৰু গৰাকীক তেওঁ নাৰীৰূপে শ্ৰদ্ধা কৰিব নোৱাৰে ।"

প্ৰেমৰ ক্ষেত্ৰত ঘটিব পৰা দৈহিক মিলনৰ পৰা হাত সাৰিবলৈ ৰাছেলে আত্মপ্ৰেমৰ কথা কৈছে । লেনিনৰ 'সাংস্কৃতিক সংযোগ' আৰু ৰবীন্দ্ৰনাথৰ 'ভালপোৱা'ৰ সৈতে ৰাছেলৰ এই 'আত্মপ্ৰেম'ক তুলনা কৰিব পৰা যায় । ৰাছেলে আত্মপ্ৰেম সম্পৰ্কে কৈছে---"ক'বলৈ গলে আত্মপ্ৰেম হৈছে অভ্যাসজাত পাপবোধৰ বিপৰীতধৰ্মী । এই আত্মপ্ৰেম সোমাই থাকে নিজকে ভালপোৱাৰ অভ্যাসত আৰু আনৰ দ্বাৰা ভালপোৱাৰ বাসনাত । অৱশ্যে ধৰা-বন্ধা এটা সীমালৈকে ই স্বাভাৱিক আৰু এই বিষয়ে ভাবিবলৈকো একো নাই । কিন্তু এই আত্মপ্ৰেম শেষ অৱস্থাত উপস্থিত হোৱাটোহে ভীষণ অনিষ্টকৰ । বহুতো নাৰীৰ ক্ষেত্ৰত, বিশেষকৈ ধনী সমাজৰ মহিলাসকলৰ বেলিকা পুৰুষৰ প্ৰেমত পৰিব পৰা ক্ষমতা একেবাৰেই শেষ হৈ যায় আৰু ইয়াৰ সলনি তেওঁলোকৰ মনত এনে এটা তীব্ৰ কামনা জন্মে, যেন সকলো পুৰুষেই তেওঁলোকক ভাল পাওঁক, তেওঁলোকৰ প্ৰেমত পৰক ।"

প্ৰকৃত প্ৰেমৰ ধাৰণা সম্পৰ্কে উপৰি উক্ত তিনি গৰাকী মহৎ ব্যক্তিয়ে দাঙি ধৰা বিশ্লেষণৰ শেষ সত্য নিহিত হৈ থাকে প্ৰেমিক-প্ৰেমিকাৰ যুগ্ম জীৱন বা বন্ধন-মুক্তিৰ ওপৰত । পোলিশ প্ৰবচন এটাত কোৱা হয় যে নাৰীয়ে বিবাহৰ আগতে কান্দে, কিন্তু পুৰুষে কান্দে বিবাহৰ পিছত । যিসকল প্ৰেমিক-প্ৰেমিকাই বিবাহৰ আগতেই দৈহিক সম্পৰ্ক স্থাপন কৰে তেওঁলোকৰ বাবে পোলিশ প্ৰবচনৰ এইষাৰ কথা বহু পৰিমাণে সত্যত পৰিণত হয় । কিন্তু যিসকল প্ৰেমিক-প্ৰেমিকাই প্ৰেমক সাংস্কৃতিক আসক্তিৰূপে গ্ৰহণ কৰে তেওঁলোকৰ বৈবাহিক জীৱন সদায় হাস্যমুখৰ আৰু আনন্দদায়ক হয় । আনকি বিশেষ পাৰিবাৰিক বা বৃত্তিগত কাৰণতো যদি প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমৰ সম্পৰ্ক বিচ্ছিন্ন হয় তেনেহ'লে বিচ্ছেদৰ পিছতো তেওঁলোকৰ পূৰ্বপ্ৰেমে আমনি নকৰে, যদিহে সেই প্ৰেমত আত্মবোধ বা সাংস্কৃতিক সংযোগ থাকে । ধুনীয়া মহিলা এগৰাকী অলংকাৰ হ'ব পাৰে কিন্তু তেওঁ সম্পদ নহ'বও পাৰে; অৱশ্যে এগৰাকী মহান মহিলা ধুনীয়া নহ'লেও তেওঁ সম্পদ হ'ব পাৰে । আত্মপ্ৰেম বা প্ৰেমৰ সাংস্কৃতিক সংযোগো ঠিক তেনেকুৱাই; ই মহৎ বাবেই ইয়াৰ মূল্য আছে; মূল্য আছে বাবেই ই হেৰাই নাযায়; মানুহৰ হৃদয়ত বন্তি হৈ জ্বলে ।

# নাৰী, প্ৰেম আৰু কাৰ্লমাৰ্ক্স

নাৰীৰ দেহক মন্দিৰৰ সৈতে তুলনা কৰা হয় যদিও বহুতৰেই ধাৰণা যে নাৰীৰ দেহাটো পাণশালা; যেতিয়াই তেতিয়াই ইয়াক উপভোগ কৰিব পৰা যায়। নাৰীৰ প্ৰতি জন্মা এনে সস্তীয়া ধাৰণাই মন্দিৰস্বৰূপ নাৰীৰ দেহাক ক্ৰমে ভোগৰ পণ্য-সামগ্ৰীত পৰিণত কৰিছে। আমি পূৰ্বৰ অধ্যায়ত প্ৰেম সম্পৰ্কে লেনিনৰ দৃষ্টিভংগীৰ আলোচনা কৰিছোঁ। এতিয়া নাৰী আৰু প্ৰেম সম্পৰ্কে দৃষ্টিভংগীৰ আলোচনা কৰিম। কাৰ্লমাৰ্ক্সে তেওঁৰ একান্ত ঘৰুৱা জীৱনত বন্ধুসকলৰ দ্বাৰা মাজে মাজে কিছুমান প্ৰশ্নৰ সম্মুখীন হৈছিল। এবাৰ কাৰ্লমাৰ্ক্সক সোধা হৈছিল—নাৰীৰ প্ৰিয় গুণ কি ? কাৰ্লমাৰ্ক্সে উত্তৰত কৈছিল—'নাৰীৰ প্ৰিয় গুণ হ'ল দুৰ্বলতা।' পুৰুষৰ ক্ষেত্ৰত কাৰ্লমাৰ্ক্সৰ এই প্ৰশ্নৰ উত্তৰ আছিল সম্পূৰ্ণ বিপৰীত। মাৰ্ক্সৰ মতে, পুৰুষৰ প্ৰিয় গুণ হ'ল সবলতা। মাৰ্ক্সবাদৰ অনুগামী আৰু চীন বিপ্লৱৰ নেতা মাও চে তুঙে নাৰীক অভিহিত কৰিছিল অৰ্দ্ধ-আকাশ বুলি। এইখিনিতে লেনিন আৰু মাও চে তুঙৰ দৃষ্টিৰ কিছু মিল বিচাৰি পোৱা যায়; কিন্তু কাৰ্লমাৰ্ক্সৰ সৈতে এই দুগৰাকী মাৰ্ক্সবাদীৰ নাৰী সম্পৰ্কীয় দৃষ্টিভংগীৰ যথেষ্ট পাৰ্থক্য আছে।

সমগ্ৰ জীৱন সাম্যবাদী তত্ত্বৰ উদ্ভাৱনত জড়িত থকা বাবে কাৰ্লমাৰ্ক্সে নাৰী আৰু প্ৰেম সম্পৰ্কীয় সুকীয়া লেখা-মেলা কৰা নাছিল। মাথোন দুই-এটা লেখাৰ কিয়দংশ আৰু পত্নী জেনীলৈ লিখা চিঠি-পত্ৰ কিছুমানতহে কাৰ্লমাৰ্ক্সে নাৰী সম্পৰ্কীয় প্ৰেমৰ অনুভূতিৰ কথা কৈছে। মাৰ্ক্স আছিল বাস্তৱবাদী; সেয়ে তেওঁৰ লেখা-মেলাত প্ৰেমক মানুহৰ মাজৰ সামাজিক সম্পৰ্কৰ আনুভূতিক বিষয় বুলি উল্লেখ কৰিছিল। ৰোমাণ্টিক ভাবালুপতা আৰু যৌনতা-সৰ্বস্ব প্ৰেমে লেখা-মেলাত ঠাই পোৱা নাছিল। মাৰ্ক্সৰ মতে প্ৰেম হ'ল—"এটা সত্তাৰ সৈতে আন এটা সত্তাক মিলিবলৈ দি ব্যক্তি-জীৱনৰ ব্যক্তিত্বৰ বিকাশ ঘটোৱা কাৰ্য। তেওঁৰ মতে প্ৰেম হ'ল 'আত্ম-সমৰ্পণ'; সেয়ে প্ৰকৃত প্ৰেমৰ ক্ষেত্ৰত দিওঁতা আৰু লওঁতাৰ মাজত কোনো ধৰণৰ একক ব্যক্তিস্বাৰ্থ আৰু মানসিক বিভাজন থাকিব নালাগে।" অৰ্থনীতি আৰু দৰ্শন বিষয়ক পাণ্ডুলিপি শীৰ্ষক লেখাত মাৰ্ক্সে কৈছে—"মানুহক মানুহৰূপে আৰু জগতৰ লগত তেওঁৰ সম্পৰ্ক সমূহক মানৱীয় বুলি ভাবিবা; তেতিয়াহে প্ৰেমৰ সলনি প্ৰেম আৰু বিশ্বাসৰ সলনি বিশ্বাস বিনিময় কৰিব পাৰিবা।" এই কথাখিনিকে অধিক বহলাই





মাৰ্ক্সে কৈছে—"...প্ৰেম জাগ্ৰত নকৰাকৈ তুমি যদি প্ৰেম কৰা; অৰ্থাৎ তোমাৰ প্ৰেমে যদিহে তোমাৰ প্ৰতি অনুৰূপ প্ৰেমৰ জন্ম দিব নোৱাৰে, প্ৰেমিক হিচাপে তুমি যদিহে তোমাৰ জীৱন্ত প্ৰকাশৰ মাজেৰে নিজক এজন প্ৰিয় ব্যক্তিৰূপে গঢ়ি তুলিব নোৱাৰা, তেনেহ'লে তোমাৰ প্ৰেম হ'ব ক্লীৱ—এক দুৰ্ভাগ্য।" প্ৰেম সম্পৰ্কে মাৰ্ক্সৰ এই অভিব্যক্তি যে তেওঁৰ সমাজবাদী চিন্তা-চেতনাৰ পৰাই উদ্ভুত সেয়া নিশ্চিত।

মাৰ্ক্সৰ এই প্ৰেম সম্পৰ্কীয় লেখাত মানৱীয় দৃষ্টিভঙ্গীও প্ৰকাশ পাইছে। মাৰ্ক্সৰ প্ৰেম সম্পৰ্কীয় চিন্তা মাৰ্ক্সবাদৰ অন্যতম বুনিয়াদ। যিসকল 'মুক্ত প্ৰেমিকে' মাৰ্ক্সবাদক নিৰস আৰু কঠোৰ দৰ্শন বুলি ভাৱে অথবা যিসকল 'কট্টৰবাদী' বা 'মৌলবাদী'য়ে মাৰ্ক্সবাদক 'খোলা-মেলা' দৰ্শন বুলি ভাৱে তেওঁলোকে মাৰ্ক্সৰ প্ৰেম সম্পৰ্কীয় চিন্তা-চেতনাৰ পৰা শিক্ষা লোৱা ভাল। কাৰণ, মাৰ্ক্সবাদে এই দুবিধ চিন্তা-ধাৰাৰ এটাকো সম্পূৰ্ণৰূপে গ্ৰহণ কৰা নাই; দুয়োটাৰ মাজৰটোহে গ্ৰহণ কৰিছে। এফালে প্ৰেমৰ মুক্ত সম্পৰ্কই ডেকা-গাভৰুৰ জীৱনলৈ অস্থিৰতা নমাই আনিব পাৰে আৰু আনফালে একেবাৰে নিৰস-সম্পৰ্কই প্ৰেমিক-প্ৰেমিকাক কাঠ আৰু গঁজালত পৰিণত কৰিব পাৰে। এই দুয়োটাৰ মাজত প্ৰেমে সুস্থ আৰু সাংস্কৃতিক বিকাশ লাভ কৰিব নোৱাৰে। প্ৰেমৰ আনুভূতিক মানৱীয় আৰু সাংস্কৃতিক বিকাশ লাভ কৰিবলৈ এফালে সংযমক গুৰুত্ব দিব লাগিব আৰু আনফালে প্ৰেমৰ মাজেৰে সৌন্দৰ্যৰ প্ৰতি আকৰ্ষণ আৰু মানৱীয় চেতনাকো জগাই তুলিব লাগিব। ইয়াত সৌন্দৰ্যৰ কথা কওঁতে কেৱল দৈহিক সৌন্দৰ্যক গুৰুত্ব দিয়া হোৱা নাই; মানসিক বা অন্তৰ্লোকৰ সৌন্দৰ্যকো সমানেই গুৰুত্ব দিয়া হৈছে। বৰঞ্চ পিছৰটোহে অধিক আকৰ্ষণীয় আৰু মুখ্যতম।

মাৰ্ক্সে এই কথাও কৈছে যে নাৰী-পুৰুষৰ প্ৰেমৰ সম্পৰ্কই তেতিয়াহে পূৰ্ণতা পাব, যেতিয়া প্ৰেমৰ মাজত মানৱীয় সম্পৰ্কৰ উপৰিও সামাজিক সত্তাৰো বিচাৰ কৰিব পৰা যাব। এই দুয়োটা দিশ সম্পৰ্কে মাৰ্ক্সে একেটা লেখাত কৈছে—"মানুহ আৰু মানুহৰ মাজৰ আটাইতকৈ পোনপটীয়া আৰু স্বাভাৱিক সম্পৰ্ক হ'ল নাৰী-পুৰুষৰ সম্পৰ্ক।...এই সম্পৰ্কৰ বৈশিষ্ট্যৰ পৰা জানিব পাৰি যে মানুহে এটা প্ৰজাতি বা সত্তাৰূপে নিজকে কিদৰে বুজিব পাৰিছে, ব্যক্তিসত্তাৰ উপৰিও মানুহ এজন কিমানদূৰ এটা সামাজিক সত্তা—সেয়াও প্ৰকাশ পায় এই সম্পৰ্কৰ পৰাই।"

মাৰ্ক্সৰ প্ৰেম সম্পৰ্কীয় বাস্তৱ অভিজ্ঞতাৰ প্ৰকাশ ঘটিছিল সোতৰ বছৰ বয়সতে জেনী ফন ৱেষ্টফালেন নামৰ গাভৰু এগৰাকীৰ সৈতে গঢ়ি উঠা প্ৰেমৰ সম্পৰ্কৰ পৰা। মাৰ্ক্সতকৈ চাৰি বছৰে ডাঙৰ জেনী প্ৰতিবেশী আছিল। তেওঁ মাৰ্ক্সৰ এগৰাকী বায়েকৰ বান্ধৱী হোৱা সূত্ৰে মাৰ্ক্সৰ ঘৰলৈ অহা-যোৱা কৰিছিল। ধনী আৰু অভিজাত পৰিয়ালত জন্মগ্ৰহণ কৰিলেও জেনী আছিল অতি সাধাৰণ আৰু সৰল প্ৰকৃতিৰ। জেনীৰ তুলনাত মাৰ্ক্স আছিল কিছু চঞ্চল স্বভাৱৰ। মাৰ্ক্সৰ সৈতে জেনীৰ সম্পৰ্ক গঢ়ি

উঠাৰ পিছত মাৰ্ক্সে জেনীক লৈ কেবাটাও ৰোমাণ্টিক কবিতা লিখে । অৱশ্যে শেষ বয়সত সেই কবিতাবোৰক তেওঁ 'জোনাকৰ উন্মাদনা' বুলি অভিহিত কৰিছিল । মাৰ্ক্সে জেনীক ইমানেই ভাল পাইছিল যে তেওঁ এবাৰ তিনিখন কবিতাৰ বহী জেনীৰ নামত উৎসৰ্গ কৰিছিল । তেতিয়াও তেওঁলোকৰ বিয়া হোৱা নাছিল । বাগ্‌দত্তা প্ৰেয়সী জেনীয়ে যেতিয়া বহীকেইটা পাইছিল তেতিয়া তেওঁ আনন্দত কান্দি দিছিল আৰু সমগ্ৰ জীৱন জুৰি বহীকেইটা সযতনে ৰাখিছিল । মাৰ্ক্সৰ পিতৃয়ে কিন্তু তেওঁৰ প্ৰেম-সম্পৰ্কীয় কবিতা-বিলাসী চিন্তাত উদ্বিগ্ন হৈ উঠিছিল । কম বয়সৰ প্ৰেমে মাৰ্ক্সৰ জীৱনৰ গতিপথ স্তব্ধ কৰিব পাৰে বুলি ভাৱি তেওঁলৈ এবাৰ পিতৃয়ে লিখিছিল—"তুমি যাৰ হাতত নিজকে সম্পূৰ্ণকৈ উৎসৰ্গ কৰিছা, তেওঁৰ প্ৰতি থকা তোমাৰ আৱেগিক আৰু অতিৰঞ্জিত প্ৰেমে তেওঁৰ শান্তি নানে, বৰঞ্চ তেওঁক নিঃশেষ কৰাৰ সম্ভাৱনাহে তুমি মাতি আনিছা । ...তোমাৰ বাবে জেনীয়ে যি ত্যাগ কৰিছে সেয়া অজেয় । তোমাৰ তাৰুণ্য সত্বেও তুমি যে পৃথিৱীৰ সন্মানযোগ্য এজন পুৰুষ, এতিয়া তাৰ নিশ্চয়তা তুমি জেনীক দিব লাগিব ।"

জেনীয়েও মাৰ্ক্সৰ প্ৰেম-সম্পৰ্কীয় উচ্ছ্বাস আৰু আতিশয্যত শংকিত হৈ মাৰ্ক্সলৈ লিখিছিল—"তোমাৰ তাৰুণ্যভৰা ৰোমাণ্টিক প্ৰেমৰ প্ৰতিদান দিবলৈ মই যে অক্ষম সেই কথা মই আমাৰ প্ৰেমৰ আৰম্ভণিৰে পৰা বুজি আহিছো । ...অ' কাৰ্ল ! মোৰ দুৰ্দশা ইয়াতেই যে তোমাৰ আবেগময় প্ৰেমে, তুমি প্ৰেম সম্পৰ্কে দিয়া অপূৰ্ব বিৱৰণে, তোমাৰ প্ৰেমিক-কল্পনাই সৃষ্টি কৰা আনন্দ-মধুৰ চিত্ৰকল্পসমূহে আন যিকোনো ছোৱালীকে যি অনিৰ্বচনীয় পুলক যোগালেহেঁতেন, সেয়াই মোক প্ৰায়ে চিন্তিত আৰু অনিশ্চিত কৰিহে তোলে । তোমাৰ দৰে প্ৰেমৰ জগতত মই অহৰ্নিশে বিচৰণ কৰি থাকিব নোৱাৰোঁ; বৰ্হিজগতৰ প্ৰতিহে—জীৱন আৰু বাস্তৱৰ প্ৰতিহে মই সততে অধিক মনোযোগী।"

পিতৃ আৰু বাগ্‌দত্তা প্ৰেয়সীৰ চিঠিয়ে মাৰ্ক্সৰ জীৱনলৈ পৰিৱৰ্ত্তনৰ গতি আনে । প্ৰায় সাত বছৰ পিছত তেওঁ বাগ্‌দত্তা প্ৰেয়সীক বিয়া কৰায় । বিয়াৰ আগতে বন্ধু আৰ্ণল্ড ৰুজলৈ লিখে—

"...ভাৱালুপতা ত্যাগ কৰি মই কওঁ—মই গভীৰভাৱে প্ৰেমত নিমজ্জিত । সাত বছৰতকৈয়ো অধিককাল ধৰি মোৰ বাগ্‌দত্তা আৰু মোৰ প্ৰেয়সীয়ে মোৰ হৈ এনে যুঁজ কৰিবলগা হৈছে, যাৰ ফলত তেওঁৰ শৰীৰ ভাঙি পৰিছে । আমাতকৈয়ো তিনিগুণ বয়সৰ লোকে যিমান সংগ্ৰাম কৰে, তাতোকৈয়ো অধিক অৰ্থহীন আৰু অপচয়মূলক সংগ্ৰাম মই আৰু মোৰ প্ৰেয়সীয়ে কিছু বছৰ ধৰি কৰি আহিবলগীয়া হৈছে ।"

জেনীৰ পিতৃ এজন সম্ভ্ৰান্ত আৰু সংস্কৃতিবান লোক আছিল । মাৰ্ক্স আৰু জেনীৰ





প্ৰেমক তেওঁ সহজভাৱে লৈছিল; কিন্তু ককায়েক ফাৰ্ডিনাণ্ড আছিল কিছু ব্যতিক্ৰম । ককায়েকৰ পৰা আঁতৰত থকাৰ উদ্দেশ্যে জেনীয়ে ট্ৰিয়েৰ চহৰ এৰি ক্ৰেউজনাখ চহৰলৈ গৈ মাকৰ সৈতে থাকিবলৈ লয় । ইয়াৰ ফলত মাৰ্ক্সৰ সৈতে জেনীৰ বহুদিনৰ সম্পৰ্কৰ বিজুতি ঘটে । দীৰ্ঘ বিৰতিৰ পিছত এদিন ক্ৰেউজনাখ চহৰলৈ গৈ মাৰ্ক্সে জেনীৰ সৈতে বিয়া পাতে । মাৰ্ক্স উভতি অহাৰ কিছুদিন পিছতেই জেনীৰ পৰা এখন আবেগপূৰ্ণ চিঠি পায় । চিঠিখনত জেনীয়ে লিখিছিল—"এইবাৰৰ দৰে ইমান মৰমৰ, ইমান চেনেহৰ তুমি কেতিয়াও নাছিলা । আগতো আমাৰ বিদায়ৰ মুহূৰ্তত মোৰ সদায় ভাৱ হৈছিল, মই যেন তোমাক পুনৰ মাতি আনোঁ আৰু তুমি মোৰ কিমান প্ৰিয় তাক বুজাই দিওঁ । কিন্তু এইবাৰৰ কথা সুকীয়া । তোমাক এইবাৰ সোঁশৰীৰে দেখাৰ আগলৈকে মই সঁচাকৈয়ে বুজা নাছিলোঁ অন্তৰৰ গভীৰতাৰে মই তোমাক কিমান ভাল পাওঁ ! দেৱশিশুৰ দৰে স্নিগ্ধতা আৰু সততাৰে পূৰ্ণ, প্ৰেমৰ আধ্যাত্মিক জ্যোতিৰে জ্যোতিষ্মান তোমাৰ ছবিটো এতিয়াও মোৰ হৃদয়ত উজ্বল হৈ জিলিকি আছে । চেনেহৰ কাৰ্ল, তুমি পুনৰ উভতি আহিলে জানিলাহেঁতেন, তোমাৰ সাহসী প্ৰিয়াৰ হৃদয়ত আনন্দৰ বাবে কিমান ঠাই আছে । তোমাৰ এতিয়াও মনত পৰেনে—আমাৰ পুৱতি নিশাৰ কথা-বতৰাবোৰ, আমাৰ হাঁহি-ধেমালিবোৰ, আমাৰ সপোনৰ মুহূৰ্তবোৰ ? প্ৰিয়তম, তুমি তেতিয়া কিমান ভাল, কিমান মনোহৰ, কিমান ৰঙীয়াল আছিলা ।"

মাৰ্ক্স আৰু জেনীৰ প্ৰেম আৰু বৈবাহিক জীৱন মধুময় আছিল যদিও মাজে মাজে তিক্ততাও আহিছিল । এবাৰ নিজ ঘৰতে কাম কৰা হেলেন ডেমুথ নামৰ গাভৰু এগৰাকীৰ সৈতে মাৰ্ক্সৰ প্ৰেমৰ শাৰীৰিক সম্পৰ্কও গঢ়ি উঠিছিল । মাৰ্ক্স অনুতপ্ত হোৱাত জেনীয়ে তেওঁক সাময়িক বিচ্যুতি বুলি ক্ষমা কৰি দিয়ে । জেনীয়ে মাৰ্ক্সলৈ লিখে—"তোমাৰ চিঠিয়ে মোক খুব আনন্দ দিয়ে । তুমি মোক সকলো কথা জনাবলৈ আপত্তি থাকিব নালাগে । তুমি যদি দুৰ্দশাত দিন কটাইছা, তেন্তে তোমাৰ দুৰ্দশাৰ ভাৱময়ো লোৱাতকৈ যুক্তিৰ কথা আৰু একো হ'ব নোৱাৰে ।"

জেনীয়ে কেৱল এগৰাকী প্ৰেমিকা বা পত্নীৰূপে ভূমিকা পালন কৰা নাছিল; তেওঁ আছিল কাৰ্লমাৰ্ক্সৰ জীৱনৰ এগৰাকী অভিভাৱক আৰু বিপদ-আপদৰ বন্ধু । ধনীৰ দুলালী হৈয়ো জেনীয়ে পৰিয়ালৰ বিপদৰ সময়ত গহনা-গাঁঠৰি বিক্ৰী কৰি ধাৰ মাৰিছিল । আনকি একমাত্ৰ পুত্ৰৰ মৃত্যুৰ সময়ত কফিন কিনিবলৈ আনৰ পৰা টকা ধাৰ কৰিবলগা হৈছিল । সেয়ে জেনী অবিহনে তেতিয়াৰ আৰু আজিৰ কাৰ্লমাৰ্ক্স সম্পূৰ্ণ নহয়; অসম্পূৰ্ণহে ।

# লেনিনৰ স্বাধীন প্ৰেম

ভোগবাদী সমাজ ব্যৱস্থাই আমাৰ মাজলৈ আমদানি কৰা চৰম নৈৰাশ্য আৰু আদৰ্শহীনতাই ক্ৰমে প্ৰেমৰ পবিত্ৰ ৰূপটোকেই সলাই পেলাইছে। যি সময়ত আমাৰ সমাজৰ মানুহবোৰ সম্পূৰ্ণৰূপে আধুনিকেই হ'ব পৰা নাই, সেই সময়ত এক নৈৰাশ্যবাদী আৰু উদ্ভট দৰ্শনৰূপে জনাজাত উত্তৰ-আধুনিকতাই প্ৰেমক 'স্বাধীন প্ৰেম'ৰ নামত বিকৃত ৰূপ দিছে।

'স্বাধীন প্ৰেম' সম্পৰ্কে লেনিনে তাহানিতেই তেওঁৰ বন্ধু-বান্ধৱীলৈ কেবাখনো চিঠি লিখিছিল। ইনেছা আমাণ্ডলৈ লিখা তেনে দুখন চিঠি হ'ল ঃ

১। প্ৰিয় বান্ধৱী !

আপোনাৰ পুস্তিকাৰ খচৰা লিপি সম্পৰ্কে মোৰ বিশেষ উপদেশ এই যে, সেইটো অধিক স্পষ্ট ভাষাত লিখা উচিত; অন্যথা অনেক বিষয় দুৰ্বোধ্য হৈ ৰৈ যাব।

আপুনি যিবোৰ বিষয় উত্থাপন কৰিছে, তাৰ মাজৰ এটা বিষয় সম্পৰ্কে মোৰ অভিমত জনাব খুজিছোঁ। মোৰ মতে—"ছোৱালীবোৰৰ পক্ষৰ পৰা স্বাধীন প্ৰেমৰ দাবী" শীৰ্ষক ৩নং অনুচ্ছেদটো একেবাৰে বাতিল কৰক। বাস্তৱিকতে, এয়া শ্ৰমজীৱি সকলৰ দাবী নহয়; বুৰ্জোৱা সকলৰহে দাবী। দাবীটোৰ দ্বাৰা আপুনি কি ক'ব খোজে ? এইটো পঢ়িলে অইনেই বা কি বুজিব ?

০১। প্ৰণয় সন্দৰ্ভত বাস্তৱ (আৰ্থিক) লাভ-ক্ষতিৰ হিচাপৰ পৰা স্বাধীনতা ? ০২। বাস্তৱ জ্বালা-যন্ত্ৰণা ? ০৩। ধৰ্মীয় কু-সংস্কাৰ সমূহ ? ০৪। পিতৃ-মাতৃৰ বাধা-নিষেধ আদি ? ০৫। সামাজিক কু-সংস্কাৰ সমূহ ? ০৬। সামাজিক পৰিবেশ (কৃষক, ক্ষুদ্ৰ-বুৰ্জোৱা, বুৰ্জোৱা-বুদ্ধিজীৱী) ? ০৭। আইন-আদালত আৰু পুলিচৰ উৎপাত ? ০৮। প্ৰণয়জনিত গুৰুতৰ সমস্যাসমূহ ? ০৯। সন্তান-প্ৰসৱ ? ১০। সেয়া ব্যাভিচাৰৰ পথো মুক্ত কৰে, ইত্যাদি।

কিছুমান বিষয়ৰ অৱতাৰণা কৰিলোঁ (অৱশ্যে সকলোবোৰ নহয়)। মোৰ ভাৱ হয়, ৮ ৰ পৰা ১০ দফালৈকে বিষয়বস্তুবোৰ আপোনাৰ অভিপ্ৰেত নহয়; বৰঞ্চ ১ ৰ পৰা ৭ দফা পৰ্যন্ত বা এইবোৰৰ ওচৰা-ওচৰি বিষয়-বস্তুসমূহেই আপোনাৰ বক্তব্য।





কিন্তু ১ ৰ পৰা ৭ দফালৈ বিষয়বস্তুবোৰৰ বাবে আপোনাৰ পথত আন কোনো সংজ্ঞা নিৰ্ণয় কৰা কৰ্তব্য, কাৰণ 'স্বাধীন প্ৰেমে" সঠিকভাৱে এই সকলো ভাৱ-ধাৰণা প্ৰকাশ নকৰে।

"আপোনাৰ অভিপ্ৰেত নহ'লেও" জনসাধাৰণ আৰু আপোনাৰ পুস্তিকাখনৰ পাঠকসকলে 'অৱশ্যাম্ভাবীৰূপে" ৮ৰ পৰা ১০নং দফাবোৰৰ ওচৰা-ওচৰি ভাৱ-ধাৰণাই বুজিব। কাৰণ, সমসাময়িক সমাজৰ সবাতোকৈ বাক্‌পটু আৰু গণ্ডগোল কৰাত অভ্যস্ত শ্ৰেণীবোৰ, অৰ্থাৎ যিসকল সমাজৰ মুখপত্ৰ, তেওঁলোকে স্বাধীন প্ৰেম সন্দৰ্ভত ৮ৰ পৰা ১০নং দফাবোৰৰ দ্বাৰা প্ৰকাশিত আপোনাৰ দাবী শ্ৰমজীৱী সকলৰ দাবীৰ পৰিৱৰ্তে বুৰ্জোৱা দাবী বুলিয়েই ভাবিব।

শ্ৰমজীৱী সকলৰ ওচৰত প্ৰথমে ১ৰ পৰা ২ দফা, তাৰ পিছত ১নংৰ পৰা ৭নং দফা সবাতোকৈ গুৰুত্বপূৰ্ণ; কিন্তু এইবোৰৰ দ্বাৰা স্বাধীন প্ৰেম নুবুজায়।

ইয়াৰ দ্বাৰা আপুনি আপোনাৰ মনৰ নিভৃত কোণত 'কি বুজিব বিচাৰিছে' সেইটোৰেই আচল প্ৰশ্ন নহয়, প্ৰণয়ৰ ক্ষেত্ৰত বাস্তৱ শ্ৰেণীগত সম্পৰ্ক কি ধৰণে থাকিব পাৰে সেয়াই হৈছে আচল প্ৰশ্ন।

—লেনিন
১৭ জানুৱাৰী, ১৯১৫ খ্ৰীঃ

২। প্ৰিয় বান্ধৱী,

আপোনাৰ চিঠিৰ উত্তৰ দিয়াত পলম হোৱা বাবে ক্ষমা কৰিব। যোৱাকালিয়েই উত্তৰ দিব খুজিছিলোঁ; কিন্তু কিবা কামত ব্যস্ত হৈ পৰা বাবে সময় উলিয়াব নোৱাৰিলোঁ।

পুস্তিকাৰ খচৰা অনুলিপি সম্পৰ্কে মই ক'ব বিচাৰোঁ যে, "স্বাধীন প্ৰেমৰ দাবীটো" অস্পষ্ট হৈ আছে বুলি মোৰ ধাৰণা হৈছে আৰু আপোনাৰ ইচ্ছা থাকক বা নাথাকক সম-সাময়িক সামজিক পৰিস্থিতিত সেয়া শ্ৰমজীৱীসকলৰ দাবী বুলিয়েই ভাৱ হ'ব। আপোনাৰ মনোগত অভিপ্ৰায়ৰ পৰিৱৰ্তে বাস্তৱ শ্ৰেণীগত সম্পৰ্কবোৰেই হৈছে আচল সমস্যা—এই কথাটো কৈ মই মোৰ বক্তব্য স্পষ্টভাৱে জনাই দিছিলোঁ। আপুনি কিন্তু সেয়া স্বীকাৰ কৰিবলৈ মান্তি নহয়। ভাল কথা, আহক, আৰু এবাৰ বিষয়টো চালি-জাৰি চোৱাৰ চেষ্টা কৰোঁ।

বাস্তৱিকতে, মই সম্ভাব্য ব্যাখ্যা সমূহৰ (শ্ৰেণী সংগ্ৰামৰ আমোলত অৱশ্যাম্ভৱী তাৎপৰ্য) এটা তালিকা দি এই বুলি সমালোচনা কৰোঁ যে, ১ৰ পৰা ৭নং দফালৈকে থকা ব্যাখ্যাবোৰ, মোৰ মতে, শ্ৰমিক নাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য আৰু ৮ৰ পৰা

১০ নং দফাৰ ব্যাখ্যাবোৰ বুৰ্জোৱা নাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য । এয়া যদি অস্বীকাৰ কৰিব লগা হয় তেনেহ'লে আপুনি দেখুৱাব লাগিব যে,—

১। ব্যাখ্যাবোৰ মিছা (তেনেহ'লে আপুনি অৱশ্যে সেইবোৰৰ ঠাইত নতুন ব্যাখ্যাৰ অৱতাৰণা কৰিব লাগিব । অন্যথা, মিছাবোৰক বাতিল কৰিব লাগিব)

২। ব্যাখ্যাবোৰ অসম্পূৰ্ণ (তেনেহ'লে সেইবোৰৰ পূৰ্ণতা সাধন কৰক)

৩। অযথা সেইবোৰক শ্ৰমিকসুলভ আৰু বুৰ্জোৱা—এই দুভাগত বিভক্ত কৰা নেযায় । কিন্তু ইয়াৰে আপুনি কোনোটোৱে কৰা নাই ।

১নংৰ পৰা ৭নং দফাৰ ব্যাখ্যা আপুনি একেবাৰে বাদ দি গৈছে । গতিকে, মই ধৰি লৈছোঁ যে, (সাধাৰণভাৱে) আপুনি সেইবোৰ স্বীকাৰ কৰি লৈছে । নাৰী-শ্ৰমিকসকলৰ বেশ্যাবৃত্তি আৰু তেওঁলোকৰ স্বাধীনতা সম্পৰ্কে "নহয় বুলি কোৱাটো অসম্ভৱ বুলিয়েই" আপুনি যি লিখিছে, সেয়া ১নংৰ পৰা ৭নং দফাবোৰৰ মাজতেই পৰে । এই সম্পৰ্কে আপোনাৰ সৈতে মোৰ কোনো মতবিৰোধ নাই । এইবোৰ যে শ্ৰমিকপন্থী ব্যাখ্যা, আপুনি সেয়া অস্বীকাৰো কৰা নাই । এতিয়া ৮ৰ পৰা ১০নং দফাসমূহ সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন । আপুনি ভালদৰে "এইবোৰ বুজিব নোৱাৰি আপত্তি কৰিছে"—মই বুজিব পৰা নাই কেনেকৈ ১০নং দফাটোক স্বাধীন প্ৰেমৰ সৈতে "অভিন্ন" বুলি ক'ব পৰা যায় ? (এইবোৰ আপোনাৰ নিজৰেই কথা) । কথাটো যেন এনেকুৱা, মই "অভিন্ন" বুলি কৈছোঁ আৰু আপুনি মোক তিৰস্কাৰ কৰিবলৈ আৰু থেতেলি মাৰিবলৈ উদ্যত হৈছে ! ইয়াৰ অৰ্থ কি !

বুৰ্জোৱা ছোৱালী বা নাৰীসকলে প্ৰেম বুলি কওঁতে ৮ৰ পৰা ১০নং দফাকেই বুজে—এয়াই হ'ল মোৰ মত । সেয়া আপুনি জানো অস্বীকাৰ কৰে ? তেনেহ'লে স্বাধীন প্ৰেম বুলি কওঁতে বুৰ্জোৱা ছোৱালীবোৰে কি বুজি পায় সেয়া মোক খোলা-খুলিকৈ কওঁক ! এই সম্পৰ্কে আপুনি একোৱেই কোৱা নাই । স্বাধীন প্ৰেম বুলি কওঁতে বুৰ্জোৱা ছোৱালীবোৰে যে এনেদৰেই বুজে, সাহিত্য আৰু বাস্তৱ জীৱনৰ পৰা জানো তাৰ প্ৰমাণ সম্পূৰ্ণকৈ প্ৰমাণ কৰি থাকে ? নীৰৱতা অৱলম্বন কৰি আপুনিও সেয়া স্বীকাৰ কৰি লৈছে । এই সমস্ত নাৰীৰ শ্ৰেণীগত মৰ্যাদাৰ পৰা বৰ্তমান অৱস্থালৈ যেতিয়া এনেদৰেই পাইছেগৈ, তেতিয়া সেয়া অস্বীকাৰ কৰা অসম্ভৱ । সেয়া মুৰ্খামিৰো পৰিচায়ক ।

বিভাজনৰ ৰেখাডালক সুস্পষ্টভাৱে জানি লৈ, তাৰ পিছতহে শ্ৰমিকসকলৰ দৃষ্টিভংগীৰ অৱতাৰণা কৰা দৰকাৰ । এই বাস্তৱ সত্যটো বিবেচনাৰ মাজলৈ অনাৰ প্ৰয়োজন এইবাবেই যে অন্যথা "এনে ধৰণৰ দৃষ্টিভংগী অবিহনে কু-চক্ৰীসকলে" আপোনাৰ পুস্তিকাৰ পৰা প্ৰয়োজনমতে অনুচ্ছেদসমূহ উদ্ধৃত কৰি নিজৰ ইচ্ছানুযায়ী





ব্যাখ্যা কৰি থাকিব, আপোনাৰ পুস্তিকাই তেওঁলোকৰ চাকিৰেই তেল যোগাব; তেওঁলোকে শ্ৰমিকসকলৰ ওচৰত আপোনাৰ চিন্তাধাৰাৰ বিকৃত অৰ্থ প্ৰকাশ কৰি শ্ৰমিক সকলৰ মাজত বিশৃঙ্খলাৰ সৃষ্টি কৰিব; তেওঁলোকৰ মাজত এই আশংকা সৃষ্টি কৰিব যে খুব সম্ভৱ 'আপুনি' তেওঁলোকৰ ওচৰত 'অপৰিচিত' ভাবধাৰাসমূহ প্ৰকাশ কৰিছে । আৰু যিমানবোৰ বাজে খবৰৰ কাগজ, সেইবোৰ প্ৰায়েই এইবোৰ ছোৱালীৰ হাতত পৰেগৈ আৰু আপুনি বাস্তৱ আৰু শ্ৰেণীগত দৃষ্টিভঙ্গী সম্পূৰ্ণৰূপে ত্যাগ কৰি মোক 'আক্ৰমণ' কৰিছে, স্বাধীন প্ৰেম বোলোতে ৮ৰ পৰা ১০নং দফালৈকে বুজিছোঁ বুলি মোৰ ওপৰত দোষাৰোপ কৰিছে । অতি আচৰিত কথা, বাস্তৱিকতেই আচৰিত কথা !

স্বামী-স্ত্ৰীৰ মাজত ধৰা-বন্ধা "প্ৰেমহীন চুম্বন" বিনিময়ৰ তুলনাত "এনেকি, এক মুহূৰ্তৰ প্ৰেমোন্মাদনা, আসঙ্গ-লিপ্সা অধিকতৰ কাব্য ৰসাত্মক আৰু পৱিত্ৰতৰ ।" আপুনি এই কথা লিখিছে । আপোনাৰ পুস্তিকাত আপুনি এই কথাও লিখিবলৈ চেষ্টা কৰিছে । চমৎকাৰ ! এয়া কি যুক্তি-তৰ্কসন্মত ?

চিৰন্তনী অভ্যাস হিচাপে স্বামী আৰু স্ত্ৰীৰ মাজত যি প্ৰেমহীন চুম্বন বিনিময় চলে সেয়া 'অপৱিত্ৰ' । সেয়া বাৰু স্বীকাৰ কৰি লোৱা হ'ল । কিন্তু তাৰ বিপৰীত হিচাপে আপুনি কি ক'বলৈ বিচাৰিছে ? সপ্ৰেম চুম্বন বুলিয়েই মনত ধাৰণা জন্ম হয় । কিন্তু সেয়াও যে নহয় । বিপৰীত কাৰ্যক্ৰম হিচাপে আপুনি "ক্ষণস্থায়ী কিয় ? "অসঙ্গ-লিপ্সাৰ" (প্ৰেম নহয় কিয় ?) কথা কৈছে । ইয়াৰ যুক্তিসঙ্গত সিদ্ধান্ত এয়াই যে, এই সমস্ত প্ৰেমহীন-চুম্বন (যিহেতু এইবোৰ ক্ষণস্থায়ী) স্বামী আৰু স্ত্ৰীৰ মাজত প্ৰেমহীন চুম্বন বিনিময়ৰেই বিপৰীত । ...নিশ্চয় চমকপ্ৰদ সিদ্ধান্ত ।

জনসাধাৰণৰ ওচৰত প্ৰচাৰ হ'বলগীয়া পুস্তিকাত ক্ষুদ্ৰ বুৰ্জোৱা বুদ্ধিজীৱী আৰু কৃষকসকলৰ প্ৰেমহীন, কলুষিত আৰু অপৱিত্ৰ বিয়াৰ পৰিৱৰ্তে শ্ৰমিকসকলৰ আইনসঙ্গত সপ্ৰেম বিয়া প্ৰচাৰ কৰা উত্তম নহয় জানো ? ক্ষণস্থায়ী অসঙ্গ-লিপ্সা আৰু প্ৰেমোন্মাদনা যে কলুষিত আৰু অপৱিত্ৰ, এই কেইটা কথা অৱশ্যে আপুনি জুৰি দিব লগা হ'লহেঁতেন । (মোৰ মন্তব্য ৬নং অথবা ৫নং দফাত চাওঁক)

এক শ্ৰেণীৰ মানুহৰ সৈতে আন একশ্ৰেণীৰ মানুহৰ তুলনা নকৰি আপুনি বিভিন্ন ব্যক্তিগত বিষয় লৈ আলোচনা কৰিছে । কিন্তু এয়া জানো ব্যক্তিগত সমস্যাৰ বিষয় ?

বিশেষ কোনো ব্যক্তিগত বিষয়ত বিবাহিত জীৱনৰ প্ৰেমহীন চুম্বন অথবা ক্ষণস্থায়ী প্ৰেমোন্মাদনাৰ পবিত্ৰ চুম্বন যদি আপোনাৰ আলোচ্য বিষয় হয়, তেনেহ'লে

সেয়া হ'বলৈ প্ৰকৃত উপন্যাসৰ বিষয় (কাৰণ, উপন্যাসত বিভিন্ন ব্যক্তিৰ চৰিত্ৰ বিশ্লেষণ, বিভিন্ন ধৰণৰ মানুহৰ মনোবিজ্ঞান আদিক লৈ আলোচনা কৰে) কিন্তু কোনো পুস্তিকাৰ ক্ষেত্ৰত ?

সুযোগ্য 'প্ৰেমৰ অধ্যাপকৰ' ভূমিকাত অৱতীৰ্ণ হোৱা 'নিৰ্বুদ্ধিতাৰ' পৰিচায়ক বুলি কে এৰ (শিক্ষিতা চুইডেন মহিলা এলেন কে (১৮৪৯-১৯২৬) নাৰী সমস্যা আৰু শিশুশিক্ষা সম্পৰ্কে লিখে আৰু মজুৰসকলৰ পথ সমৰ্থন কৰে) লিখাৰ সামঞ্জস্যহীন উদ্ধৃতাংশ সম্বন্ধে মই যি মন্তব্য কৰিছোঁ, সেয়া আপুনি চমৎকাৰভাৱে বুজিব পাৰিছে। সঁচা কথা। কিন্তু "ক্ষণস্থায়ী প্ৰেমৰ অধ্যাপকৰ" ভূমিকাত অৱতীৰ্ণ হোৱা সম্পৰ্কে কি কোৱা যায় ?

বাদানুবাদত লিপ্ত হ'ব খোজা নাই। চিঠিখন এফালে থৈ আমাৰ পৰৱৰ্ত্তী সাক্ষাৎকাৰৰ বাবে অপেক্ষা কৰাটোৱেই মোৰ বাবে শ্ৰেয় আছিল। কিন্তু পুস্তিকাখন যাতে সৰ্বাংগসুন্দৰ হয়, সেয়াই হ'ল মোৰ অভিপ্ৰায়; যাতে কোনেও এই পুস্তিকাখনৰ পৰা কোনো অসন্তোষজনক বাক্যাংশ (একো একোটা বাক্যাংশই অনেক সময়ত এক চামুচ আলকাতৰাৰ দৰে কাম কৰে) উলিয়াই আপোনাৰ সন্মুখত উপস্থিত নকৰে, আপুনি যি ক'বলৈ নিবিচাৰে, যাতে কোনেও সেয়া আপোনাৰ মুখৰ পৰা উলিয়াব নোৱাৰে—সেয়াই মোৰ মনৰ বাসনা।

কোনো ধৰণৰ বিদ্বেষপূৰ্ণ অভিপ্ৰায় লৈ যে আপুনি পুস্তিকাখনি লিখা নাই। আপুনি যাতে আপোনাৰ পৰিকল্পনা সন্দৰ্ভত ৰীতিমতভাৱে চিন্তা কৰিবলৈ অৱকাশ পায় সেই উদ্দেশ্যেই চিঠিখন লিখিলোঁ। কাৰণ, বিষয়টো অত্যন্ত জৰুৰী।

"কোনোবা ফৰাচী সমাজতন্ত্ৰী নাৰীৰ সৈতে পৰিচয় আছেনে ? মোৰ ১ৰ পৰা ১০নং দফালৈকে আৰু ক্ষণস্থায়ী প্ৰেম" ইত্যাদি সম্বন্ধে আপোনাৰ মন্তব্যবোৰ অনুবাদ কৰি (যিদৰে ইংৰাজীৰ পৰা অনুবাদ কৰিছে তেনেদৰে) তেওঁলৈ পঠাওঁক। এই সম্পৰ্কে তেওঁ কি কয় সেয়া বিশেষভাৱে অনুধাৱন কৰক। বাহিৰৰ মানুহে কি ভাৱে, তেওঁলোকৰ ধাৰণাই বা কি হ'ব আৰু পুস্তিকাখনিৰ পৰা তেওঁলোকে কি প্ৰত্যাশা কৰে, সেয়াই কিছু অভিজ্ঞতাৰেই সৃষ্টি কৰিব।

—লেনিন

২৪ জানুৱাৰী, ১৯১৫ খ্ৰীঃ

লেনিনৰ এই দুয়োখন চিঠিৰ পৰা এটা কথাই স্পষ্টভাৱে ওলাই পৰিছে যে, অৱক্ষয়ী পুঁজিবাদী সমাজ ব্যৱস্থাৰ তথাকথিত স্বাধীন প্ৰেম মানে যৌন-উপভোগ, যৌন-ব্যভিচাৰ, সন্তান-প্ৰসৱ বা প্ৰণয়জনিত গুৰুত্বৰ সমস্যা। কেৱল মধ্যবিত্ত সমাজৰ সুবিধাভোগী আৰু ভোগবাদী ডেকা-গাভৰুৱেহে স্বাধীন প্ৰেমক যৌনতা আৰু





উপভোগৰ মাধ্যম বুলি ভাৱে আৰু প্ৰেমৰ প্ৰকৃত সংজ্ঞাক বিকৃত কৰে।

বহুতেই স্বাধীন প্ৰেমক দৈহিক প্ৰেম বুলি ক'ব খোজে। এঙ্গেলচে তেওঁৰ 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি' গ্ৰন্থত উল্লেখ কৰিছে—"মধ্যযুগৰ আগলৈকে ব্যক্তিগত দৈহিক প্ৰেমৰ অস্তিত্ব নাছিল। ব্যক্তিগত সৌন্দৰ্য, নিবিড় অন্তৰঙ্গতা, একে ধৰণৰ ৰুচি আৰু ৰীতি-নীতি ইত্যাদিয়ে যে নৰ-নাৰীৰ মাজত যৌন সম্ভোগৰ ইচ্ছা জাগ্ৰত কৰিছিল আৰু যাৰ সৈতে সবাতোকৈ নিবিড়তম সম্পৰ্ক স্থাপন হয়, সেই অংশীদাৰ সম্পৰ্কে নৰ-নাৰী যে উদাসীন থাকিব নোৱাৰে সেয়া অনায়াসেই ক'ব পৰা যায়; কিন্তু এই অৱস্থা আধুনিক যুগৰ যৌন-প্ৰেমৰ পৰা বহু নিলগত।"

এঙ্গেলচৰ উদ্ধৃতিৰ পৰা এই কথা জনা যায় যে, আধুনিক পুঁজিবাদী সভ্যতাৰ ছত্ৰছায়াত স্বাধীন নৰ-নাৰীসকলৰ মাজত প্ৰেম কেৱল ব্যভিচাৰ ৰূপেই আত্মপ্ৰকাশৰ সুবিধা পায়; ই সাংস্কৃতিক ৰূপ গ্ৰহণ নকৰে।

# প্ৰেম আৰু বিবাহ

প্ৰেমৰ সৈতে বিবাহৰ ওচৰ সম্পৰ্ক আছে । বিবাহ নোহোৱাকৈয়ে নৰ-নাৰীৰ মাজত প্ৰেমৰ সম্পৰ্ক চলি থাকিলে সেই প্ৰেমে পূৰ্ণতা লাভ নকৰে । প্ৰেমে পূৰ্ণতা লাভ কৰে বিবাহৰ জৰিয়তে । সেয়ে প্ৰেমৰ এটা অন্যতম লক্ষ্য হ'ল বিয়া; যাক লেনিনে জৈৱিক সম্পৰ্ক বুলি কৈছে ।

প্ৰেমৰ সম্পৰ্কৰ পিছত প্ৰেমিক-প্ৰেমিকাই বৈবাহিক সূত্ৰত আবদ্ধ হ'লে তেওঁলোকৰ দায়িত্ব অনেক বাঢ়ি যায় । সন্তান জন্ম হোৱাৰ পিছত যিদৰে প্ৰেমিক-প্ৰেমিকা যুগলে পিতৃ-মাতৃৰ ভূমিকা পালন কৰিব লগা হয়, তেনেদৰে স্বামী-স্ত্ৰী হিচাপেও তেওঁলোকৰ পাৰস্পৰিক বিশেষ দায়িত্ব থাকে । এগৰাকী বিবাহিত নাৰী বা পত্নীৰ ভূমিকা সম্পৰ্কে ফ্ৰেন্সিচ বেকনে কৈছে—"পত্নী হ'ল ডেকা মানুহৰ শিক্ষয়ত্ৰী, মধ্যবয়সীয়া সকলৰ বাবে সংগী আৰু বৃদ্ধসকলৰ বাবে এগৰাকী ভাল নাৰ্চ ।"

সম্ভৱতঃ পত্নী হিচাপে নাৰীৰ এই ইতিবাচক ভূমিকাৰ বাবেই পুৰুষসকল বিবাহ-পাশত আবদ্ধ হয় । বিবাহ এক সামাজিক অনুষ্ঠান । বিভিন্নজনে বিবাহক বিভিন্ন ধৰণে বিশ্লেষণ কৰিছে । যেনে—

(ক) বিবাহ হ'ল সকলো আনন্দ-উৎসৱৰ যৱনিকা । (বায়ৰণ)

(খ) বিবাহ গোলাপৰ শয্যা নহয়; ই হ'ল এখন যুদ্ধক্ষেত্ৰহে । (ষ্টিভেনচন)

(গ) বিবাহ হ'ল এখন কিতাপ—যাৰ প্ৰথম অধ্যায়টো কবিতাৰে আৰু বাকী অধ্যায়বোৰ নিৰস গদ্যৰে লিখা । (নিবাব'চ)

(ঘ) বিবাহ হৈছে এখন জুৱা খেল, য'ত পুৰুষে স্বাধীনতাৰ আৰু নাৰীয়ে সুখৰ বাজী ৰাখে । (প্ৰবচন)

ওপৰত উল্লেখ কৰা বিবাহ সম্পৰ্কীয় এই চাৰিওটা কথা মূলতঃ আধুনিক বুৰ্জোৱা ধ্যান-ধাৰণাৰ পৰিচায়ক । এই আটাইকেইটাতেই নাৰীক অৱদমিত কৰা হৈছে । কেৱল সেয়াই নহয়, অনেক বিখ্যাত লোকেও বিবাহক পুৰুষৰ এক মূৰ্খামি বুলিও কৈছে । আৰু এই মূৰ্খামিৰ কাৰক বুলি চিহ্নিত কৰিছে নাৰীক । পুঁজিবাদী আৰু ভোগবাদী সমাজ ব্যৱস্থাত বিবাহৰ ক্ষেত্ৰত নাৰীৰ মূল্যায়ন আজিও ইতিবাচক নহয় ।





এঙ্গেলচে তেওঁৰ 'পৰিয়াল, ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি' শীৰ্ষক গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত উল্লেখ কৰিছে যে, বুৰ্জোৱা ধ্যান-ধাৰণা অনুসৰি বিবাহ হ'ল আইনসঙ্গত এক চুক্তি মাত্ৰ । এই চুক্তিৰ স্থান সকলোৰে ওপৰত; কাৰণ দুজন মানুহৰ দেহা আৰু মন সমগ্ৰ জীৱনৰ কাৰণে বান্ধ খুৱাই দিয়াটোৱেই এই চুক্তিৰ উদ্দেশ্য । অনুষ্ঠানৰ ফালৰ পৰা সঁচাসঁচিকৈয়ে স্বেচ্ছা-প্ৰণোদিতভাৱে এই চুক্তি সম্পাদনা কৰা হয় । উভয় পক্ষৰ সন্মতি অবিহনে ইয়াক সম্পন্ন কৰা নহয় । বিয়াৰ চুক্তি সম্পাদনৰ অন্তৰালত এক 'বীৰত্ব প্ৰথা' ই কাম কৰে যাৰ নিয়ন্ত্ৰণত থাকে বিবাহযোগ্য যুৱক-যুৱতীৰ পৰিয়াল । এঙ্গেলচে প্ৰশ্ন কৰিছে—"ব্যক্তিগত স্বাধীন চিন্তাৰ অধিকাৰ যেতিয়া গীৰ্জা আৰু ধৰ্মৰ ক্ষেত্ৰত অৱলীলাক্ৰমে প্ৰৱেশ লাভ কৰিব পাৰে, তেতিয়া তৰুণ-তৰুণী সকলৰ দেহ, মন, সম্পত্তি, সুখ আৰু দুঃখ—এইবোৰ লৈ প্ৰবীণসকলে যে ইচ্ছামতে কাৰচাজি কৰিব,—এই অন্যায় অধিকাৰৰ ওচৰতেই বা তাৰ গতি ৰুদ্ধ হ'ব কিয় ?"

পাৰস্পৰিক যৌন প্ৰেম আৰু স্বামী-স্ত্ৰীৰ প্ৰকৃত স্বাধীনতা অবিহনে বিবাহ এক অধৰ্মাচৰণত পৰিণত হয় । অনেক সময়ত অবাধ স্বাধীনতাই প্ৰেমিক-প্ৰেমিকাৰ বৈবাহিক সম্পৰ্কত বাধাৰো সৃষ্টি কৰে । সেয়ে বিবাহ-বন্ধনেৰে প্ৰেমিক-প্ৰেমিকাই এনে মানসিক সম্পৰ্ক গঢ়ি তুলিব লাগে যাতে সেই সম্পৰ্কৰ বলত তেওঁলোকৰ মাজত বিয়াৰ আগৰ আৰু পাছৰ অৱস্থা অক্ষুণ্ণ থাকে । এই ক্ষেত্ৰত বাৰ্ট্ৰাণ্ড ৰাছেলৰ এষাৰ কথা প্ৰণিধানযোগ্য । ৰাছেলে তেওঁৰ 'The Conquest of Happiness' গ্ৰন্থত উল্লেখ কৰিছে যে, যৌন সম্পৰ্কত যি প্ৰেমক বেছিভাগ সময়তে নিভাঁজ প্ৰেম বুলি কোৱা হয় সেই প্ৰেম শেষৰ পিনে নাথাকেগৈ । ৰাছেলে প্ৰেমৰ পৰিণতি স্বৰূপে গঢ় লৈ উঠা বৈবাহিক সম্পৰ্ক সন্দৰ্ভত লিখিছে—"...এটা বিশেষ সীমালৈকে প্ৰেম স্বাৰ্থহীন হ'ব, কিন্তু এই প্ৰেম প্ৰকৃততে এনে হোৱা উচিত—যাতে ইয়াৰ সাফল্যৰ লগত নিজৰ সুখ জড়িত থাকে । যদি কোনো পুৰুষে কোনো নাৰীক সেই নাৰীৰ সুখৰ কাৰণে বিয়া কৰাব খোজে আৰু লগতে এইটোও ক'ব যে, সেই নাৰীয়ে এই মানুহজনক আত্মত্যাগৰ শ্ৰেষ্ঠ সুযোগ দিব, তেতিয়া তেনে প্ৰস্তাৱ মহিলাগৰাকীয়ে ভাল পাবনে নেপায়, সেই বিষয়ে মোৰ সন্দেহ আছে ।"

ৰাছেলৰ এই অভিমতৰ পৰা এটা কথা স্পষ্টভাৱে ওলাই পৰে যে প্ৰেম আৰু বিয়া-বাৰুৰ ক্ষেত্ৰত প্ৰেমিক-প্ৰেমিকা বা পুৰুষ-নাৰী দুয়োৰে সহমত আৰু সহযোগিতাৰ প্ৰয়োজন । বৈবাহিক জীৱন ভোগ কৰিবলৈ হ'লে কেৱল যৌন সম্পৰ্কই আচল কথা নহয় । পৰস্পৰৰ মাজত মৰম-চেনেহ আৰু বিশ্বাসৰ অবিহনে বহু সময়ত প্ৰেম আৰু বৈবাহিক সম্পৰ্কত যতি পৰা দেখা যায় । তেতিয়া পাৰিবাৰিক জীৱনো অসুখী হৈ পৰে ।

# ৰাছেলৰ দৃষ্টিত প্ৰেম আৰু যৌনতা

১৯৫০ চনৰ সাহিত্যৰ নোবেল বঁটা বিজয়ী সাহিত্যিক, চিন্তাবিদ বাৰ্ট্ৰাণ্ড ৰাছেলে
জীৱন সম্পৰ্কীয় অনেক গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰি থৈ গৈছে । ৰাছেলৰ উল্লেখযোগ্য
গ্ৰন্থসমূহৰ অন্যতম হ'ল—'The Conquest of Happiness', 'Marriage and Mor-
als', 'An Inquiry into Meaning and Truth', 'In Praise of Idleness' আদি ।
'The Conquest of Happiness' গ্ৰন্থখন সুৰেন চৌধুৰীয়ে 'সুখৰ সন্ধান'
নামেৰে অনুবাদ কৰিছে । গ্ৰন্থখনত জীৱনক সুখী কৰাৰ ক্ষেত্ৰত প্ৰেমৰ গুৰুত্ব
সম্পৰ্কে আলোচনা কৰা হৈছে । ৰাছেলৰ মতে —"দুজন মানুহৰ মাজত পাৰস্পৰিক
সত্য আকৰ্ষণৰ কাৰণে যি প্ৰেম, যি প্ৰেম পৰস্পৰৰ স্বাৰ্থৰ কাৰণে নহয়, বৰঞ্চ যি
প্ৰেম দুয়োজনৰে মিলিত কল্যাণৰ কাৰণেই, সেই প্ৰেমেই হৈছে প্ৰকৃত সুখৰ মূল্যবান
আহিলা । যিজন মানুহৰ অহমিকা তীখাৰ প্ৰাচীৰেৰে আগুৰি থকাৰ কাৰণে প্ৰেমৰ
বিস্তাৰ সম্ভৱ নহয়, সেইজন মানুহ জীৱিকা অৰ্জনত যিমান সফলেই নহওক লাগে,
তেওঁ কিন্তু জীৱনৰ শ্ৰেষ্ঠ দানৰ পৰা বঞ্চিত হৈ পৰে । যি উচ্চাকাঙ্খাই প্ৰেমক নিজৰ
সীমাৰ পৰা আঁতৰাই ৰাখে, সেই উচ্চাকাঙ্খাই সাধাৰণতে ডেকা কালত অসুখী
হোৱা হেতুকে মানৱ জাতিৰ প্ৰতি ওপজা খং বা ঘৃণা বা পিছৰ জীৱনৰ অন্যায়কৃত
কাম নাইবা অনবৰতে আনে নিজক অত্যাচাৰ কৰা বুলি ভাৱি থকাৰ পৰাই ওপজে ।
পৃথিৱীখনক সম্পূৰ্ণকৈ ভোগ কৰিবলৈ হ'লে মানুহে অতি অহমিকাৰূপী কাৰাগাৰৰ
পৰা মুক্ত হৈ ওলাই আহিব লাগিব । কোনো মানুহে সঁচাকৈয়ে এই আত্মকাৰাগাৰৰ
পৰা মুক্ত হ'ব পাৰিছে নে নাই তাৰ প্ৰমাণ তেওঁৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি নুঠাকৈয়ো
নৰ-নাৰীৰ মাজত যৌনতাৰ সম্পৰ্ক গঢ়ি উঠিব পাৰে । মানুহ এজনৰ শিশুকালৰ
অৱস্থাৰ বিচাৰ কৰি ৰাছেলে কৈছে,— "সকলোতকৈ যৌন ক্ষেত্ৰতেই শিশুকালৰ
নৈতিক শিক্ষা ক্ষতিকৰ হয় । যদি কোনো শিশুৱে কঠোৰ স্বভাৱৰ অভিভাৱক বা
ধাইৰ পৰা এই বিষয়ে প্ৰচলিত শিক্ষা পায়, তেনেহ'লে ছবছৰ বয়স হওঁতেই তাৰ
মনত পাপ আৰু যৌনাঙ্গ সম্পৰ্কে ভুল ধাৰণা এনেভাৱে বদ্ধমূল হ'ব যে জীৱনৰ
বাকীছোৱা কালতো যি শিক্ষা সম্পূৰ্ণৰূপে এৰি দিব নোৱাৰিব । অৱশ্যে এই ধাৰণা
'ইডিপাচ কমপ্লেক্স'ৰ বাবে আৰু শক্তিশালী হয়, কাৰণ যি নাৰীক শিশু কালত আটাইতকৈ





বেছি ভাল পাইছিল সেই নাৰীৰ সৈতে স্বাধীনভাৱে সম্পৰ্ক গঢ়ি তোলা অসম্ভৱ । ইয়াৰ ফলস্বৰূপে বহুত বয়স্ক পুৰুষেই নাৰীক যৌন সম্পৰ্কৰ বাবে হেয় জ্ঞান কৰে, আনকি নিজৰ পত্নীয়েও যদি এই কাৰ্যত ঘৃণা প্ৰকাশ নকৰে তেন্তে তেওঁক সন্মান কৰিব নোৱাৰে; কিন্তু ঘৈণীয়েক যদি এই বিষয়ে উদাসীন হয় তেন্তে তেওঁ সহজাত প্ৰবৃত্তিৰদ্বাৰা চালিত হৈ আন ঠাইত ইন্দ্ৰিয় সম্ভোগৰ সুবিধা বিচাৰিব । কোনো প্ৰকাৰে যদি সাময়িকভাৱে তেওঁৰ ইন্দ্ৰিয়ৰ তৃপ্তি সাধন হয়, তথাপি সেই তৃপ্তি অপৰাধবোধে বিযাক্ত কৰি তোলে, সেইবাবে তেওঁ কোনো বিবাহিত বা বাহিৰৰ নাৰীৰ সম্ভোগ সান্নিধ্যত সুখী হ'ব নোৱাৰে । নাৰীৰ বেলিকাও সেই একেই ধৰণৰ ঘটনাই ঘটে যেতিয়া তেওঁলোকক 'পৱিত্ৰ' হোৱাৰ শিক্ষাত বেছি গুৰুত্ব দিয়া হয় । নাৰীয়ে প্ৰবৃত্তি অনুযায়ী গিৰীয়েকৰ পৰা যৌন সম্পৰ্কৰ ক্ষেত্ৰত নিজক দূৰত ৰাখিবলৈ চেষ্টা কৰে আৰু সেই যৌন সম্পৰ্কৰ পৰা আনন্দ লাভ কৰিবলৈ ভয় কৰে ।"

নাৰীৰ প্ৰতি পূৰ্বতে প্ৰচলিত এনে ধাৰণা যে বহুগুণে সলনি হৈছে সেই কথাও ৰাছেলে গ্ৰন্থখনত উল্লেখ কৰিছে । ৰাছেলে কৈছে, প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাৰ আগতে বয়স অনুপাতে ল'ৰা-ছোৱালীৰ মাজত যৌনতাৰ শিক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয় হৈ পৰে । অন্যথা বয়সৰ দোষত অনেক ল'ৰা-ছোৱালী বিপথে পৰিচালিত হয় আৰু তাৰ ফলত আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হয় ছোৱালীবোৰ । বিবাহৰ পিছতো ছোৱালীবোৰৰ ওপৰত সেই প্ৰভাৱ ৰৈ যায় আৰু তাৰে গইনা লৈ নাৰীৰ বিৰুদ্ধে অনেক কাহিনী ৰচিত হয় ।

ৰাছেলে প্ৰেম সম্পৰ্কে যিবোৰ কথা কৈছে তাৰ সৈতে ব্যক্তি-প্ৰেমৰ উপৰিও মানৱ-প্ৰেমৰ সম্পৰ্ক আছে । প্ৰেমৰ সৈতে কেৱল বৈবাহিক সম্পৰ্ক বা দৈহিক, আত্মিক মিলনৰেই কথা কোৱা নাই, ৰাছেলে প্ৰেমৰ সাৰ্বজনীন উপযোগিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কৈছে যে, জীৱনক ভোগ কৰাৰ আন এটা উপায় হ'ল প্ৰেম । এই প্ৰেমত ভোগৰ প্ৰশ্ন আহিলে তাৰ দুটা দিশ থাকে, এটা ইতিবাচক দিশ আৰু আনটো নেতিবাচক দিশ । ৰাছেলে জীৱনক প্ৰেমেৰে ভোগ কৰাৰ ইতিবাচক দিশটোত 'মূল্যবান প্ৰকাশ দেখিছে আৰু নেতিবাচক দিশ 'ভয়ৰ প্ৰকাশ'ত দেখিছে 'আত্মকেন্দ্ৰিকতা' আৰু অনিষ্টকৰ প্ৰভাৱ ।

প্ৰেমত যৌনতাৰ সম্পৰ্ক সন্দৰ্ভত ৰাছেলৰ কি মত, সেই বিষয়ে পূৰ্বৰ অধ্যায়ত উল্লেখ কৰা হৈছে । ৰাছেলে যৌন সম্পৰ্কজনিত প্ৰেমৰ স্থায়িত্ব বিচাৰি পোৱা নাই । তেওঁ প্ৰেমৰ 'যৌন অভিজ্ঞতাক' মূল্যহীন বুলি কৈছে যদিও সেইবোৰক 'সযতনে পৰিত্যাগ' কৰাৰ কথাও স্পষ্টকৈ কোৱা নাই । কাৰণ, তেনে কৰিলে 'মূল্যবান আৰু গভীৰ প্ৰেম'ৰ জন্ম-সম্ভাৱনা থাকিলেও তাত বাধাৰ সৃষ্টি হ'ব পাৰে বুলি ৰাছেলে

কৈছে—"...মই ক'ব খোজো যে একমাত্ৰ সত্যমূল্য থকা যৌনতা হৈছে য'ত মনৰ একো গোপনীয়তা নেথাকে, য'ত উভয়ৰে সম্পূৰ্ণ ব্যক্তিত্ব একেলগে মিহলি হৈ এটি নতুন অখণ্ড ব্যক্তিত্বত পৰিণত হয় । এই পৃথিৱীত যিমানবোৰ সতৰ্কতা আছে, সকলোৰে ভিতৰত সম্ভৱতঃ প্ৰেমৰ ক্ষেত্ৰত হোৱা সতৰ্কতাই প্ৰকৃত সুখৰ ক্ষেত্ৰত সৰ্বাধিক মাৰাত্মক ।"

বাছেলে প্ৰেমত যৌনতাৰ সম্পৰ্ক আৰু তাৰ ফলত গঢ় লৈ উঠা 'পাপবোধ'ৰ ধাৰণা সম্পৰ্কেও কিছু কথা 'The Conquest of Happiness' গ্ৰন্থখনত আলোচনা কৰিছে । কেতিয়াবা ফকৰা যোজনা, সাঁথৰ, লোক-কথা আদিৰ মাজেৰে প্ৰকাশ পোৱা নাৰী সম্পৰ্কীয় নেতিবাচক কথাবোৰেই তাৰ প্ৰমাণ ।



# জ্ঞানৰ বিস্তৃতি আৰু ছাত্ৰ-অভিভাৱক সম্পৰ্ক

'ছাত্ৰ' শব্দটোৰ সংস্কৃত মূল হ'ল 'ছদ্' । ছদ্‌ৰ অৰ্থ হ'ল আচ্ছাদন । সহজ অৰ্থত ছাত্ৰ মানে আচ্ছাদন বা নিয়ন্ত্ৰণৰ মাজত থকাকে বুজায় । প্ৰাচীন সংস্কৃতৰ ব্যাখ্যাৰ অৰ্থতে 'ছাত্ৰ' শব্দটোৰ আধুনিক ব্যাখ্যাৰ পাৰ্থক্য থাকিলেও ছাত্ৰ এজন যে বিভিন্ন ক্ষেত্ৰত আচ্ছাদিত আৰু নিয়ন্ত্ৰিত হৈ থাকিব লাগে তাত হয়তো বিৰোধ থাকিব নোৱাৰে । প্ৰাচীন টোলৰ শিক্ষা ব্যৱস্থাৰ পৰা আহি আজিৰ শিক্ষা ব্যৱস্থাই যি ৰূপ পাইছে তাৰ মাজত যথেষ্ট তাৰতম্য আছে । আজিৰ শিক্ষা বিশ্ববিদ্যালয়কেন্দ্ৰিক আৰু চাকৰিমুখী । কিন্তু প্ৰাচীন শিক্ষা আছিল মূলতঃ জ্ঞানমুখী আৰু নৈতিকতাৰ দীক্ষাৰে পুষ্ট । সেয়ে আজি জ্ঞানান্বেষণ, নৈতিকতা আৰু স্বাৱলম্বনৰ বাবে আমি আধুনিক শিক্ষাৰ উপৰিও প্ৰাচীন শিক্ষাৰ কিছু সমল আহৰণ কৰাৰ প্ৰয়োজন আছে ।

গীতাত কৈছে ঃ "নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে ।" অৰ্থাৎ জ্ঞানৰ নিচিনা পৱিত্ৰ বস্তু ইহজগতত নাই । যি শিক্ষাৰে জ্ঞান অৰ্জন আৰু নৈতিকতাৰে দীক্ষিত হোৱা নেযায় তেনে শিক্ষাৰে কৰ্ম-সংস্থাপন পালেও ব্যক্তি এজন তাৰ দ্বাৰা উৎকৰ্ষতা লাভ কৰাৰ ক্ষেত্ৰত বিশেষ লাভবান নহয় । আমাৰ দেশৰ শিক্ষা-ব্যৱস্থা নম্বৰকেন্দ্ৰিক । কোনে পৰীক্ষাত কিমান নম্বৰ সঞ্চয় কৰিব তাৰ ওপৰতেই সেই ছাত্ৰজনৰ বুদ্ধিমত্তা আৰু জ্ঞানৰ গভীৰতাৰ বিচাৰ কৰা হয় । ফলত আমাৰ ছাত্ৰসকলে পৰীক্ষাত নম্বৰ লাভ কৰাৰ বাবে যিখিনি প্ৰয়োজনীয় গ্ৰন্থৰ প্ৰয়োজন সেইখিনিহে অধ্যয়ন কৰে; আন দিশত তেওঁলোকৰ জ্ঞান প্ৰায় শূন্য হৈ থাকে । সেয়ে আজিৰ শিক্ষাৰ পৰা ছাত্ৰসকলে জীৱন গঢ়া আৰু প্ৰকৃত মানৱীয় গুণেৰে সমৃদ্ধ হোৱাৰ উপযুক্ত পথ-নিৰ্দেশনা নেপায় । পৰীক্ষা-নিৰ্ভৰ শিক্ষা পদ্ধতিৰ কেৰোণ সম্পৰ্কে অনেক শিক্ষাবিদ, বিজ্ঞানী আৰু বুদ্ধিজীৱীয়েও আঙুলিয়াই গৈছে । অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰূপে ১৯১৯ খৃঃত তেজপুৰত ভাষণ দি বিজ্ঞানাচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে শিক্ষাৰ জৰিয়তে জ্ঞানৰ বিস্তৃতি আৰু মানসিক উৎকৰ্ষ সাধন সম্পৰ্কে উল্লেখ কৰি কৈছিল যে অকল পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই জীৱনৰ উদ্দেশ্য—এনে ভাৱ মনৰ পৰা আঁতৰাব লাগিব । ৰায়ৰ মতে বিশ্ববিদ্যালয়ৰ শিক্ষা কেৱল মানসিক শক্তিৰ এক অসম্পূৰ্ণ পৰীক্ষা । আচল শিক্ষা হ'ল মানসিক শক্তিৰ উৎকৰ্ষ সাধন কৰা । এই

উৎকৰ্ষৰ সন্ধান কেৱল কিতাপৰ মাজতেই নেপায়, আমাৰ সমাজ জীৱনৰ পৰাও উৎকৰ্ষৰ সন্ধান পাব পাৰি ।

ঘৰ আৰু সমাজ জীৱনৰ সৈতে অভিভাৱকসকল যিহেতু জড়িত সেয়ে ছাত্ৰ বা শিক্ষাৰ্থী এজনৰ জ্ঞানৰ বিস্তৃতিৰ ক্ষেত্ৰত অভিভাৱকৰ গুৰুত্ব অপৰিসীম । পাৰিপাৰ্শ্বিকতাৰ বিভিন্ন ধৰণৰ ইতিবাচক আৰু নেতিবাচক দিশৰ পৰা ছাত্ৰ সমাজ আঁতৰি থাকিব নোৱাৰে বাবে অভিভাৱক এজনে ছাত্ৰ এজনৰ জ্ঞান বিস্তাৰৰ বিভিন্ন দিশত চকু ৰাখিবলগা হয় । আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-অভিভাৱক আৰু শিক্ষানুষ্ঠানৰ সম্পৰ্ক অতি ক্ষীণ ; কিন্তু ইউৰোপীয় শিক্ষা ব্যৱস্থাত এনে সম্পৰ্ক বৰ সবল । উদাহৰণস্বৰূপে—পেৰিছ বিশ্ববিদ্যালয়ত যেতিয়া ছাত্ৰক জ্ঞানৰ শিক্ষা প্ৰদান কৰা হয় তেতিয়া শ্ৰেণীকোঠাৰ কিছুমান বক্তৃতানুষ্ঠানত অভিভাৱক বা জনসাধাৰণক সোমাবলৈ অনুমতি দিয়া হয় । বিশেষকৈ সেই দেশৰ সমাজ, সাহিত্য, ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে বক্তৃতা প্ৰদান কৰিবলৈ তাত ছাত্ৰৰ বাদেও বাহিৰা লোকৰ প্ৰৱেশৰ অনুমতি দিয়া হয় । তদুপৰি যিকোনো বিষয়ৰ ওপৰত ইউৰোপৰ বিশ্ববিদ্যালয়বোৰে চৌহদৰ বাহিৰতো প্ৰশিক্ষণ শ্ৰেণী (Tutorial class) ৰ ব্যৱস্থা কৰে । ইউৰোপৰ নৱজাগৰণত শিক্ষাৰ এনে গণমুখী আৰু গণসংযোগী চৰিত্ৰই যথেষ্ট সহায় কৰিছিল । আজিৰ ইউৰোপীয়সকলে যি চহকী সাহিত্য, সমাজ আৰু সংস্কৃতি পাইছে তাৰ মূলতেই হ'ল ছাত্ৰ, অভিভাৱক, শিক্ষক আৰু জনসাধাৰণৰ ওচৰ সম্পৰ্ক আৰু গণ-সংযোগ ।

অসমৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানুষ্ঠানৰ সৈতে ১৯৮০ চনৰ আগলৈকে অভিভাৱক আৰু জনসাধাৰণৰ যোগাযোগ কম-বেছি পৰিমাণে আছিল । বেছিভাগ গাঁৱতেই ৰাজহুৱা পুথিভঁৰাল আছিল । আমি কৈশোৰ অৱস্থাতে নিয়মিতভাৱে তেনে পুথিভঁৰাললৈ গৈছিলোঁ আৰু পাঠ্যপুথিৰ বাহিৰেও কিছু আদৰ্শনীয় গ্ৰন্থ অধ্যয়ন কৰি বিভিন্ন বিষয়ৰ জ্ঞান অৰ্জন কৰিছিলোঁ । কিন্তু ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ পিছৰ পৰা তেনে পুথিভঁৰালবোৰ গাঁওবোৰৰ পৰা ক্ৰমান্বয়ে নাইকীয়া হৈ গ'ল । বেছিভাগ ক্লাব আৰু পুথিভঁৰালেই ছাত্ৰ সংগঠন, ৰাজনৈতিক দল আদিৰ কাৰ্যালয় অথবা মদ-জুৱাৰ আড্ডাত পৰিণত হ'ল । পূৰ্বৰে পৰা দি থকাৰ দৰে আজিও চৰকাৰে গ্ৰাম্য পুথিভঁৰালৰ কাৰণে লাখ লাখ টকা খৰছ কৰে, গ্ৰন্থৰ যোগান ধৰে । কিন্তু পূৰ্বৰ দৰে ছাত্ৰবোৰ গ্ৰাম্য পুথিভঁৰাললৈ নেযায় অথবা নতুন পুথিভঁৰাল গঢ়াৰ কামত আগভাগ নলয় । পুথিভঁৰালৰ পৰিৱৰ্তে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে দূৰদৰ্শনৰ সন্মুখত সময় কটায়, কিছুমান যায় চিনেমা হললৈ, কিছুমান যায় জুৱা আৰু মদৰ আড্ডালৈ । আগৰ দৰে আজিৰ ল'ৰা ছোৱালীবোৰে অতিৰিক্ত





সময়খিনি পুথিভঁৰালত অধ্যয়ন কৰি, নিজৰ পঢ়াৰ খৰছ উলিয়াবৰ বাবে শ্ৰম কৰি, ৰাজহুৱা কাম কৰি, বিপদ-আপদত মানুহৰ কাষত থিয় দি অথবা অভিভাৱকক ঘৰুৱা কামত সহায় কৰি নকটায় । বেছিভাগেই সময়বোৰ অবাবতে নষ্ট কৰি কটায় । অভিভাৱকসকলৰ বেছিভাগেই ছাত্ৰ-ছাত্ৰীক 'যুগৰ সৈতে চলিবলৈ সুযোগ দি' তেওঁলোকৰ নৈতিক দিশটোলৈ চকু নিদিয়ে । আজিৰ ভোগবাদী আৰু ধন-সৰ্বস্ব সমাজ ব্যৱস্থাৰ এজন 'সফল প্ৰতিযোগী' হ'বলৈ বেছিভাগ অভিভাৱকেই সহজ উপায়ে ধন ঘটা বা পুত্ৰ-কন্যাকো তেনে পথলৈ আগবাঢ়ি যোৱাত উৎসাহ যোগোৱা দেখা যায় । ফলত অভিভাৱকৰ সংসাৰলৈ ধন-সম্পদ আহে; কিন্তু প্ৰকৃত পৰিয়াল বা সংসাৰ গঢ়ি তুলিবলৈ যি সততা, নৈতিকতা আৰু জ্ঞান-শিক্ষাৰ সম্পদৰ প্ৰয়োজন হয় সেয়া নাহে । যিকোনো অভিভাৱকৰেই সন্তানৰ আচল সম্পদ হ'ল নৈতিকতা আৰু জ্ঞান অৰ্জন । সন্তানটো সুনাগৰিকৰূপে নিজকে চিনাকি দিব নোৱাৰিলে তেওঁৰ মাজত থকা মানৰ সম্পদৰ পৰা দেশে কোনো দিশতেই লাভবান নহয় । জ্ঞানৰ অন্বেষণৰ দ্বাৰাহে তেনে সুনাগৰিক হ'ব পৰা যায় । ভাৰত বিখ্যাত পণ্ডিত ডঃ ডি. আৰ. ভাণ্ডাৰকাৰে অসম ছাত্ৰ সন্মিলনৰ গোলাঘাট অধিবেশনত ১৯২০ খৃঃৰ ২৭ অক্টোবৰত সভাপতিৰূপে ভাষণ প্ৰদান কৰি এটা গুৰুত্বপূৰ্ণ কথা কৈছিল । জ্ঞানৰ অন্বেষণ সম্পৰ্কে তেওঁ কৈছিল—"জ্ঞান গ্ৰহণ কৰি আৰু জীণ নিয়াইহে মনৰ উৎকৰ্ষ সাধিব পৰা যায়, আমি শিক্ষা বুলিলে ইয়াকেহে বুজো । কিন্তু যদি আমি আমাৰ নিজৰ পৰা নিজে বুজি নলওঁ আৰু তাৰ শ্ৰীবৃদ্ধি কৰিবলৈ নেচাওঁ তেন্তে কেনেকৈনো জ্ঞান গ্ৰহণ কৰি জীণ নিয়াবলৈ সমৰ্থ হ'ম ?" ডঃ ভাণ্ডাৰকাৰৰ অভিমতৰ সৈতে একমত হৈ আমিও ক'ব পাৰোঁ যে জ্ঞান আহৰণ কৰি জীণ নিয়াব নোৱাৰিলে সেই জ্ঞানে সমাজৰ উপকাৰ সাধিব নোৱাৰে । সেয়ে আজিৰ প্ৰদূষিত শৈক্ষিক আৰু সামাজিক পৰিমণ্ডলত ছাত্ৰ এজনৰ জ্ঞানৰ বিস্তৃতি আৰু তাক জীণ নিওৱাৰ ক্ষেত্ৰত অভিভাৱকে কৰিবলগা কিছুমান কাম আছে । তেনে কিছুমান প্ৰাথমিক কাম হ'ল (ক) সন্তান এজনে কোন বিষয়ত অধ্যয়ন কৰিবলৈ উৎসাহী সেই দিশত অভিভাৱকে নজৰ দিয়া, (খ) পাঠ্য-পুস্তকৰ উপৰিও প্ৰয়োজনীয় বাহিৰা কিতাপ সময়মতে যোগান ধৰা । সম্ভৱ হ'লে ছাত্ৰজনে নিজৰ ঘৰতে এটা ব্যক্তিগত পুথিভঁৰাল গঢ়ি তোলাত সহায় কৰা (গ) অভিভাৱকে নিজেও গ্ৰন্থ অধ্যয়ন কৰি জ্ঞানৰ পৰিধি বৃদ্ধি কৰা আৰু নিজৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ ফলখিনি সন্তানে ভোগ কৰাৰ সুযোগ দিয়া (ঘ) বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ উচ্চমানৰ আলোচনী কাকত আৰু গ্ৰন্থ নিয়মিতভাৱে যোগান ধৰা (ঙ) নিয়মিতভাৱে পুথিভঁৰাললৈ যোৱাৰ ব্যৱস্থা কৰি দিয়া (চ) সন্তানৰ সৈতে বন্ধুত্বসুলভ সম্পৰ্ক বজাই ৰাখি তাৰ মনস্তত্ব আৰু দৈনন্দিন বিকাশ সম্পৰ্কে

অধ্যয়ন কৰা (ছ) সময়ৰ সদ্ব্যৱহাৰ সম্পৰ্কে সন্তানক সজাগ কৰা (জ) মাজে সময়ে আদৰ্শনীয় ঠাই, গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ বা আলোচনা সভা আদিলৈ সন্তানক লগত লৈ যোৱা (ঝ) নিয়মিতভাৱে খেলা-ধূলা আৰু শাৰীৰিক ব্যায়ামৰ সুযোগ দিয়া আদি।

আমাৰ অভিভাৱকসকলে সন্তানৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত গ্ৰীক শিক্ষাৰ ওপৰতো অধ্যয়ন অপৰিহাৰ্য বুলি ভাৱিব পাৰে। জাৰ্মান, ফ্ৰান্স, চীন আদি দেশত যি পদ্ধতিৰে শিক্ষা দিয়ে তেনে শিক্ষা আমাৰ দেশত নাই; কিন্তু অভিভাৱক এজনে তেনে শিক্ষাৰ ওপৰত নুন্যতম অধ্যয়ন কৰি নিজৰ ঘৰতেই সন্তানক তেনে শিক্ষা প্ৰদান কৰিব পাৰে। প্ৰাচীন গ্ৰীক আৰু আধুনিক জাৰ্মান, ফ্ৰান্স, চীন আদিৰ শিক্ষা ব্যৱস্থাই ছাত্ৰক জ্ঞানাৰ্জনৰ সুযোগ প্ৰদান কৰাৰ উপৰিও শাৰীৰিক উৎকৰ্ষ সাধনৰ শিক্ষা দিয়ে। কেৱল শিক্ষানুষ্ঠানৰ শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰিলে অভিভাৱকসকলে আশা কৰামতে ছাত্ৰ এজনে নিজৰ ভৱিষ্যতটোক গঢ়ি তুলিব নোৱাৰে। জ্ঞানৰ বিস্তৃতি বিস্তৃতিৰ বাবে নিৰ্দিষ্ট কোনো গ্ৰন্থ বা শিক্ষা ব্যৱস্থাই যথেষ্ট নহয়। জ্ঞানৰ বিস্তৃতি নিৰ্ভৰ কৰে ছাত্ৰ এজনৰ স্পৃহা, শিক্ষানুষ্ঠানৰ পৰিবেশ, শিক্ষকৰ সদিচ্ছা, অভিভাৱকৰ তৎপৰতা, ঘৰ আৰু সামাজিক বাতাবৰণৰ ওপৰত। ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ সম্পৰ্কই তেনে এক অনুকূল পৰিবেশ ঘৰ, শিক্ষানুষ্ঠান আৰু সমাজ—সকলোতে আনি দিব পাৰে।



# শিক্ষক হোৱাৰ গুৰুত্ব

চিন্তাবিদ ক্ৰাউথাৰে কৈছিল যে এজন কৃতকাৰ্য প্ৰধানমন্ত্ৰী হোৱাতকৈ এজন কৃতকাৰ্য শিক্ষক হ'বলৈ অধিক যোগ্যতা লাগে। শিক্ষকতাৰ সৈতে জড়িত প্ৰতিজন লোকেই সম্ভৱতঃ ক্ৰাউথাৰৰ এই কথাৰ সৈতে একমত। কাৰণ, প্ৰধানমন্ত্ৰী হ'বলৈ বিশেষ ধৰণৰ যোগ্যতা বা অৰ্হতাৰ প্ৰয়োজন নাই; কিন্তু শিক্ষক হ'বলৈ বিশেষ অৰ্হতাৰ প্ৰয়োজন। প্ৰধানমন্ত্ৰী এজনৰ সহায়ৰ বাবে ব্যক্তিগত সচিব থাকে; কিন্তু শিক্ষক এজনৰ ক্ষেত্ৰত তেনে ধৰণৰ সচিব বা সহায়ক নেথাকে। সেয়ে এজন প্ৰকৃত শিক্ষক হ'বলৈ হ'লে সেইজন ব্যক্তি বৌদ্ধিকভাৱে স্ব-নিৰ্ভৰশীল, চিন্তাশীল, অধ্যয়নশীল আৰু গভীৰ ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব।

শিক্ষক এজনৰ সৈতে ছাত্ৰ এজনৰ সম্পৰ্ক কেনে হোৱা উচিত অথবা ছাত্ৰ এজনৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত শিক্ষক এজনে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰা উচিত এই বিষয়ে ক'বলৈ গ'লে আমি প্ৰথমতে ক'ব লাগিব যে প্ৰতিজন শিক্ষকেই হ'ব লাগিব পেলিকান চৰাইৰ দৰে। পেলিকান চৰাইৰ এটা বিশেষ বৈশিষ্ট্য হ'ল এয়ে যে, পোৱালীবোৰৰ ভোক লাগিলে পেলিকান চৰায়ে ঠোঁটেৰে নিজৰ গাৰ মংস ছিঙি পোৱালীবোৰক খাবলৈ দি ভোক নিবাৰণ কৰে। এনে কৰোঁতে অনেক সময়ত পেলিকান চৰায়ে বিষণ্ণতাকো আঁকোৱালি ল'ব লগা হয়। শিক্ষকসকলেও তেওঁলোকৰ পোৱালীসদৃশ ছাত্ৰ-ছাত্ৰীবোৰৰ শিক্ষাগত ভোক-পিয়াহ নিবাৰণৰ হ'কে কেতিয়াবা ত্যাগৰ মাজেৰে বিষণ্ণতাকো আঁকোৱালি ল'ব লগা হয়।

শিক্ষক এজন জ্ঞানী হৈয়ো ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ ক্ষেত্ৰত তেওঁ বিষণ্ণতাক আঁকোৱালি লোৱাৰ আন এটা কাৰণ হ'ল এয়ে যে, বাস্তৱ অৰ্থত কোনো এজন লোকেই পৰিপক্ক মানুহ নহয়। কাৰণ, মানুহ এজনে বহু কিবাকিবি জানিলেও তেওঁ আটাইতকৈ কম জানে নিজৰ বিষয়ে। সেয়ে শিক্ষক এজন যিদৰে জ্ঞানী পুৰুষৰূপে স্বীকৃতি পাব পাৰে তেনেদৰে তেওঁ জ্ঞানপিপাসু হিচাপে এজন অনুসন্ধিৎসু পৰীক্ষাৰ্থীৰ শাৰীতো অৱতীৰ্ণ হ'ব পাৰে। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনেও শিক্ষকৰ এই জ্ঞানপিপাসু চৰিত্ৰৰ কথা ক'বলৈ গৈ উল্লেখ কৰিছিল যে এজন শিক্ষকে শ্ৰেণীত

সোমাওঁতে শিক্ষক হিচাপে নহয়, ছাত্ৰ হিচাপেহে সোমোৱা উচিত । বাইবেলতো এষাৰ কথা আছে—"অন্ধই যদিহে অন্ধক চলাই নিয়ে তেনেহ'লে দুয়ো খালত পৰিব ।" সেই কাৰণেই শিক্ষক এজন যাতে জ্ঞান লাভৰ ক্ষেত্ৰত অন্ধ নহয় তাৰ বাবে তেওঁ তেওঁৰ মাজত ছাত্ৰসুলভ মন এটাৰো সৃষ্টি কৰিব লাগিব । তেতিয়াহে সৃষ্টি আৰু জ্ঞানৰ আলোকেৰে শিক্ষক এজনৰ চৰিত্ৰ আলোকিত হৈ পৰিব আৰু তাৰে পোহৰত ছাত্ৰসকলেও নতুন পথৰ সন্ধান পাব ।

ছাত্ৰৰ সৰ্বাংগীন বিকাশ বুলি ক'লে আমি বিদ্যা, নৈতিক চৰিত্ৰ আৰু বৌদ্ধিক বিকাশকে বুজো । এই বিকাশসমূহ কিছু পৰিমাণে জন্মগত বা বংশগত প্ৰক্ৰিয়াৰ ফল হ'লেও এইবোৰ বহু পৰিমাণে নিৰ্ভৰ কৰে জীৱনৰ উৎকৰ্ষ সাধনৰ প্ৰচেষ্টাৰ ওপৰত । উৎকৰ্ষ সাধনৰ এই প্ৰচেষ্টা শৈশৱ কালত পিতৃ-মাতৃৰ যত্নৰ ফলত গঢ়ি উঠে যদিও স্কুলীয়া জীৱনত ইয়াৰ ভিত্তি গঢ়ে শিক্ষকসকলে । সেয়ে ছাত্ৰসকলৰ ক্ষেত্ৰত শিক্ষকসকলক একো একোটা মহৎ শিক্ষানুষ্ঠান বুলি কোৱা হয় । শিক্ষক এজন মহৎ শিক্ষানুষ্ঠানৰূপে পৰিগণিত হৈ ছাত্ৰক পোহৰৰ বাট দেখুৱাব পাৰে তেতিয়াহে, যেতিয়া শিক্ষকজনে সময়ৰ সদ্ব্যৱহাৰৰ জৰিয়তে সেৱাত ব্ৰতী হয় । এই কথা ছাত্ৰসকলৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য । সময়ৰ সদ্ব্যৱহাৰ কৰিব জানিলে সময়বোৰ শিক্ষকৰ দৰে ছাত্ৰৰো শিক্ষানুষ্ঠানত পৰিণত হয় আৰু তাৰ পৰা জীৱনৰ প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰিব পাৰি । কিন্তু সময়ৰেই অসদ্ব্যৱহাৰ কৰিলে ছাত্ৰসকলৰ বাবে সময় হৈ পৰে জুই, য'ত তেওঁলোকে জ্বলি-পুৰি ছাঁই হৈ মৰিব পাৰে । ছাত্ৰ-ছাত্ৰীক সময়ৰ এনে জ্বলন্ত জুইৰ পৰা ৰক্ষা কৰিব পাৰে একমাত্ৰ শিক্ষকসকলেহে ।

শিক্ষকসকলক সমাজ-দেহৰ মস্তিষ্ক বুলি ক'লে ছাত্ৰসকলক সমাজ-দেহৰ নাক, কাণ আৰু চকু বুলি অভিহিত কৰিব পাৰি । মস্তিষ্কৰ সফল প্ৰয়োগ অবিহনে যিদৰে জীৱন বৃথা, তেনেদৰে দেহৰ অন্যান্য অঙ্গবোৰো হৈ পৰে বিকল । গতিকে শিক্ষক এজন সুস্থ মস্তিষ্কৰ অধিকাৰী হোৱাৰ লগে লগে ছাত্ৰসকলৰ মস্তিষ্কৰ বিকাশতো চকু দিব লাগিব । ইয়াৰ প্ৰাথমিক পদক্ষেপ হিচাপে শিক্ষক এজনে কৰিবলগা কাম সমূহৰ মাজত আছে—

১। ছাত্ৰ-ছাত্ৰীসকলক শৃঙ্খলাবদ্ধ হ'বলৈ শিকোৱা ।

২। জীৱনৰ ভৱিষ্যত সম্পৰ্কে এটা সুস্থ ধাৰণা প্ৰদান কৰা ।

৩। ভোগ-বিলাসৰ বিপৰীতে কৰ্মময় জীৱনৰ প্ৰতি আসক্তি বঢ়োৱা ।

৪। সমাজ গঠনৰ উপাদান সমূহৰ সৈতে পৰিচয় কৰাই দিয়া ।

৫। ৰাজনৈতিক জীৱনৰ বিপৰীতে সামাজিক আৰু সাংস্কৃতিক জীৱনৰ প্ৰতি অনুৰাগী কৰি তোলা ।





সাম্প্ৰতিক সমাজ জীৱনৰ আৱৰ্তৰ মাজত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক আৰু শৈক্ষিক অধঃপতনৰ অন্যতম কাৰণ হৈছে উশৃংখল জীৱন-যাপন আৰু সস্তীয়া ৰাজনৈতিক বাতাবৰণৰ প্ৰতি অধিক মনোযোগ । উশৃংখল জীৱন যাপনৰ মূল কাৰণ হৈছে ধনৰ উভৈনদী ব্যৱহাৰ । বিশেষকৈ দুৰ্নীতিগ্ৰস্ত মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকল এনে উশৃংখলতাৰ চক্ৰবেহুত সোমোৱা দেখা যায় । ড্ৰাগচ, মদ, জুৱা আদিত জড়িত হোৱা বা এইডচত আক্ৰান্ত হোৱা ল'ৰা-ছোৱালীবোৰৰো শতকৰা ৯৯ ভাগেই তথাকথিত অভিজাত শ্ৰেণীৰ লোকৰ ঘৰৰ সন্তান । ধন, ক্ষমতা আৰু বাহুবলৰ ৰাজনীতিতো এনে পৰিয়ালৰ ল'ৰা-ছোৱালীয়েই জড়িত হৈ পৰে । সুস্থ জীৱনবোধ সম্পৰ্কে এওঁলোকৰ ধাৰণা থকাৰ বিপৰীতে অসৎ উপায়ে ধন ঘটা আৰু ভোগ-বিলাসৰ নামত নৈতিক চৰিত্ৰৰ স্খলন ঘটোৱাতহে এওঁলোক বেছিকৈ নিমজ্জিত হৈছে । এনে প্ৰৱণতাই তিলে তিলে শেষ কৰি আছে একো একোটা নতুন প্ৰজন্মক । পশ্চিমীয়া সাম্ৰাজ্যবাদী প্ৰৱণতাৰ ছত্ৰছাঁয়াত গঢ় লৈ উঠা এনে ভোগবাদী জীৱন-যাপনৰ বিপৰীতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক একমাত্ৰ শিক্ষকসকলেহে আচল পথৰ সন্ধান দিব পাৰে ।

ফ্ৰান্সৰ শিক্ষাবিদ ডিডাৰোৱে কোৱা এষাৰ কথা এইক্ষেত্ৰত প্ৰণিধানযোগ্য । তেওঁ কৈছিল যে কৃষকৰ ল'ৰা যদি এবাৰ শিক্ষিত হয়, পৃথিৱীত এনে কোনো চয়তান নাই যিয়ে তাক ঠগিব । আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শতকৰা আশীভাগেই গাঁৱলীয়া সমাজৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা । শিক্ষাৰ উপযুক্ত পোহৰ পোৱাৰ লগে লগে এওঁলোক নিজ প্ৰতিভাৰে আলোকিত হৈ পৰে । গতিকে সমাজত যিমানেই শিক্ষিতৰ হাৰ বাঢ়ি যাব সিমানেই সমাজত চয়তানী লোকৰ ঠগবাজী বন্ধ হ'ব আৰু সমাজ আগবাঢ়ি যাব প্ৰগতিৰ পথত । শিক্ষাৰ বুনিয়াদী পাঠ দিব পৰা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত যি ভূমিকা গ্ৰহণ কৰিব লাগিব সেয়া হ'ল পৰিণত হোৱাৰ শিক্ষা । অৱশ্যে পৰিণত হ'বলৈ শিক্ষা দিয়াটোও বৰ কষ্টসাধ্য কলা । এই কলা আহৰণ কৰিবলৈ হ'লে সমগ্ৰ জীৱনজুৰি অনুসৰণ কৰিব লগা হয় । ইয়াকে কৰিবলৈ যাওঁতে শিক্ষক বা ছাত্ৰ-ছাত্ৰীসকলে হতাশাক প্ৰশ্ৰয় দিব নেলাগিব । কাৰণ, হতাশাই ব্যক্তি এজনৰ বিকাশত বাধা প্ৰদান কৰে আৰু ক্ৰমান্বয়ে ব্যক্তিজনক গ্ৰাস কৰি পেলায় । শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা এই হতাশা আঁতৰ কৰাৰ অন্যতম পথ হ'ল একাগ্ৰতা । মন আৰু বিবেক—এই দুয়োটাৰে উন্নতি সাধনৰ হ'কে আৱশ্যকীয় উপাদান হ'ল একাগ্ৰতা । মনত একাগ্ৰতা থকা মানুহেই পৃথিৱীত নিজ পদচিহ্ন এৰি যাব পাৰে । মনত একাগ্ৰতাৰ ভাৱ জন্মাবৰ বাবে অধ্যয়নৰ প্ৰয়োজন । অধ্যয়নে জ্ঞান আৰু শিক্ষাৰ প্ৰসাৰ ঘটায় । স্বামী বিবেকানন্দয়ো কৈ গৈছে যে মানুহৰ

চৰিত্ৰ গঠনৰ বাবে অপৰিহাৰ্য বিষয় হ'ল অধ্যয়ন আৰু শিক্ষা, আৰু তেওঁ এই শিক্ষাক এনে এটা পৰ্যায়লৈ নিবলৈ কৈছে যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মানসিক শক্তি বাঢ়ে, মেধা শক্তি বাঢ়ে আৰু ব্যক্তি এজনে নিজৰ ভৰিত থিয় হ'ব পাৰে। গতিকে শিক্ষক এজনেও ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰোঁতে উপৰি উক্ত বিষয়বোৰৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ এই বিকাশৰ সৈতে শিক্ষক এজনৰ আনন্দ-অনুভূতিৰ গভীৰ সম্পৰ্ক থাকে, আত্মসন্মানো বাঢ়ে আৰু ইয়াতেই নিহিত থাকে শিক্ষক হোৱাৰ গুৰুত্ব।

---



# বিপ্লৱী-সংস্কৃতি

চীনৰ বিপ্লৱৰ নেতা মাও চে তুঙে এক লেখাত উল্লেখ কৰিছিল যে বিপ্লৱী-সংস্কৃতি জনসাধাৰণৰ ব্যাপক সংখ্যকৰ বাবে এটা বৰ ক্ষমতাশালী বৈপ্লৱিক অস্ত্ৰ। (Revolutionary culture is a powerful revolutionary weapon for the broad masses of the people.) । ১৯৪৯ চনত সংঘটিত হোৱা চীন-বিপ্লৱৰ ক্ষেত্ৰত মাও চে তুঙৰ এই কথা বহু পৰিমাণে ফলিয়াইছেও। পৃথিৱীৰ যিবোৰ দেশত সমাজ-বিপ্লৱ সংঘটিত হৈছে সেইবোৰৰ নেতৃত্ব বহনকাৰী লোকসকলৰ সিংহভাগেই জনসাধাৰণৰ সাংস্কৃতিক জীৱনৰ সৈতে জড়িত। বহু ক্ষেত্ৰত তেওঁলোক একো একোজন সফল লেখক বা শিল্পীও। ১৯১৭ চনৰ ৰুছ-বিপ্লৱৰ নেতা ভ্লাদিমিৰ ইলিছ লেনিন, ভিয়েটনামৰ কমিউনিষ্ট নেতা হো চি মিন, কিউবা-বিপ্লৱৰ নেতা ফিডেল কাষ্ট্ৰো একো একোজন শক্তিশালী লেখকো। ফ্ৰেডৰিক এঙ্গেলছে সমাজ-বিপ্লৱৰ তত্ত্বগত দিশত উচ্চমানৰ লেখা লিখাৰ উপৰিও তেওঁ সুন্দৰ ছবি আঁকিছিল। সেয়ে কলম, তুলিকা আৰু কণ্ঠক সমাজ ৰূপান্তৰৰ অস্ত্ৰৰূপে প্ৰয়োগ কৰিবলৈ এওঁলোক যত্নপৰ হৈছিল। মাও চে তুঙে মানুহক হত্যা কৰাৰ যি দুটা মূল অস্ত্ৰৰ কথা উনুকিয়াইছিল তাৰ ভিতৰত বন্দুক আৰু কলম অন্যতম। কিন্তু তেওঁৰ মতে, "আটাইতকৈ কৌশলপূৰ্ণ ছদ্মবেশী উপায়েৰে ৰক্তপাত নোহোৱাকৈ কৰা হত্যা কলমৰ দ্বাৰাই কৰা হয়।"

মাও চে তুঙে যি বিপ্লৱী-সংস্কৃতিৰ কথা কৈছিল, তাৰ বাবে তেওঁ জনসাধাৰণৰ মাজলৈ যোৱা, জনসাধাৰণৰ পৰা শিকা আৰু জনসাধাৰণৰ পৰা শিকোৱাবো পোষকতা কৰিছিল। অৰ্থাৎ বিপ্লৱী-সংস্কৃতি তেতিয়াই গঢ়ি উঠে যেতিয়া জনসাধাৰণৰ জীৱন-যাত্ৰাৰ প্ৰতিফলন সাংস্কৃতিকভাৱে ঘটে। আনহাতে লেনিনে এই বিপ্লৱী-সংস্কৃতিৰ উত্থান আৰু বিকাশৰ বাবে মূল উপাদানৰূপে বিপ্লৱী মতবাদ গ্ৰহণ কৰিবলৈ জনসাধাৰণ আৰু সংগঠন সমূহক নিৰ্দেশ দিছিল। লেনিনৰ মতে "বিপ্লৱী মতবাদ নাথাকিলে, কোনো বিপ্লৱী আন্দোলনেই সফল হ'ব নোৱাৰে।"

বিপ্লৱী মতবাদ সেইসকলেই গ্ৰহণ কৰিব পাৰে যিসকলৰ বিদ্ৰোহ কৰাৰ প্ৰবৃত্তি থাকে। সমাজতাত্ত্বিক ৰবাৰ্ট লিণ্ডাৰে বিদ্ৰোহ কৰাৰ প্ৰবৃত্তিক মনুষ্যত্বৰ এটা প্ৰধান

লক্ষণ বুলি অভিহিত কৰিছে । তেওঁৰ মতে মানুহৰ দৰে জীয়াই থাকিবলৈ হ'লে মানুহে বিদ্ৰোহ কৰিবই লাগিব ।

বিপ্লৱী-সংস্কৃতিৰ বাবে যিদৰে এটা বৈপ্লৱিক মতবাদ অপৰিহাৰ্য, তেনেদৰে বিদ্ৰোহাত্মক মন এটাৰো প্ৰয়োজন । বিষ্ণু প্ৰসাদ ৰাভাই কোৱাৰ দৰে বিপ্লৱ যিদৰে কটা-খোঁচা নহয় তেনেদৰে বিপ্লৱী-সংস্কৃতিও বিজুলী ঢেৰেকণি নোহোৱাকৈ বৰষুণ অহাৰ দৰে এটা পৰিঘটনা নহয় । বিপ্লৱী-সংস্কৃতিৰ পৰিবেশ এটা সমাজত গঢ়ি উঠিবলৈ হ'লে সমাজৰ কেৰোণবোৰ প্ৰথমতে নিৰ্ণয় কৰিব লাগিব । কাৰণ, কেৰোণ অবিহনে বিদ্ৰোহৰ পৰিস্থিতি সৃষ্টি নহয় আৰু বিদ্ৰোহ অবিহনে বৈপ্লৱিক সংস্কৃতিয়েও গতি লাভ নকৰে ।

অকল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ সমাজ জীৱনৰ বিভিন্ন দিশত কেৰোণবোৰ এনেকৈ শিপাইছে যে ইয়াৰ নিৰাময়ৰ বাবে যেন সাংবিধানিক কাঠামোৰ ভিত্তিত গঢ়ি উঠা গণতান্ত্ৰিক পদ্ধতিবোৰ অকামিলা হৈ পৰিছে । বিশেষকৈ অসমৰ সমাজ জীৱনৰ কেৰোণবোৰে জনসাধাৰণৰ স্বাভাৱিক জীৱন-ব্যৱস্থা দুৰ্বিসহ কৰি তুলিছে । দুৰ্নীতি, স্বজন-প্ৰীতি, লুণ্ঠন, সামাজিক-সাংস্কৃতিক অৱক্ষয়, ৰাজনৈতিক ভণ্ডামী আদিৰ প্ৰকোপত কাঠ এডাল ঘূণে খাই শেষ কৰাতকৈও অধিক ঠুনুকা হৈ পৰিছে আমাৰ সমাজ ব্যৱস্থাৰ ভেটি । এনে পৰিবেশত স্বাভাৱিকতেই আমাৰ সমাজ-জীৱনত বিদ্ৰোহাত্মক পৰিবেশ এটাৰ সৃষ্টি হোৱা প্ৰয়োজন; কিন্তু দেখা গৈছে যে স্বাৰ্থ আৰু প্ৰলোভনৰ পিছে পিছে দৌৰি জনসাধাৰণে বিদ্ৰোহৰ কথা পাহৰি গৈছে । সকলো কথা সহজভাৱে গ্ৰহণ কৰি লৈছে যেন ধাৰণা হয় । জনসাধাৰণৰ এনে নীৰৱতা আৰু নিৰ্লিপ্ততাৰ বাবেই লুণ্ঠনকাৰীয়ে লুণ্ঠন কৰিছে, হত্যাকাৰীয়ে হত্যা কৰিছে, ধৰ্ষণকাৰীয়ে ধৰ্ষণ কৰিছে, দুৰ্নীতিকাৰীয়ে অবাধে দুৰ্নীতি কৰি আছে আৰু সাম্প্ৰদায়িক শক্তিয়ে চেগ বুজি ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায়ৰ নামত মানুহবোৰক ভাগ ভাগ কৰি আছে ।

জনসাধাৰণক ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একেটা মঞ্চত গোট খুৱাই বৈপ্লৱিক ক্ৰিয়া-কাণ্ডত জড়িত কৰাৰ অন্যতম পথ হ'ল সাংস্কৃতিক সমন্বয় । আনহাতে বিপ্লৱী-সংস্কৃতিৰ উত্থানৰ সৈতে মানুহৰ মুক্তি-প্ৰয়াসৰ সম্পৰ্ক থাকে । এনে অৰ্থত মুক্তি-প্ৰয়াসী বিভিন্ন সম্প্ৰদায়ৰ মানুহবোৰক একেলগে একত্ৰিত কৰিবলৈ হ'লে ইজনে সিজনৰ কাষ চাপিব লাগিব আৰু পৰস্পৰে পৰস্পৰক বুজাৰ চেষ্টা কৰিব লাগিব । সমাজৰ যিকোনো স্তৰতে বৈপ্লৱিক পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ হ'লে আমি প্ৰথমতে শ্ৰেণী-দৃষ্টিভংগীৰ গুৰুত্ব উপলব্ধি কৰিব লাগিব । কাৰণ, আমি যিসকলক লৈ শ্ৰেণী-সংগ্ৰামৰ সপোন ৰচোঁ, সেইসকল নিপীড়িত আৰু অৱহেলিত লোকৰ হাততেই থাকে





বৈপ্লৱিক অস্ত্ৰ আৰু বিপ্লৱৰ পৰিস্থিতি সৃষ্টিৰ বাবে অপৰিহাৰ্য ক্ষোভ; যাক আমি বিদ্ৰোহী মানসিকতা বুলিও কওঁ । অন্যায়, অবিচাৰ, শোষণ, নিপীড়নৰ বিৰুদ্ধে শোষিত-নিপীড়িতসকলৰ মনত সৃষ্টি হোৱা ক্ষোভ আৰু তাৰ বিস্ফোৰণৰ দৰে শক্তিশালী শাণিত অস্ত্ৰ সম্ভৱত আন একোৱেই থাকিব নোৱাৰে । এই অস্ত্ৰক সঠিকভাৱে নিৰ্দিষ্ট পৰিসৰত ব্যৱহাৰ কৰিবলৈ হ'লে নিপীড়িতসকলৰ মাজত চেতনা বৃদ্ধি কৰিব লাগিব । চেতনা বৃদ্ধি কৰাৰ প্ৰধান আহিলা হৈছে উপযুক্ত শিক্ষা । কাৰণ, যিমানদিনে জনসাধাৰণৰ ব্যাপক অংশ অশিক্ষিত হৈ থাকিব সিমানদিনে তেওঁলোকৰ ওপৰত প্ৰয়োগ কৰা নিৰ্যাতনৰ চাবি-কাঠি খোলাটো সম্ভৱ নহ'ব ।

বিপ্লৱী-সংস্কৃতি সন্দৰ্ভত আলোচনাৰ পাতনি মেলাৰ পিছত প্ৰশ্ন হ'ব পাৰে সংস্কৃতি মানেনো কি ? সংস্কৃতি অৱসৰ-বিনোদনৰ এটা সামগ্ৰী অথবা বিলাসী প্ৰদৰ্শন নহয় । সংস্কৃতি হ'ল জীৱনৰ স'তে যুক্ত এটা উপাদান, যাৰ সফল প্ৰয়োগে সমাজ এখনৰ গতি নিৰ্ণয় কৰে । সংস্কৃতিৰ প্ৰয়োগৰ ক্ষেত্ৰত স্থানীয় সমাজৰ অৱস্থাৰ মূল্যায়ণ অৱশ্যে প্ৰয়োজনীয় কথা । সমাজৰ স'তে খাপ নেখালে সংস্কৃতি গৈ অপ-সংস্কৃতিত পৰিণত হ'ব পাৰে । সংস্কৃতিৰ সফল প্ৰয়োগে শাসক-শোষক আৰু স্বেচ্ছাচাৰী শক্তিৰ মূৰ কামোৰণিৰ সৃষ্টি কৰিব পাৰে । ইহুদী জাতি নিধনত আত্মনিয়োগ কৰি ফেচীবাদৰ শিৰোমণিৰূপে পৰিচয় বহন কৰা জাৰ্মানীৰ হিটলাৰে সংস্কৃতিৰ কথা শুনিলেই হাতত পিষ্টল তুলি লৈ সংস্কৃতি নিঃশেষ কৰাত লাগিছিল । এনে অৰ্থত প্ৰকৃত সংস্কৃতিৰ গুৰুত্ব আৰু ক্ষমতা কি সেই কথা আমি সহজতে বুজিব পাৰোঁ । বিপ্লৱী গণশিল্পী বিষ্ণু ৰাভাই 'অসমীয়া কৃষ্টি' শীৰ্ষক আলোচনাত সংস্কৃতিৰ সংজ্ঞা আগবঢ়াই কৈছিল যে, 'দৰাচলতে বাস্তৱ প্ৰয়োজনত যাৰ জনম, মানুহৰ জীৱন সংগ্ৰামত যি শকতি, জীৱন যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধিত যি মুকুতি সেয়াহে আচল কৃষ্টি, প্ৰকৃত সংস্কৃতি (Real) ৰিয়েল কাল্‌চাৰ । জীৱন-যাত্ৰাৰ ঘাত-প্ৰতিঘাতত যেনেকৈ কৃষ্টিৰ ৰূপান্তৰ হয়, সংস্কৃতিৰ আলম লৈ জীৱন-যাত্ৰাও তেনেকৈ আগুৱাই যায় । গতিকে জীৱন-যাত্ৰাৰ লগত কৃষ্টি-সংস্কৃতি ওতঃপ্ৰোতভাৱে জড়িত ।' ৰাভাৰ মতে—'অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সভ্যতা নিৰ্যাতিত-নিষ্পেষিত দুখীয়া কৃষক বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে, যিবিলাকেৰে আজিও আমি গৌৰৱ অনুভৱ কৰিব পাৰো, অসমীয়া বুলি জগতত চিনাকি দিব পাৰো । গতিকে অসমীয়া জাতিৰ মৃত্যুবান এই হোজা দুখীয়া গাঁৱলীয়া অসমীয়াৰ হাততহে ।'

অসমীয়া সংস্কৃতিৰ শ্ৰেণীগত অৱস্থান নিৰ্ণয় কৰি তাক সমাজ ৰূপান্তৰৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰাৰ বৈপ্লৱিক কাৰ্য-পদ্ধতি আজিও হাতত লোৱা হোৱা নাই ।

সেই কাৰণেই অৰ্থনৈতিক শ্ৰেণী-বিভাজন আৰু শোষণ যুগ যুগ ধৰি অব্যাহত থকাৰ পিছতো বৈপ্লৱিক পৰিবৰ্তনৰ কথা অসমৰ জনসাধাৰণে গভীৰভাৱে চিন্তা কৰিব পৰা নাই। জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰে যিদৰে 'শ্ৰমকাৰী জনগণৰ সৰ্বাত্মক মুক্তিৰ অৰ্থে আৰু শ্ৰেণীপ্ৰভু বুৰ্জোৱাহঁতৰ বিৰুদ্ধে থিয় দিব নোৱাৰা মানে আজিৰ সমাজত প্ৰকৃত অৰ্থত মহৎ শিল্প-সাহিত্যৰ সৃষ্টি অসম্ভৱ' তেনেদৰে সমাজৰ নিপীড়িত আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ লোকৰ প্ৰগতি আৰু সমৃদ্ধিৰ অৰ্থে থিয় দিব নোৱাৰিলে বাস্তৱিক অৰ্থত প্ৰকৃত আৰু বৈপ্লৱিক সংস্কৃতি গঢ়ি তোলা অসম্ভৱ।

অসমখন বিভিন্ন জাতি-গোষ্ঠীৰ মিলনৰ বাসভূমি। ইয়াৰ এটা জনগোষ্ঠীৰ সৈতে আন এটা জনগোষ্ঠীৰ জীৱন যাত্ৰা আৰু সমাজ পদ্ধতিত ভিন্নতা থকা সত্বেও এওঁলোকৰ মাজত অৰ্থনৈতিক শ্ৰেণীবিভাজনৰ ৰেখাডাল একেই। সেয়ে এওঁলোকৰ মাজত শ্ৰেণীগত অৱস্থান বিচাৰ কৰি এওঁলোকৰ সমাজ জীৱনৰ সৈতে জড়িত সংস্কৃতি আৰু কৃষ্টিৰ এটা বৈপ্লৱিক জাগৰণ আনিব লাগিব আৰু তাৰ বাবে সকলো জনগোষ্ঠীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ অনুভূতিক শ্ৰদ্ধা জনাব লাগিব। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিক্ষায়ো আমাক নতুন পথ-নিৰ্দেশনা দিয়াত সহায় কৰিব পাৰে। আগৰৱালাৰ মতে—'যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নেপায় সেই অৰ্থনীতি অনুপযোগী, সাংস্কৃতিক অৰ্থনীতি নহয়। সি দুষ্কৃতিমূলক অৰ্থনীতি।' জ্যোতিপ্ৰসাদ আগৰৱালাই দুষ্কৃতিমূলক সংস্কৃতিৰ বাবে চিনাক্ত কৰিছে সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদক। 'এই দুয়োটা পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী সংস্কৃতিৰ পূৰ্ণৰূপ' বুলিও তেওঁ অভিহিত কৰিছে। আনহাতে সংস্কৃতিৰ সৈতে বিপ্লৱৰ সম্পৰ্কও ফহিয়াই দেখুৱাই তেওঁ কৈছে যে, 'ৰাজকীয় বা যাজকীয় শক্তি বা নকৈ মুখা পিন্ধি ওলোৱা সেই দুই শক্তিৰেই জনতাক ভুৱা দিয়া সংস্কৰণৰ পৰা জনশক্তিৰ হাতলৈ মানৱৰ সংস্কৃতি সৃষ্টিৰ প্ৰধান আহিলা ৰাষ্ট্ৰৰ শাসনযন্ত্ৰক আনিবলৈ যি জনতাৰ প্ৰচণ্ড চেষ্টা সিয়েই গণ বিপ্লৱ। আচল বিপ্লৱৰ উদ্দেশ্য সদায়েই সেই মহান সাংস্কৃতিক অৱস্থা সমাজলৈ অনাটোৱেই। সেই কাৰণেই সংস্কৃতিৰ সৈতে বিপ্লৱৰ সম্বন্ধ।' অৱশ্যে এই সংস্কৃতি জনগণৰ সংস্কৃতি (People's Culture) হ'ব লাগিব; ই বজৰুৱা সস্তীয়া পণ্য-সংস্কৃতি (Mass culture) হ'ব নেলাগিব। কাৰণ, জনগণৰ সংস্কৃতিৰ সৈতে মতাদৰ্শগত সংগ্ৰামৰ সম্পৰ্ক থাকে; আনহাতে পণ্য-সংস্কৃতিয়ে মতাদৰ্শৰ সংগ্ৰামৰ বিপৰীতে বুৰ্জোৱা শ্ৰেণীৰ বিকাশ আৰু সমৃদ্ধিৰ পোষকতা কৰে। এনে পণ্য-সংস্কৃতি বা বুৰ্জোৱা-সংস্কৃতি খ্ৰীষ্টোফাৰ ক'ডৱেলৰ ভাষাত মৃত্যুমুখী কল্পকাহিনী (Bourgeoise culture is dying of a myth.) আৰু ই সাংঘাতিকভাৱে ৰুগ্ন (Seriously ill).





এই মৃত্যুমুখী কল্পকাহিনীৰ ৰুগ্ন সংস্কৃতিৰ বিপৰীতে আমি বিপ্লৱী-সংস্কৃতিৰ পথ কিদৰেনো সৃষ্টি কৰিম আৰু কোনেই বা এই দায়িত্ব ল'ব ? এই সন্দৰ্ভত মাও চে তুঙে কৈছে ঃ 'বিপ্লৱ আৰম্ভ হোৱাৰ আগতেই বিপ্লৱী-সংস্কৃতিয়ে মতাদৰ্শৰ দিশৰ পৰা বিপ্লৱৰ পথ প্ৰস্তুত কৰে। বিপ্লৱৰ সময়ত এই বিপ্লৱী সংস্কৃতি সাধাৰণ বিপ্লৱী ফ্ৰণ্টৰ মাজত এক গুৰুত্বপূৰ্ণ আৰু অৱশ্য প্ৰয়োজনীয় ফ্ৰণ্ট। বিপ্লৱী সাংস্কৃতিক কৰ্মীসকল হৈছে এই সাংস্কৃতিক ফ্ৰণ্টৰ বিভিন্ন স্তৰৰ সেনাধ্যক্ষ।"

মাও চে তুং, লেনিন, বিষ্ণুৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি সমাজতাত্বিকসকলৰ শিক্ষাৰ পৰা দীক্ষা লৈ আন্তৰ্জাতিক বিপ্লৱী-সংস্কৃতিৰ সৈতে সামঞ্জস্য ৰাখি আমাৰ দেশৰ আমাৰ সমাজৰ সংস্কৃতিক স্বকীয় বৈশিষ্ট্যৰ ভিত্তিত শ্ৰেণীগত আৰু বিপ্লৱী চৰিত্ৰ প্ৰদান কৰিব পাৰিলে প্ৰকৃতাৰ্থত বিপ্লৱী-সংস্কৃতি হৈ পৰিব বিপ্লৱ আৰু মুক্তিৰ অন্যতম ৰণকৌশল।

# সাংস্কৃতিক জাগৰণৰ প্ৰয়োজনীয়তা

সংস্কৃতিয়ে মানুহৰ মাজত যুগে যুগে সুস্থ মূল্যবোধ, নৈতিকতা আৰু সমন্বয়ৰ বন্তি জ্বলাই আহিছে । সংস্কৃতিৰ সুসমন্বিত বিকাশ আৰু ইতিবাচক প্ৰয়োগে সমাজ এখনৰ উত্তৰণত যথেষ্ট সহায় কৰে । সেয়ে সংস্কৃতিক বাদ দি যিদৰে ব্যক্তি-মননৰ সুস্থ বিকাশ অসম্ভৱ তেনেদৰে সমাজ এখন আগবাঢ়ি যোৱাটোও অসম্ভৱ ।

সংস্কৃতিৰ মূল্যায়ন বা তাৰ প্ৰয়োগৰ দিশটোৰ কথা চিন্তা কৰাৰ আগতে আমি বিচাৰ কৰিব লাগিব কি ধৰণৰ সংস্কৃতিক আমি আদৰি ল'ম, তাৰ প্ৰয়োগৰ পোষকতা কৰিম । প্ৰাচীন যুগৰ পৰা আজিলৈকে সংস্কৃতিৰ অনেক বিৱৰ্তন ঘটিছে । আদিম যুগত মানুহে জুইক ঘেৰি নাচ-গান কৰা, চিকাৰ কৰা, খেতি-বাতি কৰা, সন্তান জন্ম দি ডাঙৰ-দীঘল কৰা, ইজনে সিজনৰ সৈতে ভাব বিনিময় কৰা আদি প্ৰক্ৰিয়াৰ মাজেৰে মানুহৰ জীৱন ব্যৱস্থাই আচাৰ-অনুষ্ঠান, পৰম্পৰা আদিৰ ৰূপত আহি আজিৰ সাংস্কৃতিক ৰূপ পাইছে । সেয়ে আদিম কালৰে পৰা সংস্কৃতিৰ সৈতে মানুহৰ জীৱন যাত্ৰা আৰু কৃষি-প্ৰণালীৰ সম্পৰ্ক আছে । আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পৰা আহি দাস-প্ৰথাৰ যুগ, সামন্তবাদী যুগ পাৰ হৈ আমাৰ সংস্কৃতিয়ে আজিৰ আধুনিক পুঁজিবাদী যুগত সোমাইছে । যুগৰ এই বিৱৰ্তনৰ ফলশ্ৰুতিত দেখা গৈছে যে, বৈজ্ঞানিক আৱিষ্কাৰ আৰু যন্ত্ৰৰ ব্যৱহাৰে আদিম সংস্কৃতি কি তাক বিচাৰ কৰাত কিছু জটিলতাই দেখা দিছে । আজিৰ শোষণভিত্তিক ভোগবাদী সমাজত সংস্কৃতিয়ে মূলতঃ দুটা ৰূপ গ্ৰহণ কৰিছে, তাৰে এটা হ'ল গণ-সংস্কৃতি (People's culture) আৰু আনটো হ'ল পণ্য-সংস্কৃতি (Mass culture) । গণ-সংস্কৃতিবোৰ জীয়াই আছে মূলতঃ কৃষক, শ্ৰমিক আৰু সহজ-সৰল গাঁৱলীয়া ৰাইজৰ মাজত । মধ্যবিত্ত সমাজৰ মাজতো গণ-সংস্কৃতিয়ে যুগৰ দাবীত 'চহকী' ৰূপ গ্ৰহণ কৰিছে । মানুহৰ জীৱন ব্যৱস্থা, সামাজিক গঠন আৰু ৰুচিবোধৰ পৰা গণ-সংস্কৃতিক বিচলিত কৰিব পৰা নেযায় । আনহাতে পণ্য বা বজৰুৱা সংস্কৃতি হ'ল গণ-সংস্কৃতিৰ বিকৃত ৰূপ । জীৱনক ধন সম্পদেৰে ঐশ্বৰ্যশালী কৰি ব্যক্তি-মননক ভোগবাদত নিমজ্জিত কৰি ৰখা, সমাজত দেখা দিয়া সমস্যাৰ পিনে পিঠি দিয়া, জীৱন সম্পৰ্কে মানুহৰ মনত বিমূৰ্ত ধাৰণাৰ জন্ম দিয়া,





মানুহক এককীত্বৰ আৱৰ্ত্তত বন্দী কৰি ৰখা আদিয়েই হ'ল বজৰুৱা সংস্কৃতিৰ উদ্দেশ্য । এই বজৰুৱা সংস্কৃতি একপ্ৰকাৰ অপ-সংস্কৃতি ।

বজৰুৱা সংস্কৃতি সুস্থ আৰু প্ৰগতিশীল সমাজ এখনৰ বাবে যথেষ্ট ক্ষতিকৰ যদিও আজি বিশ্বজুৰি এই অপ-সংস্কৃতিৰ আঁৰ-বেৰহীন প্ৰচাৰ চলিছে । বিশেষকৈ উন্নত পুঁজিবাদী ৰাষ্ট্ৰবোৰৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা অপ-সংস্কৃতিৰ জোঁৱাৰে ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে সমগ্ৰ বিশ্বত যি খলকনি তুলিছে সেয়া হ'ল গণ-সংস্কৃতিৰ বিৰুদ্ধে এক শীতল যুদ্ধ । পুঁজিবাদী শাসন ব্যৱস্থাত ৰাষ্ট্ৰ-ব্যৱস্থাই যেতিয়া গণ-বিক্ষোভৰ সম্মুখীন হয় তেতিয়াই ৰাষ্ট্ৰনায়কসকলে প্ৰতিবাদী জনসাধাৰণৰ মনোযোগ আনপিনে ঢাল খুৱাবলৈ প্ৰয়োগ কৰে নতুন নতুন মনোৰঞ্জক কৌশল । আজিৰ দূৰদৰ্শনকেন্দ্ৰিক ভোগবাদী অপ-সংস্কৃতিও পুঁজিবাদী সমাজ ব্যৱস্থাৰ ফল । এনে ভোগবাদী সংস্কৃতিত জনসাধাৰণৰ মৌলিক সমস্যাৰ আলোচনা নহয়, প্ৰকৃত সাংস্কৃতিক জীৱনৰ প্ৰতিফলন নহয় । ইয়াৰ বিপৰীতে প্ৰায় প্ৰতিদিনেই দূৰদৰ্শনৰ বিভিন্ন চেনেলত গীত, চিনেমা, ধাৰাবাহিক আদিৰ নামত দেখুওৱা হয় যৌনতা, অৰ্ধ-উলংগ দৃশ্য, হত্যা, সন্ত্ৰাস, বিলাসী জীৱন আৰু উদ্ভট চিন্তাৰ কিছু অভিনয় । নাৰী মানেই যেন সম্ভোগৰ সামগ্ৰী, গাভৰু ছোৱালী মানে অৰ্ধ-উলঙ্গ পোছাক পিন্ধি ঢলৌ ঢলৌকৈ দেহা ভাঙি খোজ কাঢ়ি যোৱা দুঠেঙীয়া প্ৰাণী, আদৰ্শ পিতৃ মানে যিকোনো উপায়ে ধন ঘটি কম দিনৰ ভিতৰতে আটক ধুনীয়া প্ৰাসাদ নিৰ্মাণ কৰা এজন সফল নাগৰিক, দেশ আৰু জাতি মানে সস্তীয়া ভাবাবেগ আৰু প্ৰতিপক্ষৰ প্ৰতি উগ্ৰতা, ধৰ্ম মানে দিন-ৰাতি পূজা অৰ্চনাত লাগি থকা এটা জীৱন, ভৱিষ্যত মানে পৰমেশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰা আদিয়েই যেন আজিৰ বজৰুৱা প্ৰচাৰ মাধ্যমৰ মুখ্য বিষয় । সমাজত সস্তীয়া আবেগ, উগ্ৰতা আৰু বিকৃত চিন্তাৰ উদ্ৰেক কৰিব পৰা এনে ধৰণৰ বিষয়বোৰৰ প্ৰভাৱত পৰি আজি পশ্চিমীয়া দেশৰ যুৱচামৰ একাংশ মানসিকভাৱে প্ৰায় পঙ্গু হৈ পৰিছে । আমেৰিকাৰ জীৱন ব্যৱস্থাত মুক্ত যৌনতা এক সাধাৰণ বিষয় হৈ পৰিছে । স্বয়ং আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টন, তেওঁৰ পত্নী হিলাৰী ক্লিণ্টন আদি যৌন কেলেঙ্কাৰীৰ কেন্দ্ৰবিন্দু হৈ পৰিছে । সুস্থ চিন্তা, সুস্থ সংস্কৃতি বুলিবলৈ পশ্চিমীয়া পুঁজিবাদী দেশবোৰৰ সামাজিক জীৱনত কোনো সংজ্ঞা বিচাৰি পোৱা নাযায় । সুস্থ আৰু সংস্কৃতিসম্পন্ন উন্নয়নশীল দেশবোৰত পশ্চিমীয়া পুঁজিবাদী আগ্ৰাসনে যি ৰূপ লৈছে তাৰ ফলত বিশৃঙ্খল জীৱন ব্যৱস্থা, উদ্ভট চিন্তা আৰু বিকৃত ৰুচিবোধে সেই দেশবোৰৰ জনসাধাৰণক খুলি খুলি খাইছে । ভাৰতবৰ্ষৰ জনসাধাৰণো এই আগ্ৰাসনৰ পৰা সাৰি যাব পৰা নাই । পশ্চিমীয়া আগ্ৰাসন কেৱল ভোগবাদী জীৱন ব্যৱস্থা আৰু অৰ্থনৈতিক শোষণৰ মাজেৰেই চলোৱা হোৱা নাই; আমাৰ কৃষি আৰু প্ৰাকৃতিক

...বাদী প্ৰক্ৰিয়া আৰু গেট্ট চুক্তিৰ ...দিয়ো ক্ৰমান্বয়ে আমাৰ সুস্থ সাংস্কৃতিক জীৱনক ...হৈছে। আমাৰ প্ৰাকৃতিক সম্পদৰ ওপৰত মাৰ্কিন সাম্ৰাজ্যৰ নিয়ন্ত্ৰণে ... আমাৰ সাংস্কৃতিক জীৱনকো যে গ্ৰাস নকৰিব তাক নুই কৰিব নোৱাৰি। ইতিমধ্যে পশ্চিমৰ পুঁজিবাদী ৰাষ্ট্ৰৰ আমদানিকৃত ভোগ্য সামগ্ৰীৰ উপৰিও বন্দুক-বাৰুদ, হত্যা-সন্ত্ৰাসৰ সংস্কৃতিয়ে আমাৰ সমাজ ছানি ধৰিছে। উৰাদিহ নেপাই, শোষণবাদী গোষ্ঠীৰ শক্তিক নেওচি প্ৰতিৰোধ আন্দোলন গঢ়িব নোৱাৰি জনসাধাৰণ হতাশাত ভুগিছে। বিশেষকৈ যুৱচাম এনে হতাশাৰ নিকৃষ্ট বলি হৈ আছে। হতাশাৰ পৰা মুক্তি লভিবলৈ কোনোবাই ৰাগীয়াল বস্তুৰ সোৱাদ লৈ, কোনোবাই জাল-জুৱা-চুৰিত নামিছে, কোনোবাই অশ্লীল জীৱন যাপন কৰিছে আৰু কোনোবাই হয়তো প্ৰতিৰোধ শক্তি হেৰুৱাই আত্মহননৰ পথ বাছি লৈছে।

ব্যক্তি-জীৱন আৰু সমাজৰ এই হতাশা, নৈৰাশ্য আৰু অৰাজকতাৰ অৱসান ঘটাব পাৰি কেৱল সাংস্কৃতিক জাগৰণৰ মাজেৰে। সংস্কৃতিয়ে জীৱনক নতুন ৰূপত গঢ়ি তুলিব পাৰে, সংস্কৃতিয়ে সমাজৰ ৰূপান্তৰ ঘটায়, সত্য আৰু সুন্দৰৰ উপলব্ধি কৰাত সহায় কৰে। যি সমাজত সত্য আৰু সুন্দৰৰ উপস্থিতি লক্ষ্য কৰা যায় তেনে সমাজৰ জনসাধাৰণ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে সজাগ হয়, তেওঁলোকক কোনেও ঠগিব নোৱাৰে, শোষণ-শাসনে তেওঁলোকক জৰ্জৰিত কৰিব নোৱাৰে। সুস্থ গণ-সংস্কৃতিয়ে মানুহৰ চেতনা জাগ্ৰত কৰাৰ উপৰিও সমাজৰ বঞ্চিত, নিপীড়িত জনসাধাৰণৰ ঐক্য সাধনত সহায় কৰে। এক কথাত, গণ-সংস্কৃতিয়ে সমাজত জনজাগৰণৰ সৃষ্টি কৰে, সমাজ বিপ্লৱৰ পৰিবেশ সৃষ্টি কৰে। সেয়ে পশ্চিমীয়া ভোগবাদ আৰু অৰ্থনৈতিক শোষণ, আমাৰ দেশৰ বিভাজনবাদী ৰাজনীতি আৰু সাম্প্ৰদায়িক চেতনাক মষিমূৰ কৰিবলৈ হ'লে আমাৰ সংস্কৃতিক গণমুখী আৰু বিপ্লৱী চৰিত্ৰ প্ৰদান কৰিব লাগিব। কাৰণ, মাও চে তুঙে ক'বৰ দৰে বিপ্লৱী সংস্কৃতি হ'ল জনসাধাৰণৰ হাতৰ শক্তিশালী বিপ্লৱী হাতিয়াৰ। জীৱনক মহীয়ান কৰিবলৈ, সমাজক নতুন ৰূপত গঢ়িবলৈ এই বিপ্লৱী-সংস্কৃতিৰ জাগৰণ অপৰিহাৰ্য।

---



# নাটকৰ বিষয় আৰু বক্তব্যৰ গুৰুত্ব

শিল্প-কলাসমূহৰ ভিতৰত নাটক হ'ল এক অন্যতম কলা। সমাজ ৰূপান্তৰৰ এক অন্যতম উপাদানৰূপে স্বীকৃতি লাভ কৰাৰ উপৰিও নাটকে জন-সংযোগৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেই কাৰণে নাটক জন-চেতনাৰো অন্যতম উৎস। নাটকৰ এনে বহুমুখী উপযোগিতা (Multipurpose utility) নিৰ্ভৰ কৰে বিষয়-বস্তুৰ নিৰ্বাচন আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ গুৰুত্বৰ ওপৰত। নাট্য সমালোচক এফ. এল. লুকাচে নাটকত চৰিত্ৰ সৃষ্টিৰ বৈশিষ্ট্য সন্দৰ্ভত কৈছে ঃ "One may create a character, like children; but like characters, like live children,may not prove easy to control."

নাটকত চৰিত্ৰ ৰূপায়ণৰ এই কৌশল বিভিন্ন নাট্যকাৰসকলে বিভিন্ন ধৰণে প্ৰয়োগ কৰিছে। নাট্যকাৰ শ্বেক্সপীয়েৰৰ নাটক সমূহৰ নায়কৰ সৰহ সংখ্যকেই আছিল অপৰিসীম উৎসুকসম্পন্ন চৰিত্ৰৰ। উপলব্ধিৰ গাঢ়তা বুজাবলৈ সম্ভোগভিত্তিক চৰিত্ৰৰ সমাবেশ ঘটাইছে শ্বেক্সপীয়েৰে। তেওঁৰ 'অথেলো' নাটকত এনে ইঙ্গিতকে পোৱা যায়, যেতিয়া অথেলোৱে আত্মহত্যা কৰি ডেছডিমিনৰ মৃতদেহৰ ওপৰত আবেগেৰে ঢলি পৰি কয়—"I kissed thee ere I killed thee noway but this killings myself, to die upon a kiss." শ্বেক্সপীয়েৰৰ নাটকৰ এনে সংলাপবোৰত চেতনাৰ জাগৰণ নেথাকিলেও বলিষ্ঠতা আছে। তেওঁৰ নাটকে বিশ্বজুৰি বিস্তাৰ লাভ কৰাৰ ইও অন্যতম কাৰণ। তেওঁৰ আন কিছুমান নাটকৰ কেইটামান বলিষ্ঠ সংলাপ এনেৰণৰ—

"Cowards die many times before their deaths.
The valiant taste of death but once."
"Thus conscience does make cowards of us all."

(Hamlet)

"Life is but a walking shadow, a poor player that struts and frets his honour and then is heard no more : it is a tale told by an idiot, full of sound and fury signifying nothing."

(Macbeth)

শেক্সপীয়েৰৰ নাটকসমূহৰ আন এটা বৈশিষ্ট্য হ'ল কাব্যিক অনুভূতি। নাটকৰ চৰিত্ৰৰ সংলাপত কাব্যিক অনুভূতিয়ে শ্ৰোতা আৰু দৰ্শকৰ মনত সাঁচ বহুৱায়, নাটকৰ প্ৰতি আকৰ্ষণ বঢ়ায়।

শেক্সপীয়েৰৰ দৰে কালিদাসৰ নাটকসমূহতো চৰিত্ৰ প্ৰকাশৰ নৈপুণ্যতা বিদ্যমান। ইয়াত ৰস আৰু ৰহস্য দুয়োটাই আছে। কালিদাসৰ অভিজ্ঞান শকুন্তলম, মালৱিকাগ্নিমিত্ৰম আৰু বিক্ৰমোৰ্বশীয়ম আদি নাটকত মানৱ জীৱনৰ আন্তঃ আৰু বহিঃ দ্বন্দবোৰ ৰস আৰু ৰহস্যৰ মাজেৰে প্ৰকাশ পাইছে। শেক্সপীয়েৰৰ বিয়োগাত্মক নাটক 'ৰোমিও জুলিয়েট'ৰ নায়ক ৰোমিওৰ চৰিত্ৰ আৰু কালিদাসৰ 'অভিজ্ঞান শকুন্তলম'ৰ দুষ্মন্তৰ চৰিত্ৰত আন্তঃদ্বন্দৰ ইঙ্গিত অধিক পোৱা যায়। অৱশ্যে ৰোমিওৰ চৰিত্ৰত প্ৰেমৰ আসক্তি বেছি, কৰ্ত্তব্যৰ কম। আনহাতে দুষ্মন্তৰ চৰিত্ৰত প্ৰেমৰ আসক্তি বেছি হ'লেও কৰ্ত্তব্যনিষ্ঠাৰ প্ৰতি টান আছে। এই দুয়োজন নাট্যকাৰৰ নাটকসমূহৰ বিভিন্ন দিশত বলিষ্ঠতা প্ৰকাশ পালেও তেওঁলোকৰ আত্ম-চেতনাৰ অভাৱৰ বাবে বহু সময়ত আত্ম-সংযম হেৰাই গৈছে। শেক্সপীয়েৰৰ 'ৰোমিও জুলিয়েট'ত আত্ম-সংযমৰ অভাৱ ঘটাৰ অন্যতম কাৰণ হ'ল তেওঁৰ নাট্যকাৰ জীৱনৰ প্ৰথম দহবছৰত নাটকখন লিখিছিল। এই সময়ছোৱাত তেওঁৰ আত্মোপলব্ধিয়ে পূৰ্ণতা পালেও আত্ম-চেতনাই প্ৰৌঢ়ত্ব পোৱা নাছিল। এই প্ৰৌঢ়ত্ব পাবলৈ হ'লে জীৱনজোৰা সাধনাৰ প্ৰয়োজন। সাধনাৰ জৰিয়তে কালিদাস, শেক্সপীয়েৰ আদি নাট্যকাৰসকলে পিছৰ সময়ছোৱাত এই প্ৰৌঢ়ত্বৰ চানেকি ৰাখি গৈছে। জাৰ্মান নাট্যকাৰ, কবি গ্যেটে তেওঁৰ জীৱনজোৰা সাধনাৰে 'ফাউষ্ট' নাটকখন লিখিছিল। জীৱনৰ সৰহ সময় খৰচ কৰা এই নাটকখন কলা-শিল্পত এনেদৰে সুষমামণ্ডিত হৈ উঠিছিল যে নাটকখন প্ৰকাশ পোৱাৰ লগে লগে ই ঊনৈশ শতিকাৰ ইউৰোপীয় সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ হৈ পৰে।

কুৰি শতিকাৰ অন্যতম নাট্যকাৰ ইউজীন অ'নীলৰ নাটকত সুন্দৰ আঙ্গিকেৰে অপূৰ্ব ৰস সৃষ্টিৰ গুৰুত্বৰ মাজত দুটা দিশ লক্ষ্য কৰা যায়। তাৰে এটা হ'ল 'Art for art sake' আৰু আনটো হ'ল 'Art for people's sake'। প্ৰথমবিধৰ নাট্যকাৰসকলৰ ভিতৰত আমেৰিকাৰ টেনেচি উইলিয়ামচ অন্যতম। দ্বিতীয়বিধৰ নাট্যকাৰ সকলৰ অন্যতম হ'ল ক্লিফোৰ্ড ওডেটছ আৰু চিডনী কিংচলী। টেনেচি উইলিয়ামচে তেওঁৰ নাটকত সামাজিক দায়বদ্ধতাৰ প্ৰকাশ ঘটোৱা নাই; কিন্তু কলা-সৃষ্টিত অপূৰ্ব সফলতা অৰ্জন কৰিব পাৰিছে। পৰিবেশ সৃষ্টিত তেওঁ দক্ষতা দেখুৱালেও সেই দক্ষতাত যৌন সম্পৰ্কীয় বিষয়-বস্তুৱে বেছিকৈ পাধান্য পাইছে আৰু এই বিষয়বস্তুবোৰে বহু সময়ত মানুহৰ সুস্থ ৰুচিবোধতো আঘাত হানিছে।





যথা "Cat on a hot tin roof" নাটকত স্বামীৰ বন্ধুৰ সৈতে এগৰাকী নাৰীৰ যৌন-সম্পৰ্কৰ সামাজিক স্বীকৃতি দিয়াৰ পোষকতা কৰা হৈছে; যিটোৱে নাৰী অনুভূতিত আঘাত নহনাকৈ নেথাকে। তেনেদৰে "Orphens descending"ত নাৰীৰ সন্তান কামনাৰ অদমনীয় আকাংখ্যাৰ চিত্ৰ ফুটি উঠিছে যিটো বহু পৰিমাণে বিকৃত। উইলিয়ামচৰ এনে ৰসসৃষ্টি অথচ যৌন সম্পৰ্কীয় নাটক সন্দৰ্ভত মাৰ্টিন ব্ৰাউনে কৈছে—"Here is life in the raw, the springs of vitality revealed at once in their animalism and in their poetry." গতিকে দেখা যায় "Art for art sake" জাতীয় শিল্প-কলাৰ লক্ষ্য সমাজ জীৱন নহয়, ই মূলতঃ ব্যক্তি জীৱনৰ বিমূৰ্ত্ত প্ৰকাশ; য'ত ভোগ-বিলাসৰ প্ৰাধান্য বেছি।

"Art for art sake" জাতীয় ধাৰণাৰ বিপৰীতে হেনৰী ইব্‌চেনৰ নাটকত পোৱা যায় সুস্থ চৰিত্ৰৰ প্ৰকাশ যাৰ সৈতে সমাজ জীৱনৰ সামূহিক সম্পৰ্ক জড়িত আছে। ইবচেনৰ কেবাখনো নাটকত নাৰী চৰিত্ৰ আৰু যৌন সম্পৰ্কই স্থান লাভ কৰিলেও সেইবোৰৰ উপস্থাপনা আৰু প্ৰকাশভঙ্গীত এটা সুস্থ চিন্তাধাৰা আছে। ইব্‌চেনৰ বিখ্যাত নাটক 'এন এনিমি অৱ দ্য পিপল' এ বিশ্বজোৰা খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। নাটকখনত কু-সংস্কাৰ, ধৰ্মীয় মৌলবাদ আৰু ভণ্ডামীৰ বিৰুদ্ধে সবল প্ৰতিবাদ প্ৰকাশ পাইছে। ইতিপূৰ্বে সত্যজিৎ ৰয়ে নাটকখনৰ অৱলম্বনত 'গণশত্ৰু' নামৰ কথাছবি নিৰ্মাণ কৰি সমাজ দায়বদ্ধতাৰ পৰিচয় দিছে। ইব্‌চেনৰ নাটকে ভাষাৰ বলিষ্ঠ প্ৰকাশৰ বাবে মানুহৰ হৃদয় জয় কৰিব পাৰিছে। পৰিবেশ সৃষ্টিটো আনি দিছে সবল চেতনাস্ৰোত। বাৰ্ণাৰ্ডশ্ব'ৰ নাটকৰ দৰে এই পৰিবেশ সৃষ্টিৰ তাগিদা ইব্‌চেনৰ নাটকত জীৱনভিত্তিক।

বাৰ্ণাৰ্ডশ্ব'ৰে নাট্য-দৰ্শনক তীৰ্থ-দৰ্শনৰ সমপৰ্যায়ত গুৰুত্ব প্ৰদান কৰাৰ চেষ্টা কৰিছিল। "Art for art sake"ৰ নামত মঞ্চ নাটকত যি যৌন আবেদন প্ৰকাশ কৰা হয় সেই সন্দৰ্ভত বাৰ্ণাৰ্ডশ্বৰ স্পষ্ট মন্তব্য হ'ল—"মঞ্চত যৌন আবেদন নিষ্ফল। কি মঞ্চ, কি বাহিৰত সকলো সময়তে সৌন্দৰ্যই আকৰ্ষণ কৰে। কিন্তু যৌনতাই কৰে বিকৰ্ষণ।" তেওঁৰ মতে নাটৰ বিষয় প্ৰেম হ'ব পাৰে কিন্তু সেয়া কাম্য নহয়।

নাটকৰ বিষয় আৰু বক্তব্যৰ গুৰুত্ব প্ৰকাশৰ বাবে যি পৰিবেশ সৃষ্টিৰ কথা কোৱা হয় তাৰ সফল ৰূপায়ণ ঘটে গতানুগতিকতাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণাৰ জৰিয়তে। নাট্যকাৰ জাঁ পল ছাৰ্ত্ৰেই তেওঁৰ নাটকসমূহত কৰুণ ৰস সৃষ্টিৰ জৰিয়তে সুস্থ পৰিবেশ এটা জন্ম দিয়াৰ যি প্ৰচেষ্টা কৰিছিল তাৰ অন্তৰালত আছিল নিয়ম ভঙাৰ জিঘাংসা আৰু অন্ধনীতিৰ বিৰুদ্ধে প্ৰতিবাদী আৰু ৰূপান্তৰকামী কৌশল। এইবোৰৰ আধাৰ আছিল সমাজকেন্দ্ৰিক; আৰু ই ব্যক্তিকেন্দ্ৰিকতাৰ পৰা বহু দূৰত।

বাৰ্টোল্ড ব্ৰেখ্‌টৰ নাটকতো আমি বহু পৰিমাণে সুস্থ পৰিবেশ সৃষ্টিৰ গুৰুত্ব উপলব্ধি কৰোঁ ।

ভাৰতীয় নাট্যকাৰ সকলৰ নাটকতো পৰিবেশ সৃষ্টিৰ গুৰুত্ব উপলব্ধি কৰা যায় । গিৰীশ কাৰনাড, উৎপল দত্তৰ পৰা আৰম্ভ কৰি ছফ্‌দৰ হাছমীলৈকে প্ৰায়বোৰ বিশিষ্ট নাট্যকাৰৰ নাটকত চৰিত্ৰতকৈ পৰিবেশ সৃষ্টিৰ গুৰুত্ব বেছি । এই ক্ষেত্ৰত বিষয়-বস্তুৱেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । ভাৰতত বাটৰ নাট (Street theatre)ৰ অন্যতম জন্মদাতা ছফ্‌দৰ হাছমীৰ মতে নাটকৰ সাহিত্য-মূল্য বিষয়-বস্তুৰ পৰা বেলেগ নহয় আৰু ই আঙ্গিক (Form) আৰু ধাৰণ পদ্ধতি (Style) ৰ সৈতে সম্পৰ্কযুক্ত । মঞ্চনাট বা বাটৰ নাট—উভয় ক্ষেত্ৰতেই এই কথা খাটে । তেওঁৰ মতে নাটকৰ শিল্পগুণ অবিহনে সুস্থ আৰু সুন্দৰ পৰিবেশ সৃষ্টি অসম্ভৱ ।

গতিকে দেখা যায় যে নাটকৰ বিষয়-বস্তু নিৰ্বাচনৰ সৈতে জড়িত থাকে নাট্যকাৰৰ উদ্দেশ্যধৰ্মিতা আৰু ৰুচিবোধ । এই উদ্দেশ্যধৰ্মিতা আৰু ৰুচিবোধেই নাট্যকাৰৰ অৱস্থান নিৰ্ণয় কৰে আৰু তেওঁ কোন পক্ষত থাকিব—"Art for art sake"নে "Art for people's sake" ৰ পক্ষত; তাৰো সমাধান সূত্ৰৰ নিৰ্দেশ দিয়ে ।

বাস্তৱিকতে নাট্যচৰ্চাৰ সৈতে জড়িত হৈ আমিনো কি কৰিব লাগিব ? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি জন্মগ্ৰহণ কৰা সমাজৰ অৱস্থান আৰু ইয়াৰ জনসাধাৰণৰ জীৱন ধাৰণৰ পদ্ধতি সম্পৰ্কে পোন প্ৰথমে অধ্যয়ন কৰিব লাগিব । সমাজ জীৱনে কি কয়, তেওঁলোকৰ জীৱনৰ দাবী কি—এইবোৰ মূল বিষয়-বস্তুৰ উপলব্ধি আমি কৰিব লাগিব আৰু নাটকৰ চৰিত্ৰ সমূহৰ সংলাপৰ মাজেৰে এটা সুস্থ বক্তব্য প্ৰকাশ কৰিব লাগিব । আমাৰ সমাজ-জীৱন শ্ৰেণীবিভক্ত । পুঁজিবাদী ৰাষ্ট্ৰৰ চৰিত্ৰ আমাৰ দেশৰ সমাজ-জীৱনতো আছে । ফলত সমাজত সৃষ্টি হৈছে দুটা শ্ৰেণীৰ শোষক আৰু শোষিত । আমাৰ সমাজত শোষকতকৈ শোষিতৰ সংখ্যাই বেছি । শোষিতসকলৰ হাতত দেশৰ অৰ্থনীতি, ৰাজনীতিৰ অমোঘ কৌশল থাকিলেও তেওঁলোকৰ অজ্ঞতা আৰু অশিক্ষাৰ সুযোগ গ্ৰহণ কৰি কৌশলবোৰৰ প্ৰয়োগ ঘটিবলৈ দিয়া হোৱা নাই । ফলত জনসাধাৰণৰ জীৱন যাত্ৰাৰ উত্তৰণো ঘটা নাই ।

নাট্যকাৰ আৰু অভিনেতা সকলে তেওঁলোকৰ নাটকৰ জৰিয়তে জনসাধাৰণৰ জীৱন-যাত্ৰাৰ উত্তৰণ ঘটোৱাৰ কৌশল আয়ত্ব কৰিব লাগিব আৰু তাৰ সফল প্ৰয়োগ ঘটাব লাগিব সমাজত । ভাৰতৰ বিভিন্ন প্ৰান্তত এনে প্ৰচেষ্টা বহু যুগৰে পৰা আৰম্ভ হৈছে যদিও অসমত মঞ্চ নাটকৰ জৰিয়তে এনে প্ৰচেষ্টাৰ আৰম্ভণি ঘটিছে যোৱা তিনিটা দশকজুৰি । কুৰি শতিকাৰ শেষ দশকৰ প্ৰাৰম্ভণিৰে পৰা এনে প্ৰচেষ্টাই অসমত নতুন গতি লাভ কৰিছে বাটৰ নাটৰ মাজেদি । দুয়োবিধ নাটকৰেই উপযোগিতা





এই ক্ষেত্ৰত সমান আৰু সমান্তৰাল বুলি ভাবিব পাৰি । যিহেতু আমাৰ সমাজত শোষণ আৰু নিষ্পেষণৰ ঘটনাই বেছি; গতিকে এই ক্ষেত্ৰত নাটকে এক ৰাজনৈতিক পৰিবেশো সৃষ্টি কৰাৰ প্ৰয়োজন আছে আৰু এইটো হ'ব লাগিব পৰিবৰ্ত্তনকামী ৰাইজৰ আবেগ আৰু অনুভূতিৰ সপক্ষে । নাট্যকাৰসকলে এই ক্ষেত্ৰত এটা কথা লক্ষ্য কৰিব লাগিব যে তেওঁলোকে নাটকৰ জৰিয়তে পৰিৱৰ্ত্তনৰ কথা ক'বলৈ যাওঁতে যাতে সস্তীয়া ভাৱাবেগেৰে জনসাধাৰণৰ তাৎক্ষণিক প্ৰিয়ভাজন হোৱাৰ চেষ্টা নকৰে । ইয়াৰ বিপৰীতে নাট্যকাৰৰ বক্তব্যই নাটকৰ জৰিয়তে যাতে স্থায়ীত্ব আৰু পূৰ্ণতা লাভ কৰে তাৰ বাবে এটা সুস্থ আৰু প্ৰগতিবাদী জীৱনাদৰ্শক তেওঁ গ্ৰহণ কৰিব লাগিব আৰু জনসাধাৰণকো সেই জীৱনাদৰ্শ গ্ৰহণৰ বাবে পৰোক্ষভাৱে হ'লেও ইংগিত এটা দিব । তেতিয়াহে নাট্যকাৰৰ নাটকৰ বিষয় আৰু বক্তব্যৰ গুৰুত্বই স্থায়ীত্ব পাব ।

---

# ভাৰতত সাম্প্ৰদায়িক ইতিহাস-চিন্তাৰ সূচনা আৰু তাৰ প্ৰয়োগ

ভাৰতৰ সামাজিক-ৰাজনৈতিক ইতিহাসত আমি তিনিটা যুগ বা পৰ্বৰ কথা পাওঁ। এই তিনিটা যুগ হ'ল প্ৰাচীন যুগ, মধ্যযুগ আৰু আধুনিক যুগ। প্ৰাচীন যুগ বুলি ক'লে খ্ৰীষ্টাব্দপূৰ্ব ১০০০ বছৰৰ পৰা ১২০০ খ্ৰীঃৰ সময়চোৱাক বুজায়। আনহাতে মধ্যযুগ বুলি কওঁতে ১২০০ খ্ৰীঃৰ পৰা ১৮০০ খ্ৰীঃলৈ আৰু আধুনিক যুগ বুলিলে ১৮০০ খ্ৰীঃৰ পৰা বৰ্তমান সময়লৈকে বুজায়। ইতিহাসৰ যুগ বিভাজনৰ এই অসাম্প্ৰদায়িক আৰু বিজ্ঞানসন্মত সূত্ৰক বিকৃত কৰি ইংৰাজ ইতিহাসবিদ জেমচ্ মিলে তেওঁৰ বুৰঞ্জী গ্ৰন্থত ভাৰতৰ ইতিহাসক ধৰ্মৰ ভিত্তিত তিনিভাগত (আচলতে দুই ভাগতহে ধৰ্মৰ প্ৰাধান্য আছে) বিভক্ত কৰিছে। তাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগটো ক্ৰমে—হিন্দু যুগ, মুছলমান যুগ আৰু বৃটিশ যুগ। জেমচ মিলৰ অনুগামী অনেক ভাৰতীয় ইতিহাসবিদেও এই সাম্প্ৰদায়িক যুগ বিভাজন মানি লৈছে। এওঁলোকৰ মতে খ্ৰীষ্টাব্দ পূৰ্ব ১০০০ বছৰৰ পৰা ১২০০ খ্ৰীঃলৈ এই দুহাজাৰ দুশ বছৰে ভাৰতত 'হিন্দু' ৰজা-মহাৰজাসকলে শাসন কৰিছিল বাবে এই যুগটো হিন্দু যুগ। ইয়াৰ পিছৰ সময়চোৱাত, বিশেষকৈ ১২০০ খ্ৰীঃৰ পৰা ১৮০০ খ্ৰীঃলৈ ভাৰতক শাসন কৰিছিল মুছলমান ৰজা-মহাৰজাসকলে। মুছলমান ৰজাসকলৰ দ্বাৰা শাসিত হোৱা বাবেই জেমচ্ মিলে এই যুগটোক অভিহিত কৰিছিল মুছলমান যুগ বুলি। এইখিনিতে লক্ষ্যণীয় যে খ্ৰীষ্টানধৰ্মী ইংৰাজসকলে ১৯৪৭ খ্ৰীঃলৈকে ভাৰতক শাসন কৰা সময়চোৱাক জেমচ্ মিলে খ্ৰীষ্টান যুগ বুলি অভিহিত কৰা নাই; কৰিছে ব্ৰিটিশ যুগ বুলিহে। অৰ্থাৎ জেমচ্ মিলে হিন্দু আৰু ইছলামধৰ্মী ৰজা-মহাৰজাসকলৰ শাসনকালক ধৰ্ম আৰু সম্প্ৰদায়ৰ ভিত্তিত বিচাৰ কৰি যুগ বিভাজন কৰিছে। কিন্তু খ্ৰীষ্টান শাসকসকলৰ যুগটোক ধৰ্মীয় ভিত্তিত বিভাজন নকৰি বৃটিশ জাতীয়তাৰ ভিত্তিতহে যুগ বিভাজন কৰিছে। ভাৰতৰ ইতিহাসত সাম্প্ৰদায়িকতাৰ উত্থান আৰু ইতিহাস ৰচনাৰ পটভূমি বিচাৰ কৰিলে দেখা যায় যে, সাম্প্ৰদায়িক ইতিহাসবিদ সকলে তেওঁলোকৰ ইতিহাস গ্ৰন্থত জেমচ মিলৰ যুগ বিভাজনকেই





মানি লৈছে। আনহাতে সমাজতান্ত্ৰিক আৰু বস্তুবাদী দৃষ্টিকোণেৰে যিসকলে ইতিহাস ৰচনা কৰিছে তেওঁলোকে জেমচ মিলৰ যুগ বিভাজনক মানি লোৱা নাই; ইয়াক বিভ্ৰান্তিকৰ আৰু পশ্চাদগামী চিন্তাৰ ইতিহাস ৰচনা বুলি অভিহিত কৰিছে। সমাজ বিজ্ঞানী আৰু ইতিহাসবিদ ডঃ ৰমিলা থাপাৰ, ডঃ ইৰফান হাবীব, হৰবন্‌স মুখীয়া, বদৰুদ্দীন ওমৰ আদিয়ে পৰ্যালোচনা কৰি দেখুৱাইছে যে, ভাৰতত সাম্প্ৰদায়িকতাৰ উত্তৱ হৈছে জেচ্‌মিলৰ বুৰঞ্জী লিখনৰ পিছৰ পৰা। এতেকে ভাৰতত সাম্প্ৰদায়িক ইতিহাস চিন্তাৰ সূচনাও জেমচ্ মিলৰ বুৰঞ্জী ৰচনাৰ পৰাই উত্তৱ হোৱা বুলি ক'ব পাৰি।

জেমচ্ মিলে খ্ৰীঃপূৰ্ব ১০০০ বছৰৰ পৰা ১২০০ খ্ৰীঃৰ সময়ছোৱাক 'হিন্দুযুগ' বুলি উল্লেখ কৰোঁতে যি 'হিন্দু' শব্দ ব্যৱহাৰ কৰিছে তাৰ উত্তৱ সেই পৌৰাণিক যুগৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা নাছিল। শব্দটো কোনো ভাৰতীয় হিন্দুধৰ্মীৰ দ্বাৰাও প্ৰদত্ত শব্দ নহয়। ভাৰতত মুছলিম ৰজাসকলৰ ৰাজত্ব স্থাপনৰ আগলৈকে 'হিন্দু' শব্দ আৰু তাৰ অৰ্থ ভাৰতীয় সকলে জনা নাছিল। প্ৰাচীন ভাৰতীয় শাস্ত্ৰ, সাহিত্য বা ইতিহাসৰ ক'তো 'হিন্দু' শব্দটোৰ উল্লেখ নাই। ভাৰতলৈ মুছলমানৰ আগমন আৰু মুছলমান ৰজাসকলৰ শাসনকাল আৰম্ভ হোৱাৰ আগলৈকে 'হিন্দু' এটা বিদেশী শব্দ আছিল। এই সম্পৰ্কে অন্যত্ৰ আমি আলোচনা কৰিছোঁ। 'হিন্দু' শব্দটোৰ উৎপত্তি আৰু প্ৰসাৰৰ চন-তাৰিখৰ বিচাৰ কৰিলে দেখা যায় যে যি সময়ক 'হিন্দুযুগ' বুলি উল্লেখ কৰা হয় সেই যুগটোত শব্দটোৰ কোনো অস্তিত্বই নাছিল। এতেকে জেমচ্ মিলে শব্দটোক যে উদ্দেশ্য প্ৰণোদিতভাৱে আৰু হিন্দু-মুছলমান বিভাজনৰ ৰেখাডাল বঢ়াবলৈ ব্যৱহাৰ কৰিছিল সেই বিষয়ে ইতিহাসৰ বস্তুনিষ্ঠ অধ্যয়ন কৰা লোকৰ সন্দেহ নাই।

জেমচ্ মিলৰ ইতিহাসৰ নেঙুৰত ধৰি ভাৰতত সাম্প্ৰদায়িকতাবাদীসকলে কেনে ধৰণৰ ইতিহাস চৰ্চা কৰি আছে বা কৰিবৰ চেষ্টা কৰিছে তাৰ দুটামান উদাহৰণ দাঙি ধৰা যাওক ঃ

১। ঐতিহাসিক তাজমহল নিৰ্মাণ কৰিছিল মোগল সম্ৰাট ছাহজাহানে। সাম্প্ৰদায়িক ইতিহাসকাৰসকলৰ মতে, তাজমহল হেনো শিৱমন্দিৰ। তেওঁলোকে যুক্তি দৰ্শায় যে তাজমহলৰ তলভাগত 'হিন্দুৰজা' সকলৰ অস্ত্ৰাগাৰ আছিল; ছাহজাহানে হেনো সেই অস্ত্ৰাগাৰ বালিৰে পুতি পেলায়। 'বটেশ্বৰ শিলালিপি'ৰ উল্লেখেৰে কোৱা হয় যে যমুনাৰ উত্তৰ পাৰত বিষ্ণুমন্দিৰ আৰু দক্ষিণ পাৰত শিৱমন্দিৰ আছিল। শিৱমন্দিৰটো হেনো 'তেজ-মহা-আলয়' বা শ্ৰেষ্ঠ প্ৰাসাদৰূপে জনাজাত আছিল। এই প্ৰাসাদটো মোগল সম্ৰাট ছাহজাহানে ৰজা জয়সিংহৰ পৰা সামান্য ধনৰ

বিনিময়ত কিনি তাৰে এচুকত হেনো মমতাজৰ সমাধিৰ স্তূপ তৈয়াৰ কৰে ।

এনে ধৰণৰ 'নতুন ইতিহাস' ৰচনাৰে গেৰুৱা বাহিনীৰ সমৰ্থনপুষ্ট ইতিহাসবিদ সকলে মোগল যুগৰ সকলোবোৰ ঐতিহ্যপূৰ্ণ মঠ, মছজিদ, স্মৃতিচিহ্ন আদিৰ নতুন নামকৰণ কৰিবলৈ ধৰিছে আৰু সেইবোৰৰ 'নতুন ইতিহাসো' ৰচিছে । সেই নতুন ইতিহাস-চিন্তা যে সম্পূৰ্ণভাৱে সাম্প্ৰদায়িক দৃষ্টিভংগীৰ ওপৰত নিৰ্দ্ধাৰিত তাৰ প্ৰমাণ তলৰ অধিক উদাহৰণৰ পৰা পোৱা যায় । যেনে ঃ

২। দিল্লীৰ লালকিল্লাক 'দিল্লীৰ শেষ হিন্দু ৰজা পৃথ্বিৰাজ চৌহানৰ ৰাজপ্ৰাসাদ' বুলি কোৱা হৈছে । লালকোৰ্ট হেনো পৃথ্বিৰাজৰ মহল ।

৩। দিল্লীৰ দেওৱানী-আম হ'ল গৌৰীশংকৰৰ মন্দিৰ ।

৪। দিল্লীৰ দেওৱানী-খাচ হ'ল জৈন আদিনাথ মন্দিৰ ।

৫। দিল্লীৰ জামা মছজিদ হেনো বিষ্ণু মন্দিৰ । 'জামা' শব্দটোৰ অৰ্থ মুখ্য বা প্ৰধান । সেয়ে প্ৰধান বিষ্ণুমন্দিৰকেই প্ৰধান মছজিদলৈ পৰিণত কৰা হৈছে ।

৬। ময়ুৰ সিংহাসন হেনো খ্ৰীষ্টাব্দপূৰ্ব প্ৰথম শতাব্দীত সম্ৰাট বিক্ৰমাদিত্যৰ সিংহাসন আছিল । মোগলৰ প্ৰধান সেনাপতি মানসিংহ বা পূৰ্ববৰ্তী হিন্দু ৰজাসকলে সিংহাসনটি হস্তগত কৰি নিজে তৈয়াৰ কৰা বুলি দাবী কৰে ।

৭। দিল্লীৰ কুতুবমিনাৰ দ্বিতীয় চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যই চতুৰ্থ-পঞ্চম শতাব্দীত তৈয়াৰ কৰা মানমন্দিৰ য'ৰ পৰা জ্যোতিৰ্বিদসকলে আকাশৰ তৰা-নক্ষত্ৰ পৰ্যবেক্ষণ কৰিছিল । তেৰ শতাব্দীত ইয়াতেই হেনো কুতুবুদ্দিনক সমাধিস্থ কৰা হয় ।

৮। দিল্লীৰ কেবাজনো বিখ্যাত লোকৰ কবৰ সন্দৰ্ভতো 'নব্য সাম্প্ৰদায়িক' ইতিহাসবিদসকলে ইতিহাস ৰচনা কৰিছে । এওঁলোকৰ মতে নিজামুদ্দিন আউলীয়াৰ কবৰটি হিন্দু ৰাজপুত প্ৰাসাদ ।

৯। আগ্ৰাৰ দুৰ্গ এসময়ত হেনো 'হিন্দু ৰজা'ৰ ৰাজধানী আছিল ।

১০। আগ্ৰাৰ জামে মছজিদ ছাহজাহানৰ কন্যা জাহানাৰাই সাজিছিল বুলি জনা যায় । কিন্তু 'নব্য ইতিহাস' বিদসকলৰ মতে ই হেনো কোনো হিন্দু ৰজাই সজা ।

১১। ফতেহপুৰ চিক্ৰীৰ ক্ষেত্ৰতো অভিযোগ উত্থাপন কৰা হৈছে । আগ্ৰাৰ পৰা প্ৰায় চল্লিশ কিলোমিটাৰ আঁতৰৰ চিক্ৰীটো সম্ৰাট আকবৰে সাজিছিল বুলি জনা যায়; কিন্তু 'নব্য ইতিহাস'বিদসকলৰ মতে ই হেনো ৰাজপুত প্ৰাসাদ আছিল ।

একেদৰেই এলাহাবাদ দুৰ্গ, খছৰুবাগ, আহমেদাবাদৰ জামে মছজিদ, আজমীৰৰ খাজা মইনুদ্দিন চিশতীৰ কবৰ আদি হেনো এসময়ত মন্দিৰ বা দুৰ্গ আছিল । ধৰ্মনিৰপেক্ষতা আৰু উদাৰতাৰ প্ৰতীক বুলি জনাজাত মোগল সম্ৰাট আকবৰৰ





চেকান্দ্ৰাস্থিত স্মৃতিসৌধ সম্পৰ্কতো প্ৰশ্নৰ উত্থাপন কৰা হৈছে । বস্তুবাদী সমাজ বিজ্ঞানী আৰু ইতিহাসবিদসকলৰ ঐতিহাসিক সমলক অসাৰ বুলি কৈ 'নব্য সাম্প্ৰদায়িক ইতিহাস'বিদসকলে ক'ব খুজিছে যে আকবৰৰ সমাধিখনি আছিল 'হিন্দু' ৰাজপুত ৰজাৰ ৰাজপ্ৰাসাদ । এই 'নতুন ইতিহাস-চিন্তা'ৰ সমল যোগাইছে জেমচ্ মিলৰেই অনুগামী আন এগৰাকী পশ্চিমীয়া ইতিহাসবিদ ভিন্‌চেণ্ট স্মিথে । সমগ্ৰ ভাৰতবৰ্ষৰ যোৱা এহাজাৰ বছৰীয়া ইতিহাস সলনি কৰাৰ বাবে ভাৰতীয় 'নব্য সাম্প্ৰদায়িকতাবাদী ইতিহাসবিদ' সকলক সৰ্বতো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে জেমচ্ মিলৰ সাম্প্ৰদায়িক ইতিহাস-চৰ্চা ভিন্‌চেণ্ট স্মিথহঁতৰ কল্পনাপ্ৰসূত সমলে ।

আগতেই উল্লেখ কৰা হৈছে যে ভাৰতত সাম্প্ৰদায়িক ইতিহাস চিন্তাৰ সূচনা হৈছিল ইংৰাজ ইতিহাসবিদসকলৰ জৰিয়তে আৰু তাত প্ৰত্যক্ষ আৰু পৰোক্ষ সহায় কৰিছিল ইংৰাজ প্ৰশাসকসকলৰ 'বিভাজন আৰু শাসন' (Divide and Rule) নীতিয়ে । ভাৰতৰ গৈৰিক বাহিনীৰ (যাৰ সহযোগত আছে সংঘ পৰিয়াল) সমৰ্থনপুষ্ট ইতিহাসবিদসকলে ভাৰতত সাম্প্ৰদায়িক ইতিহাস চৰ্চাৰ প্ৰয়োগ প্ৰণালী হিচাপে শেহতীয়াভাৱে ধ্বংস কৰিছে ঐতিহাসিক বাবৰি মছজিদ । সংঘ পৰিয়ালৰ সদস্য বিশ্ব হিন্দু পৰিষদে বাবৰি মছজিদ ধ্বংসকৰণ সন্দৰ্ভত নিম্নোক্ত কাৰণ দৰ্শাইছে । যথা ঃ হিন্দুসকলৰ বিশ্বাস যে অযোধ্যাত এখন পবিত্ৰ স্থান আছে য'ত ৰামৰ জন্ম হৈছিল; সেই ঠাইখনতে স্থাপন কৰা হৈছে বাবৰি মছজিদ; মছজিদ স্থাপনৰ আগতে ঠাইখনৰ পৰা ৰামৰ নামত উৎসৰ্গিত মন্দিৰটো ভাঙি পেলোৱা হ'ল । এই কাৰণকেইটাৰ সমৰ্থনত বিশ্ব হিন্দু পৰিষদৰ সমৰ্থনপুষ্ট 'নব্য ইতিহাস'বিদসকলে যিকেইটা কল্পনাপ্ৰসূত যুক্তি দাঙি ধৰিছিল তাৰ অন্যতম উৎস আছিল সম্ৰাট বাবৰৰ আত্মজীৱনী 'বাবাৰ নামা'ৰ অনুবাদক মিচেচ এ.এফ. বীভাৰিজৰ এটা বক্তব্য । বীভাৰিজে অনুবাদকৰ টোকাত ধৰ্মীয় বিশ্বাসৰ আধাৰত যুক্তি দৰ্শাই লিখিছে— "বাবৰ যিহেতু এজন মুছলমান আছিল, সেয়ে এই প্ৰাচীন ধৰ্মস্থানৰ মৰ্যদা আৰু পবিত্ৰতালৈ লক্ষ্য ৰাখি তেওঁ আংশিকভাৱে হ'লেও মন্দিৰ আঁতৰাই মছজিদ নিৰ্মাণ কৰিছিল ।' বীভাৰিজৰ যুক্তি হ'ল— "মহম্মদৰ আন অনুগামীৰ দৰে বাবৰো আন ধৰ্মৰ প্ৰতি অসহিষ্ণু আছিল ।"

ভাৰতৰ কুৰিগৰাকী প্ৰখ্যাত সমাজ বিজ্ঞানী আৰু ইতিহাসবিদে মিচেচ্ বীভাৰিজ, বিশ্ব হিন্দু পৰিষদ আৰু ইয়াৰ অনুগামী 'নব্য ইতিহাসবিদ' সকলৰ যুক্তিক কল্পনাপ্ৰসূত আৰু অবৈজ্ঞানিক বুলি অভিহিত কৰি এখন প্ৰচাৰ পুস্তিকা প্ৰকাশ কৰিছিল । নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ "The Centre for Historical Studies"ৰ

হৈ সেই প্ৰচাৰ পুস্তিকাত যিসকল ইতিহাসবিদ আৰু সমাজ বিজ্ঞানীয়ে চহী কৰিছিল তেওঁলোক হ'ল —সৰ্বপল্লী গোপালা, ৰমিলা থাপাৰ, বিপন চন্দ্ৰ, হৰবংস মুখীয়া, কে.এন. পান্নিকৰ, সব্যসাচী ভট্টাচাৰ্য, আৰ. চম্পকলা লক্ষ্মী, সতীশ সবেৰৱাল, বি.ডি. চট্টোপাধ্যায়, আৰ.এন. বাৰ্মা, কে. মিনাক্ষী, মুজফ্‌ফৰ আলম, দিলবাগ সিং, মৃদুলা মুখাৰ্জী, মাধবন পালট, আদিত্য মুখাৰ্জী, এইচ. এফ. ভাটনগৰ, নীলাদ্ৰি ভট্টাচাৰ্য, কে.কে. ত্ৰিবেদী, যোগেশ শৰ্মা, কুনাল চক্ৰৱৰ্তী, ভগৱান সিং যোশ, ৰাজন গুৰুক্কল আৰু হিমাংশু ৰায় ।এইসকল সমাজ-বিজ্ঞানীয়ে ইতিহাস, নৃতাত্ত্বিক আৰু ভৌগোলিক সমল আদি চালিজাৰি চাই এই সিদ্ধান্তত উপনীত হৈছে যে, বিশ্ব হিন্দু পৰিষদৰ সমৰ্থনপুষ্ট 'নব্য ইতিহাসবিদসকলে যিগৰাকী ৰামৰ নামত অযোধ্যাত মন্দিৰ গঢ়ি উঠা বুলি কৈছে, সেইজন ৰামৰ জন্ম অযোধ্যাত হোৱা নাছিল বা তেনে অযোধ্যাত শাসনো কৰা নাছিল; এতেকে তেওঁৰ নামত ৰাম মন্দিৰ গঢ়াৰ প্ৰশ্নই নুঠে । 'নব্য ইতিহাসবিদ'সকলৰ যুক্তি খণ্ডন কৰি সমাজ-বিজ্ঞানী কেইজনে কৈছে যে, পঞ্চম শতিকাৰ পৰা অষ্টম শতিকাৰ শিলালিপিত অযোধ্যাৰ কথা আছে যদিও সেইবোৰত ৰামপূজাত উল্লেখ নাই । ৰামায়ণৰ ৰামক তেওঁলোকে কাল্পনিক চৰিত্ৰ বুলি কৈছে । বৰ্তমানৰ অযোধ্যা কেৱল হিন্দু ধৰ্মৰেই আকৰ্ষণৰ কেন্দ্ৰস্থল নহয়; বিভিন্ন ধৰ্মৰ লোকৰ ঐতিহ্য জড়িত হৈ আছে বৰ্তমানৰ অযোধ্যাত । তাহানিতে চীনা পৰিব্ৰাজক হিউৱেন চাঙে অযোধ্যাক বৌদ্ধধৰ্মৰ অন্যতম প্ৰধান কেন্দ্ৰ বুলি উল্লেখ কৰি গৈছে । জৈন তীৰ্থযাত্ৰী সকলৰ বাবে অযোধ্যা আকৰ্ষণৰ ঠাই । পুৰাতাত্ত্বিক প্ৰমাণ মতে ঠাইখন প্ৰথম আৰু চতুৰ্থ তীৰ্থংকৰৰ জন্মস্থান । ৰামৰ জীৱনীকাৰ তুলসী দাসৰ গ্ৰন্থতো অযোধ্যাক ৰামৰ জন্মস্থান বা তাত ৰাম মন্দিৰ নিৰ্মাণৰ কথা উল্লেখ কৰা হোৱা নাই । অযোধ্যাত আন আন ধৰ্ম-সম্প্ৰদায়ৰ যিবোৰ ঐতিহ্য জৰিত থকা বুলি কোৱা হৈছে সেইবোৰৰ পুৰাতাত্ত্বিক সমল আছে; কিন্তু ৰাম সম্পৰ্কীয় সমল নাই; কেৱল আছে মৌখিক কাহিনী আৰু অতিকথা । এই মৌখিক কাহিনী আৰু অতিকথাবোৰ বিজ্ঞানসন্মত দৃষ্টিৰে ইতিহাস অধ্যয়ন কৰিব পৰা বা ইতিহাস ৰচনা কৰা সমল নহয় ।

পূৰ্বৰ ইংৰাজৰ মদতপুষ্ট বা বৰ্ত্তমানৰ সংঘপৰিয়ালৰ দ্বাৰা আশ্ৰিত ইতিহাসবিদসকলৰ উপৰিও ভাৰতত পোন প্ৰথমে ডঃ ৰমেশ চন্দ্ৰ মজুমদাৰ (আৰ.চি. মজুমদাৰ)ৰ দৰে ইতিহাসবিদে ধৰ্মনিৰপেক্ষ ৰচনা-ৰীতিৰ বিৰুদ্ধে কলম ধৰি 'হিন্দুত্ব'ৰ প্ৰশ্ন উত্থাপন কৰে । মজুমদাৰৰ মতে, মুছলমানসকল বিদেশী, তেওঁলোকে সুদীৰ্ঘ দিন ভাৰত শাসন কৰাৰ পিছতো ভাৰতীয় নহ'ল, মুছলমান সম্ৰাটসকলে হিন্দুসকলক জোৰ-জুলুম কৰি, ভয়-ভীতি দেখুৱাই, হত্যা-লুণ্ঠন কৰি ধৰ্মান্তৰিত কৰিছিল । ১২০০ খ্ৰীষ্টাব্দৰ পৰা ১৭৫৭ খ্ৰীঃলৈ—এই সময়ছোৱা মুছলমানসকলৰ বিৰুদ্ধে হিন্দুসকলৰ





স্বাধীনতা পুনৰুদ্ধাৰৰ সংগ্ৰাম । মজুমদাৰৰ 'ভাৰতৰ তথাকথিত ধৰ্ম নিৰপেক্ষ বুৰঞ্জী'ত হিন্দুসকলৰ সংগ্ৰামৰ, বিশেষকৈ ৰাণা প্ৰতাপ সিং, গুৰুগোবিন্দ সিং, ছত্ৰপতি শিবাজী আদিৰ সংগ্ৰামৰ স্বীকৃতি দিয়া হোৱা নাই বুলি উল্লেখ কৰিছে । তেওঁ এই কথাও লিখিছে যে এই 'হিন্দুবীৰ' সকলে 'হিন্দু ৰাষ্ট্ৰ' বা 'হিন্দু ৰাষ্ট্ৰীয়তা'ৰ হ'কেও যুঁজিছিল । ডঃ মজুমদাৰৰ এই অভিযোগৰ প্ৰত্যুত্তৰত সমাজতান্ত্ৰিক ইতিহাসবিদসকলে ধৰ্মনিৰপেক্ষ দৃষ্টিভংগীৰে বুৰঞ্জী ৰচনা কৰি ব্যাখ্যা কৰি দেখুৱাইছে যে, ৰাজ্য জয় বা ইছলাম ধৰ্মৰ প্ৰচাৰৰ হ'কে ভাৰতলৈ অহা মুছলমানসকল স্থায়ীভাৱে ভাৰতত (অবিভক্ত ভাৰতৰ পাকিস্তান আৰু বাংলাদেশক সামৰি) ৰৈ যায়; সেয়ে তেওঁলোক স্বদেশী । শোষণকাৰী আৰু ঔপনিবেশিকতাবাদী বৃটিশসকলে ভাৰতৰ সম্পদ লুণ্ঠন কৰি নিয়াৰ দৰে মুছলমানসকলে সম্পদ লুটি নিয়া নাছিল । কেৱল মুছলমান ৰজাই নহয়, হিন্দু ৰজাসকলেও উৎপীড়ন কৰিছিল; মুছলমান ৰজাসকলে যিদৰে মন্দিৰ ভাঙিছিল তেনেদৰে নিৰ্মাণো কৰিছিল; অনেক হিন্দু ৰজায়ো মন্দিৰত লুণ্ঠন কৰিছিল; মুছলমান ৰজাসকলে প্ৰশাসন আৰু নৌবাহিনীৰ প্ৰধানৰূপে হিন্দু নাগৰিকক নিয়োগ কৰিছিল; ভাৰতীয় 'হিন্দু বীৰ' সকলৰ সংগ্ৰামৰ কাহিনী ইতিহাসত ধৰ্মনিৰপেক্ষ দৃষ্টিৰে লিপিবদ্ধ কৰা হৈছে; বীৰসকলে সংগ্ৰাম কৰিছিল মানৱীয় অধিকাৰক আগ স্থান দি, সেয়া 'হিন্দুত্ব' বা 'হিন্দু ৰাষ্ট্ৰীয়তা'ৰ সংগ্ৰাম নাছিল ।

ভাৰতৰ ইতিহাস চৰ্চাত আজিও ধৰ্মনিৰপেক্ষ আৰু সাম্প্ৰদায়িক—এই দুটা দিশ স্পষ্ট হৈ পৰে । সাম্প্ৰদায়িকসকলে যিদৰে সাম্প্ৰদায়িকতাবাদকেই মুখ্য বিষয় ৰূপে লয়, ঠিক তাৰ বিপৰীতে ধৰ্মনিৰপেক্ষ ইতিহাসবিদসকলে এটা সুস্থ চিন্তা-চেতনাৰ আভাষ দাঙি ধৰাৰ চেষ্টা কৰে । আমি সাম্প্ৰদায়িক ইতিহাসবিদৰ পক্ষত নহয়, ধৰ্মনিৰপেক্ষ ইতিহাসবিদসকলৰ পক্ষতহে অৱস্থান ল'ব লাগে । কিন্তু তাতোকৈ উত্তম পন্থা হ'ল বস্তুবাদী দৃষ্টিভঙ্গীৰে যিসকলে ইতিহাস চৰ্চা কৰে (য'ত শাসক-শোষক হিন্দু নে মুছলমান সেইটো মুখ্য নহয়; মুখ্য হ'ল শাসক আৰু শোষিতৰ সম্পৰ্কৰ বিচাৰ কৰাটোহে), আমি তেনে ইতিহাস চৰ্চাকাৰীক সহায় কৰিব লাগে ।

# বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু সাহিত্য সভা

"অসমীয়া জাতি এটা সংমিশ্ৰণৰ পৰা হোৱা জাতি । সেই কাৰণেই আমি চেষ্টা কৰি সেই সংমিশ্ৰিত অসমীয়া জাতিটোৰ কলেবৰ বৰ্তমান অহা আন আন জাতিৰ মানুহক জীণ নিয়াই বঢ়াব পাৰো । ই বুৰঞ্জীসিদ্ধ"—অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ সমন্বয়-চিন্তা নিঃসন্দেহে গঠনমূলক আৰু প্ৰগতিৰ সহায়ক । অসমীয়া জাতি গঠনৰ শ্ৰেষ্ঠ ব্যাখ্যাকাৰ হিচাপে আমি কুৰি শতিকাৰ পঞ্চম দশকলৈ জ্যোতিপ্ৰসাদ আগৰৱালাকেই আগস্থান দি আহিছো । বিশ্ব ইতিহাসত জাতিতত্ত্বৰ শ্ৰেষ্ঠ ব্যাখ্যাকাৰ হিচাপে ষ্টেলিনক অভিহিত কৰা হয় । ষ্টেলিনৰ মতে জাতিৰ সংজ্ঞা এনে ধৰণৰ ঃ "ইতিহাসৰ স্বাভাৱিক গতিৰ দ্বাৰা গঠিত বহুকাল ধৰি একে ভাষাৰে কথা কোৱা, একে ভূ-খণ্ডত বসবাস কৰা, একে অৰ্থনীতিৰ দ্বাৰা পৰিচালিত আৰু একে ধ্যান-ধাৰণা আৰু আশা-আকাংক্ষাৰ প্ৰকাশ ঘটোৱা জনগোষ্ঠীবোৰৰ সংমিশ্ৰিত গোট গঠন কৰা হয় ।" বিশিষ্ট সমাজতাত্ত্বিক, গৱেষক ডঃ অমলেন্দু গুহই জাতিৰ সংজ্ঞা দাঙি ধৰিবলৈ গৈ ষ্টেলিনৰ জাতি তত্ত্বক সমৰ্থন কৰি কৈছে যে "নিৰ্দিষ্ট ভূ-খণ্ডত পৰস্পৰৰ সৈতে অৰ্থনৈতিক সম্পৰ্কৰ ডোলেৰে বান্ধ খাই ভাষা, লিপি, ধৰ্ম, ঐতিহ্য , মানসিকতা আদি এক বা একাধিক ঐক্যকাৰী উপাদানক আশ্ৰয় কৰি—উমৈহতীয়া সংস্কৃতিৰ আধাৰত ঐতিহাসিকভাৱে বিকশিত আৰু সামূহিক ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠা সম্পৰ্কে আগ্ৰহী জনসমষ্টিক জাতি বোলা হয় ।"

উপৰি উক্ত জাতি-তত্ত্বৰ বিশ্লেষণৰ পৰাএটা কথা স্পষ্টভাৱে ওলাই পৰিছে যে জাতি এটা গঠন হ'বলৈ মূলতঃ চাৰিটা উপাদান থাকিব লাগিব । উপাদান কেইটা হ'ল ঃ নিৰ্দিষ্ট ভূ-খণ্ড, উমৈহতীয়া অৰ্থনীতি, জনসংযোগৰ বাবে এটা উমৈহতীয়া ভাষা আৰু উমৈহতীয়া সংস্কৃতি । এই আটাইকেইটা উমৈহতীয়া উপাদানেই অসমত আছে । ভৌগোলিক পৰিবেশৰ সৈতে অৰ্থনীতি, অৰ্থনীতিৰ সৈতে সংস্কৃতি আৰু সংস্কৃতিৰ সৈতে মানুহৰ সামাজিক জীৱন আৰু ৰুচিবোধৰ সম্পৰ্ক আছে । অসমখন বিভিন্ন জনগোষ্ঠীৰ ৰাজ্য হোৱা হেতুকে ইয়াৰ সংস্কৃতি সংমিশ্ৰণৰ মাজেৰে গঢ়ি উঠিছে । অসমীয়া ভাষা-সংস্কৃতি সম্পৰ্কে অসম সাহিত্য সভাৰ নিয়মাৱলীৰ দ্বিতীয়





অনুচ্ছেদত কোৱা হৈছে ঃ "অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ ঘাই উদ্দেশ্য । লগতে অসমৰ থলুৱা ভাষা, সাহিত্য, সংস্কৃতিৰ উন্নয়নৰ বাবে কাম কৰাও সভাৰ অন্যতম উদ্দেশ্য হ'ব ।"

সাহিত্য সভাৰ এই উদ্দেশ্যৰ প্ৰতিফলন ঘটা দেখা যায় কেবাগৰাকী সভাপতিৰ অভিভাষণত । সাহিত্য সভাৰ জন্মলগ্নৰ উদ্দেশ্যও আছিল মহৎ । ভাষা আৰু সংস্কৃতিকেন্দ্ৰিক অসমীয়া জাতিৰ উত্তৰণৰ জোঁৱাৰ উঠিছিল ঊনৈশ শতিকাৰ শেষভাগৰ পৰা । তেতিয়াৰ কলকাতাত থকা অসমীয়া ছাত্ৰ সকলে 'চাহ খোৱা মেল'ত আলোচনা কৰিছিল কিদৰে অসমীয়া ভাষাৰ উন্নতি সাধন কৰিব পৰা যায় । সেই উদ্দেশ্য আগত ৰাখিয়েই 'অসমীয়া ভাষা উন্নতি সাধনী সভা' গঠন কৰা হয় আৰু ১৯৮৮ খ্ৰীঃৰ ২৫ আগষ্ট তাৰিখে ৬৭ নং বিৰ্জাপুৰ ষ্ট্ৰীটত সভাৰ প্ৰথম অধিবেশন বহে । এই সভাৰ আৰ্হিত ১৯১৭ খৃঃত জন্ম লাভ কৰা অসম সাহিত্য সভাই ভাষাৰ উপৰিও জনগোষ্ঠীগত সমন্বয়ত গুৰুত্ব প্ৰদান কৰি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰস্তাৱ দাঙি ধৰিছিল । সাহিত্য সভাৰ অধিবেশনসমূহৰ যি কেইগৰাকী সভাপতিৰ অভিভাষণত বৃহত্তৰ অসমীয়া জাতি গঠনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল তেওঁলোকৰ মাজত অন্যতম হ'ল বেণুধৰ ৰাজখোৱা (১৯২৬ , ধুবুৰী); ৰজনীকান্ত বৰদলৈ (১৯৩৫, নগাঁও); ডঃ ময়িদুল ইছলাম বৰা (১৯৪০, যোৰহাট); অম্বিকাগিৰী ৰায়চৌধুৰী, (১৯৫০, মাৰ্ঘেৰিটা); বেণুধৰ শৰ্মা, (১৯৫৬, ধুবুৰী); হেম বৰুৱা (১৯৭২, ধুবুৰী); সীতানাথ ব্ৰহ্ম চৌধুৰী, (১৯৮১, তিনিচুকীয়া আৰু ১৯৮২ ডিফু) আদি । সাহিত্য সভাই বিভিন্ন জনগোষ্ঠীৰ ওপৰত কেবাখনো গ্ৰন্থ ৰচনা কৰিয়ো সংমিশ্ৰণৰ আৰু সমন্বয়ৰ দিশত কিছু অৰিহণা যোগাইছে । কোহিমাৰ গোবিন্দ চন্দ্ৰ পৈৰা, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ হলিৰাম টেৰাং, ৰংবং টেৰাং, মুছলমান জনগোষ্ঠীৰ ডঃ ময়িদুল ইছলাম বৰা, আব্দুছ ছাত্তাৰ, চৈয়দ আব্দুল মালিক, ইদ্ৰিছ আলী, চমছেৰ আলী, চৰ অঞ্চলৰ ইলিমউদ্দিন দেৱান, ৰাভা জনগোষ্ঠীৰ উপেন ৰাভা হাকাচাম, ৰাজেন ৰাভা, মিচিং জনগোষ্ঠীৰ ভৃগুমণি কাগয়ুং, নাহেন্দ্ৰ পাদুন, বড়ো জনগোষ্ঠীৰ সীতানাথ ব্ৰহ্মচৌধুৰী, ভৱেন নাৰ্জি, চাহ জনগোষ্ঠীৰ সুশীল কুৰ্মী আদি বিভিন্ন জনগোষ্ঠীৰ লোকক সাহিত্য সভাই জন্মলগ্নৰে পৰা একেখন মঞ্চত সমবেত কৰাব পাৰিছিল । সাহিত্য সভাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বিভিন্ন জনগোষ্ঠীৰ লোকে কুৰি শতিকাৰ ষাঠি-সত্তৰৰ দশকলৈকে অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে গ্ৰহণ কৰিছিল । ষাঠি-সত্তৰৰ দশকলৈকে সাহিত্য সভা আছিল সকলো জনগোষ্ঠীৰেই মিলনথলী । উপৰি উক্ত জনগোষ্ঠীৰ লেখক-সাহিত্যিকৰ বাহিৰেও নেপালীভাষী আৰু বাংলাভাষী লোকেও সাহিত্য সভাৰ সৈতে সহযোগ কৰিছিল । সাহিত্য সভাৰ জন্মকালত 'কলিকতীয়া বঙালী আৰু অসমীয়া ভাষাৰ পৃষ্ঠপোষক' জিতেন্দ্ৰ নাথ দাসে স্বইচ্ছাৰে আগবাঢ়ি

আহি অসম সাহিত্য সভাৰ আজীৱন সভ্যপদ গ্ৰহণ কৰিছিল । সাহিত্য সভাই তুলনামূলকভাৱে ষাঠিৰ দশকলৈ উদাৰ নীতি গ্ৰহণ কৰা বাবেই 'ন-অসমীয়া' মুছলমান, 'থলুৱা নেপালী' আৰু 'চাহ জনগোষ্ঠী'ৰ লোকে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰাত ১৯৫১ খ্ৰীঃৰ লোকপিয়লত অসমীয়া ভাষা সংখ্যাগৰিষ্ঠতাত পৰিণত হয় ।

ভাষাভিত্তিক জাতি গঠনৰ ক্ষেত্ৰত সাহিত্য সভাই সমালোচনাৰ সন্মুখীন হয় ১৯৬০ খ্ৰীঃৰ ভাষা-আন্দোলন আৰু ১৯৭২ খ্ৰীঃৰ মাধ্যম আন্দোলনৰ সময়চোৱাত । এই দুয়োটা আন্দোলনৰ অন্যতম উদ্যোক্তা আছিল অসম সাহিত্য সভা । ১৯৬০ খ্ৰীঃৰ আগলৈকে নগালেণ্ড, মেঘালয়, অৰুণাচল আদিত ক্ষেত্ৰবিশেষে শিক্ষা আৰু মানুহৰ মুখে মুখে অসমীয়া ভাষা প্ৰচলিত আছিল । জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰে 'আন আন জাতিৰ মানুহক জীণ নিয়াই' সংমিশ্ৰিত অসমীয়া জাতিটোৰ কলেবৰ বৃদ্ধি কৰাত ১৯৬০খ্ৰীঃৰ আগলৈকে অসমীয়া ভাষাই স্বতঃস্ফূৰ্তভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল । অসমীয়া ভাষী অসমীয়াৰ একাংশৰ উগ্ৰ-জাতীয়তাবাদী দাম্ভিকতা আৰু গোষ্ঠী বিদ্বেষে ১৯৬০ আৰু ১৯৭২ খ্ৰীঃৰ আন্দোলনৰ চৰিত্ৰ সলাই পেলায় । ন-অসমীয়া বা অভিবাসী মুছলমান, চাহ জনগোষ্ঠী আৰু দুই-চাৰিটা জনজাতীয় গোষ্ঠীৰ বাহিৰে তেতিয়াৰ অবিভক্ত অসমৰ বিভিন্ন জনগোষ্ঠীয়ে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে । ইয়াৰ ফলত ভাষাগত সমন্বয় আৰু সংমিশ্ৰণৰ প্ৰক্ৰিয়া যথেষ্ট পৰিমাণে ব্যাহত হয় ।

জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা, অম্বিকাগিৰী ৰায়চৌধুৰী আদিয়ে যি 'বৰ অসম' আৰু 'বৃহত্তৰ অসমীয়া জাতি'ৰ কথা কৈছিল তাৰ ঠাল-ঠেঙুলীবোৰ ১৯৬০ আৰু ১৯৭২ খ্ৰীঃৰ ভাষাকেন্দ্ৰিক আন্দোলন দুটিয়ে কাটিলেও গুৰি শিপাডাল কাটিব পৰা নাছিল । ক্ৰমান্বয়ে সজীৱ হৈ উঠা বৃহত্তৰ অসমীয়া জাতিৰ বৰগছজোপাৰ গুৰি শিপাডাল কাটে ১৯৭৯ খ্ৰীঃৰ পৰা সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ নেতৃত্বত পৰিচালিত বিদেশী বিতাড়ন আন্দোলনে । ১৯৮৫ খ্ৰীঃত সম্পাদন হোৱা অসম চুক্তিৰ পিছত ১৯৮৬ খ্ৰীঃত প্ৰাক্তন আন্দোলনকাৰীৰ দ্বাৰা পৰিচালিত চৰকাৰে যি ভাষা-চাৰ্কুলাৰ জাৰি কৰিলে সেই চাৰ্কুলাৰেও জ্বলা জুইত ঘিউ ঢলাৰ নিচিনাকৈ বিভিন্ন জনগোষ্ঠীক বিক্ষুব্ধ কৰি তুলিলে । ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ মাজত স্বকীয়তা ৰক্ষাৰ দাবী উঠিল । আন্দোলনৰ অন্যতম সহযোগী সংগঠন হিচাপে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ল অসম সাহিত্য সভা । বিভিন্ন জনগোষ্ঠীৰ মাজত গঢ়ি উঠা সাহিত্য সভাৰ শাখাবোৰ নিষ্ক্ৰিয় হৈ গ'ল আৰু সাহিত্য সভাৰ ভূমিকাও সন্দেহজনক হৈ পৰিল । ক্ৰমান্বয়ে জনগোষ্ঠীবোৰ আঁতৰি যোৱাত সমন্বয় আৰু সংমিশ্ৰণৰ প্ৰক্ৰিয়া ব্যাহত হ'ল আৰু





অসম সাহিত্য সভা 'অসমীয়া সাহিত্য সভা'ত পৰিণত হ'ল । আজিও (১৯৯৮ খ্ৰীঃ) অসম সাহিত্য সভা 'অসমীয়া সাহিত্য সভা'ৰ বদনামৰ পৰা মুক্ত নহয় ।

শেহতীয়াভাৱে সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত পুৰণি সংহতিৰ সুৰ শুনিবলৈ পোৱা গৈছে । ই যেন অতীত ভুলৰ আত্মোপলব্ধি । সাহিত্য সভাই যদি আত্মোপলব্ধি আৰু আত্মসমালোচনাৰে আগবাঢ়ি যাব পাৰে তেনেহ'লে বৃহত্তৰ অসমীয়া জাতি গঠনৰ পূৰ্বৰ প্ৰক্ৰিয়াৰ শুভ আৰম্ভণি পুনৰ ঘটিব পাৰে । অন্যথা একালৰ কলকাতাৰ 'টি পাৰ্টি' সাহিত্য সভাৰ দৰে সংগঠন এটা বছৰেকীয়া অধিৱেশনৰ নামত 'ভোজমেল'ত পৰিণত হ'ব ।

সাহিত্য সভাৰ মঞ্চত থাকি ৪৮তম (১৯৮১, তিনিচুকীয়া) আৰু ৪৯তম (১৯৮২, ডিফু) অধিৱেশনৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীয়ে তেখেতৰ অভিভাষণত উল্লেখ কৰিছিল ঃ "অসমীয়া জাতি সকলো জনগোষ্ঠীৰ সানমিহলি জাতি । ইয়াত সকলো জনগোষ্ঠীৰে বিৰাট অৱদান আছে । এই কাৰণেই অসমীয়া জাতিৰ পৰা কোনো জনগোষ্ঠীকে বেলেগ বুলি ভাবিবৰ কাৰণ নাই ।" ৪৬তম (১৯৭৯, শুৱালকুছি) অধিৱেশনৰ সভাপতি অতুল চন্দ্ৰ বৰুৱায়ো তেখেতৰ অভিভাষণত বৃহত্তৰ অসমীয়া জাতিৰ কথা উল্লেখ কৰি কৈছিল ঃ "অসমীয়া, তুমি য'তে নাথাকা— সদিয়া সীমান্ততে হওক, বা ধুবুৰীৰ প্ৰান্ততে হওক, পৰ্বত-পাহাৰতে হওক বা ভৈয়ামতে হওক, তুমি নৈ-পৰীয়া চৰুৱাই হোৱা বা খিলঞ্জীয়া আদিবাসীয়ে হোৱা—তোমাৰ এটাই পৰিচয় ঃ তুমি অসমীয়া; শত বাধা-বিঘিনিৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জিলিকি থাকে ।" সাহিত্য সভাৰ সভাপতিসকলৰ এনে উপলব্ধিৰ প্ৰকাশ শেহতীয়াভাৱে ৬০তম, ৬১তম, ৬২ তম আৰু ৬৩ তম অধিৱেশনৰ সভাপতিৰ অভিভাষণতো পৰিলক্ষিত হৈছে । এয়া নিশ্চয় শুভ লক্ষণ ।

ভেম আৰু আবেগ হ'ল অসম আৰু অসমীয়া মানুহৰ উন্নতি আৰু প্ৰগতিৰ অন্যতম অন্তৰায় । প্ৰথম অসমীয়া অভিযন্তা বলি নাৰায়ণ বৰাই ১৮৮৭ খ্ৰীঃতেই সম্পাদনা কৰা 'মৌ' আলোচনীত 'অসমীয়া চৰিত্ৰ'ক সমালোচনা কৰি লিখিছিল ঃ "অসমীয়া মানুহৰ উন্নতি নোহোৱাৰ এটা ঘাই কাৰণ হ'ল এই যে তেওঁবিলাকৰ মাজত ভেম আৰু ময়মত সৰহকৈ থকা দেখিবলৈ পোৱা যায় । ভেমৰ নিমিত্তেই ৰজাই ৰাজ্য হেৰুৱালে, ডাঙৰীয়াবোৰে পদ হেৰুৱালে, ভাল মানুহে ধন-মান হেৰুৱালে । ভেমৰ গতিকেই আসাম আজি দৰীদ আৰু পৰৰ মুখলৈ চোৱা অৱস্থাত পৰিছে ।"

বলি নাৰায়ণ বৰা আছিল ইংৰাজ শাসকৰ একান্ত ভক্ত । তৎসত্বেও তেওঁ অসমীয়া চৰিত্ৰক আজিৰ পৰা প্ৰায় এশ দহ বছৰ আগতে যিধৰণে বিশ্লেষণ কৰিছিল তাৰ প্ৰাসংগিকতা আজিও আছে । আজিও অসমীয়া মানুহ সস্তীয়া আবেগৰ পৰা মুক্ত হ'ব পৰা নাই; সাহিত্য সভাও মুক্ত নহয় । সাহিত্য সভাৰ মঞ্চত সদিচ্ছা আৰু

আন্তৰিকতা থকা লোকৰ অভাৱ নাই; কিন্তু তেওঁলোকৰ সংখ্যা তেনেই তাকৰ। অসমীয়া জাতিৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীৰ প্ৰাণবন্ত আৰু কৰ্ম-উদ্যোগী লোকসকলক সাহিত্য সভাই যিদৰে পথ-নিৰ্দেশনা দিব লাগিছিল তেনেদৰে দিব পৰা নাই। বহু সময়ত সভাৰ ঐক্য-সাধন আৰু বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ আঁচনি প্ৰস্তাৱ আকাৰেই ৰৈ গৈছে, সেইবোৰৰ বাস্তৱ প্ৰয়োগ ঘটা নাই। সমন্বয় সাধনৰ লগতে সাহিত্য সভাই সমাজৰ নিপীড়িত আৰু শোষিত মানুহৰ জীৱন প্ৰণালীৰ পৰিবৰ্ত্তনৰ বাবে যিদৰে গুৰুত্ব দিব লাগিছিল তেনেদৰে দিয়া নাই। প্ৰকৃত সাহিত্যৰ লক্ষ্য কি সেই সম্পৰ্কেও সাহিত্য সভাৰ ধাৰণা স্পষ্ট নহয়। অথচ, অসমীয়া সাহিত্যৰ যুগ-প্ৰৱৰ্ত্তক, সপ্তম অধিবেশন (১৯২৪, গুৱাহাটী)ৰ সভাপতি লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ প্ৰকৃত লক্ষ্য সম্পৰ্কে কৈছিল ঃ "প্ৰকৃত সাহিত্যৰ লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধনহীনতা স্বচ্ছন্দে লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃত।" সাহিত্য সভাৰ ভূমিকাত সন্দিহান হৈ সশস্ত্ৰ সংগঠন 'সংযুক্ত মুক্তি বাহিনী, অসম' (আলফা)য়ো ৬০ তম অধিবেশন (১৯৯৫, মৰিগাঁও)ৰ সময়ত প্ৰকাশিত এক বিবৃতিত ক'ব লগা হৈছিল ঃ "শ্ৰেণী-বিভক্ত এখন সমাজত সাহিত্য সংস্কৃতি কেতিয়াও শ্ৰেণী নিৰপেক্ষ হ'ব নোৱাৰে। ...কেৱল এখন শ্ৰেণীহীন সমাজতহে মানৱতাৰ মূল্য থাকিব পাৰে। পুঁজিবাদী মানৱতা কেতিয়াও জনগণৰ মানৱতা হ'ব নোৱাৰে। সেয়ে আজিৰ সাহিত্য-সংস্কৃতিৰ ভিত্তি হ'ব লাগিব সৰ্বহাৰাৰ মানৱতা।"

আজিৰ সমাজত মানৱতাৰ মূল্য কমি যাবলৈ ধৰিছে। শোষিত মানুহৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। সমাজত মানৱতাৰ প্ৰমূল্য হ্ৰাস হ'লে আৰু জনসাধাৰণ শোষিত হৈ থাকিলে সেই সমাজত সমন্বয় আৰু প্ৰগতি বিনষ্ট হয়। বৃহত্তৰ অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত সমন্বয় আৰু মানুহৰ মুক্তিৰ প্ৰশ্ন জড়িত হৈ আছে। সাহিত্যৰ মাজেৰে সমাজৰ প্ৰতিটো শ্ৰেণীৰ দৰিদ্ৰ আৰু নিপীড়িত লোকৰ ঐক্য সাধন কৰিব লাগিব। এই দৰিদ্ৰ কৃষক আৰু শ্ৰমিকসকলৰ হাততেই থাকে সমন্বিত সংস্কৃতিৰ সুগন্ধিত ফুলপাহ। মানুহৰ কৃষি-জীৱন, শ্ৰম, ঘাম আৰু তেজৰ মূল্য দিব পৰা সাহিত্যইহে প্ৰকৃত অৰ্থত জাতীয় জীৱনক চহকী কৰে। অসম সাহিত্য সভাৰ সুদীৰ্ঘ আশী বছৰীয়া ইতিহাসত যিসকল সাহিত্যিকে বিভিন্ন ক্ষেত্ৰত অৰিহণা যোগাইছে তেওঁলোকৰ মাজত শ্ৰমৰ মূল্য দিব পৰা সাহিত্য কৰ্মকৈ সৃষ্টি হৈছে। সাহিত্য সভাই যথেষ্ট উদাৰতাৰে বিভিন্ন জনগোষ্ঠীৰ জীৱনক প্ৰতিফলিত কৰা সাহিত্য-কৰ্মক শ্ৰদ্ধা জনাব পাৰিলেহে বৃহত্তৰ অসমীয়া জাতি গঠনৰ সপোন বাস্তৱত পৰিণত হ'ব।

(অসম বাণী। ২০ মাৰ্চ, ১৯৯৮)

---



# বৃহত্তৰ অসমীয়া জাতি গঠনত মিচিং জনগোষ্ঠীৰ অৱদান

আহোমসকলৰ আগমনৰ পিছত তেওঁলোকৰ নাম অনুসৰিয়েই আমাৰ ৰাজ্যখনৰ (তেতিয়াৰ দেশ) নাম 'অসম' হয় যদিও এই নামটোৰ আন এক অৰ্থও আছে। ৰাজ্যখন পৰ্বত-পাহাৰ, নদ-নদীৰে ভৰি থকা হেতুকে ইয়াৰ ভূমিভাগ অসমান বা অ-সম। সেয়ে কালক্ৰমত অ-সম ঠাইখনৰ নাম 'অসম' হয় বুলি কোৱা হয়।

'অসম' নামটোৰ পৰাই 'অসমীয়া' নামৰ উৎপত্তি। এই 'অসমীয়া' নামটোক কেন্দ্ৰ কৰি যি জাতি গঠনৰ কথা কোৱা হয় তাৰ সূত্ৰপাত ইংৰাজৰ আগমনৰ পিছৰ পৰা ঘটিছিল যদিও মূল ভেটিটো স্থাপন কৰা হৈছিল প্ৰথমে আহোম ৰজা চাওলুং চুকাফা আৰু দ্বিতীয়তে শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনৰ পৰা। তাহানিৰ সেই জাতীয় নায়ক দুগৰাকীৰ দিনৰপৰা আজিৰ দিনলৈকে অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীকেই অসমীয়া বুলি কোৱা হয় যদিও জাতি গঠন প্ৰক্ৰিয়াত চামিল হৈ যিসকলে ভাষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত জাতীয় জীৱনলৈ অৱদান যোগায় তেওঁলোককেই বৃহত্তৰ অৰ্থত 'বৃহত্তৰ অসমীয়া জাতি'ৰ অন্তৰ্ভূক্ত বুলি ধৰা হয়। এই বিচাৰত মিচিং জনগোষ্ঠীটোও বৃহত্তৰ অসমীয়া জাতিৰ অন্তৰ্ভূক্ত।

মিচিংসকল হ'ল অসমৰ বিশিষ্ট জনজাতীয় জনগোষ্ঠী। লক্ষীমপুৰ, ধেমাজি, শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট, শোণিতপুৰ, তিনিচুকীয়া, গোলাঘাট আদি জিলাত বসবাস কৰা মিচিংসকলৰ প্ৰায় ৯৯.৭ ভাগেই বসবাস কৰে গাঁও অঞ্চলত। মূলতঃ নৈপৰীয়া কৃষি জীৱনৰ ওপৰত নিৰ্ভৰশীল মিচিং জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়ালৈ আগবঢ়োৱা অৱদানৰ বিচাৰ কৰিবলৈ যোৱাৰ আগতে আমি প্ৰখ্যাত পণ্ডিত, প্ৰত্নতত্ববিদ সুনীতি কুমাৰ চট্টোপাধ্যায়ে পূৰ্বভাৰতৰ ইতিহাস আৰু সভ্যতালৈ জনজাতিসকলৰ অৱদান সম্পৰ্কে কোৱা এষাৰ কথা উদ্ধৃত কৰাটো যুগুত হ'ব। চট্টোপাধ্যায়ে তেখেতৰ এখন গৱেষণা গ্ৰন্থৰ উপসংহাৰত লিখিছে—"Can we think of Indian history and civilization particularly in Eastern India without the contribution of the Licchavis and the Newars, the Koch, Kachari,

[illegible] peoples; the Ahoms; the Jayantias and the [illegible]." অৰ্থাৎ লিচ্ছৱি, নেৱাৰ, কোচ, কছাৰী, টিপৰা, বড়ো, আহোম, জয়ন্তীয়া আৰু মণিপুৰীসকলৰ বৰঙণি আৰু অৱদান বাদ দি আমি ভাৰতৰ বিশেষকৈ পূৰ্ব ভাৰতৰ ইতিহাস [illegible] ইতিহাস আৰু সভ্যতাৰ কথা ভাবিব পাৰোনে ? চট্টোপাধ্যায়ৰ এই উদ্ধৃতিত অসমৰ উল্লেখনীয় জনজাতীয় জনগোষ্ঠী মিচিংসকলৰ কথা উল্লেখ নাই যদিও উল্লিখিত জনগোষ্ঠীৰ দৰেই মিচিংসকলৰ অৱদান অস্বীকাৰ কৰি অসমৰ সমাজ-ইতিহাস, ভাষা আৰু সংস্কৃতিৰ অস্তিত্বৰ বিষয়ে চিন্তা কৰিব নোৱাৰি ।

জাতি এটাৰ অন্যতম উপাদান হ'ল ভৌগোলিক পৰিসীমা, ভাষা সংস্কৃতি, অৰ্থনীতি আদি । বৃহত্তৰ অসমীয়া জাতিৰ কথা কওঁতেও আমি এই কেইটা উপাদানক গুৰুত্ব সহকাৰে বিচাৰ কৰিব লাগিব । আমি যদিহে প্ৰথমেই অৰ্থনীতি আৰু ভৌগোলিক পৰিসীমাৰ কথা বিচাৰ কৰোঁ তেনেহ'লে দেখিম যে যুগ যুগ ধৰি মিচিংসকল অসম-অৰুণাচল সীমান্তৰ চিয়াং নৈৰ পাৰৰ পৰা শোণিতপুৰৰ ভৰলীলৈকে বিস্তৃত হৈ আছে আৰু অসমৰ নৈপৰীয়া কৃষি অৰ্থনীতিক চহকী কৰি আহিছে । মিচিং সংস্কৃতিও মূলতঃ নৈপৰীয়া কৃষি জীৱনক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে ।

মিচিংসকল পূৰ্বতে পাহাৰৰ দাতি-কাষৰীয়া অঞ্চল, অৰ্থাৎ অৰুণাচলৰ 'বৰ আবৰ' অঞ্চলত বসবাস কৰিছিল আৰু তাৰপৰা 'মানৰ দিনত' ভৈয়ামলৈ নামি আহি উজনি অসমৰ নৈপৰীয়া ঠাইবোৰত বসবাস কৰিবলৈ ধৰে বুলি দুই-এজন প্ৰত্নতাত্ত্বিকে তেওঁলোকৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰিছে । এই ক্ষেত্ৰত কিছু মতান্তৰ আছে । মিৰি বা মিচিং জনগোষ্ঠীৰ ইতিহাস সমৃদ্ধ প্ৰথমখন অসমীয়া গ্ৰন্থ 'মিৰি জাতিৰ বুৰঞ্জী'ৰ ৰচক সোণাৰাম পাঞ্জা কটকীৰ মতে মিচিংসকল মানৰ দিনত অসমৰ ভৈয়ামলৈ নামি অহা কথাটো সত্য নহয় । কাৰণ, মানৰ অসম আক্ৰমণৰ প্ৰায় তিনিশ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত কীৰ্ত্তন পুথিত মিচিং সকলৰ উল্লেখ থকা কথাটোলৈ চাই ক'ব পৰা যায় যে, ভৈয়ামৰ সত্ৰ-সংস্কৃতিৰ সৈতে মিচিংসকলৰ পূৰ্ব-সম্পৰ্ক আছিল আৰু সেই হেতুকে মিচিংসকলে শংকৰদেৱৰ দিনতেই ভৈয়ামত স্থায়ীভাৱে বসবাস কৰিছিল বুলি ক'ব পাৰি ।

ভৈয়ামৰ মিচিংসকলৰ জীৱন-জীৱিকাৰ প্ৰধান উপায় হ'ল কৃষি-কৰ্ম । সমাজৰ সাংস্কৃতিক অনুষ্ঠান আৰু পৰম্পৰাৰ উৎপত্তিও যিহেতু কৃষি-কৰ্মৰ সৈতে জড়িত, সেয়ে মিচিংসকলে কৃষিৰ সৈতে সম্পৰ্কযুক্ত হৈ তেওঁলোকৰ সাংস্কৃতিক জীৱন চহকী কৰি আহিছে । 'বৰ আবৰ' বা পাহাৰ অঞ্চলৰ পৰা ভৈয়ামলৈ নামি অহা মিচিংসকল কেৱল একক সংস্কৃতি পালনেৰে চহকী হোৱা নাই; তেওঁলোকে বৃহৎ





অসমীয়া সমাজৰ অনেক সাংস্কৃতিক সমল গ্ৰহণ কৰি বা একক মিচিং সংস্কৃতিৰ বিভিন্ন উপাদানবোৰ অসমীয়া সংস্কৃতিত জীণ নিয়াই বৃহত্তৰ অসমীয়া জাতিৰ সাংস্কৃতিক পথাৰখন চহকী কৰিছে ।

বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া মিচিংসকলৰ সাংস্কৃতিক অৱদানৰ কথা উল্লেখ কৰিলেই পোনপ্ৰথমে মনত পৰে বিহুৰ কথা । বিহু অসমৰ জাতীয় উৎসৱ যদিও স্বাধীনতাপূৰ্ব কালত গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন সমন্বিতে এচাম অসমীয়া মধ্যবিত্তই বিহুক অশ্লীল সংস্কৃতি, 'ইতৰ মানুহৰ উৎসৱ', 'অশ্লীল বনৰীয়া নাম আৰু কামোদ্দীপক বনৰীয়া নাচ' বুলি অভিহিত কৰিছিল । সেয়ে ইংৰাজ শাসিত অসমত অসমীয়া মধ্যবিত্ত পৰিয়ালৰ ডেকা-গাভৰুৱে বিহুৰ বতৰত একেলগে নাচ-গান কৰাৰ নিদৰ্শন পোৱা নাযায় । এই ক্ষেত্ৰত মিচিংসকল আছিল সম্পূৰ্ণ ব্যতিক্ৰম । মিচিংসকলে আহোমৰ দিনৰে পৰা ব'হাগ, কাতি আৰু মাঘ বিহুৰ উপৰিও আলি আঃয়ে লৃগাং আৰু পঃৰাগ নামৰ দুটা বিশেষ কৃষি-উৎসৱ পালন কৰি আহিছে । এই আটাইবোৰ উৎসৱতেই মিচিং ডেকা-গাভৰুৱে একেলগে নাচ-গান কৰে । অসমীয়া বিহুৰ প্ৰাচীন ৰূপস্বৰূপ ঢকুৱাখনাৰ 'ফাটবিহু'কো আহোম ৰজাসকলৰ দিনৰে পৰা মিচিং সকলে জীয়াই ৰাখিছে ।

মিচিংসকলৰ অন্যতম প্ৰধান উৎসৱ হ'ল 'প'ৰাগ' । প'ৰাগৰ আন এটা নাম 'নৰা ছিগা বিহু' । মিচিংসকলৰ নিজস্ব সংস্কৃতিৰ অন্তৰ্গত অনেক অনুষ্ঠান আৰু বসন্ত উৎসৱ থকাৰ পিছতো তেওঁলোকে অসমীয়া বিহুক নিজৰ জাতীয় উৎসৱ ৰূপে গ্ৰহণ কৰিছে । মিচিংসকলে হুঁচৰি গোৱা আৰু বিহু নচা ভঙ্গীমাৰ সৈতে অসমীয়া বিহুৰ বিশেষ পাৰ্থক্য নাই । বিহুনামৰ ভাষাৰ ক্ষেত্ৰতো বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয় । গৰুবিহুৰ দিনা গৰুক গা ধুৱাওতেও মিচিং ডেকাসকলে 'জয় হৰি বোল' ধ্বনিৰে চিঞৰি চিঞৰি গৰু খেদি যায় আৰু 'লাও খা বেঙেনা খা' বুলি গৰুক মালা পিন্ধায় । বিহু নাচ-নামত মিচিংসকলে ব্যৱহাৰ কৰা ঢোল-তাল, টকা-পেঁপা, গগণা আদিও অসমীয়া বিহুত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰতকৈ বিশেষ পৃথক নহয় । মিচিঙৰ শস্য ৰোৱা উৎসৱ আলি আঃয়ে লৃগাং আৰু ব'হাগ বিহুৰ উদ্দেশ্যও প্ৰায় একে । বহু সময়ত এই দুটা উৎসৱৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰে । বিশিষ্ট গৱেষক ড. প্ৰফুল্ল দত্ত গোস্বামীয়ে ব'হাগ বিহু আৰু আলি আঃয়ে লৃগাংৰ সংমিশ্ৰণ সন্দৰ্ভত লিখিছে—"In recent years the tendency has been to synchronize the Ali-ai-ligang festival with Bohag Bihu. Mising are also accepting the cattle-bathing ceremony and Husari singing of their Assamese neighbours. The Husari verses are in Assamese while the other

songs are in their own language." (Festivals of Assam—Dr. P.D. Goswami, P-54)

মিচিংসকলৰ সংস্কৃতিত আন জনগোষ্ঠীৰ প্ৰভাৱ পৰাৰ উৎস নিহিত হৈ আছে 'মিচিং' শব্দটোৰ অৰ্থৰ মাজত । 'মিচিং' শব্দটোৰ সহজ অৰ্থ 'ভাল মানুহ' যদিও শব্দটিৰ আন এক অৰ্থ হ'ল 'নিজৰ ফালে অনা'; অৰ্থাৎ মিচিংসকলে আনক আপোন কৰি ল'ব পাৰে, আন সংস্কৃতিৰ সৈতে নিজৰ সংস্কৃতিৰ সংমিশ্ৰণ ঘটাব পাৰে । অসমীয়া বিহুৱে ক'ব নোৱাৰাকৈয়ে মিচিংসকলৰ মাজত গুৰুত্ব লাভ কৰাৰ ইও এক কাৰণ । কেৱল অসমীয়া সংস্কৃতিয়েই নহয়, মিচিংসকলৰ শিল্প আৰু সংস্কৃতিত ৰাছিয়া, আৰব, নেপাল আদিৰ সংস্কৃতি আৰু বয়ন-শিল্পৰ প্ৰভাৱো লক্ষ্য কৰা যায় । মিচিং বয়নশিল্পত ৰাছিয়াৰ বয়নশিল্পৰ ফুলৰ চানেকীয়ে ঠাই পোৱাৰ দৰে, মিবু গালোকৰ দৰে ৰঙীণ পোছাকত আৰবৰ মক্কা-মদিনাৰ লেখীয়া অপৰূপ ভাস্কৰ্য বা ছাহজাহান -মমতাজৰ প্ৰেমৰ নিদৰ্শনস্বৰূপ তাজমহলৰ ছবি অংকণ কৰাও দেখা যায় । ২০০০ চনৰ ফেব্ৰুৱাৰী মাহত ঢকুৱাখনাত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা আলি আঃয়ে লৃগাং উৎসৱত অংশগ্ৰহণ কৰোঁতে এই লেখকে কেইজনমান মিচিং শিল্পীক সোধা প্ৰশ্নৰ উত্তৰত কৈছিল যে, তেওঁলোকে আনৰ সংস্কৃতিৰ সৌন্দৰ্যখিনিক নিজৰ সংস্কৃতিৰ সৌন্দৰ্যৰূপে গ্ৰহণ কৰে । সেয়ে ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি অনেক আৰবীয় চিত্ৰ-ভাস্কৰ্যয়ো মিচিং বয়ন-শিল্পত ঠাই লৈছে ।

বৃহত্তৰ অসমীয়া জাতিৰ সাংস্কৃতিক ক্ষেত্ৰখনত মিচিংসকলৰ বিচৰণ শঙ্কৰদেৱৰ দিনৰে পৰা আৰম্ভ হয় বুলি ভৱাৰ থল আছে । শঙ্কৰদেৱ ৰচিত ধৰ্মপুথিত মিচিং (মিৰি) জনগোষ্ঠীৰ উল্লেখ কৰি কোৱা হৈছে ঃ

"কিৰাট কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল ।
অসম মুলুক ধোবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল ।।"

মাধৱদেৱৰ ৰচনাতো মিচিংৰ উল্লেখ পোৱা যায় ঃ

"ৰাম বুলি তৰে
মিৰি অসম কছাৰী ।"

বৈষ্ণৱ গুৰুসকলৰ ৰচনাত মিচিংসকলৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশৰেই উল্লেখ পোৱা যায় । দুই-এজন মিচিং লোকে শঙ্কৰদেৱৰ ওচৰত শৰণ লৈ বৈষ্ণৱ নাম-কীৰ্ত্তনৰ সমভাগী হোৱাৰ কথাও চৰিতপুথি সমূহত উল্লেখ আছে । তেনে এজন লোক হ'ল পৰমানন্দ আতৈ । পৰমানন্দ আছিল শঙ্কৰদেৱৰ অতি প্ৰিয়





শিষ্য । চৰিতপুথিত পৰমানন্দ আতৈৰ কথা উল্লেখ থাকিলেও মিচিং মৌখিক পৰম্পৰাত পৰমানন্দই শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ কথা উল্লেখ নাই । ভোলা আতৈ নামৰ আন এজন মিচিং লোকে হেনো শঙ্কৰদেৱৰ দিনতে শৰণ লৈছিল । যৱনৰ (মুছলমানৰ) জয়হৰিৰ দৰে মিচিং সম্প্ৰদায়ৰ জয়হৰি নামৰ এজন লোকেও শঙ্কৰী ধৰ্মত শৰণ লোৱা বুলি কোৱা হয় । অসমৰ অনেক সত্ৰৰ সৈতেও মিচিং জনগোষ্ঠীৰ এৰাব নোৱৰা সম্পৰ্ক আছে । এনেকি লক্ষীমপুৰ জিলাৰ ঢকুৱাখনাৰ ওচৰৰ বাসুদেৱ থানৰ সত্ৰখনো হেনো মিচিং জনগোষ্ঠীৰ এজন লোকে স্থাপন কৰিছিল । "The Mishings of the Brahmaputra Valley" গ্ৰন্থৰ ৰচক ডাঃ নোমল চন্দ্ৰ পেগুৱে পঞ্চাশৰ দশকত শিৱসাগৰৰ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ মানুহ এঘৰৰ পৰা সংগ্ৰহ কৰা এক তামৰ ফলিৰ পাঠোদ্ধাৰ কৰি জানিব পাৰিছিল যে শঙ্কৰদেৱ নিজেই হেনো 'মিৰি'ৰ গৰ্ভজাত সন্তান আছিল । ভৃগুমণি কাগয়ুং সম্পাদিত 'মিচিং সংস্কৃতিৰ আলেখ্য' শীৰ্ষক সংকলনখনৰ এঠাইতো উল্লেখ কৰা হৈছে—ওপৰত উল্লিখিত তামৰ ফলিৰ পাঠোদ্ধাৰে এই প্ৰমাণ দাঙি ধৰে যে, শঙ্কৰদেৱৰ মাতৃ মিচিং গাভৰু আছিল আৰু সেইসূত্ৰে শঙ্কৰদেৱো মিচিং গৰ্ভজাত । কথাটোৰ সত্যাসত্য যিয়েই নহওক কিয়; এই কথা ঠিক যে শঙ্কৰদেৱৰ জন্মৰ পিছত অনেক মিচিং লোকে শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱত পৰি পূৰ্বৰ অনেক ৰীতি-নীতি সলনি কৰে । মিচিং সমাজৰ 'কেৱলীয়া ধৰ্ম'ৰ অন্তৰ্গত লোকসকল তেনে অৰীতিয়া লোক । এসময়ত কেৱলীয়া ধৰ্মপন্থীসকল মূৰ্ত্তিপূজক আছিল হেনো । সেই মূৰ্ত্তি বা দেৱীপূজক সকল শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱত পৰি দেউধাই বিধিত ধৰে আৰু পিছলৈ হিন্দু ধৰ্মও গ্ৰহণ কৰে । মিচিংসকলৰ ধৰ্মমত সম্পৰ্কে কেইগৰাকীমান মিচিং পণ্ডিতৰ মতামত এনে ধৰণৰ ঃ

(ক) "মিৰিসকলে ব্ৰহ্ম সংহতিৰ গুৰুত্ব বা মহাপুৰুষীয়া গুৰুত শৰণ ল'লেও কাল সংহতি ধৰ্মমতে চলে । কাল সংহতি মানে ৰাতি খোৱা ধৰ্ম ।" (সোণাৰাম পাঞ্জা কটকী । মিৰি জাতিৰ বুৰঞ্জী । পৃঃ ২৫)

(খ) "সপ্তদশ শতিকাৰ শেষ ছোৱাৰ পৰা বৈষ্ণৱ গোঁসাই সকলৰ প্ৰভাৱত মিৰি বা মিচিংসকল ক্ৰমান্বয়ে বৈষ্ণৱ ধৰ্মলৈ দীক্ষিত হ'বলৈ আৰম্ভ কৰে । তেওঁলোকৰ আদিম ধৰ্ম জড়োপাসনা পদ্ধতিৰ আছিল । বৈষ্ণৱ ধৰ্মলৈ দীক্ষিত হোৱাসকলক 'ভকতীয়া' আৰু আনসকলক 'অভকতীয়া' বুলি কোৱা হয় । তেওঁলোকৰ বেছিভাগেই চেঁচা, বুধবাৰী আদি সত্ৰসমূহৰ জৰিয়তে দীক্ষিত হোৱা । ন-মাটি সত্ৰৰ শিষ্যও আছে । " (নাহেন্দ্ৰ পাদুন । অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি । পৃষ্ঠা ৬৮-৬৯)

(গ) "Now-a-days, a considerable number of the Mishings have been converted into Bhagavati or Mahapurushia (based on the doctrines of Shri Sankardev) sects of Hinduism. The process of transformation from the trivial forms of worship to Hinduism is an interesting phenomenon among the Mishings. Hinduism has introduced new priests (Gosain, Bhakats, Hattulus, Satradhikar) new institutions (Namghar, Satra), new mythologies, a new value-system, pattern of stratification (caste) and the motion of purity and pollution through restrictions on food and drinks.

"In the place of primitive religion, now-a-days, the religion of the Mishings is popularly known as Kewlia, Kalsanghati or Nisamalia. These sects are the popular folk level practices of Hinduism. Through these sects also, the Mishings have aligned themselves with the non-tribal regional peasant culture. These folk level religious beliefs and practices have helped them in adjusting their tribal practices with the local Hindu beliefs and practices." (Dr. Jatin Mipun; The Mishings of Assam : Development of a New Life Stgle; page-56)

এনেদৰেই সত্ৰৰ বাকৰিত সোমাই মিচিংসকলে অসমৰ জাতীয় জীৱনক চহকী কৰিছিল বা আজিও কৰি আছে । সপ্তদশ-অষ্টাদশ শতিকাত জাতি গঠনৰ ক্ষেত্ৰত সত্ৰৰ ভূমিকা আছিল বহুগুণে ইতিবাচক । এনেকৈ সত্ৰৰ ভূমিকাত সন্তুষ্টি লাভ কৰি মিচিং ভকত বা শিষ্যসকলে স্ব-ইচ্ছাই গুৰুকৰ দি সত্ৰৰ অৰ্থনৈতিক দিশটো চহকীও কৰিছিল । তাৰ বাবে অনেক মিচিং ভকত বা শিষ্য পকা-ভকত বুলি জনাজাত হৈছিল । অনেকে জ্যেষ্ঠতা আৰু কৰ্মৰ ভিত্তিত সাতুলা, সদাসৰ বা মেধি উপাধিও লাভ কৰিছিল ।

সত্ৰই জাতি গঠনৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰিলেও আজিৰ সত্ৰৰ ভূমিকাক মিচিংসকলে আদৰি ল'ব পৰা নাই । যি সময়ত মিচিংসকলে সত্ৰত শৰণ লোৱা কাম আৰম্ভ কৰিছিল তেতিয়া তেওঁলোকৰ সামাজিক পৰম্পৰা আৰু ৰীতি-নীতিৰ ক্ষেত্ৰত বিশেষ চৰ্ত প্ৰয়োগ কৰা হোৱা নাছিল । এনেকি গাহৰি আৰু সাজ-পানী (আপং) খোৱাটোও সহজ চকুৰে চোৱা হৈছিল । কিন্তু পৰ্যায়ক্ৰমে, শৰণ লোৱাৰ অন্যতম চৰ্ত হিচাপে কোৱা হ'ল যে, শৰণ লোৱা মিচিংসকলে গাহৰি পোহা, সাজ-পানী খোৱা, পূৰ্বৰ আচাৰ-পৰম্পৰা আদি বন্ধ কৰি শঙ্কৰী সংস্কৃতিৰ বিশুদ্ধ সমলবোৰ গ্ৰহণ কৰিব লাগিব । সত্ৰৰ এই ভূমিকাক মিচিং সমাজৰ বিদ্যৎ সমাজে প্ৰতিবাদো কৰিছে । মিচিং বাঃনী কীবাঙৰ সভাপতি (১৯৫৫-৮৫) মালচন্দ্ৰ পেগুৱে সত্ৰৰ এই ভূমিকাৰ প্ৰতিবাদ কৰি এসময়ত লিখিছিল ঃ "মিচিং বাঃনী কীবাং জন্ম হোৱাৰ আগতে মিচিংসকলে সকলো ফালৰ পৰাই পিছ পৰি আছিল আৰু উন্নতিৰ





বাট নেদেখি আন্ধাৰত খেপিয়াই ফুৰিছিল । কাৰণ তেতিয়া তেওঁলোকৰ কোনো পথ প্ৰদৰ্শক নাছিল । মিচিংসকলে তেতিয়া গোঁসাই-মহন্তসকলৰ উপদেশ মতেহে কাম কৰিছিল । তেৰাসকলৰ উপদেশ মতেই মিচিং গাঁৱৰ বহুলোকে গাহৰি পুহিবলৈ, নিজৰ সাজ-পোছাক পিন্ধিবলৈ আৰু ছোৱালীয়ে নাচিবলৈ এৰি দিছিল, ...তাৰ ফলত মিচিংসকলে নিজৰ কৃষ্টি-সংস্কৃতি আৰু সমাজৰ স্বকীয় প্ৰথা আদি এৰি দিছিল ।"

সত্ৰসমূহে মিচিং ৰাইজক শোষণ কৰাৰ অভিযোগো উত্থাপন কৰা হৈছে । এসময়ত আহোম ৰজাই সত্ৰসমূহৰ ক্ষেত্ৰত কৰ ৰেহাইৰ ব্যৱস্থা কৰাৰ পিছতো আউনীআটীয় সত্ৰৰ মাটিত খেতি কৰি জীৱন নিৰ্বাহ কৰা মিচিং ৰাইজৰ খাজনা সত্ৰ কৰ্ত্তৃপক্ষই ৰেহাই নিদিয়াত 'সদৌ দক্ষিণ অঞ্চল মিৰি ৰায়ত সন্মিলনে' ১৮৬১ শকৰ (১৯৪৬ খ্ৰীঃ) ২২ চ'তত সত্ৰাধিকাৰ (মহাপ্ৰভূ !)ৰ ওচৰত আবেদন জনাবলগীয়া হৈছিল । এনেকি শৰণ লোৱা মিচিং ভকতসকলে সময়ে সময়ে গুৰুগৃহলৈ (গোঁসাইঘৰ) কপালৰ ঘাম মাটিত পেলাই আগতীয়াকৈ সাঁচি ৰখা ধনবোৰ পঠাবলগা হৈছিল আৰু গোঁসাইসকলে সেইবোৰ ধন বহি বহি খৰছ কৰি মিচিংসকলক শোষণ কৰিছিল বুলিও অভিযোগ পোৱা গৈছিল । মিচিংসকলে শঙ্কৰদেৱৰ দিনতে শৰণ লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলেও উনৈশ শতিকাৰ প্ৰথম ভাগৰ পৰাহে ব্যাপক ৰূপত বৈষ্ণৱ ধৰ্মত শৰণ লয় বুলি সোণাৰাম পাএগ্ৰা কটকীয়ে তেখেতৰ গ্ৰন্থ 'মিৰি জাতিৰ বুৰঞ্জী'ৰ 'গোঁসাইত শৰণ গ্ৰহণ' অধ্যায়ত উল্লেখ কৰিছে । এই সুদীৰ্ঘ সময়চোৱাত মিচিং জনগোষ্ঠী যে সত্ৰৰ শোষণ আৰু অৱজ্ঞাৰ বলি হৈছিল তাৰ প্ৰমাণ পোৱা যায় তলৰ বক্তব্যবোৰত ঃ

(ক) "গুৰুসকলে কেৱল নিজৰ মান-মৰ্যদা বৃদ্ধি কৰি, শিষ্য সংখ্যা বৃদ্ধি কৰি অধিক সংখ্যক কৰ-বৰঙণি লৈ নিজে ধনী হোৱাৰ উপায়হে বিচাৰিলে, সমাজ বা দেশৰ সৰ্বাঙ্গীন কল্যাণৰ ফালে লেশমানো চিন্তা নকৰিলে ।" (গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী)

(খ) 'শঙ্কৰী কলা-সংস্কৃতিৰ প্ৰভাৱ পৰাৰ লগে লগে এই গণতান্ত্ৰিক সমাজ-পদ্ধতিতো কিছু পৰিবৰ্তনে দেখা দিলে । সমাজৰ কোনো লোকেই উচ্চ বা নীচ নহয় । গাম বা গাঁওবুঢ়া বিচাৰ সভাৰ প্ৰধান ব্যক্তি । কিন্তু পুৰোহিত বা মিবু এই কামৰ যোগ্য ব্যক্তি নহয়; গাঁওবুঢ়াও পুৰোহিত হ'ব নোৱাৰে; পুৰোহিতো গাম হ'ব নোৱাৰে । কিন্তু সাধাৰণ সামাজিক জীৱনত আন কোনো মানুহতকৈ এই দুয়ো শ্ৰেণীৰ ভাৰপ্ৰাপ্ত ব্যক্তিয়ে কোনো ধৰণৰ উচ্চ আসন বা সন্মান দাবী কৰিব নোৱাৰে, কেৱল প্ৰয়োজনীয় কালচোৱাত বাদে । বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পিছত ভকত; সাতোলা-মেধি ইত্যাদি বাব পোৱা ব্যক্তিসকলে ধৰ্মীয় কৰ্মত বিশেষ উচ্চ আসন পোৱাৰ লগে

লগে সাধাৰণ সামাজিক জীৱনতো তাৰ স্থান থাকি গ'ল ।আনকি ভকত-সাতোলাসকলে অভকতীয়া লোকৰ বন্ধন-প্ৰকৰণ গ্ৰহণ নকৰা হ'ল । এই প্ৰসঙ্গত অৱশ্যে শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱত এটা ক্ষতিহে হ'ল ।সমাজৰ আভ্যন্তৰীণ দিশত শংকৰী সংস্কৃতিৰ এই প্ৰভাৱ এটি মন কৰিবলগীয়া বিষয় ।" (নাহেন্দ্ৰ পাদুন । অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, পৃঃ ৭০-৭১)

বৃহত্তৰ অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত মিচিংসকলৰ সংমিশ্ৰণৰ বুৰঞ্জী অতি চহকী । বিশেষকৈ আহোম আৰু চুতীয়া জনগোষ্ঠীৰ সৈতে মিচিংসকলৰ সংমিশ্ৰণে অসমৰ সমাজ জীৱনৰ সংহতিৰ ধাৰাটো সমৃদ্ধ কৰিছে । শিল্পী গণেশ পেগুৰ মতে “মিচিং জাতিটো অসমৰ বিশেষকৈ আহোম কছাৰী আৰু চুতীয়া জাতিৰ বাহিৰেও আন আন জাতিৰ লগতো সম্পৰ্ক আছে । আহোমৰ সংমিশ্ৰণত হোৱা মিচিং, কছাৰীৰ সংমিশ্ৰণত হোৱা মিচিং, চুতীয়াৰ সংমিশ্ৰণত হোৱা মিচিং আছেই —তাৰ উপৰিও আন আন জাতিৰ সংমিশ্ৰণত হোৱা মিচিঙো আছে । এই সকলোবোৰৰ ভাষা-সংস্কৃতিৰ সংমিশ্ৰণত মিচিং ভাষা-সংস্কৃতিৰ এক অপূৰ্ব সৃষ্টি বুলিব পাৰি । (মিচিং সংস্কৃতিৰ ৰেঙণি । পৃঃ ১৭) । এনেকি বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱায়ো ১৯৩৫ চনতে ‘বাঁহী’ৰ পাতত লিখা ‘সমাজতত্বত ভূমুকি—মিৰি জাতিৰ বুৰঞ্জী’ শীৰ্ষক লেখাত বিশ্লেষণ কৰি দেখুৱাইছে যে, বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে মিচিংসকলে চুতীয়া, আহোম আদি জনগোষ্ঠীৰ সংস্পৰ্শলৈ আহি তেওঁলোকৰ সৈতে বৈবাহিক আৰু সামাজিক সম্পৰ্ক গঢ়ি তুলিছে । মিচিং সমাজত প্ৰচলিত মৌখিক পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি বৰুৱাদেৱে ক'বলৈ চেষ্টা কৰিছে যে আহোম শাসন ব্যৱস্থাত হোৱা যুদ্ধ, অৰিয়াঅৰি আৰু নিগ্ৰহৰ ফলত ভৈয়ামৰ পৰা পলাই গৈ চুতীয়া সকলে পাহাৰ অঞ্চলৰ মিচিং সকলৰ সৈতে বসবাস কৰে আৰু পিছৰ সময়ত আন্তঃসম্প্ৰদায় বিবাহৰ ফলত তেওঁলোকৰ মাজত সামাজিক-সাংস্কৃতিক সংমিশ্ৰণ ঘটে । পিছলৈ এই সংমিশ্ৰিত চুতীয়াসকলক মিচিং সকলে ‘পাগৰ’ বা জাত-যোৱা আৰু অসমৰ আন থলুৱা জনগোষ্ঠীয়ে ‘চুতীয়া মিৰি’ বুলি সম্বোধন কৰে । এই সন্দৰ্ভত কেইজনমান গৱেষকৰ মন্তব্য এনে ধৰণৰ ঃ

(ক) সোণাৰাম পাএগ্ৰা কটকীয়ে “মিৰি জাতিৰ বুৰঞ্জী”ত লিখিছে যে আহোম ৰজাই চুটিয়া ৰাজ্য আক্ৰমণ কৰাত, কিছুমান চুটিয়া পলাই গৈ মিৰিবিলাকৰ লগত মিল হৈ পৰ্বতত বাস কৰি বৈবাহিক সূত্ৰত আৱদ্ধ হয় । এইদৰে সানমিহলি হোৱা খেলকে চুটিয়া মিৰি বা ‘পাগৰ’ অৰ্থাৎ জাত যোৱা বোলে । কিন্তু চুটিয়াসকলে এই কথা অস্বীকাৰ কৰি কয় যে চুটিয়াৰ ৰণত হাৰি, চুটিয়াৰ ঘৰত থকা মিৰিবিলাককহে চুটিয়া মিৰি বোলে । আহোম বুৰঞ্জীমতে আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰি কৰ





দিবলৈ লোৱাত তেওঁলোকক চুটিয়া ৰাজ্যত স্থাপন কৰা হয় । চুটিয়া ৰাজ্যৰ উত্তৰ সীমাত মিৰি আছিল । সেই কাৰণে দুয়ো জাতিৰ ভিতৰত বৈবাহিক সম্বন্ধ আৰু অন্যান্য সম্বন্ধ হোৱা আচৰিত নহয় । এনে সানমিহলি জাতিয়েই বোধহয় চুটিয়া মিৰি । এনেদৰে সানমিহলি হোৱা আহোম আৰু চুটিয়াক আহোম চুটিয়া বোলে ।" (সৰ্বানন্দ ৰাজকুমাৰ । ইতিহাসে সোঁৱৰা ছশটা বছৰ । পৃঃ ৩৮২)

(খ) "The term Pagro is a Mishing word which mean "one who has lost purity." It is not a complimentary term. The reason for the use of this uncomplimentary term for the entire community has allegedly a historical basis. When the Ahoms entered Assam in 1228 A.D.; the area which comprises the greater part of the present districts of Sibsagar, Jorhat, Dibrugarh and Lakhimpur were rulled by a Chutia King. The Ahoms conquered the Chutia kingdom in 1503 A.D. During the war, it is said, many Chutia took shelter in the Mishing villages and were finally assimilated in the Mishing tribe. The close relationship between the Chutia and the Mishing was noticed by many other Mishing clans who were still living in their hill abode. These Mishing clans started calling those Mishing clans an Pagro which had established close contacts with the Chutia people. Though initially the term denoted a derogatory status for the community, gradually the term lost its derogatory connotation and the people also began to identify themselves as Pagro-Mishing. Infact, later on they seldom referred to themselves as Barogam Mishing. The Pagro-Mishing, however do not agree with the theory of inter-marriage between them and the Chutiya, but suggest that since they were living within the Chutiya kingdom for a long time, they were given this name. There is, however, no historical evidence to prove or disprove any one of these theories. But the name Pagro is definitely an accepatble term today. A significant point that emerges from this controversy is that the Pagro-Mishing had been settled in the vicinity of the people of the plains of Assam, namely the Chutia, since long in the past which must have influenced their society to a great extent, and hence the term 'Pagro' implying "not pure" in their norms." (J.S. Bhandari; Kinship Affinity And Domestic Group : A Study Among the Mishing of the Brahmaputra Valley, P : 37-38)

ডঃ নোমল চন্দ্ৰ পেগুৱেও "The Mishings of the Brahmaputra Valley" শীৰ্ষক গৱেষণা গ্ৰন্থত চুতীয়াৰ সৈতে মিচিংসকলৰ সামাজিক, ৰাজনৈতিক আৰু আন্তঃ বৈবাহিক সম্পৰ্কৰ উল্লেখ কৰি কৈছে যে, আহোম সৈন্যৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ ওচৰ-পাজৰৰ মিচিং গাঁৱত আশ্ৰয় গ্ৰহণ কৰি আন্তঃবিবাহৰ মাজেৰে

মিলি যোৱা লোকসকলেই 'মিৰি চুতীয়া' বা 'চুতীয়া মিৰি' আৰু এওঁলোক পাগৰ' (Pag-ro) ৰূপে জনাজাত। বিশিষ্ট গৱেষক সমালোচক ইন্দিবৰ দেউৰীয়ে সৰ্বেশ্বৰ বৰুৱা আৰু সোণাৰাম পাএ্ৰা কটকীৰ দৃষ্টিভঙ্গীক বিশ্লেষণ কৰি কৈছে যে, চুতীয়াসকলৰ দৰে আহোমসকলৰ সৈতেও মিচিংসকলৰ আন্ত-বিবাহৰ সম্পৰ্কই গঢ় লৈ উঠিছিল। দেউৰীৰ মতে "মান আক্ৰমণৰ দিনতো কিছু আহোম পৰিয়ালো এইদৰে মিচিং গাঁৱত থাকিবলৈ লয় আৰু পিছত নিগাজিকৈ থাকি তেওঁলোকৰো মিচিঙৰ লগত সংমিশ্ৰণ হয়। তেনে মিশ্ৰিত পৰিয়ালৰ মিচিং লোকে আহোম উপাধি কোঁৱৰ, সন্দিকৈ, গগৈ আদি আজিও লিখে। মিচিং সম্প্ৰদায়ৰ বিশিষ্ট গৱেষক নাহেন্দ্ৰ পাদুন আৰু ডঃ নোমল চন্দ্ৰ পেগুৱেও তেওঁলোকৰ উল্লিখিত গৱেষণা গ্ৰন্থত মিচিং-আহোমৰ ওচৰ সম্পৰ্কৰ কথা উল্লেখ কৰিছে। শিল্পী গণেশ পেগুৱেও "ৰহণীয়া মিচিং সমাজ আৰু ভাষা-সংস্কৃতিৰ গতিবিধি" শীৰ্ষক গ্ৰন্থত আহোম ৰজাৰ পৰিয়াল আৰু মিচিংৰ মাজৰ বৈবাহিক সম্পৰ্ক সন্দৰ্ভত লিখিছে—"প্ৰথম আহোম ৰজা চুকাফা। তেওঁৰ বৰপুত্ৰ চুতেউফা। তেওঁৰ বৰপুত্ৰ চুবিনফাই মিচিং জীয়ৰী হিঙুলীক বৰকুঁৱৰী কৰাৰ লগতে ককাক চাওপাংবঙুক বৰগোঁহাই পাতি গোটেই পৰিয়ালটোকে বৰগোঁহাই ফৈদত উঠাই লয়। তাৰ পিছতো চুহংমুং স্বৰ্গদেৱে চুলিকফা ৰজাক যুদ্ধত ঘটুৱাৰ আপাহত তাও চুলুংৰিন নামৰ মিৰি যুৱক এজনক আহোম মতে থাও মুংমুং নাম দি ৰজাঘৰীয়া ফৈদত তোলে। ভেকোলা গোঁহাই অপুত্ৰক হোৱাত মিৰি ল'ৰা এটি পো বধাকৈ তুলি লৈ তাৰ বুদ্ধি-কৌশল দেখি সন্দিকৈ উপাধি প্ৰদান কৰি আহোম কুলত তুলি লয়। লাচিতৰ পালি-সেনাপতি পানীফুকনৰ উপৰিও বহুত মিচিং বীৰ সৈন্য আছিল। সেই সময়ত বহুত মিচিঙে বৰুৱা, ফুকন, শইকীয়া, চমুৱা, কাড়ি, চাংমাই আদি বাব পাইছিল। সেইবিলাকৰ কিছু আহোমৰ লগত মিলি থাকিল আৰু মিলিব নোৱাৰাখিনি মিচিং সমাজলৈ অহাৰ বাবেই তেনে উপাধিধাৰী লোকো মিচিং সমাজত আছে।"

মিচিং, চুতীয়া আৰু আহোমৰ সামাজিক-সাংস্কৃতিক সংমিশ্ৰণত বৈবাহিক আৰু সামাজিক সম্পৰ্কৰ উপৰিও ভাষায়ো যথেষ্ট অৰিহণা যোগাইছে। মিৰি বা মিচিংসকলক মূলতঃ পৰ্বতীয়া আৰু ভৈয়ামৰ—এই দুই ভাগত ভগোৱা হয়। সৰ্বানন্দ ৰাজকুমাৰে উল্লেখ কৰিছে—"আবৰৰ উপদ্ৰৱত মিৰিবিলাকৰ কিছুমানে পৰ্বত এৰি ভৈয়ামৰ নৈৰ দাঁতিত বসতি কৰিবলৈ লয়। নৈৰ দাঁতিত বসতি কৰাৰ কাৰণেই এওঁলোকৰ শতকৰা এশজনেই নাও বাব পাৰে। বোধকৰো কোনো জাতিৰ তিৰোতাই মিৰি তিৰোতাৰ দৰে শতকৰা এশজনী তিৰোতাই নাও বাব নোৱাৰে। ভৈয়ামলৈ অহা মিৰিৰ ভিতৰত সম্ভৱ চামপুৰীয়া মিৰিয়েই পোনপ্ৰথমে আহে, কাৰণ তেওঁলোকে মিৰিৰ দোৱান সম্পূৰ্ণৰূপে পাহৰিলে আৰু অসমীয়া ভাষাক





মাতৃভাষাৰূপে বহুত দিনৰ আগেয়ে গ্ৰহণ কৰে।" (ইতিহাসে সোঁৱৰা ছশটা বছৰ, পৃঃ ৩৮২) সোণাৰাম পাএ্ৰা কটকীয়েও "মিৰি জাতিৰ বুৰঞ্জী"ত লিখিছে যে, চামগুৰীয়া মিৰিয়ে হেনো শত্ৰুক বধ কৰিবলৈ গৈ ভুলবশতঃ নিজৰ গাঁৱৰ মানুহক কাটে আৰু পিছত অনুতপ্ত হৈ শিৱসাগৰৰ চামগুৰিত বসবাস কৰে। তেতিয়াৰ দিনত চামগুৰীয়া মিৰিসকলে প্ৰকাণ্ড সাপ এডাল বধ কৰাত আহোম ৰজাই তেওঁলোকলৈ অসমীয়া ছোৱালী বিয়া দিয়ে। চামগুৰীয়া মিৰিসকলৰ তিৰোতাসকল অসমীয়া হোৱা বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীয়েও কালক্ৰমত নিজৰ দোৱান পাহৰি যায়। একেদৰে তেমাৰ, বংকোৱাল, বিহিয়া আৰু বেবেজীয়া খেলৰ মিচিংসকলেও কালক্ৰমত মিচিং ভাষা পাহৰি অসমীয়া ভাষী হৈ পৰে।" বিভিন্ন জনগোষ্ঠীৰ প্ৰভাৱত পৰি পৰ্বতৰ পৰা ভৈয়ামলৈ নামি অহা মিচিংসকলে কিদৰে অসমীয়া ভাষাক আকোৱালি ল'ব লগা হৈছিল সেই সন্দৰ্ভত ডঃ যতীন মিপুনে কিছু স্পষ্টকৈ লিখিছেঃ "The Mishings used a dialect which was akin to Adi group of dialects. Naturally, the range of their communication, even after their migration to the plains, was oriented and confined to the tribes having kinship relationship with them. When they moved to the plains, probably for long time, they had their compact tribal territory. Gradually, they came in contact with other communities—such as Deories, Chutias, Ahoms. There were three different dimensions of their oral communication :

(a) among themselves and with the tribes of the hills, they used their own dialects;

(b) to barter and to interact with their neighbouring communities, they had to pick up Assamese language; and

(c) in the process of interaction, they came within the field of Hinduism and Assamese became more prevalent among them."

(The Mishings of Assam; page : 79-80)

একাংশ মিচিঙে অসমীয়া ভাষা গ্ৰহণ কৰাৰ ফলত মিচিং দোৱানতো অসমীয়া শব্দ সোমাই পৰিছে। উচ্চাৰণত কিছু ভিন্নতা সত্বেও দেখা যায় যে কেৰেলা (কেৰেলাং), চাহ (চাং), নাঙল (নাঙল), হালধি (আলদি), বৰালি (বৰালি), যুঁৱলী (যুঙলী), কেৰাহী (কেৰাই) আদি শব্দবোৰ মিচিং ভাষাত প্ৰায় একে। অসমীয়া বিহুনাম আৰু বনঘোষাৰ বা বনগীতৰ দৰে মিচিং অই নিঃতমৰ ভাৱ-ভাষাৰ মাজতো সাদৃশ্য লক্ষ্য কৰা যায়। মিচিং অই নিঃতমত অসমীয়া শব্দৰ প্ৰৱেশ ঘটাৰ দৰে অসমীয়া বনগীততো মিচিং শব্দৰ প্ৰৱেশ ঘটা দেখা যায়।

ভাষাৰ উপৰিও অসমীয়া সাহিত্য-চৰ্চাৰ ক্ষেত্ৰতো মিচিংসকলৰ যথেষ্ট অৱদান আছে। মিচিং জনগোষ্ঠীৰ ল'ৰা-ছোৱালীবোৰে অসমীয়া মাধ্যমত লিখা-পঢ়া কৰে

বাবে স্বতঃস্ফূৰ্তভাৱে অসমীয়া সাহিত্য তেওঁলোকৰো সাহিত্য হৈ পৰিছে; যিদৰে হৈছে চৰ-চাপৰিৰ অভিবাসী মুছলমানসকলৰ ক্ষেত্ৰত। মিচিং সম্প্ৰদায়ৰ সাহিত্যিক তৰুণ চন্দ্ৰ পামেগামে কেবাখনো মৌলিক অসমীয়া গ্ৰন্থ ৰচনা কৰাৰ উপৰিও অনেক মিচিং শব্দৰ সংযোজনেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। পামেগামৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল -'সমাজৰ শেষ সীমা' (উপন্যাস, ১৯৪৬), 'পাহাৰপুৰী' (উপন্যাস), 'অগ্নিযুগৰ ফিৰিঙতি' (উপন্যাসধৰ্মী কাহিনী), 'পপীয়া তৰা' (নাটক), 'সেঁতু' (নাটক), 'একাঙ্কিকা মালা' (নাটক), 'গল্প লেছেৰি' (গল্প), 'কবিতা লেছেৰি' (কবিতা), 'মিচিং সমাজৰ আলেখ-লেখ', 'মিচিং সাধু' আদি। শ্ৰীপামেগামে অসম সাহিত্য সভাৰ উপ-সভাপতিৰ আসনো অলংকৃত কৰিছিল। মিচিং সমাজৰ আন আন অসমীয়া সাহিত্যিক হ'ল —ভৃগুমুণি কাগ্যুং, চকভাল কাগ্যুং, সোণাৰাম পাএগ্ৰ কটকী, শিল্পী গণেশ পেগু, নাহেন্দ্ৰ পাদুন, ডঃ গণেশ পেগু, ডাঃ নোমল চন্দ্ৰ পেগু, ড. দুৰ্গেশ্বৰ দলে, ইন্দ্ৰেশ্বৰ পেগু (মাজুলী), ইন্দ্ৰেশ্বৰ পেগু (খেৰকটামুখ), টাবু টাইড, ডঃ যতীন মিপুন, মুহি মিৰি, বিভীষণ পেগু, বসন্ত দলে, ৰত্নেশ্বৰ পেৰমে, টংকেশ্বৰ লইং, পুষ্প লইং, বঙ্কিৰাম মৰাং, চেঙাৰাম মৰাং, অৱন্তী চেতিয়া পামেগাম, ভবেন পেগু, কৰ্ক চন্দ্ৰ কাৰ্দং, বাসন্তী মৰাং, জীৱন নৰহ, গংগামোহন মিলি, যোগেন টাইড, খগেশ্বৰ পেগু, নবীন কামান, ডেনী গাম, অনিল পাংগিং আদি। এইসকলৰ ভিতৰত নাহেন্দ্ৰ পাদুনে 'মোৰ লগৰীয়া' (কবিতা), 'অচিন অনুৰাগ' (কবিতা ১৯৯১), ভৃগুমুণি কাগ্যুঙে 'মন বননিৰ জুই' (কবিতা, ১৯৯১), 'কবিতাকলি' (কবিতা), 'কবিতা কুসুম' (কবিতা), 'অনাহুত' (কবিতা), ডঃ যতীন মিপুনে 'মিক্‌চিজিলি' (উপন্যাস ১৯৯৩), 'কাংকানৰ পৃথিৱীত' (গল্প), ড° গণেশ পেগুৱে 'পঃপুৰ' (উপন্যাস ১৯৮৯), ভবেন পেগুৱে 'ঐয়াও (উপন্যাস, ১৯৮৭), 'জীয়াঢলক ভেটিব কোনে' (উপন্যাস), ইন্দ্ৰেশ্বৰ পেগুৱে 'মিবু' (উপন্যাস, ১৯৯২), 'খেৰকটা পাৰৰ গান' (কবিতা ১৯৯৫), জীৱন নৰহে 'তুমি পকা ধানৰ দৰে গোন্ধাইছা' (কবিতা), 'টাৰি-ৰি' (কবিতা), গংগামোহন মিলিয়ে 'দিচাংমুখৰ এবাটি আপং' (কবিতা, ১৯৯৯), 'নদী মানুহৰ ঠিকনা' (কবিতা ২০০০), খগেশ্বৰ পেগুৱে 'হৃদয়ৰ অনুৰাগ' (কবিতা, ১৯৯৯), 'কুমাৰী অৰণ্যৰ সন্ধানত' (কবিতা, ২০০১), 'মুলুং' (গল্প, ২০০২), 'অসমৰ জাতি গঠনত মিচিং জনগোষ্ঠী আৰু নদীপৰীয়া মিচিং সমাজ' (২০০২), যোগেন টাইডে 'সৰিয়হ ৰখীয়া এজনী গাভৰু' (কবিতা, ২০০০), ডেনী গামে 'মাজুলী ২০০২' (কবিতা) আদি মৌলিক গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি যোগাইছে। গৱেষণামূলক অসমীয়া গ্ৰন্থৰ ভিতৰত ভৃগুমুণি কাগ্যুঙৰ দ্বাৰা সম্পাদিত 'মিচিং সংস্কৃতিৰ আলেখ্য', 'সোণাৰাম পাএগ্ৰ কটকীৰ 'মিৰি জাতিৰ বুৰঞ্জী' (১৯৩১),





নাহেন্দ্ৰ পাদুনৰ 'মিচিং অই নিংতম', 'মিচিং অসমীয়া পাঠ', ড° গনেশ পেগুৰ 'মিচিং জন-সাহিত্য' (১৯৯৬), শিল্পী গণেশ পেগুৰ 'মিচিং সংস্কৃতিৰ ৰেঙণি' (১৯৯৫), 'ৰহণীয়া মিচিং সমাজ আৰু ভাষা-সংস্কৃতিৰ গতিবিধি' (১৯৯৬) আদি অন্যতম।

সামাজিক সংমিশ্ৰণ, বৈবাহিক সম্পৰ্ক, ভাষা-সাহিত্য-সংস্কৃতিৰ সাধনা আদিৰ মাজেৰে এনেদৰেই অসমৰ অন্যতম পিছপৰা মিচিং জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়ালৈ নিৰলস অৱদান আগবঢ়াই গৈছে। কিন্তু অৱদান আৰু ত্যাগ অনুপাতে মিচিং জনগোষ্ঠী সমন্বিতে আন আন জনগোষ্ঠীৰ মূল্যায়ণ তেনেই নিশকটীয়া আৰু পক্ষপাতমূলক হোৱাৰ বাবে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াতো তাৰ নেতিবাচক প্ৰভাৱ পৰিছে। একাংশ জ্যাত্যাভিমানী আৰু বৰ্ণ-বৈষম্যৰ পোষকতাকাৰী অসমীয়াৰ হীনমন্যতা আৰু অদুৰদৰ্শিতাৰ বাবে আজিও মিচিংসকল সামাজিক ৰাজনৈতিকভাৱে বঞ্চিত আৰু অৱহেলিত। মিচিং সকলে গাহৰি আৰু আপং খোৱা বাবে আজিও অনেক বিলাতী মদ সেৱনকাৰী অসমীয়াৰ মনত মিচিংসকল অস্পৃশ্য। এই অস্পৃশ্যতা আৰু অৱহেলাৰ বাবেই মিচিংসকলে 'অসমীয়া' পৰিচয় ত্যাগ কৰি স্বকীয় মিচিং জাতিৰূপে আত্মপ্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। যুগ যুগ ধৰি অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে তেজ-মাংসৰ সম্পৰ্ক গঢ়ি তোলা এই জনগোষ্ঠীটোৰ নিজস্ব ভাষা-সংস্কৃতিলৈ অসমীয়া মধ্যবিত্তই পিঠি দিয়াৰ বাবেই আজি মিচিংসকলে স্বকীয়তা ৰক্ষাৰ দাবীত মুখৰ হৈ পৰিছে। মিচিংসকলৰ এই আত্ম-চেতনা আৰু মুখৰতাক সন্মান জনাই তেওঁলোকৰ সৈতে সামাজিক সম্পৰ্কৰ পুনৰ্বিন্যাস কৰিব পাৰিলে জনগোষ্ঠীটোৱে বৃহত্তৰ অসমীয়া জাতিৰ অঙ্গ বুলি অদূৰ ভৱিষ্যতলৈয়ো পৰিচয় বহন কৰাত কৃপণালি নকৰিব। তেনে এটা পৰিবেশ সৃষ্টিৰ বাবে 'মূল সুঁতি'ৰ অসমীয়াসকল যথেষ্ট উদাৰ হ'ব লাগিব।

উৎস সূচী ঃ

(১) মিচিং সংস্কৃতিৰ আলেখ্য—ভৃগুমুণি কাগ্যুং (সম্পাদনা) (২) মিচিং সংস্কৃতিৰ ৰেঙণি—শিল্পী গণেশ পেগু (৩) মিচিং জন-সাহিত্য—ড° গণেশ পেগু (৪) মিৰি জাতিৰ বুৰঞ্জী—সোণাৰাম পাএগ্ৰ কটকী (৫) অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি—নাহেন্দ্ৰ পাদুন (৬) ৰহণীয়া মিচিং সমাজ আৰু ভাষা-সংস্কৃতিৰ গতিবিধি—শিল্পী গণেশ পেগু (৭) The Mishings of the Brahmaputra Valley-Dr. Nomal Ch. Pegu (৮) The

Mishings (Miris) of Assam : Development of a New Lifestyle—Dr. Jatin Mipun (৯) The Misings : Their History and CultureDr. Jawahar Jyoti Kuli (edited) (১০) Festivals of Assam—Dr. Prafulia Dutta Goswami (১১) Kinship Affinity and Domestic Group : A Study Among the Mishings of the Brahmaputra Valley—J.S. Bhandari ১২। ইতিহাসে সোঁৱৰা ছশটা বছৰ—সৰ্বানন্দ ৰাজকুমাৰ (১৩) অসম সাহিত্য সভাৰ ভাষণাৱলী (বুৰঞ্জী), তৃতীয় ভাগ— অতুল চন্দ্ৰ হাজৰিকা আৰু যতীন্দ্ৰ নাথ গোস্বামী সম্পাদিত (১৪) চিফুং গুংগাং—ড° বীৰেন্দ্ৰ নাথ দত্ত (সম্পাদনা) (১৫) অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)— হোমেন বৰগোহাঞি (সম্পাদনা) (১৬) এশ বছৰৰ অসমীয়া উপন্যাস—ড° নগেন ঠাকুৰ (সম্পাদনা) (১৭) অসমৰ সংস্কৃতি—লীলা গগৈ (১৮) বিস্মৃত পথিকৃৎ ঃ সোণৰাম পাএগ কটকী—ইন্দিবৰ দেউৰী (নতুন পদাতিক, এপ্ৰিল ২০০০) (১৯) দেউৰী জনগোষ্ঠী ঃ আত্মীকৰণ, সংঘাত—ইন্দিবৰ দেউৰী (ডেউকা, জুলাই-আগষ্ট, ১৯৯৫) (২০) অসমীয়া জাতি গঠন প্ৰক্ৰিয়ালৈ অহা ভাঙনৰ ভাবুকিৰ পটভূমিত সত্ৰ-জনজাতীয় সম্পৰ্কত এটি আলোকপাত—দেৱব্ৰত শৰ্মা (নতুন পদাতিক, জুলাই ১৯৯৯) (২১) Ahom-Tribal Relations : A Political Study—Ms. Lakshmi Devi.

---





Lalit Chandra ... Dharapur ... ACC No... Date..... Paschim Guwahati

# অসমীয়া ভাষা আৰু অসমৰ অধিবাসী

অসমীয়া ভাষাৰ বিকাশ এক দ্বন্দ্বাত্মক প্ৰক্ৰিয়াৰ মাজেৰে হৈছে আৰু এই প্ৰক্ৰিয়া অসমৰ জাতি গঠন প্ৰক্ৰিয়াৰ সৈতে অব্যাহত আছে। অসম একক জাতি, ধৰ্ম বা ভাষা-গোষ্ঠীৰ ৰাজ্য নহয়। সেয়ে অসমীয়া ভাষা আৰু আন আন ভাষা-উপভাষাৰ মাজত দ্বন্দ্ব স্বাভাৱিক। এই দ্বন্দ্বৰ ফলতেই অৰুণাচল আৰু মেঘালয় অসমৰ পৰা পৃথক হৈ গৈছে। অসমত অসমীয়া ভাষাক জনাধিক্য ভাষা হিচাপে বৰ্তাই ৰখাত অৰিহণা যোগোৱা অসমৰ বড়ো সম্প্ৰদায়ে অসমীয়া ভাষাৰ অস্তিত্ব অস্বীকাৰ কৰি 'বড়োলেণ্ড'ৰ দাবী কৰিলে। অসমত অসমীয়া ভাষাৰ দুৰৱস্থাৰ বাবে উগ্ৰ-ভাষাবাদী অসমীয়াসকলেই যে দায়ী তাৰ অনেক প্ৰমাণ অসমীয়া সাহিত্যৰ ইতিহাসত পোৱা যায়।

মিচিং সমাজৰ ওপৰত ৰজনীকান্ত বৰদলৈ ৰচিত 'মিৰি জীয়ৰী' উপন্যাসত মিচিং সমাজৰ অনুশাসনমূলক ব্যৱস্থাক অতিৰঞ্জিতভাৱে দেখুওৱাত মিচিংসকল ক্ষুব্ধ হৈছিল। মহীচন্দ্ৰ মিৰি নামৰ এজন লেখকে ১৯২৬ চন মানতেই (ভাদ, ৪৭৭ শঙ্কৰাব্দ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ সম্পাদনাত 'চেতনা' নামৰ আলোচনীত লেখিছিল—'অসমীয়া ভাষীৰ বড়ো-মিচিং আদি ভাষাবোৰৰ প্ৰতি অকণো মৰম-চেনেহ নাই। ...এনে অৱস্থাত তেওঁলোকে অসমীয়া ভাষীৰ পৰা এৰাই যাব খোজাটো একো আচৰিত নহয় যেন লাগে। ...আমি ভাবিছো দুখীয়া হওক নিচলা হওক আমি নিজৰ আইকহে আই বুলিম আৰু সেৱা কৰিম। অইন এজনী তিৰোতা (অসমীয়া ভাষা!) চহকী হ'ল বুলিয়েই তেওঁক আমি 'আই' বুলিবলৈ নেযাম।'

গোপীনাথ বৰদলৈ মন্ত্ৰীসভাৰ দ্বাৰা গৃহীত ১৯৫০ চনৰ 'অসমীয়া ভাষা আইনে' অসমৰ জাতীয় জীৱনত বিক্ষোভৰ সৃষ্টি কৰে। সেই সময়ৰ পাৰ্বত্য অঞ্চলসমূহত অসমীয়া ভাষাৰ বিস্তাৰ হোৱা নাছিল আৰু পাৰ্বত্য জনগোষ্ঠীসমূহেও অসমীয়া ভাষা শিকাৰ ক্ষেত্ৰত আগ্ৰহী নাছিল।

১৯৬০ চনৰ ১৭ ডিচেম্বৰত গৃহীত হোৱা আৰু ১৯৬১, ১৯৬৭ আৰু ১৯৮৫ চনত সংশোধন কৰা 'অসম ৰাজ্যিক ভাষা আইন' বিধেয়কখন অসমৰ নৃগোষ্ঠীসকলৰ মাতৃভাষাৰ বিকাশ আৰু উন্নতিৰ ক্ষেত্ৰত হেঙাৰ স্বৰূপ হৈ পৰিছিল। ১৯৬০ চনৰ

অসমীয়া ভাষা প্ৰয়োগ আন্দোলন আৰু ভাষা ভিত্তিক ৰাজ্য পুনৰ গঠনৰ প্ৰশ্নক কেন্দ্ৰ কৰি সমগ্ৰ দেশজুৰি সৃষ্টি কৰা হিংসাত্মক সংঘৰ্ষ সন্দৰ্ভত বিষ্ণুপ্ৰসাদ ৰাভাই মন্তব্য কৰিছিল—'অসমৰ ৰাজ্যিক ভাষা অসমীয়া হোৱাৰ্লে ৰাজ্যজুৰি এটা হুলস্থূল লাগি গ'ল । সেয়া হৈছে গণতান্ত্ৰিক সংবিধানৰ কথা । সেই অনুসাৰে অসমত ৰাজ্যিক ভাষা অসমীয়া হ'বই । বিশাল ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতিক ভেটিবৰ সাধ্য কাৰো নাই । সংখ্যালঘু সম্প্ৰদায়বোৰৰ ভাষা, কৃষ্টি, সংস্কৃতি ৰক্ষণাবেক্ষণৰ ভাৰ সংখ্যাগৰিষ্ঠসকলে ল'ব লাগিব । তাৰ বাবে ভায়ে ভায়ে ইমান মৰামৰি কটা-কটি হোৱাৰ প্ৰয়োজন নাছিল । (উৎস ঃ 'বিষ্ণু ৰাভা ৰচনাৱলী, পৃষ্ঠা ৩৯, ১৯৮২ চনত প্ৰকাশিত)

সংখ্যালঘু সম্প্ৰদায়বোৰৰ ভাষা, কৃষ্টি আৰু সংস্কৃতি ৰক্ষণাবেক্ষণৰ ভাৰ সংখ্যাগৰিষ্ঠসকলে নোলোৱাৰ বাবেই হয়তো অসমত অসমীয়া ভাষাৰ সৈতে আন আন থলুৱা ভাষাবোৰৰ দ্বন্দ্ব সংঘটিত হৈছে । ১৯৭৪ চনত বড়োসকলে আৰম্ভ কৰিছিল 'লিপি আন্দোলন' । সেই সময়ত লিপি আন্দোলনৰ প্ৰতি অসম চৰকাৰ আৰু অসম সাহিত্য সভাৰ দৃষ্টিভঙ্গী আক্ৰোশমূলক আছিল । বিষ্ণু প্ৰসাদ ৰাভাই এনে এক বিষয় সন্দৰ্ভত (আৱাহন আলোচনীৰ দ্বিতীয় বছৰৰ একাদশ সংখ্যাত প্ৰকাশিত) লিখিছিল —'অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজ নেতাসকলে এতিয়াৰে পৰা চেষ্টা কৰা উচিত । তাকে নকৰিলে অৱনত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগণি জ্বলাই অসমত আৰু এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হ'ব ।'

'এতিয়াৰে' পৰা নকৰা প্ৰচেষ্টাৰ ফল কি হ'ল তাৰ প্ৰমাণ ইতিমধ্যে 'বড়োলেণ্ড' আন্দোলনৰ মাজেৰে পোৱা গৈছে । 'বিদ্ৰোহৰ অগণি'ৰ জৰিয়তে ইতিমধ্যে অসমত 'গৃহ কন্দল'ৰ সূচনা হৈছেই । বিষ্ণু প্ৰসাদ ৰাভাই তাহানিতে দিয়া এই সকীয়নি অসমৰ ভাষা-সংস্কৃতিৰ বিকাশ আৰু ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত আছিল সম্পূৰ্ণ বৈজ্ঞানিক আৰু বাস্তৱধৰ্মী ।

১৯৬০ চনৰ উপৰি উক্ত অসম ৰাজ্যিক ভাষা আইন প্ৰয়োগক কেন্দ্ৰ কৰি খাচীয়া-জয়ন্তীয়া আৰু গাৰো পাহাৰৰ সদস্যসকলে অসম বিধান সভাৰ সদস্যপদ ত্যাগ কৰে । সেই সময়ছোৱাত কেপ্টেইন উইলিয়ামচন চাংমা মন্ত্ৰীৰ আসনত আছিল আৰু ভাষা আইন প্ৰয়োগক কেন্দ্ৰ কৰি পদত্যাগ কৰিছিল । একে সময়তে সৰ্বত্ৰতে অসমীয়া ভাষা প্ৰয়োগৰ প্ৰতিবাদত বিমলা প্ৰসাদ চলিহা মন্ত্ৰীসভাৰ বিৰুদ্ধে জনবিক্ষোভ সংঘটিত হৈছিল । 'অসমীয়া ভাষা এটা গাধৰ ভাষা' বুলি সেই সময়ত শ্বিলঙত ধ্বনি





তোলা হৈছিল আৰু জনজাতীয় লোকসকলক উচটাইছিল । চলিহা মন্ত্ৰীসভাত ভাষা বিল গৃহীত হোৱাত কেপ্টেইন উইলিয়ামচন চাংমাই সদনৰ বিদায় বক্তব্যত আক্ষেপেৰে কৈছিল—"জনজাতীয় লোকসকলে অসমীয়া শিকিছে আৰু শিকাত কোনো আপত্তি নাই । মই মোৰ অসমীয়া ভাতৃসকলক ইমান অধৈৰ্য হোৱাৰ কোনো যুক্তি দেখা নাই । আৰু কিছুদিন এইদৰে অপেক্ষা কৰি থকা হ'লে কোনো অসুবিধা নাছিল । আমিও অসমীয়া শিকিলোহেঁতেন । কিন্তু আপোনালোকে আজি যি কৰিবলৈ ওলাইছে, অসমক খণ্ডিত কৰাৰ বীজ সিঁচিলে, ইয়াৰ ফল অহা পুৰুষসকলেহে ভুগিব । আমি আপোনালোকৰ পৰা বিদায় মাগিলো ।" (উৎস ঃ নৰেশ ৰাজখোৱাৰ প্ৰবন্ধ—'অসম বিধান সভা ঃ তেতিয়া আৰু এতিয়া', ৬ জুন ৯৩, নতুন দৈনিক) । উল্লেখযোগ্য যে ইয়াৰ কিছুদিন পিছতেই জন্ম হৈছিল All Party Hill Leader's Conference নামৰ সংগঠনৰ ।

১৯৮৫ চনতো অসম গণ পৰিষদ দলৰ দ্বাৰা শাসিত চৰকাৰে যি 'ছেবা চাৰ্কুলাৰ'ৰ জৰিয়তে অসমৰ স্কুল-কলেজসমূহত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰা আৰু চৰকাৰী কাৰ্যালয়বোৰতো অসমীয়া ভাষাৰ ব্যৱহাৰ কৰাৰ হুকুম জাৰি কৰিলে তাৰ সুদূৰপ্ৰসাৰী ক্ৰিয়া-প্ৰতিক্ৰিয়া কাছাৰ আৰু কৰিমগঞ্জ জিলাত দেখা গৈছিল । মুখ্যমন্ত্ৰীক ঘেৰাও কৰি কাছাৰ কৰিমগঞ্জ জিলাৰ ছাত্ৰসকলে যি বিক্ষোভ প্ৰদৰ্শন কৰিছিল, সেই ঘটনাক কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাতো দুই-এটা বিক্ষিপ্ত ঘটনা সংঘটিত হৈছিল । ১৯৮৬ চনৰ ১১ আগষ্টত গুৱাহাটীৰ 'অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান'ত তেনে এক ঘটনা সংঘটিত হোৱাৰ ফলত 'সদৌ অসম ছাত্ৰ সন্থা'ৰ এদল উন্মত্ত কৰ্মীৰ আক্ৰমণৰ সমুখীন হয় ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকল । এই ঘটনাত কুৰিজনৰো অধিক ছাত্ৰ-ছাত্ৰী শাৰীৰিক নিৰ্যাতনৰ বলি হৈ ঘুণীয়া হয়, পাঁচজন ছাত্ৰ ছাত্ৰাবাস আৰু প্ৰতিষ্ঠান এৰি গুচি যায় আৰু অত্যাচাৰিত ছাত্ৰ-ছাত্ৰীসকলে বহুদিনলৈ শ্ৰেণীত অনুপস্থিত থাকিবলগা পৰিস্থিতিৰ সম্মুখীন হয় । উল্লেখযোগ্য যে নিৰ্যাতিত ছাত্ৰসকলৰ শতকৰা এশভাগেই অসমীয়া ক'ব পাৰিছিল আৰু এওঁলোকৰ শিক্ষাৰ মাধ্যমও আছিল অসমীয়া ।

'ছেবা চাৰ্কুলাৰে' বড়ো আন্দোলনৰ জন্ম দিয়াতো প্ৰত্যক্ষ অৰিহণা যোগাইছিল । ১৯৯৩ চনৰ ২০ মে'ত বড়ো মিলিটেণ্ট ফোৰ্চৰ নায়ক প্ৰেমসিং ব্ৰহ্মাই এক সাক্ষাৎকাৰত এই সন্দৰ্ভত উল্লেখ কৰিছিল—'অ-গ-পৰ উগ্ৰজাতীয়তাবাদী মনোভাৱে আমাক একত্ৰিত কৰাত বহু সহায় কৰিছিল । 'ছেবা চাৰ্কুলাৰ' জাপি দিয়া কাৰ্যত আমি আপত্তি কৰিছিলো যদিও তেওঁলোকে তেতিয়া কাণসাৰ নিদিলে । প্ৰয়াত উপেন ব্ৰহ্মাই বহুবাৰ তেওঁলোকৰ লগত কথা-বতৰা হৈছিল যদিও প্ৰফুল্ল কুমাৰ

মহন্তইঁতে আমাক সেই সময়ত সামান্য গুৰুত্বও নিদিলে । ছেৱা চাৰ্বুলাৰ জাপি নিদিয়া হ'লে আৰু আমাক বিশ্বাসত লোৱা হ'লে আমি এই আন্দোলন কৰিব লগা নহ'লহেঁতেন আৰু সুকীয়া বড়োলেণ্ডৰ দাবীও উত্থাপিত নহ'লহেঁতেন ।আনকি আৰক্ষীৰ নিৰ্যাতনেও আমাক অধিক সোচ্চাৰ কৰি তুলিছিল ।' (উৎস ঃ আজিৰ বাতৰি, ১২ মে' ৯৩)

অসমত অসমীয়া ভাষী লোকৰ সংখ্যা সৰ্বাধিক । অসমীয়া ভাষাক ৰাজ্যভাষাৰূপে স্বীকৃতি দিয়াত সম্ভৱতঃ কোনো সম্প্ৰদায়ৰ লোকৰেই আপত্তি নাই যদিহে সেই বিশেষ সম্প্ৰদায়বোৰৰ নিজস্ব ভাষা-সংস্কৃতিকো মৰ্যদা সহকাৰে চোৱা হয় আৰু স্বীকৃতি দিয়া হয় । বৰাক উপত্যকা অথবা জনগোষ্ঠীয় লোকৰ প্ৰাধান্য থকা অঞ্চলসমূহত অসমীয়া ভাষাক বাধ্যতামূলক কৰিলে ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সংঘাত আহি পৰিবই ।

অসমীয়া ভাষাক অনা-অসমীয়াৰ ওপৰত জাপি দিয়াৰ ইতিহাস নতুন নহয় । ১৯৭২ চনৰ ৭, ৮ আৰু ৯ এপ্ৰিলত অসম সাহিত্য সভাৰ উনচত্বাবিংশ ধুবুৰী অধিবেশনত গৃহীত ১নং প্ৰস্তাৱত কোৱা হৈছিল —'অসমৰ শাসকীয় ভাষা স্বৰূপে অসমীয়া ভাষা প্ৰযোজ্য অঞ্চলত আৰু অসমৰ বিশ্ববিদ্যালয় সমূহৰ অন্তৰ্গত কলেজ সমূহত শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে । অসম চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহৰ কৰ্তৃপক্ষক অনতিপলমে উক্ত বিষয়ত ব্যৱস্থা ল'বলৈ টানি অনুৰোধ কৰা হ'ল ।' এই প্ৰস্তাৱৰ প্ৰস্তাৱক আছিল বঙাইগাঁও সাহিত্য সভাৰ অম্বিকাচৰণ চৰকাৰ আৰু সমৰ্থক খোৱাং সাহিত্য সভাৰ পুষ্পধৰ চাংমাই । অধিবেশন চলা সময়লৈকে (১৯৭১-৭২) সাহিত্য সভাৰ সভাপতি আছিল মহেশ্বৰ নেওগ আৰু অধিবেশনত নতুনকৈ সভাপতি নিৰ্বাচিত হৈছিল হেম বৰুৱা । প্ৰস্তাৱৰ প্ৰস্তাৱক আৰু সমৰ্থকৰ নাম দুটাৰ পৰা বুজা যায় যে, সাহিত্য সভাই সুচতুৰভাবে উপৰি উক্ত প্ৰস্তাৱ দাঙি ধৰিছিল যাতে ইয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কতো উক্ত নাম দুটাকে কৌশলগতভাবে ব্যৱহাৰ কৰিব পৰা যায় । তাৰ উপৰি 'অসমৰ বিশ্ববিদ্যালয়সমূহৰ অন্তৰ্গত কলেজ সমূহত মাধ্যম একমাত্ৰ অসমীয়া হ'ব লাগে'—এই বাক্য শাৰীয়ে বৰাক উপত্যকাৰ অনা-অসমীয়া ভাষী লোকক বাৰুকৈয়ে উত্তেজিত কৰিছিল; কাৰণ বৰাক উপত্যকাৰ শতকৰা পাঁচভাগ মানুহো অসমীয়া ভাষী নহয় । কলেজসমূহত দূৰৰেই কথা; বিদ্যালয়সমূহতো—য'ত শিক্ষাৰ মাধ্যম অসমীয়া নহয়, তেনেক্ষেত্ৰত সাহিত্য সভাৰ উপৰি উক্ত প্ৰস্তাৱ আছিল অসমৰ সংহতি আৰু প্ৰগতিৰ পৰিপন্থী । সাহিত্য সভাৰ এনে ধৰণৰ অদূৰদৰ্শী আৰু অবিবেচক কাৰ্য-কলাপে অনেক সময়ত অসমৰ সাহিত্য-সংস্কৃতিৰ জগতত প্ৰচণ্ড সংঘাতৰ সৃষ্টি কৰি আহিছে আৰু অসমীয়া ভাষা-বিদ্বেষী লোকৰ সংখ্যা বৃদ্ধিতো অৰিহণা যোগাইছে ।





১৯৬৮ চনৰ ২৬ জানুৱাৰীত ভাষা আন্দোলনৰ নামত উগ্ৰ-জাতীয়তাবদী সকলে গুৱাহাটীত অগ্নি সংযোগ আৰু লুটপাট কৰে । সেই সময়ত অসমৰ ৰাজ্যপাল আছিল বিষ্ণু সহায় । অসমীয়া ভাষাৰ প্ৰসাৰৰ ক্ষেত্ৰত বিষ্ণু সহায় আগ্ৰহী আৰু উদাৰ আছিল যদিও কিছুমান উগ্ৰ-জাতীয়তাবাদীৰ প্ৰৰোচনাত পৰি তেওঁ নেফাত অসমীয়া ভাষা প্ৰয়োগ কৰা সম্পৰ্কে পৰামৰ্শ আগবঢ়ায় । পৃথক অৰুণাচল ৰাজ্য গঠনৰ ইও এক প্ৰধান কাৰণ ।

১৯৬৮ চনৰ ২৬, ২৭ আৰু ২৮ জানুৱাৰীত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চত্ৰিংশতম অধিবেশনৰ বিশিষ্ট অতিথি আছিল ৰাজ্যপাল বিষ্ণু সহায় । ২৭ জানুৱাৰীৰ মুকলি অধিবেশনৰ অতিথিৰ ভাষণৰ পিছত পোন্ধৰ-বিশজনমান ডেকা ল'ৰাই হাতত ক'লা পতাকা লৈ অকস্মাতে ৰাজ্যপালৰ সম্মুখত উপস্থিত হয় আৰু 'অসম অসমীয়াৰ' বুলি ধ্বনি দিয়ে । সভাৰ আগমুহূৰ্তত উগ্ৰ চিন্তাধৰ্মী প্ৰচাৰ পুস্তিকা প্ৰকাশ আৰু দেৱাল লেখনো কৰা হয় । এই ঘটনাৰ পিছত সাহিত্য সভাৰ থলীত এক নাটকীয় পৰিবেশৰ সৃষ্টি হয় আৰু সাহিত্য সভা থলীত উপস্থিত থকা জাতিগোষ্ঠী আৰু ভাষা-ভাষী লোকক ভবাই তোলে । (উৎস ঃ অসম সাহিত্য সভা পত্ৰিকা । ১৯৬৮ চন । ষড়বিংশ সংখ্যা, পৃষ্ঠা-১২৫)

এখন দেশৰ ভাষা-সংস্কৃতিৰ বিকাশত সেই দেশৰ সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ লোকেহে সংঘাতৰ সৃষ্টি কৰে, সংখ্যালঘুসকলে নহয় ।বাংলাদেশত উৰ্দুভাষী মুছলমান সকল বাংলাভাষী মুছলমানসকলৰ দ্বাৰা সদায় বিতাড়িত হৈ আহিছে । ইও এক ভাষাগত উন্মাদনাৰেই উদাহৰণ । উৰ্দুভাষী-বাংলাভাষী মুছলমানসকল একেই ইছলামধৰ্মী লোক হোৱা স্বত্বেও এই ক্ষেত্ৰত ধৰ্ম গৌণ হৈ পৰিছে । মুখ্য স্থান পাইছে ভাষাই । ১৯৮৮ চনত বাংলাদেশক ধৰ্মৰ ভিত্তিত 'ইছলামিক ৰাষ্ট্ৰ' ঘোষণা কৰিও সেই দেশৰ বিভিন্ন ভাষা-ভাষী মুছলমানৰ মাজত ঐক্য-সংহতি স্থাপন কৰিব পৰা নাই ।অৱশ্যে ধৰ্মই এখন দেশৰ ভাষা-সংস্কৃতিৰ সমূহীয়া বিকাশ আৰু ঐক্যক সুদৃঢ় কৰিব নোৱাৰে । বৰঞ্চ এখন দেশৰ ভাষা-সংস্কৃতিৰ সমন্বয়েহে সেই দেশখনৰ সকলো ধৰ্মাৱলম্বী লোকক প্ৰগতিৰ পথত আগবঢ়াত সহায় কৰিব পাৰে । ফৰাচী জাতি আছিল নিজৰ ভাষা-সংস্কৃতিৰ নামত চিৰকাল বলিয়ান । অথচ ফৰাচী জাতিৰ গোড়ামী আৰু একক উন্মাদনাৰ বাবে আজি শ্ৰেষ্ঠত্ব বজাই ৰাখিব নোৱাৰিলে । তেনেদৰে জাৰ্মান ভাষা সমৃদ্ধ হৈয়ো পৃথিৱীত নিজস্ব শ্ৰেষ্ঠত্ব প্ৰদানত সফল হ'ব নোৱাৰিলে । অসমীয়া ভাষা বাংলা ভাষাতকৈ চহকী হৈও বীৰ্যহীন দম্ভৰ বাবে অসমীয়া সাহিত্য বাংলা সাহিত্যতকৈ এশ বছৰ পিছ পৰি থাকিবলগা হ'ল । বঙ্গৰ কৃত্তিবাস, কাশীৰাম দাসে পদ্য ও গদ্য ৰচনা কৰাৰ বহু আগতেই অসমৰ সাহিত্য

সংস্কৃতিৰ পুৰুধাসকলে পদ্য-গদ্য ৰচনা কৰে। বঙ্গৰ চৈতন্যৰ বহু বছৰ পূৰ্বেই শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ১৯১৯ চনৰ অক্টোবৰত তেজপুৰত অনুষ্ঠিত ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণত বঙ্গভাষী বিজ্ঞানাচাৰ্য প্ৰফুল্ল ৰায়ে উল্লেখ কৰিছিল—"অসমীয়া সাহিত্যই ষোল্ল শতিকাত যি উন্নত অৱস্থা পাইছিল বঙলা সাহিত্যই তেনে অৱস্থা ঈশ্বৰ চন্দ্ৰ আৰু বঙ্কিমচন্দ্ৰৰ দিনতহে পাইছিল। বাস্তৱিকতে যদি কোনো অসমীয়া পণ্ডিতে কয় যে বঙালী সকলেহে অসমীয়া ভাষাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে বা অসমীয়াৰ ওচৰত ঋণী—তেন্তে সেই কথাৰ বিৰুদ্ধে প্ৰমাণ দিয়া টান হ'ব। মই ভাবো যে চিৰদিনলৈ সেই প্ৰশ্নৰ মীমাংসা হৈছে বুলি ধৰিব পৰা যায়। মই এই কথাৰ কেৱল এজন প্ৰমুখ্য বঙালীস্বৰূপে নহয়, বৰং বঙ্গীয় সাহিত্য সন্মিলনৰ ভূতপূৰ্ব সভাপতি স্বৰূপেহে কৈছো।"

অসমীয়া ভাষা-সংস্কৃতিৰ শ্ৰেষ্ঠতা সত্বেও তাৰ প্ৰসাৰ ঘটিব নোৱাৰাৰ মূল কাৰণ হ'ল অসমীয়াৰ অদূৰদৰ্শিতা। আনহাতে বাংলা ভাষা-সংস্কৃতিৰ প্ৰসাৰৰ মূলতেই হ'ল বঙালীসকলৰ তৎপৰতা। এই ক্ষেত্ৰত বঙালীসকলৰ সচেতনতা, আত্মম্ভৰিতা আৰু একদৰ্শি মনোভাৱেও কাম কৰিছে। কিন্তু 'অসমীয়া' বুলি দাবী কৰা অসমবাসীৰ সচেতনতা আৰু একদৰ্শিতা কম, যদিও তেওঁলোকে আত্মম্ভৰিতাৰ চাকনৈয়াত মাজে সময়ে পৰে। বঙ্গৰ ভাষা-সাহিত্যৰ পটভূমিত অসমীয়া ভাষা-সাহিত্যৰ বিচাৰ কৰা যুক্তিসংগত নহয় যদিও অসমীয়াসকলৰ ক্ষেত্ৰত আত্ম-সংশোধন আৰু আত্ম-বিশ্লেষণৰ প্ৰয়োজন আছে—এই কথা মানি লোৱাত দ্বিধাবোধৰ প্ৰশ্ন নাহে। বিদেশী ইংৰাজ চাহাব গ্ৰেইটেও অসমীয়া ভাষাৰ স্বকীয়তা সম্পৰ্কত স্বীকাৰোক্তি দিছিল—'অসমীয়া এটা সুকীয়া ভাষা বুলি পৰিগণিত হ'বৰ যোগ্য। অসমীয়া ভাষাই স্বাধীনভাবে বঙলা ভাষাতকৈয়ো আগেয়েই বৰ্তমানৰ উন্নত অৱস্থাত ভৰি দিছেহি বুলি লোকে বিশ্বাস কৰে। ই এটা সুকীয়া জাতিৰ ভাষা আৰু সদায় অসমত বঙলা ভাষা চলাবলৈ কৰা চেষ্টাৰ বিৰুদ্ধে যুঁজ কৰি নিজৰ অস্তিত্ব ৰাখি আহিছে।' গ্ৰেইট চাহাবে অসমীয়া ভাষাক প্ৰশংসা কৰিলেও 'সদায় অসমত বঙলা ভাষা চলাবলৈ কৰা চেষ্টা' কথাষাৰিৰ জৰিয়তে অসমীয়া আৰু বাংলা ভাষাৰ দ্বন্দ্বকহে বেছিকৈ প্ৰশ্ৰয় দিছে। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ দমনৰ ক্ষেত্ৰত ইংৰাজসকলে যি ব্যৱস্থাৰ দ্বাৰা হিন্দু- মুছলমানক ভাগ ভাগ কৰাৰ চেষ্টা কৰিছিল, তেনেদৰে ইংৰাজ চাহাবসকলেই যে অসমত অসমীয়া আৰু বাংলা ভাষাৰ সংঘাত সৃষ্টিকাৰী নায়ক আছিল তাত সন্দেহ নাই। অসমত শোষণ আৰু শাসনৰ উপনিবেশ পাতি গ্ৰেইট চাহবহঁতে অসমীয়া ভাষাৰ গুণানুকীৰ্তন কৰাটো আছিল ঘৰিয়ালৰ চকুপানী টোকাৰ দৰে অৱস্থা।

অসমখন যে একক ভাষা-ভাষীৰ দেশ হৈ থকা নাই তাক পূৰ্বতেই উনুকিয়াই





অহা হৈছে। অতীজতো অসম বহু ভাষা-ভাষীৰ দেশ হিচাপে চিহ্নিত আছিল। ভাৰতবৰ্ষৰ সংবিধানৰ ভাষাবিধিৰ ধাৰা অনুযায়ী কোনো এখন ৰাজ্যৰ ৭০ শতাংশ লোকে একে ভাষা-ভাষী হ'লেহে সেই ৰাজ্যখন 'একক ভাষী ৰাজ্য' (Unilingual State) মৰ্যাদা পাব আৰু সেই বিশেষ ভাষাটোৱে ৰাজ্য ভাষাৰূপে স্বীকৃতি পাব। কিন্তু স্বাধীনতাৰ পিছৰ ১৯৫১, ১৯৬১ আৰু ১৯৭১ চনৰ লোকপিয়লৰ তথ্যত অসমৰ কোনো এটা ভাষাই ৭০ শতাংশ নহয়। তলৰ তালিকাৰ পৰা এই তথ্য ওলাই পৰে।

| ভাষাৰ নাম | মুঠ জনসংখ্যাৰ শতাংশ | | |
|---|---|---|---|
| | ১৯৫১ | ১৯৬১ | ১৯৭১ |
| অসমীয়া | ৬১.৬০ | ৬২.৩৬ | ৬০.৮৯ |
| বাংলা | ২০.৯৯ | ১৮.৫৪ | ১৯.৭১ |
| হিন্দী | ৪.০৫ | ৪.৭৪ | ৫.৪২ |
| বড়ো | ২.০৬ | ২.৫৮ | ৩.৬৫ |
| নেপালী | ১.২০ | ১.৬৭ | ২.৩৯ |
| কাৰ্বি (মিকিৰ) | ১.৩৩ | ১.৩৯ | ১.৩১ |
| মিচিং (মিৰি) | ০.৭২ | ১.২৬ | ১.২১ |
| অন্য ভাষা | ৮.০৫ | ৭.৫৯ | ৫.৪২ |
| | ১০০.০০ | ১০০.০০ | ১০০.০০ |

অসমৰ কোনো এটা জনগোষ্ঠীৰেই মাতৃভাষা ৭০ শতাংশ নোহোৱা বাবেই অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষাৰূপে স্বীকৃতি দিলেও বৰাক উপত্যকাত বাংলা ভাষাক কাৰ্যালয়-আদালতৰ সংযোগী ভাষা হিচাপে স্বীকৃতি দিয়া হয়।

অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় চাৰি শতাংশ লোক বড়োভাষী যদিও ১৯৮৫ চনত বড়ো ভাষাক কোকৰাঝাৰ, ওদালগুৰি, মহকুমা আৰু বিভিন্ন জিলাত সংখ্যাধিক্য বড়ো জনগোষ্ঠীলৈ চাই সহযোগী চৰকাৰী ভাষাৰূপে স্বীকৃতি দিয়া হয়। ১৯৯৩ চনত বড়োলেণ্ড চুক্তি সম্পাদিত হোৱাৰ পিছত বড়োলেণ্ডৰ অন্তৰ্ভুক্ত অঞ্চলসমূহত বড়ো ভাষা প্ৰয়োগৰ কাম দ্ৰুত গতিত বাঢ়িছে। ১৯৮১ চনত অসমত লোকপিয়ল হোৱা নাই যদিও ১৯৯১ চনৰ লোকপিয়লত বড়োসকলে 'বড়োভাষী' ৰূপে পৰিচয় দিয়াত অসমীয়া ভাষীৰ সংখ্যা স্বাভাৱিকতেই কমিব। যুগে যুগে 'অসমীয়া' বুলি

পৰিচয় দি অহা ৰাভা, লালুং, মিচিং, নেপালী আদি জনগোষ্ঠীবোৰেও ১৯৯১ চনৰ লোকপিয়লত তেওঁলোকৰ স্বকীয় ভাষাক মাতৃভাষাৰূপে চিহ্নিত কৰিছে। কিছু সংখ্যক আহোম লোকেও 'তাই' ভাষাক মাতৃভাষাৰূপে লোকপিয়লত দেখুৱাইছে। কিছুমান ৰাজনৈতিক শক্তিৰ প্ৰৰোচনাত পৰি একাংশ অভিবাসী মুছলমানেও তেওঁলোকৰ মাতৃভাষা বাংলা বুলি ১৯৯১ চনৰ লোকপিয়লত লিপিবদ্ধ কৰিছে। এনে স্থলত ১৯৯১ চনৰ লোকপিয়লত পূৰ্ববৰ্ত্তী ৬০ বা ৬১ শতাংশ অসমীয়া ভাষী কমি যোৱাৰ কাৰণ উপৰি উক্ত ঘটনাসমূহত লুকাই আছে।

১৯৯১ চনৰ লোকপিয়লত অসমীয়াভাষী লোকৰ সংখ্যা কমি যোৱাৰ লৈ চাই অসমত আকৌ এটা স্পৰ্শকাতৰ পৰিস্থিতি সৃষ্টি হোৱাৰ প্ৰচেষ্টা আৰম্ভ হৈ আছে। বিদেশী খেদাৰ গইনা লৈ ভাষা সমস্যাক জাতিগত-ধৰ্মগত ৰং সনা হৈ আছে। ইংৰাজে সৃষ্টি কৰি যোৱা ভাষা সমস্যাক কেন্দ্ৰ কৰি অসমত আকৌ এবাৰ ভাষা সংঘাতৰ সৃষ্টি হ'লে অদূৰ ভৱিষ্যতে আন আন ভাষাতকৈ অসমীয়া ভাষাৰেই ক্ষতি বেছিকৈ হ'ব। এই ক্ষেত্ৰত বিভিন্ন ভাষা-ভাষীৰ মাজত সহনশীলতা আৰু বুজাবুজিৰ মনোভাবেহে প্ৰকৃতাৰ্থত ভাষা সংঘাতৰ সলনি ভাষা সমন্বয় সৃষ্টি কৰিব পাৰিব।

(সূত্ৰধাৰ। ১-১৫ ফেব্ৰুৱাৰী, ১৯৯৪)



# বিশ্বশান্তিৰ প্ৰশ্ন ঃ কিছু আনুষঙ্গিক চিন্তা

বিজ্ঞান আৰু প্ৰযুক্তিৰ মাজেৰে আজিৰ বিশ্বই যি অৱস্থান পাইছে সেয়া মূলতঃ বিৱৰ্তনৰেই ইতিহাস। প্ৰাচীন যুগৰ পৰা আজিৰ আধুনিক যুগলৈকে মানুহৰ যি ক্ৰমবিকাশৰ ইতিহাস সেয়া মূলতঃ দ্বন্দ্ব আৰু ৰূপান্তৰৰ ইতিহাস। দ্বন্দ্ব অবিহনে যিকোনো বস্তুৰেই বিকাশ অসম্ভৱ। আনহাতে দ্বন্দ্ব যদিহে ইতিবাচক নহৈ নেতিবাচক হয় তেনেহ'লে সেই দ্বন্দ্বই বিকাশৰ সলনি বিনাশহে ঘটায়। সেয়ে দ্বন্দ্বৰ মাজেৰে বিকাশৰ চিন্তা কৰোঁতে শান্তিৰ চিন্তাকো সাঙুৰি লোৱা হয়। অৰ্থাৎ যিকোনো দ্বন্দ্বৰেই অন্তিম ফল হোৱা উচিত ইতিবাচক আৰু ই হ'ব লাগে সমাজ আৰু দেশৰ শান্তি।

শান্তিৰ আলোচনা কৰিবলৈ যাওঁতে মনিষী বাৰ্ট্ৰাণ্ড ব্ৰেখ্‌টৰ 'জেনেৰেল' কবিতাটোৰ প্ৰসঙ্গ আহি পৰে। ব্ৰেখটে 'জেনেৰেল' কবিতাত ক'বলৈ বিচাৰিছে যে আজি পৃথিৱীত শান্তি বিনষ্টকাৰী যুদ্ধৰ যি টেঙ্ক নিৰ্মাণ কৰা হৈছে সেই টেঙ্কেও মুহূৰ্ততে একোখন বিশাল অৰণ্য পিহি পেলাব পাৰে, শ শ মানুহক মৃত্যুমুখত পেলাব পাৰে। একেদৰে যুদ্ধৰ যুঁজাৰু বিমানেও ধুমুহাতকৈও তীব্ৰ বেগেৰে গতি লাভ কৰি বোমা বৰ্ষণেৰে মানুহৰ জীৱনলৈ মৃত্যুৰ কাৰুণ্য নমাই আনিব পাৰে। কিন্তু যুদ্ধৰ টেঙ্ক বা যুঁজাৰু বিমানৰ এটাই দোষ যে, এইবোৰ চলাবলৈও মানুহৰেই প্ৰয়োজন। অৰ্থাৎ মানুহেই নিৰ্মাণ কৰে যুদ্ধৰ টেঙ্ক আৰু যুঁজাৰু বিমান আৰু যুদ্ধ-বিগ্ৰহৰ পিছত মানুহেই বিচাৰে শান্তি।

শান্তি সম্পৰ্কে বিভিন্ন ব্যক্তিবৰ্গৰ জীৱন-কৰ্ম, বিভিন্ন ধৰ্মৰ বাণী, বিভিন্ন দৰ্শন আদিৰ মাজেৰে আমি কিছু কথা আলোচনা কৰা ভাল হ'ব। এই আলোচনাৰ ভিতৰত হিন্দুধৰ্ম, ইছলাম ধৰ্ম, খৃষ্টান ধৰ্ম, গান্ধীবাদ, মাৰ্ক্সবাদ আদিৰ শান্তি-দৰ্শনক সাঙুৰি লোৱা হ'ব।

**ধৰ্ম আৰু শান্তিৰ প্ৰশ্ন ঃ**

হিন্দু ধৰ্ম হ'ল এটা চিৰন্তন ধৰ্ম। ই এনে এটা ব্যৱস্থা য'ত আছে বিশ্ববীক্ষা, ভাবাদৰ্শ, সামাজিক আৰু ৰাজনৈতিক জীৱন, নৈতিক বিধি-বিধান আদি। হিন্দু ধৰ্মত চতুৰ্বৰ্ণৰ বিভাজন আছে যদিও ধৰ্মীয় বিধি-বিধান পালন কৰাৰ ক্ষেত্ৰত শিথিলতাও

আছে। সেয়ে বৰ্ণ বিভাজন আৰু সামাজিক শোষণৰ আৱৰ্তৰ মাজতো হিন্দু ধৰ্মই দিছে উদাৰতা আৰু সৰলতাৰ শিক্ষা। হিন্দু ধৰ্মত শান্তিৰ প্ৰশ্নও মূলতঃ এই উদাৰতাৰ মাজতেই নিহিত হৈ আছে। মহাভাৰত, গীতা, পুৰাণ আদিৰ বিভিন্ন কাহিনীৰ মাজতো আছে শান্তিৰ প্ৰশ্ন। মহাভাৰতৰ 'শান্তিপৰ্ব'ত (২৯৯/২০) কোৱা হৈছেঃ "ন মনুষ্যাং শ্ৰেষ্ঠতৰং হি কিঞ্চিত"; অৰ্থাৎ মানুহতকৈ শ্ৰেষ্ঠ একোৱেই নাই। এয়া শৰশয্যাৰ পৰা ভীষ্মই যুধিষ্ঠিৰক কোৱা কথা। ভীষ্মই যুধিষ্ঠিৰক উপদেশ দি আৰু কৈছে—"ধৰ্মং য বাধ্যতে ধৰ্মোঃ ন স ধৰ্মঃ কুধৰ্মতৎ"; অৰ্থাৎ যি ধৰ্মই আন ধৰ্মক বাধা প্ৰদান কৰে বা অত্যাচাৰ কৰে সেই ধৰ্ম ধৰ্মই নহয়, সেয়া অধৰ্ম। মহাভাৰতত "শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ" অৰ্থাৎ "মানুহ অমৃতৰ পুত্ৰ" বুলি কৈ মানুহৰ মহত্বৰ বন্দনাও কৰা হৈছে।

ধৰ্মৰ এনে মহানুভৱতাৰ মাজত শান্তি আৰু সম্প্ৰীতিৰ প্ৰশ্ন নিহিত হৈ আছে। হিন্দু ধৰ্মৰ দৰে তাত্বিক অৰ্থত ইছলামেও শান্তি আৰু অহিংসাৰ কথা কয়। 'ইছলাম' (মূল 'ছলম')ৰ অৰ্থ হ'ল—শান্তি (Peace), আত্ম-সমৰ্পন (Resignation or Submission to the Will of God), শান্তি স্থাপন (Making of Peace)। কোৰাণত স্বৰ্গ (Paradise) বা বেহেস্তক (যান্নাত) দাৰুছ ছালাম বা শান্তি নিকেতন বোলা হৈছে। কোৰাণৰ মতে, আল্লাৰ আন নাম হ'ল—'আছ্-ছালাম' বা 'শান্তিৰ কাৰণ' (The cause of peace)। অহিংসাবাদী ধৰ্ম (Religion of Non-violence) ইছলামে মুছলমান আৰু অমুছলমানৰ মাজত সহযোগিতা আৰু বন্ধুত্বৰ কথা কয়। 'সকলো মানৱ এক কওম বা জাতিভুক্ত' (কানান্নাছু উম্মাতাওঁ ওৱাহিদাতা)—কোৰাণৰ এই আয়াতত আছে শান্তি আৰু বিশ্বভাতৃত্বৰ আন্তৰ্জাতিক ভিত্তি (Internationalism of the Brotherhood of Man)। ইছলামধৰ্মীসকলে পৰস্পৰে পৰস্পৰক সম্ভাষণ জনাবলৈ 'ছালাম' দিয়াৰ অৰ্থও হ'ল শান্তি-কামনা। 'ছালাম'ৰ অৰ্থ হ'ল 'শান্তি সম্ভাষণ' (Greetings of peace)। 'ছলম'ৰ পৰা 'ছালাম' শব্দটো আহিছে। 'ছলম'ৰ অৰ্থ হ'ল শান্তি স্থাপন (Making of peace unto the Creater and the creation)। এনেকি ইছলামৰ যুদ্ধনীতিতো আছে শান্তি, ধৰ্মনিষ্ঠা আৰু আল্লাৰ বিধিনিয়ম প্ৰতিষ্ঠা কৰাৰ কথা। কোৰাণত কোৱা হৈছে যে যুদ্ধৰ শেষত শত্ৰু পক্ষই শান্তিৰ বাবে প্ৰস্তাৱ আগবঢ়োৱাৰ পিছতো যদি তেওঁলোকে শান্তি ভঙ্গ কৰি বিশ্বাসঘাতকতা কৰে তেনে ক্ষেত্ৰতো আল্লাৰ ওপৰত ভৰসা ৰাখি শান্তিৰ বাবে আগবাঢ়ি যোৱাৰ কথা কোৰাণৰ ৮নং ছুৰাৰ ৬২নং আয়তত উল্লেখ কৰা হৈছে। ইছলামৰ যুদ্ধ আৰু শান্তিনীতি বহুগুণে উদাৰ। অহিংসা আৰু ক্ষমাদান হ'ল ইছলামৰ অন্যতম শান্তিনীতি।





হিন্দু আৰু ইছলাম ধৰ্মৰ লেখীয়াকৈ খৃষ্টান ধৰ্মতো শান্তিৰ বিধি আছে। খৃষ্টানৰ ধৰ্মগ্ৰন্থ 'বাইবেল'ত কোৱা হৈছে—"শান্তি স্থাপনকাৰীসকলেই ধন্য আৰু তেওঁলোককেই ভগৱানৰ সেৱক বুলি কোৱা হয় (Blessed are the peace-makers; for they shall be called the children of God.)। খৃষ্টান ধৰ্মত সহনশীলতা আৰু শান্তিৰ বাণী ইছলাম ধৰ্মৰ দৰেই স্বীকৃত। খৃষ্টান ধৰ্মৰ প্ৰচাৰক খৃষ্টান মিছনেৰীসকলৰ ধৰ্ম প্ৰচাৰৰ মূল বুনিয়াদেই হ'ল শান্তি। তদুপৰি মানৱ সেৱাৰ বাবে খৃষ্টান মিছনেৰীসকলে দাঙি ধৰা মানৱ সেৱা আৰু শান্তিৰ দৃষ্টান্তই ধৰ্মটোক মহৎ চৰিত্ৰ প্ৰদান কৰিছে। বাইবেলৰ 'ছেন্ট মেথিউ' (৫ঃ৯)ত কোৱা হৈছে —"শান্তি প্ৰতিষ্ঠাকাৰীসকল ধন্য" (Blessed are the peacemakers)।

ওপৰৰ আলোচনাৰ পৰা বুজা যায় যে কোনো ধৰ্মতেই হিংসাৰ প্ৰশ্ৰয় নাই; আছে শান্তি, সহনশীলতা আৰু ভাতৃত্বৰ কথা। ধৰ্মৰ এনে ইতিবাচক দিশবোৰ বিবেচনা কৰি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল—"সকলো ধৰ্মৰ মূল কথা এটাই আৰু সেইটো হৈছে মানুহক মানুহ ৰূপে গঢ়ি তোলা।"

**ধৰ্মৰ ওভতনি সোঁত আৰু বিশ্বশান্তিঃ**

ধৰ্মই আজি যি চৰিত্ৰ লাভ কৰিছে তাত উপৰি উক্ত শান্তিৰ বাণী ব্যাহত হৈছে। ধৰ্মৰ ৰাজনীতিকৰণেই মূলতঃ ইয়াৰ কাৰণ। "ভগৱানকো যি মানুহে ছলনা কৰে তেঁৱেই হ'ল ৰাজনীতিজ্ঞ"—শেক্সপীয়েৰৰ এইষাৰ কথাৰ সৈতে আজিৰ ধৰ্মকেন্দ্ৰিক ৰাজনীতি আৰু ৰাজনীতিকৰ কৰ্ম আৰু মনস্তত্বৰ যেন বহুখিনি মিল আছে। উপৰি উক্ত তিনিওটা ধৰ্মকেই ৰাজনীতিয়ে এনে এটা পৰ্যায়লৈ লৈ গৈছে যে, ধৰ্মকেন্দ্ৰিক ৰাজনীতিয়ে সেই বিশেষ বিশেষ ধৰ্মৰ মূল তত্বকেই বিকৃত কৰিছে। ফলত শান্তিৰ সলনি অশান্তিয়ে গা কৰি উঠিছে ধৰ্মকেন্দ্ৰিক সমাজত। ইছলাম ধৰ্মৰ নামত তথাকথিত ইছলামিক বিশ্বৰ যি শ্লোগান একাংশ গোড়া ইছলামধৰ্মীৰ মাজত প্ৰচলিত তাৰ সুবিধা গ্ৰহণ কৰি ইতিপূৰ্বে মুছলমান সংখ্যাগৰিষ্ঠ কেবাখনো দেশক ইছলামিক ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে। আমাৰ চুবুৰীয়া দেশ পাকিস্তান আৰু বাংলাদেশৰ ৰাজনীতি ধৰ্মৰ নামত পৰিচালিত হোৱাত এই দুখন ৰাষ্ট্ৰত দিনকদিনে মানুহৰ শান্তি বিঘ্নিত হৈছে, ধৰ্মৰ নামত ইছলামধৰ্মী বিভিন্ন ফৈদৰ মাজত বিভাজনে গা কৰি উঠিছে আৰু হত্যা-সন্ত্ৰাসৰ মাত্ৰাও আগতকৈ যথেষ্ট বৃদ্ধি পাইছে। মধ্যপ্ৰাচ্য আৰু পাশ্চাত্যৰ দেশসমূহত খৃষ্টান ধৰ্মৰ উত্থানৰ মাজেৰে ধৰ্মীয় অসহনশীলতাই গা কৰি উঠাৰ লেখীয়াকৈ ভাৰততো হিন্দুধৰ্মৰ নামত ধৰ্মীয় ৰাজনীতিৰ উত্থানে কেৱল আনধৰ্মী

লোকৰ নাগৰিককৰেই নহয়, হিন্দুধৰ্মী নাগৰিকৰো চকুৰ টোপনি কাঢ়ি নিছে । ধৰ্মৰ ৰাজনীতিকৰণে মূলতঃ বিনষ্ট কৰিছে ধৰ্মীয় শান্তিৰ প্ৰক্ৰিয়া ।

ধৰ্ম সম্পৰ্কে মনিষী কাৰ্লমাৰ্ক্সে কৈছে—"ধৰ্ম হ'ল নিষ্পেষিতৰ হুমুনিয়াহ, হৃদয়হীন পৃথিৱীৰ হৃদয়, যেন উদ্যমহীন অৱস্থাৰ উদ্যম । ই হ'ল জনগণৰ আফিং" (Religion is the sigh of the oppressed creature,the heart of heartless world, just as it is the spirit of the spiritless situation. It is the opium of the people) । শান্তিৰ বাহক ধৰ্মই আজিৰ যি অৱস্থা পাইছে সেয়া নিষ্পেষিতৰ হুমুনিয়াহ বা হৃদয়হীন পৃথিৱীৰ হৃদয় নহয়; যেন নিষ্পেষণৰ হাতিয়াৰ বা হৃদয়হীন এক পৃথিৱী ।

ষষ্ঠ-সপ্তম শতিকাৰ ইছলাম ধৰ্মই সমগ্ৰ বিশ্বজুৰি শান্তিৰ বাণী কঢ়িয়াই ইছলামৰ যি প্ৰসাৰণ ঘটাইছিল আজিৰ ৰাজনীতি-নিৰ্ভৰ ইছলাম ধৰ্মই সেই বাণী শুনাব পৰা নাই । ইছলাম ধৰ্মৰ নামত গঢ়ি উঠা কিছুমান সংগঠনেও ইছলামৰ বিশ্বশান্তিৰ ধাৰণাক উগ্ৰতালৈ পৰ্যবসিত কৰি ইছলাম ধৰ্মক ক্ৰমান্বয়ে এক গোড়াধৰ্মত পৰিণত কৰিবলৈ প্ৰচেষ্টা চলাইছে । অবিভক্ত ভাৰতত এনে প্ৰচেষ্টাৰ গুৰি ধৰিছিল জামাত-ই-ইছলামী নামৰ উগ্ৰ ইছলামিক সংগঠনটিয়ে । জামাতৰ জন্মদাতা গৰাকী হ'ল মওলানা আবুল আলা মওদুদী । তেওঁ হ'ল খোদাৰ ৰাষ্ট্ৰ (হুকুমত ই-ইলাহি) প্ৰতিষ্ঠাৰ অন্যতম হোতা । খোদাৰ ৰাষ্ট্ৰৰ নামত অবিভক্ত ভাৰত আৰু বিভক্ত ভাৰতৰ পাকিস্তানত হাজাৰ হাজাৰ উদাৰ মুছলমানৰ হত্যা-যজ্ঞত মওদুদীয়ে যিদৰে উদ্‌গণি দিছিল, ধৰ্মৰ নামত তেনে উদাহৰণ পাবলৈ নাই । ধৰ্মৰ নামত নৰহত্যা কৰাৰ অন্যতম প্ৰবক্তা, জামাত-ই-ইছলামীৰ নেতা গোলাম আজমে বাংলাদেশৰ স্বাধীনতা আন্দোলনৰ সময়ত হেজাৰ হেজাৰ বঙ্গীয় মুছলমানক কৰা হত্যাযজ্ঞত প্ৰত্যক্ষভাৱে সহায় কৰি ইছলামৰ উদাৰতাত আৰু বিশ্বশান্তিৰ ভেটিত কুঠাৰঘাত হানিছিল ।

ইছলামৰ শান্তি বিঘ্নিত কৰাৰ মূলতেই হ'ল মওদুদীৰ তথাকথিত ধৰ্মীয় জেহাদ বা যুদ্ধ । ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কৰা ষষ্ঠ-সপ্তম শতিকাৰ ধৰ্মীয় জেহাদৰ আজিও কিছুমান ধৰ্মনেতাই পোষকতা কৰে । মৌলানা আবুল আলা মওদুদী হ'ল তেনে ধৰ্মযুদ্ধ বিশ্বাসী ধৰ্মনেতা । মওদুদীৰ ভাষাত—"When every method of persuation (over 13 years of preaching) had failed, the Prophet (sa) took to the sword.....that sword removed evil and mischief, the impurities of the heart and the filth of the soul. The sword did something more. It removed their blindness—they could see the light of truth—and it also cured them of their arrogance; arrogance





which prevents people from accepting the truth....stiff necks and proud heads bowed with humility."

উপৰি উক্ত ভাষ্যত মওদুদীয়ে হজৰত মহম্মদ (ছঃ)ৰ ধৰ্মযুদ্ধ বা জেহাদৰ ধাৰণাক বিকৃত কৰিছে । যি ধৰ্মই কয়—"সকলো মানৱ জাতি এক পৰিয়ালভুক্ত (কানান্নাছু উমাতাও ওৱাহিদাতা) বা যি ধৰ্মৰ অৰ্থ হ'ল শান্তিবাদী ধৰ্ম (Religion of peace, non-violence) সেই ধৰ্মই জানো কুৰি শতিকাত ধৰ্মযুদ্ধৰ আহ্বানক সমৰ্থন কৰিব পাৰে ?

শান্তি-সম্প্ৰীতি বিনষ্ট কৰাৰ বাবে এচাম হিন্দুবাদী ৰাজনৈতিক আৰু ধৰ্মীয় নেতাৰ মাজতো তেনে ধৰ্মীয় উগ্ৰ-প্ৰৱণতা আমি দেখিবলৈ পাওঁ । জামাত-ই-ইছলামীৰ লেখীয়াকৈ উগ্ৰ-হিন্দুবাদী ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ.এছ.এছ.)ৰ দৰ্শনো সংঘাত আৰু সংঘৰ্ষৰ, অশান্তি আৰু হিংসাৰ । হিন্দু ধৰ্মৰ সুৰক্ষাৰ কথা ক'লেও আৰ.এছ.এছৰ গুৰু গোলৱালকাৰ বা বালা চাহেব দেওৰচৰ দৰ্শন বহু পৰিমাণে হিটলাৰৰ দৰ্শনৰ সমকক্ষ । যথা—

১। "সামৰিক বাহিনীৰ জঙ্গীত্বৰ মাজেৰেই জাৰ্মান জাতিৰ সুমহান ঐতিহ্য সৰ্বোত্তমভাৱে প্ৰকাশ পায়" (হিটলাৰ); আনহাতে আৰ.এছ.এছ.ৰ গোলৱালকাৰৰ মতে "জাতিটোক সামৰিকীকৰণ কৰোঁ, সামৰিক বাহিনীক হিন্দুত্বত পৰিণত কৰোঁ ।"

২। হিটলাৰে কৈছে—"আমাৰ জাতীয় দাসত্বৰ বাবে দায়ী ইহুদীসকল । তেওঁলোকেই এই দাসত্বৰ সুবিধাভোগী । আমাৰ জাতিটোক তেওঁলোকে নষ্ট কৰিছে, আমাৰ নৈতিকতাত পচন ধৰাইছে । আমাৰ জীৱন-যাত্ৰাৰ ধৰণক অন্তঃসাৰশূন্য কৰিছে, আমাৰ শক্তি ক্ষয় কৰিছে । মানব জাতিৰ জৈৱ শৰীৰত ইহুদীসকলৰ অস্তিত্ব কৃমিকীটৰ দৰে । এওঁলোকক নিশ্চিহ্ন কৰা আমাৰ কৰ্ত্তব্য ।" গোৱালকাৰৰ মতে, "মুছলামান সকল ইয়ালৈ আহিছিল আক্ৰমণকাৰীৰূপে । বিগত বাৰশ বছৰ ধৰি তেওঁলোকে নিজকে ইয়াৰ বিজয়ী আৰু শাসকৰূপে গণ্য কৰি আহিছে । আমি যিবোৰ বিশ্বাস কৰিছিলো, মুছলামানসকলে তাৰ সম্পূৰ্ণখিনিৰেই বিৰোধিতা কৰিছিল । আমি মন্দিৰত উপাসনা কৰিলে তেওঁলোকে তাক অপবিত্ৰ কৰে । আমি ভজন-কীৰ্ত্তন কৰিলে, ৰথযাত্ৰা কৰিলে তেওঁলোকৰ কষ্ট হয় । আমি গৰুক পূজা কৰিলে তেওঁলোকে সেই গৰুক খাদ্য হিচাপে ব্যৱহাৰ কৰিব । আমি নাৰীক পবিত্ৰ মাতৃত্বৰ প্ৰতীক হিচাপে সন্মান কৰিলে তেওঁলোকে নাৰীৰ সতীত্ব নষ্ট কৰিবৰ চেষ্টা কৰিব । আমাৰ জীৱনধাৰাৰ ধৰ্মীয়, সাংস্কৃতিক, সামাজিক ইত্যাদিৰ সকলোখিনিয়েই দাঁতে দাঁতে চেপি বিৰোধিতা কৰে মুছলমানসকলে ।"

14882

হিটলাৰৰ ‘মেইন কেম্‌ফ’ আৰু আৰ.এছ.এছৰ "We or Our Nationhood Defined" গ্ৰন্থৰ পাতে পাতে আছে আন্তঃমিল থকা ধৰ্মীয় বিদ্বেষৰ কথা । একেদৰে খৃষ্টান মৌলবাদীসকলেও খৃষ্টান ধৰ্মৰ উদাৰতা আৰু শান্তিৰ বুকুত ছুৰি মাৰি চৰম বিদ্বেষেৰে ধৰ্মযুদ্ধৰ পোষকতা কৰে । খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ শেষভাগৰ প্ৰধান খ্ৰীষ্টান ধৰ্মযাজক তৃতীয় ইনোচেণ্টে অখৃষ্টানসকলৰ কবলৰ পৰা ইউৰোপক মুক্ত কৰাৰ নামত যি অভিযান আৰম্ভ কৰে তাৰ মাজেৰে উত্থান ঘটা ধৰ্মীয় উন্মাদনাৰ বাতাবৰণে ত্ৰয়োদশ শতিকাৰ ইউৰোপীয় ধৰ্মীয় পৰিবেশ বিষাক্ত কৰি তোলে । এজন খৃষ্টানধৰ্মী ৰজাই ত্ৰয়োদশ শতিকাত ৰজা হোৱাৰ যোগ্যতা নিৰ্ভৰ কৰিছিল তেওঁ কিমান সংখ্যক অখৃষ্টানক নিৰ্মূল কৰিব পাৰিব তাৰে ওপৰত । তেনে যোগ্যতা অৰ্জন কৰা এজন খৃষ্টানধৰ্মী লোক আছিল কাউণ্ট অফ তুলোছ । তেওঁ আছিল দক্ষিণ-পশ্চিম ফ্ৰান্সৰ এগৰাকী বৃহৎ ভূ-স্বামী । ১২২৯ খ্ৰীঃত তুলোছে অখৃষ্টান প্ৰজা অলবিজোৱাসকলৰ ওপৰত চৰম নিৰ্যাতন চলাইছিল । খৃষ্টান মৌলবাদৰ আন এক অভিযান চলে ১২৩৩ খ্ৰীঃত । প্ৰধান খৃষ্টান ধৰ্মযাজক নৱম গ্ৰেগৰিয়ে কৰা আইন মতে, বিশাল পশ্চিম ইউৰোপৰ পৰা অখৃষ্টানসকলক বিচাৰি উলিয়াই হত্যা বা নিপীড়নৰ কাম আৰম্ভ কৰা হয় । ‘ইনকুইজিচন’ নামৰ এই ব্যৱস্থাত অখৃষ্টানৰ ওপৰত নামি আহে খৃষ্টানধৰ্মীৰ অমানুষিক নিপীড়ন । খৃষ্টানধৰ্মী সম্ৰাট দ্বিতীয় ফ্ৰেডেৰিকেও ১২২০ খ্ৰীঃৰ পৰা ১২৩৫ খ্ৰীঃলৈ ইটালী আৰু জাৰ্মানীত এনে মৌলবাদী আইন পাছ কৰে যে যিসকল অখৃষ্টানে খৃষ্টান ধৰ্ম গ্ৰহণ নকৰিব, তেওঁক সমাজৰ পৰা বহিষ্কাৰ কৰি জুইত পুৰি হত্যা কৰা হ'ব । এনেকি চতুৰ্থ ইনোচেণ্টেও ১২৫২ খ্ৰীঃত অখৃষ্টানৰ বিৰুদ্ধে কঠোৰ আদেশ জাৰি কৰে । এই আদেশমতে, ৰাষ্ট্ৰৰ অন্তৰ্ভূক্ত নগৰৰ পৌৰ কৰ্তৃপক্ষৰ অধীনত অখৃষ্টানক জুইত পুৰি মৰা হয় । পানীৰে ভৰপূৰ কেৰাহীত অখৃষ্টান অপৰাধীক শুৱাই লৈ লাহে লাহে পানী গৰম কৰিয়ো হত্যা কৰা হৈছিল । এই কাম হেনো খৃষ্টান ধৰ্মৰ বিধিমতে ৰক্তপাত নোহোৱাকৈ কৰা হৈছিল ।

এইবোৰ হ'ল ৰাজনীতিৰ নামত ধৰ্মীয় উন্মাদনাৰ নিকৃষ্ট নিদৰ্শন । পাকিস্তান, বাংলাদেশ আদিত ইছলামৰ নামত যিদৰে ৰাজনৈতিক পাশৱিকতাক প্ৰশ্ৰয় দিয়া হয়, তেনেদৰে ভাৰততো হিন্দুধৰ্মৰ নামত কিছু সংখ্যক ৰাজনীতিবিদ আৰু ধৰ্ম-পণ্ডিতে হিংসাক প্ৰশ্ৰয় দিয়ে । একাংশ উগ্ৰহিন্দুবাদীৰ দ্বাৰা খৃষ্টানধৰ্মীক হত্যা, বালথেকাৰেৰ নিৰ্দেশত মুম্বাইৰ মুছলমান হত্যা, উগ্ৰ-মুছলমানৰ দ্বাৰা ভাৰতৰ দুই-এঠাইত আনধৰ্মীক হত্যা—এনে ধৰণৰ ঘৃণাৰ সঞ্চাৰে বিনষ্ট কৰিছে ধৰ্মনিষ্ঠা আৰু ধৰ্মৰ মাজেৰে বিশ্বশান্তিৰ ধাৰণাক । এই মুহূৰ্তত ধৰ্মত বিশ্বাসী প্ৰতিজন নাগৰিকৰেই কৰ্তব্য ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰি ৰখা; শান্তি সহিষ্ণুতাৰ বাণীবোৰ প্ৰচাৰ





কৰা; হিংসা -বিদ্বেষ বৰ্জন কৰা । অন্যথা, নিজে নাস্তিক হৈয়ো মহম্মদ আলী জিন্নাই যিদৰে ৰাজনৈতিক বিলাসৰ নামত ধৰ্মকেন্দ্ৰিক পাকিস্তানৰ জন্ম দিছিল, বাল থেকাৰে নিজে ঈশ্বৰ অস্তিত্বত অবিশ্বাসী হৈয়ো ধৰ্মৰ নামত যিদৰে উন্মাদনাৰ ৰাজনীতি কৰি আছে—তেনে ঘটনাবোৰ অদূৰ ভৱিষ্যতে ঘটি থাকিব আৰু বিনষ্ট হ'ব ধৰ্মৰ মহত্ব ।

**বিশ্বশান্তি বিনষ্ট কৰাত সাম্ৰাজ্যবাদৰ হাত ঃ**

‘লৰ্ড ডিনামাইট’ৰূপে জনাজাত যিগৰাকী বিজ্ঞানী আলফ্ৰেড নোবেলে বিস্ফোৰক পদাৰ্থ ‘ডিনামাইট’ আৱিষ্কাৰ কৰিছিল তেওঁৱেই পিছলৈ দেখিছিল যে, তেওঁৰ আৱিষ্কাৰে পৃথিৱী জুৰি সৃষ্টি কৰিছে অশান্তি, যুদ্ধ-বিগ্ৰহ আৰু বিস্ফোৰণৰ ছাঁয়াঘন দৃশ্য । আলফ্ৰেড নোবেলৰ আৱিষ্কৃত বিস্ফোৰক পদাৰ্থ ডিনামাইটে যেতিয়া মানুহৰ শান্তি বিঘ্নিত কৰিছিল তেতিয়া তেওঁ মন্তব্য কৰি কৈছিল —“মোৰ ইচ্ছা হয়, এই বিস্ফোৰক পৃথিৱীৰ বুকুত যেন এটা শান্তিৰ ৰঙা গোলাপ ফুটাই থৈ যাওঁ ।” এই উদ্দেশ্যেৰেই আল্‌ফ্ৰেড নোবেলে প্ৰৱৰ্ত্তন কৰিছিল শান্তিৰ নোবেল বঁটা । বছৰি বছৰি শান্তিৰ নোবেল বঁটাৰ নামত কোটি কোটি টকা খৰছ কৰা হয় যদিও দিন যোৱাৰ লগে লগে সমগ্ৰ বিশ্বজুৰি অশান্তিৰ পৰিমাণহে বৃদ্ধি পাইছে । সাম্ৰাজ্যবাদী শক্তিবোৰে সাম্ৰাজ্য বিস্তাৰ আৰু অবাধ লুণ্ঠন-শোষণৰ নামত অশান্তিৰ পৰিবেশ সৃষ্টি কৰিছে সমগ্ৰ বিশ্বজুৰি । এই সাম্ৰাজ্যবাদী আগ্ৰাসনৰ মূল নেতৃত্ব লৈছে আমেৰিকা আৰু ব্ৰিটেইনে । নিজৰ ৰাজনৈতিক একাধিপত্য, যুদ্ধ সামগ্ৰী বিক্ৰী কৰি ধনৰ ভঁৰাল চহকী কৰা, হত্যা-সন্ত্ৰাসৰ মাজেৰে মানুহৰ চিন্তা-চেতনাক নিৰপেক্ষ কৰা, সংশয় আৰু হতাশাৰ সাগৰত মানুহক ডুবাই ৰখা —এইবোৰেই হৈছে সাম্ৰাজ্যবাদী আগ্ৰাসনৰ মূল নীতি । এইবোৰ আগ্ৰাসনী কৌশল বৰ্ত্তাই ৰখাৰ মানসেৰেই সৃষ্টি কৰা হৈছে যুদ্ধৰ অস্ত্ৰ আৰু বিভিন্ন দেশে সামৰিক বিভাগত খৰছ কৰিছে বাজেটৰ সিংহভাগ টকা । কিন্তু শান্তিৰ নামত টকা ধাৰ্য কৰাৰ নিদৰ্শন কোন দেশৰ কোন বাজেটত আছে ?

বৰ্ত্তমান পৃথিৱীত এদিনত সামৰিক বিভাগত যি খৰছ কৰা হয় তাৰ আধা ধন খৰছ কৰিলে পৃথিৱীৰ পৰা মেলেৰীয়া ৰোগৰ বীজাণু চিৰদিনৰ বাবে নিৰ্মূল কৰিব পৰা যায় । পৃথিৱীৰ সামৰিক বিভাগত পাঁচ ঘণ্টাত যি খৰছ কৰা হয় সেয়া ৰাষ্ট্ৰসংঘৰ শিশু কল্যাণ প্ৰতিষ্ঠান ‘ইউনিচেফ’ (UNICEF) ৰ বছৰজোৱা শিশুমঙ্গল কাৰ্যসূচীৰ সমান । পৃথিৱীৰ বিজ্ঞানীসকলৰ শতকৰা পঁচিশভাগেই আজি সামৰিক গৱেষণাৰ কামত নিযুক্ত । পৃথিৱীৰ বিজ্ঞান গৱেষণাৰ প্ৰায় ৬০ ভাগ টকা খৰছ কৰা হয় কেৱল সামৰিক প্ৰকল্পৰ নামত । এই খৰছ পৃথিৱীৰ স্বাস্থ্য ৰক্ষাৰ প্ৰকল্পসমূহৰ খৰছৰ প্ৰায়

পাঁচগুণ । উন্নত দেশবিলাকে সামৰিক বিভাগত যিমান ধন খৰছ কৰে তাৰ এভাগ ধন খৰছ কৰিলে আন্তৰ্জাতিক জৰুৰী খাদ্যভাণ্ডাৰ গঢ়ি তুলিব পাৰি । যুদ্ধৰ বাবে এখন টেঙ্ক তৈয়াৰ কৰোঁতে যিমান ধন খৰছ কৰা হয় সেইখিনি ধনেৰে অনুন্নত দেশসমূহৰ ৩০ হাজাৰ শিশুৰ বাবে একহাজাৰ শ্ৰেণীকোঠা তৈয়াৰ কৰিব পৰা যায় ! এখন ট্ৰাইডেন্ট আণৱিক ডুবা জাহাজ প্ৰস্তুত কৰোঁতে যি খৰছ হয় সেই খৰছ অনুন্নত দেশবোৰৰ ১৬০ লাখ শিশুৰ এবছৰ স্কুলত থকা খৰছৰ সমান; কুৰি লাখ মানুহ থকাৰ কাৰণে নিৰ্মাণ কৰিবলগা চাৰিলাখ ঘৰ তৈয়াৰ কৰা খৰছৰ সমান ।

ছোভিয়েত ইউনিয়নৰ বিলুপ্তিৰ পিছত আজি সমগ্ৰ বিশ্বজুৰি আমেৰিকাই যুদ্ধৰ নামত অস্ত্ৰ-বিক্ৰীৰ বজাৰ গঢ়ি তুলিছে । শান্তিৰ সলনি বিয়পাই দিছে ঘৃণা । অৰ্থনৈতিক সংকটত নিমজ্জিত হোৱাৰ লগে লগে প্ৰস্তুত কৰিছে ধন সঞ্চয়ৰ নতুন আঁচনি । আমেৰিকাকেন্দ্ৰিক এই আঁচনিৰ ফলতেই পৃথিৱীজুৰি সামৰিক শিতানত বছৰি খৰছ হয় (ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যামতে) কমেও ৪৫০০,০০০,০০০,০০০ টকা । পুঁজিবাদৰ চৰম সংকটৰ মুহূৰ্তত যুদ্ধ আৰু সামৰিক বাহিনীৰ নামত ইমানবোৰ টকা খৰছ কৰাৰ বাহিৰে কিবা উপায় আছে জানো ? পুঁজিবাদী দেশবোৰে মানুহৰ শান্তি কামনা কৰাৰ বাবে কিবা কৰে জানো ?

সাম্ৰাজ্যবাদে বিশ্ব শান্তিক বিনষ্ট কৰাৰ বাবে কেৱল যুদ্ধই সংঘটিত কৰা নাই, উগ্ৰ-জাতীয়তাবাদ, বিচ্ছিন্নতা আৰু ধৰ্মীয় উগ্ৰতাকো সাৰ-পানী দিছে । সাম্ৰাজ্যবাদী শক্তিৰ আন এটা অন্যতম উদ্দেশ্যই হৈছে সমাজবাদী, সাম্যবাদী আৰু সংগ্ৰামী শক্তিক মষিমূৰ কৰা । সাম্ৰাজ্যবাদী আগ্ৰাসনৰ পৰা পৃথিৱীৰ বিভিন্ন দেশৰ উপৰিও ভাৰতবৰ্ষ যিদৰে সাৰি যোৱা নাই তেনেদৰে সাম্ৰাজ্যবাদৰ অক্টোপাছে অসমকো মেৰিয়াই নধৰাকৈ থকা নাই । শান্তি, সমন্বয় আৰু সংহতিৰ বাসভূমি অসমত যোৱা কুৰিটা বছৰ ধৰি যি অশান্তিৰ পৰিবেশ বিৰাজ কৰি আছে তাৰ মূল সূত্ৰৰ আৱিষ্কাৰক হ'ল আমেৰিকান সাম্ৰাজ্যবাদ । ১৯৭৮-৭৯ চনত আমেৰিকান সাম্ৰাজ্যবাদৰ গোপন চাৰ্কুলাৰ 'অপাৰেচন ব্ৰহ্মপুত্ৰ'ৰ মাজেৰে ব্ৰহ্মপুত্ৰ উপত্যকাত অস্থিৰতা আৰু জনগোষ্ঠীগত বিচ্ছিন্নতা সৃষ্টিৰ পাতনি মেলা হৈছিল আৰু তাৰেই ফলস্বৰূপে ছবছৰীয়া বিদেশী বিতাড়ন আন্দোলনে বিচ্ছিন্নতাৰ ৰূপ লৈ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভাজন সৃষ্টি কৰিছিল । ডব্লিউ. ডি. মিলাৰ স্বাক্ষৰিত 'অপাৰেচন ব্ৰহ্মপুত্ৰ' চাৰ্কুলাৰখন নপঢ়িলে অসমৰ কোনো নাগৰিকেই নেজানিব যে, আমেৰিকান সাম্ৰাজ্যবাদে কিদৰে কাঢ়ি নিছে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি আৰু তাৰ পৰিৱৰ্তে আৰম্ভ কৰিবলৈ সক্ষম হৈছে চোৰাং বস্তু, ড্ৰাগছ, মদ, জুৱা আৰু অস্ত্ৰ-শস্ত্ৰৰ গোপন বজাৰ ।





**আমি কৰিব লাগিব কি ?**

ধৰ্মীয় উন্মাদনা আৰু সাম্ৰাজ্যবাদী চক্ৰান্তৰ বিৰুদ্ধে যুঁজি আমি যদিহে প্ৰকৃত বিশ্বশান্তিৰ কামনা কৰোঁ তেনেহ'লে আমি আসুৰিক শক্তি আৰু শোষণবাদী গোষ্ঠীবোৰৰ বিৰুদ্ধে শান্তিপ্ৰিয় জনসাধাৰণ একগোট হ'ব লাগিব । আজিৰ শোষিত জনসাধাৰণক প্ৰকৃত শত্ৰুৰ বিৰুদ্ধে যুঁজ দিয়াৰ মানসিকতাও গঢ়ি তোলাত সহায় কৰিব লাগিব । ধৰ্মীয় উন্নাসিকতা আৰু সাম্ৰাজ্যবাদী আগ্ৰাসনৰ উপৰিও এই মুহূৰ্তত আমাৰ সন্মুখত আন এটা ভয়ংকৰ দৈত্যই মূৰ দাঙি উঠিছে । সেই দৈত্যটিৰ নাম হ'ল পশ্চিমীয়া ভোগবাদ । পশ্চিমীয়া ভোগবাদৰ আমদানি সমগ্ৰ বিশ্বজুৰি হোৱাৰ লগে লগে বিশ্বৰ জনসাধাৰণে ক্ৰমে ক্ৰমে পাহৰি যাবলৈ ধৰিছে নিজৰ সমাজ, সংস্কৃতি আৰু সমস্যাৰ কথা । কিদৰে সহজতে ভোগ কৰিব পাৰি, কম আয়াসতে কিদৰে ক'লা ধন সঞ্চয় কৰি অধিক সম্পদৰ মালিক হ'ব পাৰি, সমূহীয়া চিন্তাৰ বিপৰীতে কিদৰে একাকীত্বৰ মায়াজালত সোমাই নিজকে 'ভদ্ৰলোক' সজাব পাৰি—সেয়াই হৈছে পশ্চিমীয়া ভোগবাদৰ অন্যতম লক্ষ্য । বিশ্বজুৰি মানুহক সামাজিক চিন্তাৰ পৰা আঁতৰাই অনাত পশ্চিমীয়া ভোগবাদে যথেষ্ট অৰিহণা যোগাইছে । মানুহৰ সুখ-দুখৰ ভাগী হ'ব নোৱাৰিলে কোনো মানুহেই যে সামাজিক হ'ব নোৱাৰে এই কথা সাৰোগত কৰিয়েই সাম্ৰাজ্যবাদী ভোগবাদে মানুহক অসামাজিকৰূপে গঢ়ি তুলিবলৈ উঠি-পৰি লাগিছে । ইয়াৰ কৰুণ পৰিণতিৰ বাবেই আমি দেখিছো—আমাৰ সন্মুখত কোনো প্ৰতিবেশীৰ মৃতদেহ পৰি আছে; কিন্তু সৌজন্যতাৰ খাতিৰত আমি তেওঁৰ হত্যাকাৰীক ধিক্কাৰ দিয়া নাই; আমাৰ চকুৰ আগতে হত্যা কৰিছে নিৰপৰাধী ব্যক্তিক—আমি প্ৰতিবাদ কৰা নাই । এনেদৰেই একাকীত্বৰ জালত বন্দী হৈ আমি ক্ৰমান্বয়ে হেৰুৱাই পেলাইছো আমাৰ নৈতিকতা, আদৰ্শ, প্ৰেম, ভাতৃত্ব আৰু আন্তৰিকতা । মানুহৰ প্ৰকৃত শত্ৰুক আমি চিনাক্ত কৰিব নোৱাৰি বন্ধুকেই বধিছোঁ । বঙ্গৰ কবি জীবনানন্দ দাশৰ ভাষাত—

"মানুষ মেৰেছি আমি

......................................

নিহত ভ্ৰাতাৰ ভাই আমি ।"

মহাত্মা গান্ধীয়ে ইয়ং ইণ্ডিয়াত (১৯২০, ১১ আগষ্ট) 'হিংসানীতি' নামৰ এটা প্ৰবন্ধত লিখিছিল—"মই বিশ্বাস কৰোঁ যে য'ত অকল ভীৰুতা আৰু হিংসাৰ মাজত এটা পথ বাছিব লগা হয় তাত মই হিংসাৰ পথ লবলৈ পৰামৰ্শ দিম ।" গান্ধীৰ এই শিক্ষাৰ পৰা দেখা যায় যে, ভীৰুতাতকৈ হিংসাহে অধিক শ্ৰেয় । গান্ধীয়ে যি 'হিংসা'ৰ কথা কৈছে তাত আজিৰ পশ্চিমীয়া আমদানিকৃত অস্ত্ৰ-সৰ্বস্ব হিংসাৰ স্থান

নাই; আছে সমূহীয়া জীৱনৰ বাবে মানুহৰ শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ যাওঁতে প্ৰয়োজন হোৱা 'হিংসা'ৰ কথা । এনে হিংসাই অপ-শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰি মানুহৰ কল্যাণ আৰু শান্তিৰ বুনিয়াদ ৰচনা কৰাত সহায় কৰে । গান্ধীয়ে ইংৰাজৰ স্বেচ্ছাচাৰ আৰু আধিপত্যৰ বিৰুদ্ধে যুঁজ কৰাৰ স্বাৰ্থত হিংসাৰ আশ্ৰয় ল'ব লগা কথা দোহাৰিছিল। কিন্তু একে প্ৰবন্ধতেই তেওঁ কৈছে—"মোৰ বিশ্বাসত হিন্দু ধৰ্মৰ মূল অহিংসা আৰু এই অহিংসা ধৰ্মৰ জৰিয়তেই মই ভাৰতবৰ্ষৰ সেৱাৰ বাবে মোৰ জীৱন সমৰ্পণ কৰিছোঁ ।

ওপৰত আলোচনা কৰা 'ধৰ্ম আৰু শান্তিৰ প্ৰশ্ন' শীৰ্ষক শিতানত আমি উল্লেখ কৰা ধৰ্মীয় চেতনাত 'সেৱা'ৰ কথা নাই; আছে 'হিংসা'ৰ কথা । কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ, বিদ্ৰোহী কবি কাজী নজৰুল ইছলাম, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, শ্ৰীমন্ত শংকৰদেৱ, আজান ফকীৰ আদি ভাৰত মনীষাই শান্তিৰ স্বাৰ্থত ধৰ্মীয় হিংসাৰ বিৰোধিতা কৰিছে । ৰবীন্দ্ৰ নাথৰ মতে, যিয়ে মানুহক মনুষ্যত্বৰ পৰা স্খলিত নকৰে সেয়াই ধৰ্ম । ৰবীন্দ্ৰ নাথে এই কথাও কৈছে যে, মানুহ হিচাপে মানুহৰ যি মূল্য সেইখিনিকেই সহজ প্ৰীতিৰ সৈতে স্বীকাৰ কৰাটোৱেই প্ৰকৃত ধৰ্মবুদ্ধি । শংকৰদেৱেও কৈছিল— 'পৰৰ ধৰ্ম নিহিংসিবা কদাচিত ।' কাজী নজৰুল ইছলামে ধৰ্ম সম্পৰ্কে কৈছে—

"জানিসনা কি ধৰ্ম, সে যে বৰ্ণসম সহনশীল,
তাকে কি ভাই ভাঙতে পাৰে ছোঁয়াছুয়িৰ ছোট্ট ঢিল ।"

ধৰ্মকেন্দ্ৰিক বিভাজন আৰু হিংসাৰ বিৰুদ্ধে যুঁজ কৰি আগুৱাই শান্তি কামনা কৰিবলৈ হ'লে আমি উপৰি উক্ত মনিষীসকলৰ উদাৰ মনোভাব আৰু দৃষ্টিভঙ্গীক সন্মান জনাব লাগিব । আনহাতে দেশীয় শোষক, সাম্প্ৰদায়িক শক্তি আৰু আন্তৰ্জাতিক সাম্ৰাজ্যবাদী শক্তিয়ে বিনষ্ট কৰিব খোজা শান্তি পুনৰুদ্ধাৰৰ বাবে আমি সুস্থ, প্ৰগতিশীল, জনকল্যাণকামী ৰাজনৈতিক মতাদৰ্শক গ্ৰহণ কৰি উন্নত ৰাজনৈতিক দৰ্শনেৰে নিজকে চহকী কৰিব লাগিব আৰু অপশক্তিৰ বিৰুদ্ধে বিশ্বজুৰি আৰম্ভ হোৱা সংগ্ৰামতো অংশ গ্ৰহণ কৰিব লাগিব । আমাৰ শ্লোগান হ'ব লাগিব—যুদ্ধৰ বিৰুদ্ধে শান্তি, বৈষম্যৰ বিৰুদ্ধে সমতা, হিংসাৰ বিৰুদ্ধে প্ৰেম, শোষণৰ বিৰুদ্ধে সমতা আৰু একাকীত্বৰ বিৰুদ্ধে আন্তৰ্জাতিকতা । অন্যথা একাকীত্বত ভোগা প্ৰতিজন শান্তিকামী মানুহৰ অৱস্থা হ'ব জাৰ্মান বুদ্ধিজীৱী পেষ্ট'ৰ নেইমুলাৰৰ লেখাৰ দৰে । কুৰি শতিকাৰ ত্ৰিশৰ দশকৰ জাৰ্মানীত যেতিয়া হিটলাৰ আৰু আইকমেনৰ ফেচীবাদী শক্তিয়ে ইহুদী হত্যাৰ দৰে ঘৃণনীয় ধ্বংসযজ্ঞ আৰম্ভ কৰিছিল তেতিয়া পেষ্ট'ৰ নেইমুলাৰে





জাৰ্মানীৰ মধ্যবিত্ত আৰু নিজৰ অৱস্থাৰ তুলনা কৰি লিখিছিল—

"যেতিয়া তেওঁলোকে ইহুদীক বিচাৰি আহিছিল
তেতিয়া মই প্ৰতিবাদ কৰা নাছিলো;
কাৰণ মই ইহুদী নহয় !

ইয়াৰ পিছত তেওঁলোকে কমিউনিষ্ট সকলক বিচাৰি আহিছিল
মই তেতিয়াও প্ৰতিবাদ কৰা নাছিলো;
কাৰণ মইতো কমিউনিষ্ট নহয় !

তাৰ পিছত তেওঁলোকে কেথলিক সকলক বিচাৰি আহিছিল
তেতিয়াও মই প্ৰতিবাদ কৰা নাছিলো;
কাৰণ মই যে কেথ্‌লিক নহয় !

অৱশেষত যেতিয়া তেওঁলোকে মোক বিচাৰি আহিল
তেতিয়া মোৰ হ'কে মাত মাতিবলৈ কোনো যে নাথাকিল !"

(টংলা কলেজ আলোচনী ঃ ষোড়শ সংখ্যা, ১৯৯৮-৯৯ত বিশেষ অতিথি লেখকৰ লেখা হিচাপে প্ৰকাশিত)

# বিহু পাতিলে মুছলমানৰ জাত যাব নেকি ?

### এক ঃ ইছলাম আৰু অসমৰ সংস্কৃতি

অসমৰ মুছলমান; বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলামানসকল মূলতঃ দুটা স্তৰত ভাৰতৰ অন্তৰ্ভুক্ত ৰাজ্য আৰু বিদেশী ৰাষ্ট্ৰৰ পৰা অসমলৈ আহিছিল ।প্ৰথম স্তৰৰ সোঁতটো আছিল আহোম যুগৰ । সেই সময়ত অসমলৈ অহা মুছলমানসকল ছুফী সাধক, যুদ্ধবন্দী, পৰিব্ৰাজক আদিৰূপে অসমলৈ আহি তেওঁলোক স্থায়ীভাৱে অসমত ৰৈ গৈছিল আৰু স্থানীয় অমুছলমান গাভৰু বিয়া কৰাই ঘৰ-সংসাৰ পাতিছিল । সেয়ে দেখা যায় যে আহোম যুগত অসমলৈ অহা মুছলমানসকলৰ বংশধৰসকলৰ মাত-কথা, পোছাক-পৰিচ্ছদ আদিৰ সৈতে স্থানীয় অসমীয়া হিন্দু সমাজৰ বিশেষ অমিল নাই । এই কথাষাৰ তাহানিতে চিহাবুদ্দিন তালিচ নামৰ ইতিহাসবিদগৰাকীয়েও কৈ গৈছে ।স্থানীয় ভাষা, পোছাক-পৰিচ্ছদ, সংস্কৃতি আদি গ্ৰহণ কৰাৰ বাবেই ৰাজস্থানৰ লাংঙ্গা জনগোষ্ঠীৰ মুছলমানসকলৰ দৰেই অসমৰ মুছলমানসকলেও ওজাপালি, নৃত্য, গীত-মাত আদিৰে অসমৰ সমাজ আৰু সংস্কৃতি চহকী কৰিছে ।মুছলমানসকলৰ এই উদাৰতা আৰু সমন্বয়ৰ নিদৰ্শনক লৈ আজিও আমি গৌৰৱ কৰোহক ।একে অৰ্থত এসময়ৰ মঙলদৈৰ ওজাপালিৰ ঢুলীয়া, বজালীৰ গড়ৰ সোণা ওজাৰ নেতৃত্বাধীন ওজাপালি দলৰ দুৰ্গাবৰী পদ গোৱা ঐতিহ্য, শিৱসাগৰৰ শিৱদৌলৰ অংশীদাৰ দৌলা-পৰিয়াল আদিক লৈ আমি গৌৰৱান্বিত ।

কোনো ধৰণৰ সংঘাত নোহোৱাকৈয়ে চুকাফা, শংকৰদেৱ, আজান ফকীৰ আদি মহান লোকৰ দিনৰ পৰা আজিলৈকে অসমৰ মুছলমানে অসমৰ ঐতিহ্য আৰু সংস্কৃতিক লৈ গৌৰৱ কৰি আহিছে আৰু বিভিন্ন ক্ষেত্ৰত মুছলমানসকলে পাৰ্যমানে অৰিহণা যোগাইছে । সত্ৰ-সংস্কৃতিৰ সৈতেও মুছলামনসকলৰ এক সুসম্পৰ্ক আছে ।

অসমৰ মুছলমানৰ শেহতীয়া সোঁতটো কুৰি শতিকাৰ ।ইংৰাজ শাসনৰ সময়ত অসমলৈ অহা বা অসমলৈ অনা বংগৰ মুছলমানসকলেও কুৰি শতিকাৰ তৃতীয় দশকৰে পৰা অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে লৈ নিজকে বৃহত্তৰ অসমীয়া





জাতিৰ অংগত পৰিণত কৰি অসমৰ সমাজ জীৱনলৈ ব্যাপক অৰিহণা যোগাই আহিছে । উল্লেখযোগ্য যে এই শেহতীয়া স্ৰোঁতৰ মুছলমানসকলৰ শতকৰা প্ৰায় নিৰানব্বৈ ভাগেই ধৰ্মান্তৰিত হোৱা ।সেয়ে তেওঁলোকৰ সমাজ আৰু সংস্কৃতিত পূৰ্বৰ বংগৰ হিন্দু আৰু মুছলমান সমাজ আৰু বৰ্তমানৰ অসমীয়া হিন্দু সমাজৰ অনেক পৰম্পৰা বিদ্যমান ।

### দুই ঃ বিহু আৰু মুছলমান

অসমৰ সমাজ জীৱনৰ এই সমন্বয়ৰ ধাৰাটোক সুঁৱৰি, ইয়াক অধিক সমৃদ্ধিশালী আৰু বহল কৰাৰ মানসেৰে মুছলমান সমাজৰ সচেতন যুৱক, সাংবাদিক চৈয়দ নুৰ ইছলাম আহমেদে 'অসমীয়া খবৰ'ৰ ১৯ এপ্ৰিল, ২০০২ সংখ্যাত 'মুছলমানে বিহু পালিব নাপায়নে ?' শীৰ্ষক প্ৰবন্ধ এটি লিখি বিতৰ্কৰ দুৱাৰ মুকলি কৰিছিল ।প্ৰবন্ধটিৰ সপক্ষে-বিপক্ষে প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে যদিও আমি সেই বিতৰ্কলৈ নগৈ বিহু আৰু অসমৰ ধৰ্মনিৰপেক্ষ সংস্কৃতিৰ সৈতে মুছলমানৰ সম্পৰ্কৰ বিচাৰ কৰিম । লগতে ধৰ্মকেন্দ্ৰিক মুছলমানসকলৰ সামাজিক ভূমিকা সম্পৰ্কেও আলোচনা কৰিম ।

ধৰ্ম, বৰ্ণ, ভাষা আৰু বিভাজনৰ বেৰ ভাঙি বিহুৱে যে ইয়াৰ জন্মলগ্নতে ধৰ্মনিৰপেক্ষ চৰিত্ৰ বহন কৰিছিল আৰু আজিও যে আংশিক পৰিমাণে হ'লেও সেই চৰিত্ৰ অক্ষুণ্ণ আছে তাক অস্বীকাৰ কৰা লোক কমেই ওলাব ।আহোম ৰজাৰ দিনত ৰাজ-দৰবাৰত সোমোৱা, শংকৰদেৱৰ দিনত শংকৰী সংস্কৃতিৰে বিধৌত হোৱা আৰু ইংৰাজৰ দিনত অসমীয়া উচ্চবৰ্ণৰ মধ্যবিত্তৰ দ্বাৰা নিন্দিত হোৱাৰ বাহিৰে বিহুৱে সৰ্বদায় ইয়াৰ প্ৰাকৃতিক আৰু কৃষিকেন্দ্ৰিক চৰিত্ৰ বহন কৰি আহিছে ।এই কৃষিকৰ্মৰ সৈতে মুছলমান সমন্বিতে অসমৰ সকলো কৃষিজীৱী ৰাইজ জড়িত ।সেয়েহে অসমৰ প্ৰায় সকলো জনগোষ্ঠীৰে সুকীয়া বিহু সংস্কৃতি আছে ।মিচিঙৰ আলি আঃয়ে লৃগাং, দেউৰীৰ বিচু, ৰাভাৰ বাইখু, বড়োৰ বৈশাগু, ডিমাছাৰ বুছু আদিৰ দৰে অসমীয়াভাষী ৰাইজৰ উমৈহতীয়া উৎসৱৰ নামেই হ'ল বিহু ।অসমৰ ভিন ভিন ঠাইত বিহু ভিন ভিন ধৰণে পালন কৰে ।ব'হাগ বিহু, মাঘ বিহু আৰু কাতি বিহু পালনৰ ভিন ভিন প্ৰক্ৰিয়াৰ বাবে ইবোৰৰ ধৰা-বন্ধা নিয়ম নাই; কিন্তু ইবোৰৰ যে ধৰা-বন্ধা এটা ফৰ্ম বা ৰূপ আছে সেয়া অনস্বীকাৰ্য ।এই ৰূপটি হ'ল প্ৰাকৃতিক, কৃষিভিত্তিক—যাৰ বাবে যিকোনো ধৰ্মাৱলম্বী লোকেই বিহু পাতিব বা পালিব পাৰে । বিহু গীতবোৰতো প্ৰকাশ পোৱা ধৰ্মনিৰপেক্ষ দৃষ্টিভঙ্গী আৰু জাত-পাত বিৰোধী আহ্বানে সকলো ধৰ্মাৱলম্বী লোককেই ই আকৰ্ষণ কৰে ।দুই-এটা উদাহৰণ দিছো ঃ

(ক) পাহাৰো আমাৰ / ভৈয়ামো আমাৰ / বৰলুইত মিলনৰ সাঁকো, অতিকৈ চেনেহৰ / ব'হাগৰ বিহুটি / নেপাতি কেনেকৈ থাকো ।

(খ) চ'তে গৈয়ে গৈয়ে / ব'হাগে পালেহি / ফুলিলে বাবৰি ফুল, তোমাৰ লগতে / মৰো যদি মৰিম মই / এৰি যাম নিজৰে কুল ।

(গ) জাঁজী নৈক ভেটিলে / জেঙে ঐ জাবৰে / লুইতক ভেটিলে কোনে, আমাকে ভেটিছে / সমাজৰ বান্ধোনে / মনকনো ভেটিব কোনে ?

(ঘ) তোমালৈ চাওঁতে / জপনা ডেওতে / বিন্ধিলে অঁঘেয়া হুলে, তোমাৰ মনে গ'লে / মোৰো মনে গ'লে / কি কৰিব কলিতা কুলে ।

(ঙ) তগৰো ফুলিলে / নাহৰো ফুলিলে / বিৰিখে সলালে পাত, আমাৰনো দেশতে / ন-ফুল ফুলিলে / মানুহৰ একেটি জাত ।

(চ) লুইতৰ বালিতে / কঁহুৱা ফুলিলে / ফুলিলে শিমলুৰ ফুল, আই অসমীয়ে / সবাকো আদৰে / নিবিচাৰি জাতি কুল ।

(ছ) আমি সাতোভনী / সাতোটি যঁতৰ ঐ / আয়ে সৰুসূতা কাটে, আমি সাতোভনী / যাওঁ ঘৰাঘৰি / আয়ে চকুপানী টুকে ।

এনে ধৰণৰ বিহুনামত জাত-পাত বিৰোধী কথা, সমন্বয়ৰ কথা আৰু জনগোষ্ঠীগত ঐক্যৰ কথা প্ৰকাশ পায় । আনকি ইছলামৰ 'কানান্নাছু উম্মতাও ৱাহিদাতান' (সকলো মানৱ এক জাতিভুক্ত) বা বৈষ্ণৱ ধৰ্মৰ 'এক দেৱ এক সেৱ, এক বিনে নাই কেৱ'ৰ সৈতে বিহুনামত প্ৰকাশ পোৱা সুৰৰ মধুৰ মূৰ্চ্ছনা আৰু বক্তব্যৰ মহত্বৰ কথা উপলব্ধি কৰিয়েই আজান ফকীৰে এদিন ৰচনা কৰিছিল জিকিৰ গীত । জিকিৰ গীতত যিদৰে আল্লা, ৰছুল, মক্কা, মদিনাৰ কথা প্ৰকাশ পাইছে তেনেদৰে হিন্দু, সন্ত-মহন্ত, শংকৰদেৱ, মাধৱদেৱ আদিৰ কথাও প্ৰকাশ পাইছে । এই জিকিৰ গীতবোৰ ৰচনা কৰোতে আজান ফকীৰে আৰবীয় সুৰতকৈ অসমীয়া বিহুনাম, বনগীত, ওজাপালি, লোকগীত আদিৰ সুৰবোৰক গুৰুত্ব দি সেইবোৰৰ 'মডুলেচন' কৰি এক নতুন আকৰ্ষণীয় সুৰৰ সৃষ্টি কৰিছিল । জিকিৰৰ সুৰৰ সেই বৈশিষ্ট্যৰ বাবেই আজি মুছলমানতকৈ অমুছলমানৰ মাজতেই জিকিৰৰ সমাদৰ অধিক । একে কথা বিহুনামৰ ক্ষেত্ৰতো খাটে । ব'হাগৰ বতৰত গৰু চৰাবলৈ বা পথাৰত কাম কৰিবলৈ যাওঁতে যেতিয়া গৰখীয়াই বিহুনাম গায় তেতিয়া তেওঁৰ সেই সুৰ কোৰাণ, বাইবেলৰ নে গীতাৰ সেই কথা তেওঁ পাহৰি যায় আৰু তেতিয়াই বিহুনাম হৈ পৰে সাৰ্বজনীন ।

বিহুনামৰ এই সাৰ্বজনীনতাৰ বাবেই যে জাতীয় উৎসৱৰূপে বিহু পালন কৰা হয় তেনে নহয়; বিহুনাম হ'ল তেজ-মঙহৰ মানুহৰ প্ৰেম আৰু ভাতৃত্বৰ উৎস, অন্যায়-অবিচাৰ, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে সবল প্ৰতিবাদ । সেয়ে দেখা যায়, ইংৰাজ শাসনৰ





কু-প্ৰভাৱ, ইংৰাজৰ কানি প্ৰচলন নীতি আদিৰ বিৰুদ্ধেও বিহুৱে যুগে যুগে সবল ভূমিকা পালন কৰে বা কৰি আহিছে । এনেস্থলত বিহুক কেৱল ধৰ্মৰ গণ্ডীত বিচাৰ কৰাটো ভুল হ'ব । এজন মুছলমানে তেওঁৰ ধৰ্মক ধৰ্ম হিচাপে ব্যৱহাৰ কৰি সামাজিক পৰম্পৰা বজাই ৰখাৰ দৰে বিহুৰ বতৰত বিহু পতা, পিঠা-পনা খোৱা, প্ৰকৃতিৰ বুকুত উমলি-জামলি গীত গোৱা, পৰস্পৰে পৰস্পৰক কুশল বতৰা জনোৱা, দীঘলতী পাতেৰে কোবাই গৰুক গা ধুওৱা একো অপৰাধ নহয় । আৰু যদিহে এইখিনি কৰাৰ বাবে অপৰাধ হয় তেনেহ'লে এজন মুছলমানে তেওঁৰ জন্মভূমি, তাৰ মাটি আৰু প্ৰকৃতিৰ প্ৰতি হৃদয়ৰ সম্পৰ্ক বুজি পোৱাত অসুবিধা হ'ব আৰু তেতিয়া তেনে লোকবোৰ হৈ পৰিব মৰুভূমিৰ প্ৰাণীসদৃশ । সেয়ে অসমৰ মুছলমানসকলে জনা উচিত যে তেওঁলোক আৰৱ মৰুভূমিৰ বাসিন্দা নহয়; তেওঁলোক সেউজভূমিৰে আবৃত অসমৰহে বাসিন্দা ।

## তিনি ঃ সাম্প্ৰতিক মুছলমান সমাজত কি ঘটিছে ?

মুছলমান এজনে বিহুত অংশগ্ৰহণ কৰাটো যদিহে শ্বৰীয়তৰ বাহিৰৰ কথা, তেনেহ'লে তলত উল্লেখ কৰা কেৰোণবোৰৰ বিৰুদ্ধে মুছলমান সমাজৰ আলিম-মোল্লাসকলে মাত মতা বা জনমত গঠন নকৰাটোৱে কি সূচাব ? আমি আশা কৰিম —যিসকলে বিহু বা অসমৰ আন ধৰ্মনিৰপেক্ষ সংস্কৃতিৰ সৈতে মুছলমানৰ সহমৰ্মিতা সহ্য নকৰে তেনে লোকে তলৰ উল্লিখিত কেৰোণবোৰ মুছলমান সমাজৰ পৰা নোহোৱা কৰাৰ বাবে আগবাঢ়ি আহিব । কেৰোণসমূহ হ'ল—

(ক) অসমৰ এক বৃহৎ সংখ্যক মুছলমান দৰিদ্ৰ । এওঁলোকৰ উন্নয়নৰ হ'কে মছজিদ-মাদ্ৰাছা আৰু অন্যান্য অনুষ্ঠানৰ জৰিয়তে বাহিৰৰ পৰা কোটি কোটি টকা আহে আৰু তাৰে নব্বৈ ভাগ টকা আত্মসাৎ কৰে মুছলমান সমাজৰেই এলিম নামধাৰী আৰু পৰহেজগাৰী কিছুমান লোকে । এনে লোকৰ বিৰুদ্ধে আন্দোলন গঢ়ি উঠা নাই কিয় ?

(খ) গুৱাহাটী বা আন নগৰ-মহানগৰত কাম কৰা শ্ৰমিক মহিলাৰ সৰহ সংখ্যকেই মুছলমান সমাজৰ । গুৱাহাটী মহানগৰীত চলোৱা এক সমীক্ষা মতে, মহানগৰীৰ শতকৰা ষাঠিভাগ দেহোপজীৱীনীয়ে মুছলমান সম্প্ৰদায়ৰ । দৰিদ্ৰতা আৰু ভ্ৰষ্টাচাৰৰ বলি এইসকল মুছলমানৰ জীৱন সম্পৰ্কে এলিম সমাজ সৰৱ হোৱা নাই কিয় ?

(গ) মদ খোৱাটো ইছলামত নিষিদ্ধ । অতি-সম্প্ৰতি মুছলমান সমাজত মদৰ

প্ৰচলন বৃদ্ধি পাইছে । অনেক মুছলমানে মদৰ পাৰ্মিট লোৱাৰ উপৰি মুছলমান এলিমসকলে নিৰ্বাচন কৰি পঠোৱা ৰাজনীতিবিদে কলহে কলহে মদ খায় । আনকি অসম মন্ত্ৰীসভাৰ এজন মন্ত্ৰীয়ে প্ৰায় চব্বিশ ঘণ্টাই মদ খায়; কিন্তু সেইজন মন্ত্ৰীকেই যেতিয়া হজ বিভাগৰ দায়িত্ব দিয়া হ'ল তেতিয়া অসমৰ কোনো এজন নৈষ্ঠিক মুছলমানেও তাৰ প্ৰতিবাদ নকৰিলে । বিনা প্ৰতিবাদে মানি লোৱা হ'ল মদ সেৱনকাৰী এজন মন্ত্ৰীক—যিজনক দিনত সাতবাৰ ছালাম জনায় এলিম-মোল্লা-হাজীসকলে ।

(ঘ) ৰমজানৰ মাহত মদাহী মন্ত্ৰী-বিধায়কৰ সৈতে অনেক মোল্লা-মৌলবীক ইফতাৰ কৰাৰ দৃশ্য দূৰদৰ্শনত দেখুওৱা হয় । অনেক অমুছলমান মন্ত্ৰীয়ে আয়োজন কৰা ইফতাৰ পাৰ্টিত বিয়াগোম এলিম কিছুমানে অংশ গ্ৰহণ কৰে । যদিহে অমুছলমানে আয়োজন কৰা ভোজেৰে ইফতাৰ কৰাটো সম্ভৱ, তেনেহ'লে বিহুৰ নামত পিঠা-পনা খোৱাটোত বাধা কিহৰ ?

তৰ্কৰ খাতিৰত এনেধৰণৰ অনেক প্ৰশ্নই কৰিব পাৰি । বিহু পতা, বিহুৰ পিঠা-পনা খোৱাত মুছলমানৰ বাধা থাকিলে এলোপেথিক ঔষধ, বজাৰৰ মিঠাই, বিস্কুট আদিওতো খাব নোৱাৰি । সেইবোৰতো কোনোবা অমুছলমানে বনাব পাৰে !

## চাৰি ঃ তেনেহ'লে মুছলমানে বিহু পতাত বাধা ক'ত ?

কিছুদিন আগতে ইছলামিক ছাত্ৰ সংগঠন এছ আই অ'ৰ সংগঠক তথা তৰুণ লেখক ৰাইনুৰ আহমেদে আমাক টেলিফোনেৰে জনালে যে আজিকালি কিছুমানে ইছলামিক অনুষ্ঠানৰ সভাপতি-সম্পাদক হ'বলৈ পাঁচ লাখলৈকে টকা খৰচ কৰে । কথাটোৱে কি সূচায় ? ধৰ্মৰ নামত জুৱাচুৰি নহয় জানো ? আমাৰ চকুৰ আগত এনে লোক আছে যাৰ বছৰেকীয়া আয় (সঁচা অৰ্থত) এক লাখ টকা; কিন্তু ধৰ্মীয় সংগঠনৰ নেতা হৈ মাহেকত ঘটি আছে এক লাখ টকাকৈ । এনে জুৱাচুৰিত জড়িত অনেক লোকে আমাৰ সমাজ নিয়ন্ত্ৰণ কৰি আছে । বিহু জুৱাচুৰি খেল নহয় । ধৰ্মীয় সংগঠনৰ নেতাৰ শোষণ আৰু জুৱাচুৰি সমৰ্থন কৰাতকৈ বিহু পতা ভাল, গীত গোৱা ভাল । পাৰবীন চুলতানাৰ গীতে পৃথিৱী জয় কৰিছে; তেওঁক লৈ কোন মুছলমান-অমুছলমানে গৌৰৱ নকৰে ? কট্টৰ মৌলবাদীৰ দেশ পাকিস্তানৰ গায়িকা নুৰজাহানৰ কণ্ঠ কোনোবাই বন্ধ কৰিব পাৰিছে জানো ? আয়তুল্লা খোমেনীৰ দেশ ইৰাণৰ বাস্তৱবাদী চলচ্চিত্ৰ 'ডেন্স অব দ্য জাষ্ট', 'লাইফ এণ্ড নাথিং এলচ', 'দ্য কোৱাইট হোম', 'ওৱানচ্ আপন এ টাইম', 'ট্ৰেভেলাৰ্চ', 'অভিনাৰ', 'টু এণ্ড এ হাফ টাইমছ' আদিয়ে কি সূচায় ? 'অগ্নি'ৰ জন্মদাতা বিজ্ঞানী ড° এ পি জে আব্দুল কালাম কেৱল





শ্বৰীয়তৰ গণ্ডীত থাকি বিখ্যাত হৈছেনে ? এইসকল লোকৰ বাবে মুছলমানসকলে গৌৰৱ নকৰেনে ?

'অসমীয়া খবৰ'ত বিহু আৰু মুছলমান বিতৰ্ক চলি থাকোতে বিহুৰ বতৰত মিচিং গাঁৱলৈ গৈ দেখিলো যে মিচিং ডেকা ল'ৰাই পিন্ধা মিবু গালুকৰ পিছপিনে মক্কা-মদিনাৰ গম্বুজৰ শোভনীয় ছবি সূতাৰে বনাইছে মিচিং গাভৰুৱে । সুধিলো—'মিবু গালুকত মক্কা-মদিনা কিয় ?' মিচিং মৃমবৃৰ-য়াঃমেহঁতে ক'লে—'ধুনীয়া দেখি বাবেই আমাৰ পোছাকত সূতাৰে তৈয়াৰ কৰিছোঁ । আমি তাজমহলো তৈয়াৰ কৰোঁ ।' এইবেলি ব'হাগ মাহটোত খেৰাবাৰীত বড়োৰ ৰংজালী বৈশাগু, বকতাত তাই-আহোমৰ চেংনাং বিহু, ধেমাজি জিলাৰ মাছখোৱাত ৰাতিবিহু, গুৱাহাটীৰ বিভিন্ন মঞ্চত নগৰীয়া বিহু, সোণতলী চৰৰ বিহু, ঢকুৱাখনাৰ ফাটবিহুত তাই-আহোম, চুতীয়া, কৈৱৰ্ত, দেউৰী, মিচিং আদি জনগোষ্ঠীৰ বিহু চালো, নাচিলো, বিহুনাম গালো । ক'তো মুছলমান নাই; কিন্তু আমি মুছলমান সমাজৰ পৰা গৈ সেইবোৰ ঠাইৰ বিহুত অংশগ্ৰহণ কৰাত সেই অমুছলমান ৰাইজৰ মনত আনন্দই নধৰা হ'ল । আমি পাহৰি গ'লো—কোন হিন্দু, কোন মুছলমান । তেওঁলোকে হুঁচৰিৰ শেষত গালে—'জয় হৰি বোলা, গৃহস্থ কুশলে থাক ।' আমি ক'লো—'জয় আল্লা বোলা, ৰাইজখন কুশলে থাক '। এয়াই বিহু । কুশল বতৰা বিনিময় কৰা বিহু, সম্প্ৰীতিৰ বিহু । এই বিহু নেপাতি কেনেকৈ থাকো ? আহক আমি জাত-পাতৰ বিৰুদ্ধে বিহু পাতো ।

(অসমীয়া খবৰ, ২৬ জুলাই, ২০০২)

# ফাটবিহুৰ বিহুনামৰ বৈশিষ্ট্য

বিহু প্ৰাকৃতিক আৰু কৃষিভিত্তিক উৎসৱ। ইয়াৰ সৈতে যিদৰে প্ৰকৃতি, কুলি-কেতেকী আদি জড়িত হৈ থাকে তেনেদৰে নৈ, পথাৰ, চাপৰি আদিও জড়িত হৈ থাকে। পূৰ্বতে জৰিগছ, বৰগছ আদিৰ তলত মৰা বিহু নৈৰ চাপৰিলৈয়ো গ'ল, পথাৰলৈয়ো আহিল। এনেকি গছতল, পথাৰ, চাপৰি আদিৰ পৰা আহি আহি বিহু সোমাল কংক্ৰিটৰ দালানৰ মাজত, লাখটকীয়া মহানগৰীয়া মঞ্চত। কৃষি-জীৱনৰ সৈতে জড়িত লোকৰ বিহু মহানগৰীৰ বিলাসী লোকৰ খন্তেকীয়া আমোদৰ সমলত পৰিণত হ'ল। বিহুৱে কান্দি উঠিল বেজাৰত; প্ৰকৃতি, নৈ, পথাৰ, চাপৰি, গছতল হেৰুওৱাৰ যন্ত্ৰণাত। তথাপিও বিহু আহি আছে উচুপি উচুপি বছৰে বছৰে। বহুজাতিক নিগমৰ আগ্ৰাসন, ভোগবাদৰ ভয়ানক দৈত্য, প্ৰকৃতি ধ্বংসকাৰী শত্ৰু, সন্ত্ৰাসজৰ্জৰ পৰিৱেশ সকলোকে নেওচি বিহু আহি আছে বছৰে বছৰে। প্ৰকৃতি হেৰুওৱাৰ বেদনাত কুলি-কেতেকীয়ে ইনাইছে বিনাইছে, নল-খাগৰি-বিৰিণাৰ মাজেৰে লুকাই চুৰকৈ আহি বিহুৱাই বিহুৱতীক মাত এষাৰ দিব নোৱাৰাৰ যন্ত্ৰণাত ছট্‌ফটাইছে। ইডালে সিডালে কপৌৰ কুৰুলিও শুনা নাযায়, মতা ম'হৰ পিঠিত উঠি ধনে কুৰুলিওৱা ধ্বনিও চেনেহীয়ে নুশুনে বতাহৰ ঢালত।

প্ৰকৃতি, পৰিবেশ আৰু জীৱ-জন্তুৰ এই পৰিৱৰ্তনশীল অৱস্থাৰ মাজতো অসমৰ এখন ঠায়ে, এখন নৈয়ে, প্ৰকৃতিৰ এখন ৰম্যভূমিয়ে, এখন চাপৰিয়ে বিহুৰ ঐতিহ্যক সাৱলীলভাৱে, প্ৰাণময়তাৰে জীয়াই ৰাখিছে। ঠাইখন হ'ল ঢকুৱাখনা, নৈখন হ'ল চাৰিকড়ীয়া, চাপৰিখন হ'ল ম'হঘূলি আৰু প্ৰকৃতিৰ ৰম্যভূমিখন হ'ল ফাটবিহুতলী। এই ঢকুৱাখনাৰ দাঁতিয়েদি বৈ যোৱা চাৰিকড়ীয়া নৈৰ পাৰত ম'হঘূলি চাপৰিৰ হাবিয়নিৰ কাষৰ ফাটবিহুতলীত প্ৰতি বছৰে তিনিদিনীয়াকৈ অনুষ্ঠিত হয় ঐতিহাসিক ফাটবিহু।

ফাটবিহুৰ এক ঐতিহাসিক প্ৰেক্ষাপট আছে। ফাটবিহুৰ বিহুনামৰ মাজত এই ঐতিহ্যৰ বেশ পোৱা যায়। বিহুনামত আছে ঃ





"পখিলা উৰাদি উৰ ঐ নাচনী
পখিলা উৰাদি উৰ,
ৰজাৰো আগৰ ফাটবিহুখনিৰ
নেপাবি পিৰীতিৰ ওৰ।"

অৰ্থাৎ আহোম ৰজাৰ আগৰ বা সম-সাময়িক এই ফাটবিহু পূৰ্বৰে পৰা ঢকুৱাখনাৰ দাঁতিয়েদি বৈ যোৱা চাৰিকড়ীয়া নৈৰ পাৰৰ ম'হঘূলি চাপৰিত অনুষ্ঠিত হৈ আহিছে। আহোম ৰজাৰ 'পানীফাট'ত এই বিহুৰ উৎপত্তি হৈছে। 'ফাট' হ'ল তাই ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল—নৈ বা গভীৰ পানী থকা ঠাইৰ দাঁতিত বেহা-বেপাৰ, কৰ-কাটল সংগ্ৰহ আদিৰ বাবে সমবেত হোৱা ঠাই। এই পানীফাটত আহোম ৰজাৰ দিনৰে পৰা বেহা-বেপাৰ কৰিবলৈ আহোম, চুতীয়া, মিচিং, দেউৰী, কৈৱৰ্ত আদি জনগোষ্ঠীৰ লোকে অংশ গ্ৰহণ কৰিছিল আৰু সাতদিন-সাতৰাতিলৈকে নাচ-গান-আনন্দৰ মাজেৰে কটাইছিল। তেতিয়াৰ সেই সাতদিনীয়া ফাটৰ মেল ফাটবিহুলৈ ৰূপান্তৰ হৈছিল আৰু পিছলৈ বিৱৰ্তনৰ মাজেৰে আহি ফাটবিহুৱে আজিৰ তিনিদিনীয়া ৰূপ পাইছে।

এই ঐতিহ্যময় ফাটবিহুক কেন্দ্ৰ কৰি নৈ, চাপৰি, হাবিয়নি, পথাৰ আদিৰ উল্লেখেৰে যিবোৰ বিহুনাম ঢকুৱাখনা অঞ্চলত প্ৰচলিত হৈ আছে তেনে বিহুনাম আন ঠাইৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ বিহুত শুনা নাযায়। প্ৰথমেই আহো ম'হঘূলি চাপৰিৰ নৈসৰ্গিক উল্লেখেৰে সমৃদ্ধ এটি বিহু নামলৈ ঃ

"ম'হঘূলি চাপৰিত আবেলি ঐ আবেলি
ধানে নিৰাইছিলা চাপৰি ঐ চাপৰি,
ব'হাগৰে দুপৰীয়া ঢোল পেঁপাৰ ঐ গুম্‌গুমনি
ঢপলিয়াই আহিলা মৰমৰে নাচনী।
হায়ৈ জোন এবেলি কিয় পোহৰ দিলি
মোৰে মন বলিয়া মোৰে মন বলিয়া কৰি।"

এই বিহুনামটি ফাটবিহুতলীৰ কাষৰ চাপৰিত ধান নিৰাই থাকোতে শুনিলে বিহুনামটিৰ সুৰৰ মুৰ্চ্ছনা নৈ, চাপৰি, ঢোল-পেঁপাৰ মাত, ধান খেতি, ওচৰৰ হাবিয়নি আদিৰ অপূৰ্ব নৈসৰ্গিক দৃশ্যই যিকোনো লোককেই 'বলিয়া' কৰিব। সীমাহীন সৌন্দৰ্যৰ এনে সংগমথলী অসমৰ আন কোনো বিহুতলীতেই দেখা নাযায়।

ম'হঘূলি চাপৰি ঢকুৱাখনাবাসীৰ স্মৃতিৰ মুকুট-মণি। ভূমিকম্প, বানপানী, নৈৰ গৰা-খহনীয়া আৰু আন আন প্ৰাকৃতিক দুৰ্যোগে চাপৰিটোৰ অৱস্থান কিছু পৰিমাণে সলনি কৰিলেও আজিও এই চাপৰিলৈ পুহৰ আৰম্ভণিত চাৰিওফালৰ গাঁৱৰ ৰাইজ আহে সমজুৱাভাৱে মাছ মাৰিবলৈ; বিহুৰ বতৰত গোট খায় মনৰ কথা

পাতিবলৈ । এই ম'হঘূলি চাপৰিক কেন্দ্ৰ কৰি অসমৰ কেবাগৰাকী সাহিত্যিকে কবিতা, গল্প, উপন্যাস আদি ৰচনা কৰিছে । চাপৰিটোক কেন্দ্ৰ কৰি ৰচিত আন কেইটামান বিহুনাম হ'ল ঃ

"হাবিলৈ গৈছিলো কটাৰী নিনিলো
নলটেঙা হাবিতে ৰ'ল,
ম'হঘূলি চাপৰিত বিহু মাৰি থাকোতে
চেংচুলি মুকলি হ'ল ।"

"ম'হঘূলিৰ বেত-গাজ সাপেখাতীৰ চেনীমাছ
বালিগাঁৱৰ ডাবৰি শাক,
ঔটেঙা ঐ টেঙেচি কিনো খাই যাবা ঐ
ক'লে ওৰ নপৰে তাক ।"

"হাততো জেতুকা ভৰিতো জেতুকা
কোনে দিলে জেতুকা তোক,
ম'হঘূলি চাপৰিৰ নাচনী কেইজনী
সিয়ে দিলে জেতুকা মোক ।"

"টকাৰ সৰু সৰু মাত সমনীয়া
টকাৰ সৰু সৰু মাত,
ম'হঘূলি চাপৰিত টকাৰ মাতে শুনি
এৰি যাওঁ পেটৰে ভাত ।"

"ম'হঘূলি চাপৰিত ধান নিৰাই আছিলোঁ
বিহুৰ কথাকে চিন্তি,
যেতিয়াই শুনিলোঁ ঢোলৰ গুম্‌গুমনি
এৰিলোঁ তাতে খন্তি ।"

যি ম'হঘূলি চাপৰিত বিহু মাৰি থাকোতে চেংচুলি মুকলি হয় সেই ম'হঘূলি চাপৰিত টকাৰ মাত শুনিলে আমাৰ নাচনীয়ে পেটৰ ভাত এৰি চাপৰিলৈ দৌৰে । এয়া হ'ল টকা বজাই মহিলা-বোৱাৰীহঁতে নাচি থকা টকাবিহুৰ দৃশ্য । এসময়ত এই ম'হঘূলি চাপৰি বেত-গাজেৰে ভৰপূৰ হৈ আছিল; আজি উদং । তথাপিও যেন ম'হঘূলিৰ তুলনা নাই । ইয়াৰ নাচনীৰ ৰূপৰ তুলনা নাই । ম'হঘূলিৰ ঢুলীয়াই এই নাচনীহঁতক ঢোল বজাই বলিয়া কৰে, ঢোলৰ তালে তালে নাচোতে নাচনীয়ে ঘৰৰ কথা পাহৰি যায় । ফাটবিহুৰ বিহুনামত আছে ঃ





"চৰাই মোহনীয়া ম'হঘূলিৰ ঢুলীয়া
কুটাহি জামুৰে তলত,
কিনো মোহেৰে মুহিলি চেনাইধন
ঘৰলৈ নপৰে মনত ।"

এই ম'হঘূলিৰ ঢুলীয়াই হ'ল ফাটবিহুৰ ঢুলীয়া । এই ঢুলীয়াক নেদেখিলে নাচনীৰ দেহাত জুই জ্বলে । যেনে ঃ

"ফাটবিহুৰ ঢুলীয়া ধন তই ধুনীয়া
ক'তেবা আছিলি শুই,
বিহুতলীত নেদেখি মনে মোৰ নামানে
দেহাত মোৰ জ্বলিছে জুই ।"

কেৱল ঢুলীয়া বা নাচনীৰ সৈতেই সম্পৰ্ক নাই, হাতী-মাউতৰ সৈতেও ম'হঘূলি চাপৰিৰ সম্পৰ্ক আছে । হাতীয়ে মাউতক পলুৱাই নিয়া বুলি কৈ প্ৰতীকী অৰ্থত ম'হঘূলি চাপৰিক লৈ এটি বিহুনাম পুৰণি জাত লগাই গোৱা হয় ঃ

"এ লি লিং লা লাং কচুশাকত তেল নাই
ঢুলীয়া কাংকান ঐ নাচনী মাকণ ধিদাংদাং
নীলমণি দাং লামডিং লতপ ঐ মণিৰাম চতপ ঐ
হাতীয়ে মাউতক পলুৱাই নিলেগৈ ম'হঘূলি চাপৰিলৈ ।"

এই যে ফাটবিহুৰ বিহুনামত উল্লেখ থকা 'কাংকান', ই আন কোনো নহয়-মিচিং ঢুলীয়াহে । মিচিং ঢুলীয়াৰ দুম্‌দুমৰ ছেও শুনি কোনোবা আহোম, দেউৰী বা কৈৱৰ্ত গাভৰুৱেও ফাটবিহুতলীত নাচে । এটা বিহুনামত ম'হঘূলি চাপৰি আৰু ফাটবিহুৰ সমন্বয়ৰ কথা কৈছে । যেনে ঃ

"ম'হঘূলি চাপৰি আহিবা লাহৰী
ফাটবিহুৰ বতৰা পাই,
মিচিং আহিব দেউৰীও আহিব
আমাৰ বিহু ভাঙোতা নাই ।"

এই ফাটবিহু আহিলে ঢকুৱাখনীয়াৰ গাত তৎ নাথাকে । কি বুঢ়া-বুঢ়ী, কি ডেকা-গাভৰু, কি শিশু-চেমনীয়া, কি বোৱাৰী-জীয়ৰী আটায়েই ফাটবিহুৰ আগমনত নতুন প্ৰাণ পাই উঠে । ফাটবিহুৰ বিহুনামত আছে ঃ

"বিহুতে বলিয়া কোনে সমনীয়া
বিহুতে বলিয়া কোন ?
বিহুতে বলিয়া ঢকুৱাখনীয়া

কঁপালত মহাৰে সোণ ।"

"বিহুতে বলিয়া ঢকুৱাখনীয়া
তামোলৰ বেপাৰী ক'ৰ,
তামোল কাটি কাটি নেদেখি আছিলোঁ
এইজনী নাচনী ক'ৰ ।"

"ফাটবিহুত বলিয়া কোনে সমনীয়া
ফাটবিহুত বলিয়া কোন ?
ফাটবিহুত বলিয়া ঢকুৱাখনীয়া
বুকুত পিৰীতিৰ জোন ।"

'কপালত মহাৰে সোণ' জিলিকা ঢকুৱাখনীয়াৰ 'বুকুত পিৰীতিৰ জোন' আঁকে ফাটবিহুৱে । 'ঢকুৱাখনাৰ ফাটবিহুৰ চিঠি' পাই দৌৰি আহে দূৰৰ বিহুবলীয়া ডেকা-গাভৰু; এনেকি ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হৈ ফাটবিহুলৈ যাবলৈ হাবিয়াস জাগি উঠে বিহুৱা-বিহুৱতীৰ মনত । যেনেঃ

"তিতিকি তিতাপাত মাজুলীৰ তুলাপাত
ঢকুৱাখনাৰ ফাটবিহুৰ চিঠি,
তোমাৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ
যাম লুইততে তিতি ।"

একেই আশা ঢকুৱাখনাৰ গাভৰুৰ মনতো জাগি উঠে । পূৰ্বতে ফাটবিহু দিনে-ৰাতিয়ে হৈছিল বাবে বিহুবলিয়া গাভৰুবোৰে ফাটবিহুৰ ঢোলৰ মাত শুনি দুৱাৰৰ ডাং কাটি ওলাই আহি ফাটবিহুতলীত নাচিছিল । তাৰে নিদৰ্শন বিহুনামত পোৱা যায়ঃ

"আহোমৰ ফাটৰে চেনেহৰ ফাটবিহু
কিনো চাবা পিৰীতিৰ ৰং,
ঢোলৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ
দুৱাৰৰ কাটিলো ডাং ।"

তদুপৰি যি বিহুলৈ দূৰৰ মিচিং গাঁও আৰু দেউৰী গাঁৱৰ পৰা বিহুৱা বিহুৱতী আহে সেই ফাটবিহুলৈ ঢকুৱাখনাৰ গাভৰুবোৰ নহাকৈ কেনেকৈ থাকে । ফাটবিহুৰ বিহুনামত বিহুৱতীয়ে গাইছেঃ

"চাৰিকড়ীয়াত মাৰি যাওঁ চাৰিটাকৈ ভেকুলী
ফাটবিহুত মাৰি যাওঁ মাকোঁ,





মিচিং আহিছে দেউৰীও আহিছে
মইনো ৰৈ কেনেকৈ থাকোঁ ।"

ঢকুৱাখনাৰ ওচৰে-পাজৰে কেৱল এখনেই দেউৰী গাঁও আছে । প্ৰায় ছয়-সাত কিলোমিটাৰ পশ্চিমৰ 'দেউৰী গাঁও' খনৰ নাম হ'ল বালিদেউৰী গাঁও । এই গাঁওখনত দিবঙীয়া ফৈদৰ দেউৰীসকলে বসবাস কৰে । অতীজৰে পৰা এই গাঁৱৰ দেউৰীসকলৰ সম্পৰ্ক ফাটবিহুৰ সৈতে আছে । দেউৰীসকলে ফাটবিহুত গোৱা বিহুনামত লুইত (ব্ৰহ্মপুত্ৰ), দিচাং আদি নৈৰ উল্লেখ সঘনে পোৱা যায় । তেনে উল্লেখ থকা দুটামান দেউৰী বিহুনাম হ'লঃ

"দিচাং নৈ লেহেঙনা কেন দে বুজি পাই
টেঙাপানী লেহেঙনা কেন,
য়য় বাবা লেহেৰণ গগই কাকাই লেহেৰণ
আনা যদি চ্ছু মো-জা লেন ।"

(দিচাং নৈ এৰি যাম, টেঙাপানী এৰি যাম, এনেকি নিজৰ আই-বোপাই, ভাই-ককাই সকলোকে এৰি যাম; যদিহে সঠিক কথা কোৱা)

"লুইতিয় লতুৱা চুগুংনা কেৰণ
আচুকুৰহ কেংনা দুকুন,
বাকিৰে বুজি পাই চুগুৰণ আঁকে
বুৰমহ মুকুমিজি লুকুন ।"

(লুইতৰ লতুৱাবোৰ নদীৰ সোঁতত উটি ভাহি যায় । নদীৰ পকনীয়াত পৰি লতুৱাবোৰ ক'ৰবাত বালিচৰত হয়তো লাগি ধৰিবগৈ । ঠিক তেনেদৰে মোৰ জীৱনটোও উটি-ভাহি গৈ ক'ৰবাত লতুৱাৰ দৰেই লাগি ধৰিবগৈ আৰু মই বিৰহৰ চকুলো টুকিমগৈ ।)

ফাটবিহুত মিচিংসকলৰ অংশ গ্ৰহণ সক্ৰিয় । ঢকুৱাখনা মহকুমাৰ দাংধৰা, আমগুৰি-মেধিসুঁতি, বকুলগুৰি খামন-বিৰিণা, অয়েঙীয়া, মইনাপাৰা, বগৰীগুৰি, খামন-লাগাচু আদি গাঁৱৰ মিচিং ডেকা-গাভৰুসকলে ফাটবিহুত অংশ গ্ৰহণ কৰি যিবোৰ বিহুনাম (অই নিঃতম্) গায় সেইবোৰৰ মাজেৰে ঢকুৱাখনাৰ ওচৰ-পাজৰৰ ব্ৰহ্মপুত্ৰ, খেৰকটা, সোৱণশিৰি (অৱনৰী) আদি নৈৰ কথা প্ৰকাশ পায় । যেনেঃ

"বৰনৈ চুল্‌লি পৃন্দুংবঃ পৌদং আচি পাঃমালা,
ঙক্কী আচিন্ পৃন্দুংবঃ অইনক্ আগম পাঃমালা ।"

(লুইতৰ বালিবোৰ বৰষুণৰ অভাৱত শুকাই গৈছে আৰু অনবৰতে তোমালৈ ভাৰি আৰু তোমাক কাষত নাপাই ময়ো শুকান বালিৰ দৰে শুকাই ক্ষীণাই গৈছোঁ ।)

"অবনৰী চুল্‌লিদীম অক্ আচ্চী জুঃ ৰায়েন,
আচিন মীঃ মান কঃনীদীম্ কাপী মীলদে ময়ীনী ।"

(সোৱণশিৰিৰ উত্তপ্ত শুকান বালিক এছাটি বৰষুণে তিয়াব নোৱাৰে, মনে-প্ৰাণে ভাল নোপোৱা অশুচি গাভৰুৰ মন কোনেও ঘূৰাব নোৱাৰে ।)

"কেৰকটা আনীল কাম্পুনচুলি ইদুনী,
আজ্জী দক্কী মীঃনামবৃ লতুৱাৰী ইদুনী ।"

(খেৰকটা নৈখন শুকান মৰুভূমি হ'ল, সৰুকালৰ ভালপোৱা আঁতৰি গ'ল)

এনেদৰেই ফাটবিহুত প্ৰচলিত বিহুনাম, অই নিঃতম্ আৰু ৰহিলা গীতে ঢকুৱাখনা অঞ্চলৰ ঐতিহ্যক চহকী কৰিছে । ফাটবিহুৰ জন্মস্থান ঢকুৱাখনাৰ প্ৰাচীন নাম আছিল 'হাবুং' । অনাৰ্য টাই-আহোম ভাষাৰ শব্দ 'হা' আৰু 'বুং' মিলি 'হাবুং' হৈছে । 'হা' মানে বহল আৰু 'বুং' মানে ঠাই । অৰ্থাৎ আহল-বহল ঠাই । আন এক অৰ্থত হাবুং মানে পলসুৱা আৰ্দ্ৰভূমি । আজিও ঢকুৱাখনা অঞ্চলটো শস্য আৰু সংস্কৃতিৰে আহল-বহল পলসুৱা আৰ্দ্ৰভূমি হৈ আছে । ঢকুৱাখনাৰ ফাটবিহুৰ বিহুনামতো পূৰ্বৰ হাবুঙৰ উল্লেখপোৱা যায়, আহোমৰ অস্থায়ী ৰাজধানী হাবুং আৰু স্থায়ী ৰাজধানী ৰংপুৰ একাকাৰ হৈ পৰে । যেনে ঃ

"ৰংপুৰৰ বেপাৰী ঐ ঢকুৱাখনাৰ কটাৰী ঐ
নেকাটিলেও কাটো যেন কৰে,
চাৰিকড়ীয়াৰ পানী ঐ হাবুঙৰে গাভৰু ঐ
নেনাচিলেও নাচো যেন কৰে ।"

ঢকুৱাখনা চাৰিআলিক কেন্দ্ৰ কৰিয়ো এই বিহুনামটি গোৱা হয় ঃ

"ৰংপুৰৰ বেপাৰী ঐ ঢকুৱাখনাৰে কটাৰী ঐ
নেকাটিলেও কাটো যেন কৰে,
চাৰিআলিৰ মূৰতে মইনানো বহি আছে
নেমাতিলেও মাতো যেন কৰে ।"

ফাটবিহুৰ অপূৰ্ব স্ৰোতধাৰা বোৱাই আছে চাৰিকড়ীয়া নৈখনে । সৰু অথচ মোহনীয় নৈ । তাহানিতে এই নৈখন পাৰ হ'বলৈ ঘাটোৱৈক চাৰিটা কড়ি দিবলগা হৈছিল । সেয়ে ইয়াৰ নাম চাৰিকড়ীয়া । ম'হঘূলি চাপৰিৰ দৰেই চাৰিকড়ীয়া নৈখনেও অসমীয়া সাহিত্যত বিশেষ স্থান অধিকাৰ কৰিছে । ঢকুৱাখনাবাসীৰ মনত এই নৈখনৰ দৰে চহকী নৈ এখনো নাই, ইয়াৰ পাৰতেই অসমীয়া কৃষ্টিয়ে অনন্য ৰূপ পাইছে । ফাটবিহুৰ বিহুনামত তাৰেই ধ্বনি শুনা যায় ঃ





"ম'হঘূলিৰ কাষৰে চাৰিকড়ীয়া নৈখন
নহয় আন নৈৰ সমান,
অসমীয়া কৃষ্টি নেৰিবা সমনীয়া
নৰ'ৰ জাতিৰে মান ।"

এই নৈখনক কেন্দ্ৰ কৰি প্ৰচলিত বিহুনাম অনেক আছে । তাৰে কেইটামান হ'ল ঃ

"চাৰিকড়ীয়া নৈৰ পাৰতে কলচী বোৱালোঁ
তাৰ মাজত সোমালে পুণি,
লৰি ঢাপৰি আহো খৰে কৰি
বিহুৰ বাতৰি শুনি ।"

"খাওঁ চিকাচন্দা লওঁ ধোবাই ধেৰা
গা কৰোঁ তিয়হৰ জালি,
ঘৰত মনে মাৰি থাকিব নোৱাৰোঁ
মন চাৰিকড়ীয়াৰ বালি ।"

"চাৰিকড়ীয়াৰ পাৰতে বিহু মাৰি থাকোতে
চেনায়ে লগালে মাত,
চেনাইৰ মাততে ৰ'বকে নোৱাৰি
পিৰীতি লাগিলে গাত ।"

ফাটবিহুতলীৰ দাঁতিয়েদি বৈ যোৱা চাৰিকড়ীয়াৰ দক্ষিণে বিশাল চাপৰি, য'ত কঁহুৱা বননিৰ অপূৰ্ব দৃশ্য উপভোগ কৰা যায় । উত্তৰপিনে ফাটবিহুতলীৰ গাতে লাগি আছে হাবিয়নি, য'ত শুনা যায় কুলি-কেতেকীৰ ইননি-বিননি । ফাটবিহুৰ এটি বিহুনামত তাকেই কৈছে ঃ

"চাৰিকড়ীয়াৰ সিপাৰে কঁহুৱা বননি
কুলি কেতেকীৰ ইননি-বিননি,
ম'হঘূলি চাপৰিত ঢোলৰে চাপৰত
ওলাল জাকিমাৰি আমাৰে নাচনী ।"

ঢকুৱাখনা অঞ্চলটি মুগা শিল্পৰে সমৃদ্ধ । বিহুৰ বতৰত এই অঞ্চলটিৰ নাচনীসকলে নিজৰ চোমনীবাড়ীত উৎপাদন কৰা মুগা সূতাৰে মেখেলা ৰিহা (চাদৰ নহয়) বৈ সেইবোৰ পিন্ধি বিহুতলীত নাচে । বিহুৰ সাজ-পাৰৰ প্ৰকৃত চৰিত্ৰ ঢকুৱাখনীয়াই বহন কৰি আছে । ফাটবিহুৰ বিহুনামতো আছে 'চোমৰ চিৰিলি পাত'ৰ কথা ঃ

"চাৰিকড়ীয়াৰ পাৰৰে কঁহুৱা শুৱনি
চোমৰে চিৰিলি পাত,
বিহুৰ কথা ভাৱি তোমাকে নেদেখি
চেতনা নাইকীয়া গাত ।"

ম'হঘূলি চাপৰিৰ ফাটবিহুতলীৰ বিহুৰ কথা শুনি চাৰিকড়ীয়া নৈ পাৰ হৈ নাচনীয়ে কিদৰে ঢপলিয়াই আহে তাৰ সজীৱ বৰ্ণনা ফাটবিহুৰ বিহুনামত আছে ঃ

"চাৰিকড়ীয়া পাৰ হৈ ঢপলিয়াই আহিলোঁ
বিহুৰে বাতৰি পাই,
ম'হঘূলি চাপৰিত বিহুখন পাতিছে
চেনাইৰ দেখা দেখি নাই ।"

চেনাই নাহিলেও বিহুৰ উকি শুনি শালৰ তাঁত শালতে এৰি নাচনী আহে ফাটবিহুতলীলৈ । ফাটবিহুৰ বিহুনামত আছে ঃ

"ম'হঘূলি চাপৰিৰ ফাটবিহুতলীত
শুনিলোঁ বিহুৰে উকি,
শালৰে মেলা তাঁত শালতে এৰিলোঁ
বিহুলৈ আহিলো গুচি ।"

চাৰিকড়ীয়া নৈৰ উল্লেখেৰে ফাটবিহুৰ বিহুনামত নানা প্ৰকাৰৰ জাতৰো সৃষ্টি হৈছে । তেনে জাত লগাই গোৱা এটি বিহুনাম হ'ল ঃ

"চ'তে গৈয়ে গৈয়ে চাৰিকড়ীয়া নদীৰ লিহিৰা
ব'হাগে পালেহি চাৰিকড়ীয়া নদীৰ লিহিৰা
ৰঙা চোলা বোলোৱা আমাৰ লগত ওলোৱা
বিহুনো মাৰিবলৈ, বিহুনো মাৰিবলৈ যাওঁ ।"

এই চাৰিকড়ীয়া নৈৰ অপৰূপ সৌন্দৰ্যৰ কথা ফাটবিহু স্থায়ী সমিতিৰ সভাপতি শিৱপ্ৰসাদ গগৈয়ে 'চাৰিকড়ীয়াৰ পাৰত বহাগ' শীৰ্ষত লেখাত এনেদৰে বৰ্ণনা কৰিছে ঃ "নৈখনে কিন্তু নিৰ্বিকাৰ ছবিবোৰ আঁকিয়ে আছে । পকা ধোপখেলৰ গিৰিপনিত, খিল্‌খিল গাভৰু জাকৰ বনৰীয়া হাঁহিত, ম'হৰ পিঠিত উঠি উকিয়াই উকিয়াই শিমলু তুলা উৰুওৱা ডেকাবোৰৰ নিশ্বাসত এতিয়াও নদীখনে পাহৰা নাই ৰাতিৰ বনৰীয়া সুৰ । সময় বোকোচাত বান্ধি নৈখনে এতিয়া নিবিড় নিঝুমতাত নিদ্ৰামগ্ন... । কোন দূৰ অতীতৰ পৰা বৈ থকা চাৰিকড়ীয়া নদীখনি ফাটবিহুৰ উতনুৱা সুৰত আজিও বাউলি হয়নে ? আজিও 'চতিয়নাৰ ওপৰে বেলি গ'লে দুপৰে' বুলি ম'হঘূলি চাপৰিত বেইতা স্বামীয়ে ৰাউচি জুৰেনে ?" গগৈয়ে ভৱাৰ দৰে চাৰিকড়ীয়া





নৈখন বনৰীয়া সুৰত আজিও বাউলি হয়; সেই সুৰত বলিয়া হৈ চাৰিওফালৰ মানুহ ফাটবিহুতলীত মিলিত হয়; ফাটবিহু হৈ পৰে সমন্বয়ৰ থলী ঃ

"চাৰিকড়ীয়াৰ পাৰতে ব'হাগে খেলিছে
যৌৱনৰ পিৰীতি খেলা,
ম'হঘূলিলৈ আহিবা ফাটবিহুত নাচিবা
পাতিবা সম্প্ৰীতিৰ মেলা ।"

চাৰিকড়ীয়া নৈখনে চেনাইৰ মনত এনে এক স্থান দখল কৰিছে যাৰ সৈতে তুলনা কৰা হয় জীৱনক । তেনে এটি বিহুনাম হ'ল ঃ

"জীৱন চাৰিকড়ীয়া নৈত পাৰোঁ নাও চলাব
তুমি উঠো বুলি ক'লে,
কলিজাৰ ৰঙাতেজ ঢালি দিব পাৰোঁ মই
তুমি লাগে বুলি ক'লে ।"

এই চাৰিকড়ীয়া নৈৰ পাৰৰ ফাটবিহুত নানাচিলে, নাচনীৰ সৈতে কথা নাপাতিলে, চেনাইক কাষত নেপালে বিহুৱা-বিহুৱতীৰ জীৱনটো যেন অথলে যাব— এনে আকলুৱা ভাৱ ফুটি উঠে ফাটবিহুৰ বিহুনামৰ মাজেৰে ঃ

"জীৱনটো অথলে যাব ঐ চেনাই ধন
জীৱনটো অথলে যাব,
ফাটবিহুতলীতে তোমাকে ঐ নেপালে
মৰম-চেনেহ মৰহি যাব ।"

এয়াই ফাটবিহুৰ ঐতিহ্য কঢ়িওৱা বিহুনাম; য'ত ফাটবিহু, চাৰিকড়ীয়া নৈ, ম'হঘূলি চাপৰি, ফাটবিহুতলী, চোমনি, ঢকুৱাখনা, পূৰ্বৰ হাবুং, অৱনৰী, খেৰকটা, ব্ৰহ্মপুত্ৰ আদি প্ৰসঙ্গই সুকীয়া স্থান পাইছে । এইবোৰৰ উপৰিও ফাটবিহুৰ বিহুনামত স্থান পাইছে ঢকুৱাখনাৰ কুৱাবাৰী দলনি, নাতিদূৰৰ বাসুদেউ থান, কড়া নৈ, কুমতীয়া নৈ, লাইপুলীয়া নৈ, লক্ষীমপুৰ, মাছখোৱা আদি প্ৰসঙ্গই । ঢকুৱাখনাৰ অন্যতম পক্ষী উদ্যান (বিলৰ দৰে) কুৱাবাৰী দলনিলৈ বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটি আহে । এই দলনিয়ে ঢকুৱাখনাৰ প্ৰাকৃতিক চিত্ৰখন তুলি ধৰাত বহু যুগৰে পৰা সফলতা লাভ কৰি আহিছে যদিও অতি সম্প্ৰতি দলনিখন বাম হৈ অহাৰ ফলত চৰাইৰ সংখ্যাও কমি আহিছে । এদিন কালৰ বুকুত এই দলনি হেৰাই গ'লেও তাৰ কথা বিহুনামত শুনিবলৈ পোৱা যাব । এই দলনিৰ উল্লেখ থকা ফাটবিহুৰ দুটামান বিহুনাম হ'ল ঃ

"কুৱাবাৰী দলনিত হাল বাই থাকোতে
শুনিলোঁ ঢোলৰ মাত,

## দুই ঃ চ'তত ঘিট্‌মিটায় ৰাতিবিহুৱে

"চ'তত ঘিট্‌মিটালে ৰাতিবিহু কৰিলে
ব'হাগত নোৱালে গৰু,
তোমাকে লাহৰী আনিব খুজিলোঁ
বয়সত দেখিলোঁ সৰু ।"

ৰাতিবিহু হ'ল ব'হাগ বিহুৰ অন্তৰ্গত এক ঐতিহ্যময় সাংস্কৃতিক উৎসৱ । ৰাতিৰ ভাগত বা গধূলি পৰত অনুষ্ঠিত হৈছিল বাবে এই বিহুক ৰাতিবিহু বুলি কোৱা হয় । ৰাতিবিহুৰ ইতিহাস বহু পুৰণি । চুতীয়া আৰু আহোম ৰজাসকলৰ দিনৰে পৰাই ৰাতিবিহুৱে এক স্বকীয় মৰ্যাদা কঢ়িয়াই আনিছে বুলি কোৱা হয় । কিছুবছৰ আগলৈকে শিৱসাগৰ জিলাৰ মেলামৰা, বকতা, ডিব্ৰুগড় জিলাৰ গজপুৰীয়া গাঁও, লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা আদিতো ৰাতিবিহুৰ প্ৰচলন আছিল । মাছখোৱাতো ৰাতিৰ ভাগত ৰাতিবিহু অনুষ্ঠিত হৈছিল বুলি জনা যায় । আজিৰ আধুনিক যুগত ৰাতিবিহুৰ পূৰ্বৰ ঐতিহ্য নাই যদিও অতি সম্প্ৰতিও 'ৰাতিবিহু' নামেৰে মাছখোৱাৰ ৰাইজে পূৰ্বৰ ঐতিহ্যটিক জীয়াই ৰাখিছে । অৱশ্যে আজিৰ ৰাতিবিহু ৰাতিৰ ভাগত অনুষ্ঠিত নহয়, উৎসৱটিয়ে আনুষ্ঠানিক ৰূপ লোৱাৰ পিছত ৰাতিপুৱাৰ পৰা গধূলিলৈকে অনুষ্ঠিত হয় ।

যোৱা পাঁচটা বছৰে ৰাতিবিহু অনুষ্ঠিত হোৱাৰ পিছত এইবেলিও যোৱা ১৫ আৰু ১৬ ব'হাগত মাছখোৱাৰ মিলন সংঘৰ বাকৰিত দুদিন জুৰি ৰাতিবিহু অনুষ্ঠিত হয় । এই ৰাতিবিহুত যে কেৱল স্থানীয় লোকৰেই সমাবেশ ঘটে তেনে নহয়; ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰৰ পৰা ৰাতিবিহুলৈ বিহুবলিয়া ৰাইজৰ ঢল বয় । উল্লিখিত দুয়োটা দিনতে মিচিং, নেপালী, চাহ জনগোষ্ঠী আদিৰ ব'হাগ আৰু কৃষিকেন্দ্ৰিক গীত-নাচ প্ৰদৰ্শন কৰা হয় । তদুপৰি আহোম, চুতীয়া, কৈৱৰ্ত, কলিতা, অনুসূচীত জাতি আদি জনগোষ্ঠীৰ লোকেও স্ব-স্ব গুণেৰে সমৃদ্ধ বিহুনাচ প্ৰদৰ্শন কৰে । দেউৰী আৰু সোণোৱাল-কছাৰী জনগোষ্ঠীৰো কিছু লোক ৰাতিবিহু উপভোগ কৰিবলৈ আহে । মুঠতে ঢকুৱাখনাৰ ফাটবিহুৰ দৰেই মাছখোৱাৰ ৰাতিবিহুথলীও বিভিন্ন জনগোষ্ঠীৰ সমাবেশেৰে সমন্বয় থলীৰূপে জাতিস্কাৰ হৈ পৰে । সৰু-ডাঙৰ সকলো একাকাৰ হৈ পৰে । চ'তত ঘিট্‌মিটোৱা ৰাতিবিহুৱে বহাগত প্ৰাণৰ জোঁৱাৰ তোলে; মাছখোৱাৰ প্ৰকৃতিয়ে নতুনকৈ ঠন ধৰি উঠে, ৰাতি দুপৰত মাছখোৱাৰ প্ৰকৃতিত বিনোৱা কেতেকী চৰায়ে পুৱাৰ ভাগত আশাৰ গীত জুৰে, লাইপুলীয়া নদীখনে নতুন ৰূপ লয়, গতি সলায়, মাছখোৱা অঞ্চলৰ ৰাইজৰ মনৰ গতি বাঢ়ে ।





## তিনি ঃ মৎস্যাখ্যানৰ মাছখোৱা

"ঘৰলৈ গ'লে মোক আয়ে দংশিব
কেনেকৈ ছিঙিলি কাণ,
লাইপুলীয়া নৈখন কুৰুকা কুৰুকি
তাতে পৰি ছিগিলে কাণ ।"

মাছখোৱাৰ মাজেৰে বৈ যোৱা লাইপুলীয়া নদীখনে যিদৰে বিহুগীতত ঠাই পাইছে তেনেদৰে মাছখোৱায়ো অসমৰ ইতিহাসত ঠাই পাইছে । অতীত ঐতিহ্যৰে সমৃদ্ধ মাছখোৱাৰ ইতিহাস মতে, ঠাইখনৰ পথালিয়াল পথাৰৰ মাজৰ বটবৃক্ষৰ তলত (য'ত বৰ্তমানৰ ভোমোলাগুৰি নামঘৰ অৱস্থিত) ঋষি মৎস্যাখ্যানৰ সিদ্ধিলাভ হৈছিল । সেই মৎস্যাখ্যানৰ নামৰ পৰাই কালক্ৰমত ঠাইখনৰ নাম মাছখোৱা হয় বুলি কোৱা হয় । আন এক জনশ্ৰুতিমতে, পূৰ্বতে ঠাইখনৰ চাৰিওফালে পানীয়ে আগুৰি আছিল আৰু মাজছোৱা কিছু ওখ আছিল । সেই মাজছোৱাৰ পৰাই মাছখোৱা নামটোৰ জন্ম হয় বুলি কোৱা হয় । মাছখোৱাত এসময়ত যে মাছৰ উভৈনদী আছিল সেই কথা প্ৰকাশ কৰে ইয়াৰ চৌদিশৰ গাঁওবোৰৰ নামকৰণে । মাছৰ নামৰ সৈতে সম্পৰ্কযুক্ত তেনে কেইখনমান গাঁৰৰ নাম হ'ল—শ'লমৰা, শালমাৰী, শিঙিমাৰী, গৰৈমাৰী, কাৰৈমাৰী, খলিহামাৰী, পাভমাৰী, কুহিমাৰী, বাটমাৰী, কান্দুলীমৰা, বৰালিমৰা আদি । ৰাতিবিহুত প্ৰচলিত বিহুনামতো আছে এনে নামৰ উল্লেখ । যেনে ঃ

"শ'লমৰা চাপৰিত ধানে দাই আছিলা
ঘিলা চকলিয়া মুঠি,
সকলোকে দেখোঁ তোমাকহে নেদেখোঁ
চাওঁ বোৱাল গছত উঠি ।"

## চাৰি ঃ কঁকালৰ জোৰ কমিলেও মনৰ জোৰ কমা নাই !

নৈ, বিল, খালেৰে আগুৰা মৎস্যাখ্যানৰ মাছখোৱাৰ মিলন সংঘৰ বাকৰিত দুদিনীয়া ৰাতিবিহু উপভোগ কৰি থাকোতে তিনিটা দৃশ্যই আমাক চমক খুৱালে । তাৰে প্ৰথমটো দৃশ্য হ'ল প্ৰায় ডেৰশ চেমনীয়া নাচনীৰ বিহুনাচ আৰু দ্বিতীয় দৃশ্যটো হ'ল মুকলি পথাৰত মুকলি বিহু চলি থাকোতে কপাহতলী বিহুদলৰ গোৱালৰূপী চেনায়ে চেনেহী নাচনীক শ শ দৰ্শক-শ্ৰোতাৰ মাজৰ পৰা থাউকতে পলুৱাই নিয়া ঘটনা । তৃতীয় দৃশ্য অতিকৈ আচৰিতজনক যদিও মন পৰশা আৰু আমোদজনক ।

আগৰ বিহুতলীত প্ৰেম-ভালপোৱাৰ গুলিয়াগুলী চলিছিল; সেই গুলীৰে বিহুৱাই বিহুৱতীক, ঢুলীয়াই নাচনীক ঘাইল কৰিছিল; পীৰিতিৰ তেজ বৈ গৈছিল । আজিকালি বন্দুকৰ গুলীয়ে বিহুতলী ৰাঙলি কৰে; তেজৰ নৈ বৈ যায়; সম্প্ৰীতি বিনষ্ট কৰে । আগতে মানুহক বনৰ বাঘে খাইছিল; কিন্তু আজিকালি কুটিকুটি খায় মনৰ বাঘে । ঢকুৱাখনাৰ ফাটবিহুৰ দৰেই মাছখোৱাৰ ৰাতিবিহু হ'ল মনৰ বাঘ খেদা উৎসৱ, তেজৰ নৈ বন্ধ কৰা সংস্কৃতি আৰু সম্প্ৰীতিৰ অপূৰ্ব চানেকী । কাৰণ, এই ৰাতিবিহুতেই মাছখোৱাবাসীয়ে গায় ঃ

"মাছখোৱাৰ পথাৰত ৰাতিবিহুৰ বতৰত
চেনাই আছেহি বৈ,
ঢপলিয়াই আহিছে চৌদিশৰ নাচনী
সম্প্ৰীতিৰ বতৰা লৈ ।"

(সাদিন, ২৭ জুলাই, ২০০১)

---





# বিহু গ'লে বিনাবা কাক

১৯২৪ শকৰ ৰঙালী বিহু পাৰ হৈ গ'ল । কিন্তু বিহুক ভাল পোৱা অসমবাসীৰ মনত জেঠ মাহতো বিহুৰে দোলা দি আছে; আৰু দুমাহলৈ বিহুৰ সোঁৱৰণি অসমীয়া ৰাইজে পাহৰিব নোৱাৰে । আজিৰ জেঠ মাহতো অনুষ্ঠিত কৰা ব'হাগী উৎসৱ, ব'হাগী বিদায়, বিহু উৰুওৱা উৎসৱ আদিও হয়তো পাৰ হৈ যোৱা ব'হাগৰ ৰঙালী বিহুৰেই সোঁৱৰণ, প্ৰতিফলন ।

ব'হাগ বিহুৰ নামত অসমৰ চুকে-কোণে বিহু সন্মিলন অনুষ্ঠিত হৈ থাকে । এই সন্মিলনবোৰে প্ৰকৃতাৰ্থত বিহুৰ মৰ্যদা ৰক্ষা কৰিব পাৰিছেনে নাই তাৰ বিচাৰ কৰাৰ সময় আহি পৰিছে । কাৰণ, ক্ৰমান্বয়ে সংস্কৃতিৰ নামত অপ-সংস্কৃতিয়ে গা কৰি উঠা আমাৰ সমাজত বিহুও যে বহু পৰিমাণে বিকৃত হৈছে বা বিকৃত হ'বলৈ ধৰিছে সেই কথা বুজা গ'ল এইবেলিৰ কেবাখনো বিহুমঞ্চত । বিশেষকৈ গুৱাহাটীৰ বিহুমঞ্চত বিহুক অতি পৰিকল্পিতভাৱে যে হত্যা কৰাৰ প্ৰক্ৰিয়া চলিছে সেই কথা হয়তো বিহুৰ প্ৰকৃত মৰ্মাৰ্থ বুজাসকলে উপলব্ধি কৰিব । আনহাতে মহানগৰীয়া বিকৃতিকৰণৰ বিপৰীতে উজনি অসমৰ ঢকুৱাখনা, মাছখোৱা, ধেমাজি, বকতা আদি অঞ্চলত বিহু অবিকৃত অৱস্থাত পৰিবেশন কৰি জাতীয় সম্পদটিক জীয়াই ৰখাত সেই অঞ্চলবোৰৰ ৰাইজে যৎপৰোনাস্তি চেষ্টা চলাই আছে ।

এইবেলিৰ বিহুত মহানগৰী গুৱাহাটীৰ কেবাখনো বিহু সন্মিলনৰ লগতে আমি ঢকুৱাখনাৰ ফাটবিহু, মাছখোৱাৰ (ধেমাজি) ৰাতিবিহু, বকতা পাৰিজাতৰ বিহু, সোণতলী চৰৰ বিহু, খৈৰাবাৰীৰ বিহু আৰু ৰংজালী বৈশাগু, মিচিং বিহু, দেউৰী বিহু, টাই-আহোম বিহু আদিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিলোঁ ।

পোন প্ৰথমহেই আমি ব'হাগৰ আৰম্ভণিতে মহানগৰীৰ বিহুৰ কৰুণ অৱস্থা দেখি বিহু সন্মিলনৰ উদ্যোক্তাসকলৰ ব্যৱসায়িক আৰু সংস্কৃতি বিৰোধী মানসিকতাৰ উমান পালোঁ । মহানগৰীৰ বেছিভাগ বিহুতলীৰেই 'উপাৰ্জন'ৰ আহিলা হ'ল বহুজাতিক নিগমৰ প্ৰচাৰ মাধ্যম, কোকোকোলা, পেপ্‌চি আদিৰ কোম্পানী, মদৰ দোকান, মদৰ মহল, দুৰ্নীতিগ্ৰস্ত আমোলা, ৰাজনীতিবিদ আদি । সাধাৰণ ৰাইজক লুটি-পুটি খোৱা বহুজাতিক নিগমৰ 'স্পনশ্বৰচিপ'ৰ দ্বাৰা অনেক লাখটকীয়া শিল্পীয়ে বিহুমঞ্চবোৰত গীত পৰিবেশন

কৰোঁতে মদ খাই থকা দৃশ্যবোৰ আছিল অতিকৈ কুশ্ৰী আৰু জঘন্য । গাঁৱৰো দুই-এখন বিহু সন্মিলনত এনে প্ৰৱণতাই গা কৰি উঠা দেখিছোঁ ।

তদুপৰি বিহু বুলি কওঁতে যে বিহুৰ উদ্যোক্তা আৰু বিহুৱা-বিহুৱতীসকলে এক স্বকীয় বৈশিষ্ট্যসম্পন্ন পোছাক পৰিধান কৰিব লাগে তাৰ প্ৰতি মহানগৰৰ ৰাইজ তেনেই উদাসীন । যোৱা কেবাবছৰ ধৰি ঢকুৱাখনাৰ ফাটবিহু, মাছখোৱাৰ ৰাতিবিহু আদিত অংশগ্ৰহণ কৰি আমি দেখিছোঁ যে, সেইবোৰ অঞ্চলৰ বিহুতলী বা বিহুমঞ্চত পুৰুষে চুৰীয়া-পাঞ্জাবী বা পায়জামা-পাঞ্জাবী আৰু মহিলাই মেখেলা-চাদৰ নিপিন্ধাকৈ প্ৰৱেশ কৰিব নোৱাৰে । এবাৰ (১৯৯৯ চন) আমি ঢকুৱাখনাৰ ফাটবিহুৰ অতিথি হিচাপে গৈ লংপেণ্ট পিন্ধি মঞ্চত (ওখ ভেটি) আসন গ্ৰহণ কৰাৰ পিছতো আসন এৰি নামি আহিবলগা হৈছিল আৰু সেই শিক্ষা পোৱাৰ পিছত যিমানবোৰ বিহু সন্মিলনত অতিথিৰূপে যোগদান কৰিছোঁ তাৰে আটাইবোৰতে চুৰীয়া পিন্ধি গৈছোঁ । ২০০০ চনত এই লেখক আৰু অভিনেতা প্ৰাঞ্জল শইকীয়া দৰং জিলাৰ লাউজানৰ বিহুলৈ চুৰীয়া পিন্ধি যোৱা দৃশ্য দেখি বিহু সন্মিলনৰ কেবাজনো বিষয়ববীয়াই দৌৰি ঘৰলৈ গৈ লংপেণ্ট খুলি চুৰীয়া পিন্ধি আমাৰ সৈতে মঞ্চত বহিছিল । এইবেলি মহানগৰৰ মঞ্চৰ শতকৰা নব্বৈভাগ বিষয়ববীয়াকে দেখিলোঁ লংপেণ্ট পিন্ধি, ৰংচঙীয়া মুম্বাই মাৰ্কা শাড়ী পিন্ধি মঞ্চত আসন গ্ৰহণ কৰা ।

সাধাৰণ জীৱনত পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধ্য-বাধকতা থাকিব নোৱাৰে; কিন্তু পৰম্পৰাগত সাংস্কৃতিক অনুষ্ঠান বা উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰত এই বাধ্য-বাধকতা অতি প্ৰয়োজন । অন্যথা সংস্কৃতিৰ মৰ্যাদা যথেষ্ট পৰিমাণে হানি হয়, বিকৃতিকৰণৰ গতি ত্বৰান্বিত হয় । গামোচা বা বিহুৱানৰ ক্ষেত্ৰত এই বিকৃতিকৰণ ব্যৱসায়িক দিশত বৰ সজোৰে চলি আছে । আজিৰ বেছিভাগ বিহু সন্মিলনতেই মাদুৰাই, বাংগালোৰৰ শিল্পপতিৰ কাৰখানাৰ গামোচাৰে অতিথিক আদৰা হয়; আমাৰ বোৱঁনীৰ গামোচা এলাগী হৈ থাকে । শৰাই, বুটমাহ, কল আদিৰ ক্ষেত্ৰতো আমি সঘনাই আমদানি কৰিবলগা হয় বাহিৰৰ পৰা । বিহুতো এই বাহিৰা সামগ্ৰীৰ আমদানি যিদৰে চলে তেনেদৰে চলিবলৈ দিলে 'বিহু' নামটোৰ বাহিৰে এই সংস্কৃতিৰ আন একো বৈশিষ্ট্যই হয়তো জীয়াই নাথাকিব ।

বিহুৰ বিকৃতিকৰণৰ এইকেইটা কথা কোৱাৰ পিছত আমি অসমৰ তিনিখন উল্লেখযোগ্য ঠাইৰ নাম উল্লেখ কৰিব খুজিছোঁ যিবোৰ ঠাইৰ ৰাইজে সংস্কৃতিৰ বিকৃতিকৰণৰ দিনতো বিহুৰ মৰ্যাদাক চকুৰ মণিৰ দৰে ৰক্ষা কৰি আছে । সেই তিনিখন ঠাই হ'ল—লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজি জিলাৰ মাছখোৱা আৰু শিৱসাগৰ জিলাৰ বকতা । এই তিনিওখন ঠাইৰ বিহুৰ উমৈহতীয়া বৈশিষ্ট্য আৰু চৰিত্ৰ কেইটামান





হ'ল—তিনি বছৰীয়া চেমনীয়াৰ পৰা আৰম্ভ কৰি নব্বৈ বছৰীয়া বৃদ্ধালৈকে সকলো নাচনীয়ে ৰিহা আৰু মেখেলা পিন্ধে , হাজাৰটকীয়া ৰংচঙীয়া মেখেলা-চাদৰ নিপিন্ধে । কাৰণ, বিহু ধনবন্তসকলৰ সংস্কৃতি নহয়, ই হ'ল চহা- জীৱনৰ সংস্কৃতি । এইবোৰ অঞ্চলৰ বিহুনামৰ বেছিভাগেই পুৰণি ঠাঁচৰ, কৃত্ৰিম শব্দ, বাক্য বা সুৰে বিহুনামবোৰক স্পৰ্শ কৰিব পৰা নাই । এই তিনিওটা অঞ্চলত এনে গাভৰু নাই, ডেকা-ল'ৰা নাই যিয়ে নাচিব নাজানে । ঢকুৱাখনাৰ বিহু ফাটবিহুৰূপে পালন কৰা হয় । তাহানিৰ আহোমৰ দিনৰ হাবুং ৰাজ্যৰ ঢকুৱাখনাৰ কাষেৰে বৈ যোৱা চাৰিকড়ীয়া নৈৰ ফাটত যোল্ল শতিকাৰ পৰা মিচিং, দেউৰী, আহোম, চুতীয়া আদি জনগোষ্ঠীৰ লোকে সাত দিন সাত ৰাতি বিহু মাৰিছিল । আজিও সেই পৰম্পৰা ৰক্ষা কৰি চাৰিকড়ীয়াৰ পাৰৰ ম'হঘুলি চাপৰিৰ হাবিয়নিৰ দাঁতিত বিভিন্ন জনগোষ্ঠীৰ লোকে তিনিদিনলৈ বিহু মাৰে । অসমৰ বিভিন্ন ঠাইৰ লোকে স্বতঃস্ফূৰ্তভাৱে এই বিহু চাবলৈ আহে । এইবেলিও বৰপেটা জিলাৰ কয়াকুছিৰ পৰা শিল্পী গোলাম ছাৰোৱাৰ, ডিব্ৰুগড়ৰ পৰা নাট্যকাৰ মুনীন ভূঞা, শিল্পী পবিত্ৰ পেগু, লোহিত ডেকা, সুৱৰ্ণা ভূঞা আৰু গুৱাহাটীৰ পৰা আমি গৈছিলো তিনিদিনীয়া ফাটবিহু চাবলৈ । সংস্কৃতিৰ মক্কা, বেথেলহাম আৰু বৃন্দাবনস্বৰূপ ঢকুৱাখনালৈ গৈ ফাটবিহু নেচালে কোনেও অনুভৱ কৰিব নোৱাৰে অসমীয়া সংস্কৃতিৰ প্ৰাণ-প্ৰাচুৰ্যৰ কথা । মাইকমেনে বজোৱাৰ বাহিৰে ঢকুৱাখনাত কেছেট-বিহুৰ সংস্কৃতি গঢ়ি উঠা নাই । ফাটবিহুত কেৱল বিহুনাম আৰু বিহুনাচ চলে । চেমনীয়াৰ পৰা বৃদ্ধালৈ শতাধিক বিহুদলে যোগদান কৰে ঐতিহ্যমণ্ডিত ফাটবিহুত । এইবেলিৰ ফাটবিহুতো দেখিলোঁ মিচিং, দেউৰী, চাহ-বনুৱা, মাৰোৱাৰী সমন্বিতে বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক দলৰ যোগদান । এই ফাটবিহুৰ মুকলি বিহু আৰু টকাবিহু চাবলগীয়া । ঢকুৱাখনাৰ ফাটবিহুত দেখাৰ দৰে অসমৰ আন ক'তো টকাবিহুৰ ইমান চহকী ঐতিহ্য দেখা পোৱা নাযায় ।

মাছখোৱাৰ ৰাতিবিহু চালোঁ । ইয়াতো মিচিং, দেউৰী, সোণোৱাল-কছাৰী, চাহ-বনুৱা, নেপালী সমন্বিতে বিভিন্ন জনগোষ্ঠীৰ ব'হাগকেন্দ্ৰিক সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে । পূৰ্বতে ৰাতিৰ ভাগত অনুষ্ঠিত হোৱা মাছখোৱাৰ ৰাতিবিহু আজিকালি দিনৰ ভাগতে অনুষ্ঠিত হয় । ফাটবিহুৰ দৰেই ৰাতিবিহুৱেও অসমৰ বিহু সংস্কৃতিক অবিকৃত ৰূপত জীয়াই ৰাখিছে যদিও বিহুনাচৰ প্ৰতিযোগিতাৰ সময়ত ঢোল-পেঁপা বজাই বিহুনাম গোৱা ভাৱাতীয়া ডেকা-ল'ৰা দুজনে কেছেটৰ বিহুনাম (বিহুসুৰীয়া) গাই ৰাতিবিহুৰ মৰ্যাদাত আঘাত হানিছে । কেছেটৰ গীত গাই নচা বা কেছেট বজাই নচাটো বিহু-সংস্কৃতিৰ প্ৰতি চৰম জোকাৰণি । অৱশ্যে প্ৰবীণ শইকীয়া পৰিচালিত 'সৰুদৈয়া জাপি' নামৰ বিহুনামৰ কেছেটটিত শিল্পী দিলীপ দাস, বৰ্ণালী দাস, জয়ন্ত

দাস, ৰশ্মিৰেখা শইকীয়া, মিনতি বৰুৱা আদিয়ে গোৱা বিহুনামবোৰৰ সুৰ অবিকৃতৰূপত সংকলিত কৰা হৈছে । বিহুনামৰ সুৰ আৰু সৌন্দৰ্যৰ বিষয়ে জানিব খোজা ব্যক্তিসকলে এই কেছেটটিৰ বিহুনামবোৰ শুনিলে সেইবোৰৰ সৈতে শিৱসাগৰ জিলাৰ বকতা, লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা আদিৰ বিহুনামৰ সু-সম্পৰ্ক বিচাৰি পাব আৰু একাংশ শিল্পীয়ে মনোৰঞ্জনৰ নামত কিদৰে বিহুনামৰ, সুৰ, ঢোল-পেঁপা-গগণাৰ চেও-ধ্বনি বিকৃত কৰিছে তাৰো সম্ভেদ পাব । তীৰ্থ ফুকন, জয়কান্ত গন্ধীয়া, হেম বুঢ়াগোহাঞিও আদি বিহু-বিশেষজ্ঞৰ নিৰ্দেশনা বা পৰিচালনাত তৈয়াৰ কৰা বিহুনামৰ কেছেটবোৰো অবিকৃত আৰু উচ্চমানৰ বুলি আমি জানো ।

শিৱসাগৰ জিলাৰ বকতা অঞ্চলটি বিহু-সংস্কৃতিৰ উৰ্বৰা ক্ষেত্ৰ । এইবেলিৰ ৰঙালী বিহুত বকতা মৌজাৰ পাৰিজাত নামৰ গাঁওখনলৈ অতিথিৰূপে যোৱাৰ সুযোগ পাইছিলোঁ । আমাৰ সৈতে অতিথিৰূপে গৈছিল ডুলীয়াজানৰ বাসিন্দা, ঔপন্যাসিক, এসময়ৰ 'ছোৱালী নাচনি' ধীৰেন বৰুৱা । বকতা পাৰিজাত পূৰ্বজ্যোতি সংঘৰ সপ্তদশ অধিবেশন আৰু ৰঙালী বিহুৰ যুটীয়া উৎসৱত দেখিলোঁ, ঢকুৱাখনা, ধেমাজি, মাছখোৱা আদি ঠাইৰ দৰে বকতা, ডিমৌ, নাজিৰা, জাপিসজীয়া, বাক্‌চুক, দিচাংপৰীয়া, শিলিখাগুৰি, নখাত, বৰদেউধাই, লাকুৱা, মৰাণজান, মাজগাঁও, চুকবৰুৱা আদিৰ বিহুদলৰ নাচনীবোৰে ৰিহা-মেখেলা পিন্ধি বিহুতলীলৈ আহিছে, পুৰণি বিহুনাম গাইছে । এই অঞ্চলৰ বৰাগীবৰ ৰাংঢালী বিহুদল নামৰ অসমৰ অন্যতম শ্ৰেষ্ঠ বিহুদলটিয়ে ৰিহা-মেখেলাৰ সলনি ৰংচঙীয়া মেখেলা-চাদৰ পৰিধান কৰিছে । দলটিৰ নেত্ৰী কবিতা বুঢ়াগোহাঞিক সুধিলোঁ—"ৰিহা-মেখেলাৰ সলনি মেখেলা-চাদৰ পৰিধানৰ কাৰণ কি ?" কবিতাই ক'লে—"যোৱাবাৰ গুৱাহাটীত জেংবিহু প্ৰতিযোগিতালৈ গৈছিলোঁ ৰিহা পিন্ধি । উদ্যোক্তাসকলে ৰিহাৰ সলনি চাদৰ পিন্ধিবলৈ ক'লে । ৰিহা বা চাদৰ বুলি কথা নাই, তেওঁলোকৰ মতে হেনো মুগাৰ সাজ পিন্ধিলেই হয় ।"

ঢকুৱাখনা, ধেমাজি, মাছখোৱা, বকতা আদিত ৰিহা-মেখেলা পিন্ধা নাচনীহঁতৰ অপূৰ্ব বিহুনাচ উপভোগ কৰাৰ পিছত কবিতাৰ কথাষাৰে ভৱাই তুলিলে ! তেনেহ'লে গুৱাহাটীৰ বিহুমঞ্চৰ হাজাৰটকীয়া প্ৰতিযোগিতাৰ পুৰস্কাৰৰ লোভত ৰিহা এৰি চাদৰ পিন্ধি আমাৰ বিহুত ৰিহা-মেখেলাৰ ঐতিহ্য নাইকিয়া কৰাত বকতায়ো আগভাগ ল'ব নেকি ? কবিতাই আমাৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ নিদিলেও তেৰোঁ ভাৱে যে, ৰংচঙীয়া মেখেলা-চাদৰতকৈ গাঁৱৰ শিপিনীয়ে ঘৰতে বোৱা ৰিহা-মেখেলাই বিহুৱতীৰ আচল পোছাক । তৎসত্বেও কবিতাহঁতে ৰিহা এৰি ৰংচঙীয়া চাদৰ পৰিধান কৰাটো পৰিৱৰ্তিত মানসিকতাৰে পৰিচায়ক ।





যিয়ে নহওঁক, বকতা পাৰিজাতৰ সচেতন যুৱক ৰূপম বৰুৱা, মনোৰঞ্জন বৰুৱা, বয়োজ্যেষ্ঠ ব্যক্তি জ্ঞানোদয় বৰুৱা, নবীন বৰুৱা, নিৰ্মল বৰুৱা, ডিম্বেশ্বৰ দিহিঙ্গীয়া, নোমল বুঢ়াগোঁহাই, খৰ্গেশ্বৰ মহন, মোখেশ্বৰ মহন, তুলতুল বৰুৱা আদিয়ে ভাৱে যে, বকতা পাৰিজাত গাঁওখনক শিক্ষা, সংস্কৃতি আদিৰ দিশৰ পৰা এখন আদৰ্শ গাঁৱত পৰিণত কৰাৰ থল আছে । ইতিমধ্যে গাঁওবাসীয়ে জাতীয় বিদ্যালয়, সংঘ আৰু সাংস্কৃতিক গোট গঠনৰ মাজেৰে কিছু পৰিকল্পিত কাম আৰম্ভ কৰিছে । উল্লেখনীয় যে বিখ্যাত চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ পিতৃ-গাঁও বকতা পাৰিজাত অসমৰ অন্যতম টাই-আহোম গাঁও । এই গাঁওখনৰেই লোহিত মহন ফুকনৰ ঘৰত আমি প্ৰথমবাৰৰ বাবে ফুৰালুং চাই আহিলোঁ । ৰূপম বৰুৱাৰ স্ত্ৰী পূৰ্ণিমা বৰুৱা, নবৌ ফুলমাই বৰুৱা আৰু মাতৃ বুদ্ধেশ্বৰী বৰুৱাই সোৱাদ লগাকৈ ভাজি দিয়া আম্‌ৰলি পৰুৱা আৰু লেটা প্ৰথমবাৰৰ বাবে খাই তৃপ্তি পালোঁ । গাঁওখনৰ টাই-আহোম সংস্কৃতিয়েও আমাক মোহিলে । চুকবৰুৱা গাঁৱৰ টাইবিহু দলটিৰ চেংনাং বিহু প্ৰদৰ্শনে আমাক আহোম যুগৰ বৰ্ণাঢ্য সংস্কৃতিৰ কথা সোঁৱৰাই দিলে । বকুল বৰুৱাৰ নেতৃত্বত সম্পূৰ্ণ মুগাৰ সাজ পিন্ধি বকতা পাৰিজাতৰ হুচৰি দলে পুৰণি বিহুনাম গাই আমাক অনেক সমল যোগান ধৰিলে । দলটিয়ে অতিথি ধীৰেন বৰুৱা আৰু এই লেখককো আধাঘণ্টাৰো অধিক সময় ধৰি তেওঁলোকৰ সৈতে নচুওৱা স্মৃতি কাহানিও পাহৰিব নোৱাৰোঁ । এক কথাত গাঁওখনে আমাক আত্মীয়তাৰ দোলেৰে বান্ধিলে । আনন্দেৰে পাৰ কৰিলোঁ দুটা দিন; টাই-আহোম, মিচিং, দেউৰী, সোণোৱাল-কছাৰী আদি জনগোষ্ঠীৰ বিহুনাম গালোঁ, ফাটবিহুৰ বিহুনামো গালোঁ । তাৰে মাজতে শেষৰ দিনা মঞ্চত বিহুসুৱীয়া গীত শুনি মৰ্মাহত হ'লো । কেছেটৰ সুৰত বেসুৰা 'বিহুগীত', একাংশ ডেকা-গাভৰুৰ উদ্দাম নৃত্য । তাৰ বিপৰীতে লোহিত গগৈৰ পৰিশীলিত আৰু সুস্থ চিন্তাবোধ-সম্পন্ন আধুনিক গীত আৰু বিহুনামে আমাক আপ্লুত কৰিলে ।

খেৰাবাৰী, গুৱাহাটীৰ পৰা আৰম্ভ কৰি ঢকুৱাখনা, মাছখোৱা, বকতালৈকে বিহুৰ বতৰত ব'হাগৰ মাহটোত নাচি-বাগি কিছুদিন জিৰাবলৈ লওঁতেই সোণতলী চৰৰ অভিবাসী মুছলমান সমাজে আয়োজন কৰা ব'হাগী উৎসৱৰ বাবে আমন্ত্ৰণ আহিল । ড.অনিমা গুহ, গণশিল্পী লোকনাথ গোস্বামী, কবি সমীৰ তাঁতী, সমাজসেৱিকা অঞ্জলী লাহিড়ী আদিৰ সৈতে সোণতলীলৈ গ'লোঁ । মাজে সময়ে সন্দেহযুক্ত বিদেশী, বাংলাদেশী বুলি নিন্দিত হোৱা চৰ-চাপৰিৰ মুছলমান ৰাইজৰ বিহু সংস্কৃতিৰ সৈতে গঢ়ি উঠা আন্তৰিকতা দেখি আচৰিত হ'লোঁ । ১৯৮৫ চনত প্ৰথমবাৰৰ বাবে সোণতলী চৰত বিহু উৎসৱ পাতিছিল । এইবেলি তৃতীয়বাৰৰ বাবে পাতি উদ্‌যাপন সমিতিয়ে 'কেতেকী' নামৰ স্মৰণিকা প্ৰকাশ কৰি উলিয়াছে । 'কেতেকী'ৰ

সম্পাদক আজাদ ওচমান গণিয়ে সম্পাদকীয়ত লিখিছে—"অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ পৰিকাঠামো মজবুত কৰাত 'সোণতলীৰ বিহু'ৱে কিছু হ'লেও অৰিহণা যোগাব বুলি আমাৰ দৃঢ় বিশ্বাস।" উদ্‌যাপন সমিতিৰ সম্পাদক ছেকান্দাৰ আলীয়েও লিখিছে —"আমি বিহুৰ মাজেৰেই চৰ অঞ্চলত সৃষ্টি কৰিব বিচাৰিছোঁ হেৰুৱা সম্প্ৰীতিৰ নতুন পথ। বিশাল অসমীয়া জাতিৰ বৰগছজোপাৰ শাখা-প্ৰশাখা যাতে কোনোৰে বিচ্ছিন্ন কৰিব নোৱাৰে তাৰ প্ৰতি সজাগতা অৱলম্বন কৰা আমাৰ বিহুৰ অন্যতম উদ্দেশ্য।" ইতিপূৰ্বেও আলোপতি, কলগাছিয়া, কুজাৰপীঠ, আশাৰিকান্দি আদি চৰ-চাপৰিৰ ৰাইজে ব'হাগ বিহু উৎসৱটি জাক্‌জমকতাৰে পাতি সমন্বয়ৰ সেঁতু সুদৃঢ় কৰিছে। অৱশ্যে এইবোৰ অঞ্চলৰ ডেকা-গাভৰুসকলে নিজাববীয়াকৈ সাংস্কৃতিক বাহিনী গঢ়ি তুলি বিহু উৎসৱ পাতিব নোৱাৰিলে তেওঁলোক সাংস্কৃতিক দিশত পৰমুখাপেখী হৈ থাকিব লাগিব।

সাম্প্ৰতিক সময়ত গোষ্ঠী-বিভাজন, সাম্প্ৰদায়িকতা, ধৰ্মীয় বিভেদ, অপ-সংস্কৃতি, ভ্ৰষ্টাচাৰ আদিক মষিমূৰ কৰিবলৈ বিহু হ'ব পাৰে অন্যতম অস্ত্ৰ। এই অস্ত্ৰবিধৰ সুপ্ৰয়োগে অসমৰ সমাজ জীৱনক নতুন ধৰণে গঢ়ি তুলিব পাৰে; কিন্তু যেতিয়াই বিহুৰ নামত ধন-সংগ্ৰহ, সস্তীয়া মনোৰঞ্জন, ৰাগিয়াল বস্তুৰ পয়োভৰ, বেসুৰীয়া গীত পৰিবেশন, প্ৰসাধন আৰু পোছাকৰ প্ৰদৰ্শন আদি প্ৰৱণতাই গা কৰি উঠিব তেতিয়াই সমাজ জীৱনলৈ নামি আহিব ঘোৰ অন্ধকাৰ। তেনে অন্ধকাৰৰ পৰা বিহুক ৰক্ষা কৰিবৰ সময় আহি পৰিছে।

(আজি। ৮ জুন, ২০০২)



Paschim Guwahati

# আলি আঃয়ে লৃগাং চাই আহিলোঁ

**এক ঃ তোমাৰ-মোৰ গাঁৱৰ দূৰত্বনো কিমান ?**

"ৰকেত দাঃপী মীঃমৃল পঃলতী অদৃকন্
আইপী মীঃপী ঔমমৃল দঃলুমঃ তীদ্ অদৃকন্।।"
(উৰাজাহাজ উৰো বুলিলে জোনৰ দূৰত্বনো কিমান ?
অ' চেনাই ভাল পাওঁ বুলিলেনো তোমাৰে-মোৰে গাঁৱৰ দূৰত্বনো কিমান ?)

ভুগোল নপঢ়াকৈয়ে তাহানিৰ শৈশৱতে পঢ়িছিলোঁ ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাস। জংকী-পানেইৰ অন্তৰৰ দূৰত্ব কমি যোৱাৰ দৰে 'মিৰি জীয়ৰী'য়েও আমাৰ বাবে কমাই দিছিল দুখন সমাজৰ মাজৰ দূৰত্ব। জন্মসূত্ৰে আমি নৈপৰীয়া, মিচিংসকলো নৈপৰীয়া। সেয়ে নেকি বৰপেটা জিলাৰ চৰ-চাপৰিৰ পৰা উজনীৰ মিচিং গাঁৱৰ চৰ-চাপৰিলৈ চুম্বকৰ দৰে টানি নিছিল 'মিৰি জীয়ৰী'য়ে। 'মিৰি জীয়ৰী'ৰ পিছতেই সুদীৰ্ঘ দিনৰ পিছত প্ৰকাশ পোৱা বিষ্ণুৰাভাৰ 'মিচিং কনেঙ', জীৱন বৰাৰ 'কুম্‌দাং লৃচাপ', ইন্দ্ৰেশ্বৰ পেগুৰ 'মিবু', ভবেন পেগুৰ 'ঐয়াও', যতীন মিপুনৰ 'মিক্‌চিজিলি', অনিল ফুকনৰ 'বাটে ঘাটে মানুহ', ডঃ গণেশ পেগুৰ 'পঃপৃৰ' আদি উপন্যাসৰ কাহিনীৰ মাজেৰে আমি অসমৰ মিচিং সমাজ জীৱনৰ বৰ্ণাঢ্য ছবি দেখিবলৈ পাইছিলোঁ। ৰূপকথা যেন লগা সেই মিচিং গাঁওবোৰৰ প্ৰকৃত ছবি আৰু লোক-জীৱনৰ সাংস্কৃতিক সমলবোৰ নিজ চকুৰে চাই উপভোগ কৰাৰ হেঁপাহ মনৰ মাজত পুহি ৰাখোতেই ঢকুৱাখনাৰ পৰা পালোঁ লেখিকা, অধ্যাপিকা বাসন্তী মৰাংৰ চিঠি। চিঠিখনত লিখিছে—"ঢকুৱাখনা মহকুমাভিত্তিত অনুষ্ঠিত হ'ব লগা আলি আঃয়ে লৃগাং উৎসৱত আপোনাক বিশিষ্ট অতিথিৰূপে ৰাইজে বিচাৰিছে। আমন্ত্ৰণ ৰক্ষা কৰিব।"

চিঠিখন পাই ভাৱিছিলো—যোৱাবেলিৰ ম'হখূলি চাপৰিৰ ফাটবিহুৰ দৰে এইবাৰো মিচিং উৎসৱ আলি আঃয়ে লৃগাংত মৃমঃবৃৰ-য়াঃমেহঁতক, ধনবৰ-ৰতনীহঁতক, জংকী-পানেইহঁতক লগ পাম; সিহঁতে গুম্‌ৰাগ্ নাচিব, অইঃনিতম্ গাব—আমি উপভোগ কৰিম ! ভাৱনাৰ সাগৰত বুৰ গৈ থাকোতেই নৈশ বাছত গৈ ১৯ ফেব্ৰুৱাৰীত

(৬ ফাগুন) যেতিয়া ঢকুৱাখনাৰ চাৰিকড়ীয়াৰ পাৰৰ ম'হঘূলি চাপৰিৰ দাঁতিৰ 'জনজাতি কৃষ্টি বিকাশ ভৱন' প্ৰাঙ্গনত থিয় হৈছিলোঁ তেতিয়া মিচিং ডেকাৰ ঢোলৰ মাত, গুংগাঙৰ সুৰ আৰু গাভৰুৰ নৃত্যই চাৰিকড়ীয়াৰ বুকুত তুলিছিল মন-কঁপোৱা আনন্দৰ ঢৌ। আমাৰ আগমনত মিচিং মৃমঃবৃৰ-য়াঃমে (গাভৰু-ডেকা) হঁতে গাইছিল ঋতু-বৰ্ণনাৰ 'বৃঃবৃগ' নিঃতম্ (গীত) ঃ "গৃনমুৰ্ পঃল আঃ দাক্কুবং কাজে মিচিঙা / দাক্তগ্ ঔচাৰ দাৰ্দাক্কুবং কাজে মিচিঙা / কেঃদাং আপ্পুন পুনচুং কুবং কাজে মিচিঙা / আলি আঃয়ে চঃমান্ নাংকুই কাজে মিচিঙা"; অৰ্থাৎ "ফাগুন মাহ আহি পালেহি, পচোৱা বতাহ বলিছে, কপৌ ফুল ফুলিছে, কুলি চৰাইয়ে বিনাইছে; ব'লা মিচিং ৰাইজ, আলি আঃয়ে লৃগাং বিহু মাৰোঁগৈ ব'লা।"

**দুই ঃ লাহৰী ঐ, বিহুটি পালেহিয়েঁই...**

"য় ৰুঃচে পাঃম চুতকা
অমুম্ বুলুৰা, ৰুঃচে পাঃম চুতকা।
য় কেক্তৌঙা বীৰাং চুতকা
অমুম্ বুলুৰা, কেকতৌঙা বীৰাং চুতকা।"

(আহা বন্ধু-বান্ধৱীহঁত, আহা। সাজি-কাঁচি আমাৰ লৃগাং উৎসৱক আনন্দমুখৰ আৰু ৰঙেৰে ৰঙীণ কৰোঁ।)

আলি আঃয়ে লৃগাং—যাৰ অৰ্থ হ'ল শস্যৰ গুটি সিঁচা উৎসৱ। আলি মানে মূল বা আলু, আঃয়ে মানে ফল বা গুটি আৰু লৃগাং মানে ৰোৱা বা সিঁচা। পূৰ্বতে মিচিংসকলে পৰ্বতত থাকি ঝুমখেতি কৰিছিল; পিছলৈ ভৈয়ামলৈ আহি আহুখেতি কৰিবলৈ ধৰে। আলি আঃয়ে লৃগাংৰ সৈতে ঝুমখেতি আৰু ধানৰ জন্ম কাহিনী জড়িত হৈ আছে। শস্যভিত্তিক এই উৎসৱটি প্ৰতি বছৰৰ ফাগুন মাহৰ প্ৰথমটো বুধবাৰে পালন কৰা হয়। এসপ্তাহলৈকে এই উৎসৱ চলে। অনাগত বছৰটোত কীট-পতঙ্গই যাতে শস্যৰ অনিষ্ট সাধন কৰিব নোৱাৰে, পথাৰবোৰ শস্যৰে যাতে নদন-বদন হয়, তাৰে কামনা কৰি আলি আঃয়ে লৃগাং উৎসৱ পালন কৰা হয়। সামাজিক পৰম্পৰাৰ মাজেৰে উদ্‌যাপিত এই উৎসৱত মিচিং সকলৰ প্ৰিয় খাদ্য হ'ল ঘৰতে বনোৱা 'পোৰাং আপিন' (কৌপাত বা তৰাপাতত বৰা চাউল সিজাই বনোৱা ভাত) আৰু পৰঃ আপং (ছাঁই মদ বা লাওপানী)। মিচিং সকলে আলহীকো এই খাদ্য দুবিধ মৰমেৰে যাচে। আলহীয়ে নেখাওঁ বুলি ক'লে বেয়া পায়। ঢকুৱাখনাত মহকুমাভিত্তিত পতা আলি আয়েঃ লৃগাং উৎসৱতো দেখিলো শ শ ৰাইজ আৰু অতিথি





শিল্পীৰ বাবে থলীতে মিচিং মহিলাসকলে বনাই আছে পৰঃআপং আৰু পোৰাং। উলাহেৰে খাইছে আটায়ে। বিবাহ-উৎসৱৰ দৰে আনন্দই বিৰাজ কৰিছে ৰাইজৰ মাজত। মাজে মাজে গুম্ৰাগৰ ছন্দই ৰাইজৰ প্ৰাণ মতলীয়া কৰিছে।

আলি আঃয়ে লৃগাং আনন্দৰ উৎসৱ। মিচিংসকলো সাংস্কৃতিকভাৱে চহকী; ৰং-ৰহইচ আৰু আনন্দত দিন কটোৱা জনগোষ্ঠী। 'মিচিং' শব্দটোৰ সৰল অৰ্থ হ'ল 'নিজৰ ফালে অনা'; অৰ্থাৎ পৰক আপোন কৰি লোৱা। মিচিঙৰ আন এটা অৰ্থ হ'ল ভাল মানুহ ('মি' মানে মানুহ আৰু 'য়াচিং' মানে বগা বা ভাল)। মিচিং শব্দটোৰ এনে অৰ্থৰ তাৎপৰ্য মিচিং সংস্কৃতিতো বিচাৰি পোৱা যায়। আলি আঃয়ে লৃগাংক কেন্দ্ৰ কৰি মিচিং জন-সমাজত যিবোৰ সাংস্কৃতিক সমল প্ৰদৰ্শন কৰা হয় তাৰ মাজেদি জীৱন আৰু জগতক আঁকোৱালি লোৱা দেখা যায়। ১৯ আৰু ২০ ফেব্ৰুৱাৰীৰ দুটা দিন ডেকা-গাভৰু, প্ৰৌঢ়-বৃদ্ধ সমন্বিতে শ শ মিচিং ৰাইজৰ সৈতে উমলি-জামলি আমাৰ যি অভিজ্ঞতা হৈছিল সেয়া যেন ইন্দেশ্বৰ পেগু (মাতমৰা, খেৰকটামুখ)ৰ 'মিবু' উপন্যাসৰ চৰিত্ৰ মিগাঙৰ উপলব্ধি—"জীৱন, এয়ে নেকি জীৱন! জীৱনৰ ইমান প্ৰতিশ্ৰুতি আছে, প্ৰত্যয় আছে। সমাজৰ ইমান মূল্য আছে, জাতিৰ ইমান মহত্ব আছে, ঐতিহ্য আছে, কৃষ্টি আছে, স্বকীয়তা আছে। মিচিং সংস্কৃতি জীৱন ধাৰণ পদ্ধতি, সকলোবোৰেই অনন্য, অতুলনীয়। ধন্য জীৱন, এইহেন জাতিৰ তেওঁ এজন সন্তান। এই ৰহণীয়া জাতিৰ চিনাকী দিয়াটো, অস্তিত্ব ৰক্ষা কৰাটো সকলো মিচিঙৰে কাম্য হোৱা উচিত, কৰ্ত্তব্য হোৱা উচিত।"

হাড়ে-হিমজুৰে অসমীয়া এই মিচিংসকল, বৃহত্তৰ অসমীয়া জাতিৰ অনন্য অঙ্গ। আলি আঃয়ে লৃগাংৰ বাহিৰেও ভিন ভিন সময়ত ৰঙালী, ভোগালী আৰু কঙালী বিহু পাতে। বিয়া-বাৰুত কইনাক মুগা-পাটৰ মেখেলা-চাদৰ পিন্ধায়, অতিথিক 'গামোচা' উপহাৰ দিয়ে, বিহুত হুচৰি গায়। সেয়ে কেতিয়াবা অইঃনিতম্ আৰু বনগীত একাকাৰ হৈ পৰে মিচিং মৃমঃবৃৰ-য়াঃমেহঁতৰ কণ্ঠত। "কাবুলি গাতৰই বদ্‌নামই কনেঙা / কাবুলি গাতৰই বদ্‌নাম / যিমানেই লগালি মৰমই কনেঙা / লগালি অৰিলত জুই"; অৰ্থাৎ "কাবুলি ঘাটৰ বদ্‌নাম ঐ কনেঙা, কাবুলি ঘাটৰ বদ্‌নাম; যিমানেই লগালি মৰম ঐ কনেঙা, লগালি শৰীৰত জুই।"

**তিনি ঃ আমাৰ বিহু ভাঙোতা নাই...**

"মৌঃব নম্ কাঃতপী লৃগাঙই চঃমান্ দ
মৃম্বৃৰ য়াঃমে পংককৃদ বীৰ্‌য়িদইয়া বীৰ্‌কদ্‌লা,

নক্কী আমিগ্ কাঃনাম্দী, নক্কী না প্পাং য়িৰ্ নাম্দী
ঙক্কী আচিন্ মীঃ নাম্দীম্ অইয়া লুবি দাদাবনী ।"

(তোমাক লৃগাং বিহুত ডেকা-গাভৰু দলৰ মাজত আনন্দেৰে ইফাল-সিফাল কৰি ফুৰা চাবলৈ ইচ্ছা কৰোঁ, তোমাৰ মুখৰ হাঁহিত যেন মনে ভৰা কথাবোৰ প্ৰকাশ পায় ।)

ম'হঘূলি চাপৰিত আলি আঃয়ে লৃগাঙৰ নৃত্য-গীত উপভোগ কৰি থাকোতে কেতিয়া যে বেলিৰ চকা ডুবিছিল তাক ক'ব পৰা নাছিলো । মই যে ঢকুৱাখনাৰ আলি আঃয়ে লৃগাং উৎসৱৰ আলহী সেই কথা পাহৰাই দিছিল লৃগাং বিহুৰ উদ্যোক্তা ডাঃ হলিৰাম লাগাচু (সভাপতি), ভৰজিৎ দলে (আমেৰিকা দলে), নিবেদিতা লাগাচু, নৰনাথ পেগু, জিতেন পেগু, বিদ্যা পাএ্রাং, বলোৰাম দলে, জয়দীপ পাতিৰ, খগেশ্বৰ পাতিৰ আদি ব্যক্তিবৰ্গৰ অন্তৰঙ্গ সান্নিধ্য আৰু আতিথ্যই । 'অন্তৰ দিলে অন্তৰ পায়, ঠগিলে হেৰাই যায়'—এয়াই যেন মিচিং সমাজৰ আত্মীয়তা আৰু বিশ্বাসযোগ্যতাৰ মূলমন্ত্ৰ । মিচিং সমাজৰ আত্মীয়তাই পাহৰাই দিয়ে তেজ, বৰ্ণ, ধৰ্ম, ভাষাৰ বিভাজন । সকলোৰে ওপৰত মানুহ, প্ৰেম, সম্প্ৰীতি আৰু আত্মীয়তা—জীৱন-চৰ্যাৰ এনে প্ৰতিফলন আলি আঃয়ে লৃগাঙৰ অইঃনিতম্ আৰু গুম্ৰাগ নাচত দেখিলো । ঢকুৱাখনা কলেজ মিচিং বিহুদল, ঢকুৱাখনা টাউন কমিটি ক্লাৱ মিচিং বিহুদল, ঢকুৱাখনা টাউন বোৱাৰী কৃষ্টি দল, দাংধৰা মিচিং কৃষ্টি দল, আউনীবাৰী মিচিং দল আদিৰ শিল্পীসকলে নচা গুম্ৰাগ নৃত্যৰ মাজেৰে ফুটি উঠা দেখিছিলো মিচিং জীৱন-প্ৰবাহ, সমাজ, কৃষ্টি-সংস্কৃতি আৰু কৃষি-জীৱনৰ গুটি সিঁচা, ধান ৰোৱা, চৰাই খেদা, খেতি চিকুণোৱা, ধান চপোৱা, চিকাৰ কৰা, কাপোৰ বোৱা আদি দৃশ্য । সংস্কৃতিয়ে এনে জীৱন-প্ৰবাহক আঁকোৱালি লয় বাবেই হয়তো মিচিং সমাজৰ দুখীয়া পৰিয়ালৰ মৃমঃবৃৰ-য়াাঃমেহঁতে আগবেলা দিন হাজিৰা কৰি পিছবেলা অইঃনিতম্ গাই গাই গুম্ৰাগ নাচে; গুম্ৰাগ নেনাচিলে হেনো পথাৰৰ ধানবোৰ পতান হয়, গুটিবোৰ ভালদৰে নগজে—এয়া মিচিং লোকবিশ্বাস । সংস্কৃতি মানে যদিহে সংস্কাৰ বা সংশোধনক বুজায় তেনেহ'লে তাৰ প্ৰতিনিধিত্ব কৰে মিচিং সংস্কৃতিয়ে । মিচিং সংস্কৃতি প্ৰতিজন গাঁৱলীয়া মিচিঙৰ তেজৰ প্ৰৱাহ । সেয়ে সংস্কৃতি ৰক্ষাৰ তাড়নাত ৰাতিপুৱা খৰি বেচি চাউল কিনি খোৱা মিচিংজনেও আলি আঃয়ে লৃগাংৰ বতৰত গুম্ৰাগ নাচে । গুম্ৰাগ নাচিব নেজানিলে কোনো ডেকা-গাভৰুৱেই নিজকে হেনো মিচিং বুলি পৰিচয় দিব নোৱাৰে ।

কেৱল মিচিঙেই নহয়, অনা-মিচিংসকলেও মিচিং সমাজৰ সৈতে সামাজিক-পাৰিবাৰিক সম্পৰ্ক গঢ়ি আজি মিচিং সংস্কৃতিৰ সৈতে নিজকে বিলীন কৰি দিছে ।





সামাজিক পৰম্পৰা ৰক্ষাত সজাগ মিচিংসকলে আজি সাংস্কৃতিক আদান-প্ৰদানৰ ধাৰাক বৈবাহিক জীৱনলৈও টানি আনিছে । ঢকুৱাখনা টাউন হাইস্কুলৰ শিক্ষয়ত্ৰী নিবেদিতা লাগাচুৰে বোৱাৰী দলৰ সৈতে যেতিয়া গুম্ৰাগ নাচিছিল তেতিয়া কোনে বাৰু ক'ব পাৰিছিল যে তেওঁ বিবাহৰ আগতে নিবেদিতা গগৈ আছিল ? আলি আঃয়ে লৃগাঙৰ পৰা সাংসাৰিক জীৱনলৈ এইগৰাকী নাৰীৰ কৰ্ম-তৎপৰতা, ৰুচিবোধ, সহৃদয়তা আদি দেখিলে শ্ৰদ্ধাত মূৰ দো খাই যায় । এদিন চাহ-মেলত পুষ্পা বাইদেৱে (পুষ্পা গগৈ) ক'লে—"নিবেদিতাৰ দৰে নাৰীৰ পৰিচৰ্যা আৰু ঐকান্তিকতাৰ বাবেই তেওঁৰ মৃত্যুমুখী স্বামী ডাঃ হলিৰাম লাগাচুৱে নতুন জীৱন পালে ।" হয়তো, এই- গৰাকী নাৰীৰ (মোৰ বাইদেউৰ বয়সৰ) কথা-বতৰা, খোজ-কাটল, আদৰ-অভ্যৰ্থনা সকলোবোৰেই মই আলি আঃয়ে লৃগাঙৰ দুটা দিন মনোযোগেৰে লক্ষ্য কৰিছোঁ । পৰিপাটি, আন্তৰিকতাপূৰ্ণ, প্ৰাণোচ্ছল আৰু দূৰদৰ্শী । ডাঃ হলিৰাম লাগাচুও এগৰাকী চিকিৎসক হৈয়ো তেওঁ সাহিত্য-সংস্কৃতিৰ নামত বলীয়া । ডাঃ হলিৰাম লাগাচুৱে নিবেদিতা গগৈৰ সৈতে সংসাৰ পাতি দুখন ভিন্ন সমাজক কিদৰে একেলগ কৰি পেলাইছে সেয়া সমন্বয়কামী প্ৰতিজন অসমীয়াৰে অনুকৰণীয় বিষয় । ঢকুৱাখনাত এনে সমন্বয়-ধাৰা চহকী কৰা পৰিয়াল হ'ল সাংবাদিক কুশল গগৈ আৰু অধ্যাপিকা বাসন্তী মৰাং—এজন আহোম, এজন মিচিং । এই দুটা পৰিয়ালৰ দৰেই আমি আমাৰ বন্ধু-সমাজত পাইছো অধ্যাপক বাসুদেৱ দাস (অভিযন্তা) আৰু জাহানাৰা বেগমক, ইচ্ফাকুৰ ৰহমান আৰু ইলোৰা ৰায় চৌধুৰীক, ডাঃ মনছুৰ ৰহমান সিকদাৰ আৰু বীতা ভট্টাচাৰ্যক, নীলিমা হক ঠাকুৰীয়া আৰু আমিনুল হকক, ডাঃ মণিকুন্তলা চৌধুৰী আৰু ডাঃ নেকিবুৰ ৰৰভূএ্রাক, বাহৰুল ইছলাম আৰু ভাগীৰথীক, মীৰ নুৰ আলম আৰু মিতালী অধ্যাপকক, আইনুল হক আৰু শিখা দেক, সাংবাদিক বাহাৰুদ্দিন, হাইদৰ হুছেইন, প্ৰাক্তন ছাত্ৰ নেতা নাছিৰুদ্দিন আহমেদ (বৰপেটা), তপন আলী (নলবাৰী), ৰাজু মজিদ, কাজু মজিদ (গুৱাহাটী), চন্দন দুৱৰা, ৰহিমা কলিতা বেগম আদিৰ পৰিয়ালক । এই আটাইবোৰে তেজৰ ৰং একে, যিদৰে সকলো সম্প্ৰদায়ৰ সংস্কৃতিৰ অৰ্থ একে, উদ্দেশ্য একে । মিচিং সংস্কৃতিয়েও আজি বৰ্ণৰ গণ্ডী পাৰ হৈ বিশালতাক আঁকোৱালি লৈছে । আলি আঃয়ে লৃগাঙত তাৰেই প্ৰতিফলন দেখিলো । বৰ্ণৰ বিভাজন নেৰাখি আলি আঃয়ে লৃগাঙে সকলোকে আপোন কৰি ল'ব পাৰে । মনৰ দূৰত্ব কমোৱাৰ উপৰিও বাটৰ দূৰত্বও কমাব পাৰে । অইঃনিতমতো এই বিননি আছে—"নক্কী অকুম কেনৌল/ঙক্কী অকুম্ কেকন্চী/ চিয়াং আঃনী দুংকেলা / অইনম্ কাঃলৃদাগ্দ কাঃ পামাং" অৰ্থাৎ তোমাৰ ঘৰ ইপাৰে, মোৰ ঘৰ সিপাৰে, মাজত চিয়াং নৈখন থকাৰ বাবে তোমাক চাওঁ বুলিও সময়ত চাব নোৱাৰোঁ ।

দেউৰীক বাদ দি বাকী জনজাতিসকলক স্বীকৃতি দিবলৈ কেন্দ্ৰলৈ এখন তালিকা পঠাইছে। মিচিং জনগোষ্ঠীৰ ইতিহাস যিসকলে অধ্যয়ন কৰিছে তেওঁলোকে নিশ্চয় জানে যে, মিচিংসকল পূৰ্বৰে পৰা অৰুণাচলত বসবাস কৰি আহিছে। অৰুণাচলত সংখ্যাগৰিষ্ঠ আদী, আপাতানি, খাম্‌তি, চিংফৌ, মিচিমি আদি অৰুণাচলী জনজাতি পৰিয়ালে যুগ যুগ ধৰি অসমৰ সীমান্তবৰ্তী অঞ্চলত বসবাস কৰি আহিছে। অসম চৰকাৰে তেওঁলোকক অনুসূচীত জনজাতিৰ মৰ্যাদা দিছে। কিন্তু অৰুণাচলবাসী মিচিংসকলৰ ক্ষেত্ৰত অনুসূচীত জনজাতিৰ মৰ্যদা কিয় দিয়া হোৱা নাই সেয়া বৰ চিন্তনীয় বিষয়। তেনে কৰিলে অদূৰ ভৱিষ্যতে অৰুণাচলৰ মিচিংসকল বিভিন্ন চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হ'ব। অসমৰ মিচিংসকলে অনুসূচীত জনজাতিৰ মৰ্যাদা পালেও তেওঁলোকে প্ৰশাসনিক শীতল-শোষণৰ বাবে মূৰ দাঙি উঠিব পৰা নাই। যিসময়ত কোনো তথাকথিত উচ্চ বৰ্ণৰ চৰকাৰী বিষয়া, মন্ত্ৰী-বিধায়কৰ ঘৰৰ শতকৰা এশভাগেই চৰকাৰী চাকৰি-বাকৰিত সোমোৱাৰ সুযোগ পাইছে (বহুক্ষেত্ৰত অযোগ্যতা স্বত্বেও) সেই সময়ত দাংধৰাৰ মণিৰাম পাতিৰৰ ঘৰত এজন ল'ৰা, এজনী জীয়ৰী আৰু এজনী বোৱাৰী উচ্চতৰ মাধ্যমিক শ্ৰেণী পাছ কৰি বাকী তিনিজনী জীয়ৰীয়ে উচ্চ মাধ্যমিক শ্ৰেণী পাছ কৰি বেকাৰ জীৱন যাপন কৰিছে। একে দৃশ্য মিচিং গাঁওবোৰৰ শ শ পৰিয়ালত দেখা যায়। বয়োবৃদ্ধ মণিৰাম পাতিৰে দুঃখতে ক'লে—"১৯৮৫ চনত আমাৰ গাঁৱৰ এজন নাগৰিকেও এ.জি.পি.ক ভোট দিয়া নাছিল; মই ওৰে জীৱন কংগ্ৰেছী হৈয়ো এ.জি.পি.ক ভোট দিছিলো। সেই সময়ৰ বিধায়ক ভৰত নৰহে 'সৰ্বোদয় হাইস্কুল' স্থাপনৰ সময়ত কথাটো স্বীকাৰ কৰিছিল। কিন্তু যোৱা পোন্ধৰটা বছৰেও তেওঁ বিধায়ক হৈ আমাৰ ঘৰত এটা চাকৰিৰ ব্যৱস্থা কৰিব নোৱাৰিলে।" দাংধৰাৰ পথাৰত কাম কৰি থাকোতে পাতিৰ ডাঙৰীয়াই আমাক কৈছিল—"আমাৰ গাঁওখনৰ কথা লিখিব, মন্ত্ৰী বিধায়কক ক'ব।" মই দাংধৰা গাঁৱৰ কথা বিধায়ক ভৰত নৰহ আৰু সাংসদ ৰাণী নৰহ (গিৰিয়েক-ঘৈণীয়েক)ক ক'ম বুলি কৈ বিদায় লওঁতে আওৰাই আহিছিলোঁ প্ৰয়াত ৰোহিণী কুমাৰ চক্ৰৱৰ্তী (নলবাৰী) আৰু প্ৰয়াত ডাঃ ধৰণীধৰ দাসৰ এই দুটা লিমাৰিক। (১) দুই বিঘা মাটি কৃষকৰ ল'ৰা / দুবেলা দুমুঠি পাইছে তাৰেই পৰা / কৰিলে বি.এ. পাছ / ধৰিলে উভতি নাচ / একবিঘা বিক্ৰী কৰি চাকৰিৰ পিছধৰা" (ৰোহিণী কুমাৰ চক্ৰৱৰ্ত্তী) (২) "দেশ বুলিলে নেলাগে আদেশ, চাকৰিত লাগে ভেঁটি / বি-এ, এম-এ পাছ কৰি কিয়বা কৰিব খেতি / কবিৰ কথা শিলৰ খুটা / মন্ত্ৰীৰ কথাও নহয় দুটা / টকা যাৰ চাকৰি তাৰ—এইয়া মূল নীতি" (ডাঃ ধৰণীধৰ দাস)।





## পাঁচ ঃ মিচিং গাঁৱলৈ যাবা, জীৱনটোক নতুনকৈ চাবা

"কেৰকটা আনীম কালৃদমূল, ঙক্কৌপী গৃতকা
দাংদৰা আনীম কালৃদমূল, ঙক্কৌপী গৃতকা
আলিমূৰ চ, দুলৃদমূল, ঙক্কৌপী গৃতকা অইয়া।।"
(খেৰকটা নৈত নাও বাবৰ মন আছে যদি মৌলৈকে আহা
দাংধৰা নৈত নাও বাবৰ মন আছে যদি, মৌলৈকে আহা
চাৰিকড়ীয়া দলঙেদি যাবৰ মন আছে যদি মৌলৈকে আহা
আলিমূৰত থাকিবৰ মন আছে যদি মৌলৈকে আহা।)

যোৱাবেলি ঢকুৱাখনাৰ ফাটবিহুত বোৱাৰীসকলৰ টঁকাবিহুৱে আমাক আপ্লুত কৰিছিল। এইবেলি আলি আঃয়ে লৃগাংত মৃদুলা দলে, ৰেখামণি পাতিৰ, গুণলতা কুটুম, মণিকা দলে, জ্যোৎস্না দলে, অম্বিকা পেগুহঁতৰ উপৰিও ঢকুৱাখনাৰ বোৱাৰী গুণাৰতী দলে, ৰুণু পেগু, কুঞ্জলতা পেগু, কল্পনা দলে, ফুলেশ্বৰী পেগু, নিবেদিতা লাগাচু, গুণেশ্বৰী দলে, কবিতা দলে, মীনা দলে, সাবিত্ৰী দলে, পুষ্পলতা পেগু, খেনাৰতী পেগু, ৰীণা দলে, ডালিমাই পেগু আদিয়ে পৰিবেশন কৰা নৃত্য-গীতে আমাক মুহিলে। বেলি প্ৰায় ডুবিছিলেই। তেনেতে আহি খাটনি ধৰিলে মিচিং ডেকা-গাভৰুৰ দলে। বৰ সানুনয়ে ক'লে—"ছাৰ, আমাৰ গাঁৱৰ ডেকা-গাভৰুহঁতে আপোনাৰ আগমনলৈ বাট চাই আছে। আজি ৰাতিটো আপুনি আমাৰ গাঁৱত থাকিব লাগিব।" এৰাব নোৱাৰা আমন্ত্ৰণত ১৯ ফেব্ৰুৱাৰীৰ গধূলি ৭ বজাত অনিমা, ধীৰাজ, বীণা আৰু ধৰ্মবীৰহঁতৰ সৈতে ঢকুৱাখনাৰ দক্ষিণৰ মিচিং গাঁও দাংধৰালৈ গ'লো। ফাগুনৰ জোনাক ৰাতি, বালিময় পথাৰ, বানত বিধ্বস্ত বাট-পথ, ৰাস্তাৰ পাৰে পাৰে শিমলু গছ, দূৰৈৰ চাংঘৰত চাকি। জীৱনৰ প্ৰথম মিচিং গাঁৱৰ আলহী হ'ম। এফালে আনন্দ, আনফালে ভয়। মিচিং ভাষা নাজানো। গাঁৱৰ মানুহবোৰে বেয়াই পায় নেকি! আমি যেতিয়া মিচিং গাঁও দাংধৰাৰ মণিৰাম পাতিৰৰ চোতাল পাইছিলোঁ তেতিয়া আমাক আথে-বেথে আদৰি নি তিলু, পদুমী, জোনালীহঁতে বৰঘৰত বহিবলৈ দিছিল। মোক লগ পাই তেওঁলোকে আনন্দতে হাঁহিলে আৰু মিচিং ভাষাত কিবা কিবি ক'লে। মই একো নুবুজিলোঁ। উপলব্ধি হ'ল কোনোবাই কোৱা এই কথাষাৰ—"এটা ভাষা জনা আৰু এখন দেশ জয় কৰা একে কথা।" কথাষাৰ সঁচা। ভাষা জানিলে কেৱল দেশ জয় কৰাই নহয়, মনো জয় কৰিব পাৰি।

জা-জলপান খাই অনিমাহঁতৰ চোতালৰ পৰা গৈ ধীৰাজহঁতৰ চোতাল পালোঁগৈ। ডেকা-গাভৰুৰ চল্লিশজনীয়া জাক এটাই মোক আগুৰি ধৰিলে। হৃদয়

জুৰোৱা অইংনিতম্ জুৰি গুম্‌ৰাগ নাচিলে । জোনাক ৰাতি, গুম্‌ৰাগ চাই চাই জোনবায়ে হাঁহি আছিল । আমাকো হাতত ধৰি টানি নিলে ডেকা-গাভৰুহঁতে । নাচিব নাজানো বুলি কোৰাত হাত আৰু কঁকালত ধৰি শিকাই দিলে । মনৰ হেঁপাহতে কেইছেওমান নাচিলোঁ । মোৰ নিৰুপায় অৱস্থা দেখি উলাহতে চিঞৰি উঠিল মিচিং মৃমবৃৰ য়াংমেহঁতে । আমিও সেই প্ৰাণোচ্ছল পৰিবেশত আত্মাহাৰা হৈ গ'লো । মই যে এখন মিচিং গাঁৱত আছোঁ, মোৰ ঘৰৰ পৰা যে মিচিং গাঁৱৰ দূৰত্ব পাঁচশ কিলোমিটাৰৰো অধিক সেই কথাও পাহৰি গৈছিলোঁ মিচিং মৃমবৃৰ-য়াংমেহঁতৰ প্ৰাণ-জুৰোৱা সান্নিধ্যত । বহুদিন পিছত যেন ভাষা-ধৰ্ম-বৰ্ণ-জাতপাতহীন এখন পৃথিৱীত বিচৰণ কৰিছিলোঁ সেই জোনাকী ৰাতিটোত । নিজ চকুৰে উপভোগ কৰিছিলোঁ মিচিং সংস্কৃতিৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰ ।

পিছদিনা ডেকা-গাভৰুবোৰে ৰাতিপুৱাৰ ভাগত দাংধৰা নৈৰ পাৰলৈ লৈ গৈছিল । ৰাতিপুৱাৰ মিঠা ৰ'দ পিঠিত লৈ দুগৰাকী গাভৰুৱে নৈখনত গা ধুই আছিল । নৈপৰীয়া জীৱন, এক চিৰাচৰিত নান্দনিক দৃশ্য । কোনো জটিলতা নাই; নিজে সহজ হ'ব জানিলে সকলো সহজ । গা ধুই ধুই গাভৰুবোৰে আমাৰ সৈতে কথা পাতিলে । বৰ্ণাঢ্য জীৱন সিহঁতৰ; যেন বেদনাৰ সংজ্ঞা বুজি নেপায় । তাতে ফাগুন মাহ । মনবোৰ ফাগুনৰ দৰে ৰঙীণ । চাংঘৰত থাকে । আমাকো মাতিলে চাংঘৰলৈ । চাংঘৰত সোমালোঁ । পাকঘৰতো বহিলোঁ । ক'তা—কোনো সংকোচ নাইচোন ! তেনেহ'লে মিছাকৈয়ে কোনোবাই কৈছিল নেকি যে চাংঘৰ আৰু পাকঘৰত অনা-মিচিঙে সোমালে মিচিংসকলে বেয়া পায় বুলি !! হয়, দূৰৰ পৰা বহু কথাই ক'ব পাৰি; ওচৰলৈ গ'লেহে উপলব্ধি কৰিব পাৰি আচল সত্য । তাহানিতে শুনিছিলোঁ—মিচিংসকলে ক'লা গৰুৰ গাখীৰ খাবলৈ নেপায় । সেয়ে ক'লা গাইগৰু ব্ৰাহ্মণলৈ দান দিছিল হেনো । আজিকালি মিচিংসকলে সকলো কথা বুজি পায়; সেয়ে ক'লা গৰু দান নিদিয়ে; ক'লা গৰুৰ গাখীৰ খায় ।...কথাবোৰ ওচৰলৈ গ'লেহে বুজি পোৱা যায় । বিষ্ণুৰাভাই কৈছিল—"এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত । নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰিও আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত । পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসমী বাটেদি অগ্ৰসৰ হোৱা উচিত ।" মিচিং সম্পৰ্কে অনেক নেতিবাচক সাধুকথা পূৰ্বতে শুনিছিলোঁ । মিচিং গাঁৱলৈ গৈ তাৰ ওলোটা ছবি দেখিবলৈ পালোঁ । মানুহক বুজিবলৈ মানুহৰ মাজলৈ যাব লাগে; কেৱল ভোজ-ভাত বা উপহাৰ-প্ৰশংসা বুটলিবলৈ নহয়—আন্তৰিক





ভাৱে মানুহক বুজিবলৈ । মিচিং গাঁৱত এটা দিন এটা ৰাতি কটাই গভীৰভাৱে উপলব্ধি কৰিছিলোঁ মিচিং ৰাইজৰ আন্তৰিকতাৰ কথা । বুকুত মৰম আৰু শ্ৰদ্ধাৰ মোহৰ কঢ়িয়াই জোনালী পাতিৰ, অনিমা পাতিৰ, দেৱজিৎ মিলি, ৰঞ্জিতা টায়ে, ধীৰাজ সিন্‌হা, নিবেদিতা পাতিৰ, ৰঞ্জনা মিলি, ললিত মিলি, জুনুমাই পেগু, ৰেখামণি মিলি, লক্ষীৰাম লাগাচু, মাধৱী দলে, টনোজ পাতিৰ, ৰেখামণি পাতিৰ, মেমাই মিলি, বাসন্তী দলে, ৰুণুমাই পাতিৰহঁতৰ সৈতে ভৰ দুপৰীয়া পুনৰায় খোজ দিছিলোঁ দাংধৰাৰ পাৰৰ পৰা চাৰিকড়ীয়াৰ পাৰলৈ । তেতিয়া ম'হঘুলি চাপৰিৰ আলি আঃয়ে লৃগাঙত ঢকুৱাখনা কমাৰ্চ কলেজৰ শ্ৰেষ্ঠা গায়িকা অম্বিকা দলেই গাই আছিল মিচিং অইং নিতম্ ঃ "ৰিং বি গাচেং গীংগেলা, য়াকান এগে গীংগেলা, ঙলোক মিচিং মৃমবৃৰ চিল গীংগেল চংমান দুং" অৰ্থাৎ ৰিবি-গাচেং পিন্ধি, ফুলাম মেখেলাযোৰ পৰিধান কৰি আমাৰ মিচিং গাভৰু আজি গুম্‌ৰাগ নাচিছে ।

**ছয় ঃ 'মিবু গালোক' পিন্ধি মইয়ো মিচিং হ'লোঁ...**

"মিবু গালোক গীংগেলা, গীন্‌ৰ উগন গীংগেলা
ঙলোক লৃগাং য়াংমেয়ে দুম দুম মানঃ যুম্‌দাগ ।"

(মিবু গালোকখন পিন্ধি, গন্‌ৰ উগন পিন্ধি, আমাৰ লৃগাং য়াংমেয়ে ঢোল বজাইছে ।)

মোকো মিবু গালোক পিন্ধাই দিলে । মিবু গালোক হ'ল মিচিং জন-কৃষ্টিৰ আটাইতকৈ সন্মানজনক পোছাক, চোলা । ক্ষন্তেকৰ বাবে মঞ্চৰ বাহিৰলৈ গৈ চাই আহিলোঁ—মিবু গালোকখন পিন্ধিলে নিজকে কেনে দেখি । মোৰ ভাষণত ক'লোঁ— "মই মিচিং সংস্কৃতিৰ বৰ্ণাঢ্য সম্ভাৰ দেখি অভিভূত হৈছোঁ । মিচিং জীৱনৰ প্ৰেমে আজি যিদৰে আন্তৰ্জাতিক ৰূপ পাইছে সেয়া এক উল্লেখনীয় দিশ । মিচিং য়াংমেহঁতে পিন্ধি অহা মিবু গালোকৰ পিছফালে তাজমহলৰ ছবি অংকণ কৰা দেখি ধাৰণা হৈছে যেন পৰৰ প্ৰেমকো মিচিং ৰাইজে নিজৰ কৰি ল'ব পাৰে । জংকী-পানেই আৰু ধনবৰ-ৰতনীহঁতৰ প্ৰেমে ছাহজাহান-মমতাজৰ প্ৰেমকো চুইছে । মিচিং প্ৰেম বিশ্বমুখী হওঁক, মিচিং সংস্কৃতিয়ে জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ প্ৰাচীৰ ভাঙি প্ৰকৃত মানুহৰ হৃদয়ত প্ৰেম, সম্প্ৰীতি আৰু বিশ্বাসৰ আধাৰশিলা গঢ়ি তোলক । সংস্কৃতিৰ সৈতে মিচিং সমাজৰ আন্তৰিকতা দেখি মইয়ো আজি ধন্য... ।" মোৰ ভাষণ চলি থাকোতেই উদ্যোক্তা এজনে ক'লে—"ছাৰ, আপোনাক পিন্ধাই দিয়া মিবু গালোকৰ পিছফালেও তাজমহল আঁকা আছে । আমাৰ প্ৰেম আপোনাৰ বুকুতো দিছোঁ ।" কথাষাৰে শ্ৰোতাৰ

মাজত আনন্দৰ ঢৌ তুলিলে । মইয়ো উল্লাসিত হৈ পৰিলোঁ ভিতৰে ভিতৰে । ৰাইজক উদ্দেশ্যি ক'লোঁ—"তেনেহ'লে মইয়ো আজিৰ পৰা পাতিৰ, পেগু, দলে, লাগাচুৰ দৰেই হ'লোঁ । আপোনালোকৰ প্ৰেমত হতাশাগ্ৰস্ত মানুহৰ মন সজীৱ হওঁক, প্ৰেমৰ বৰষুণত গা-ধোৱক হৃদয়হীন মানুহবোৰে । হত্যা-সন্ত্ৰাস, সাম্প্ৰদায়িকতাবাদ-বিচ্ছিন্নতাবাদে গা কৰি উঠা এই বৃহত্তৰ অসমৰ বুকুত আপোনালোকে সাংস্কৃতিক প্ৰেমৰ বৰষুণেৰে বাৰুদৰ ধোঁৱাবোৰ আঁতৰাই দিয়ক । আমিও আছোঁ আপোনালোকৰ লগত ।"..সোমাই গৈছিলোঁ, সোমাই গৈছিলোঁ মিচিং ৰাইজৰ হৃদয়ৰ মাজলৈ ধীৰে ধীৰে, সংগোপনে ।

সভাখন শেষ হ'ল; গধূলিয়ে এন্ধাৰৰ ঈষৎ কজলা প্ৰলেপ সানি দিলে লুগাং-বলীয়া ৰাইজৰ গালে-মুখে । ম'হঘুলি চাপৰিৰ ঘাঁহনিৰ দলিছাত আটায়ে বহি পৰিল—উদ্যোক্তা, শিল্পী, অতিথি, ডেকা-গাভৰু, ছাত্ৰ-ছাত্ৰী আটায়ে । ঈষৎ পোহৰত ৰাইজৰ মুখবোৰ ভালদৰে নেদেখিলেও মনবোৰ দেখিছিলোঁ । ডাঃ হলিৰাম লাগাচু, শিক্ষাবিদ জিতেন চুতীয়া, অধ্যক্ষ শিৱ প্ৰসাদ গগৈ আদিৰ সৈতে উলহ-মালহেৰে পাৰ কৰিলোঁ গধূলিটো । চকুবোৰে কথা ক'লে, হৃদয়বোৰে গান গালে, ওঁঠবোৰে ছবি আঁকিলে প্ৰেমৰ, আন্তৰিকতাৰ, বিশ্বাসৰ । ভোজ-ভাতৰ অন্তত মিচিং ডেকা-গাভৰুবোৰৰ সৈতে খোজ দিলোঁ গন্তব্য স্থানলৈ । আগদিনা ৰাতি মিচিং গাঁৱতেই কটালোঁ । পিছদিনাও মিচিং গাঁৱলৈ যাবলৈ খাটনি ধৰিলে । "ছাৰ, আজি আমাৰ চাংঘৰ ল'ব । ডাঙৰ ভোজ হ'ব । আপোনাক মা-দেউতাই মাতিছে"—বৰ আগ্ৰহেৰে ক'লে স্নাতক মহলাৰ ছাত্ৰী জোনালী পাতিৰে । দশম শ্ৰেণীৰ ছাত্ৰী জুনুমাই পেগুৱে ক'লে—"ছাৰ, আপুনি আমাৰ কাষৰ চাংঘৰত উঠিছিল কালি । আমাৰ চাংঘৰলৈ নগ'ল কেলেই ? আজি আমাৰ চাংঘৰলৈ যাব লাগিব"—ফেপেৰি পাতি ধৰিলে । মাধৱী, ৰঞ্জিতা, নিবেদিতাহঁতৰো একেই অভিমান । ....গধূলি সাত বাজি গৈছিল । এন্ধাৰে আগুৰি ধৰিলেও জোনাকে পোহৰ দিছিল । মৃম্বৃৰ-য়াংমেহঁতৰ সৈতে খোজকাঢ়ি গৈ চাৰিকড়ীয়া নৈৰ ওচৰ পালোগৈ । নেৰানেপেৰা অনুৰোধ । অলপদূৰ গ'লেই মিচিং গাঁওখন । চল্লিশ-পঞ্চাশ গৰাকী মৃম্বৃৰ-য়াংমেৰ এৰাব নোৱাৰা মায়াজালৰ পৰা ওলাই আহোতে প্ৰায় এঘণ্টা সময় পাৰ হৈ গ'ল । মোক বিদায় দিওঁতে মৃম্বৃৰ-য়াংমেহঁতৰ চকুবোৰ চল্‌চলীয়া হৈ পৰিল । সকলোৰে এটাই দাবী—"আকৌ আহিবদেই ছাৰ । এইবাৰ বানপানীৰ বতৰত আমালৈ মনত পেলাব । উত্তৰপাৰৰ উজনীলৈ আহিলেই আমাৰ গাঁৱলৈ আহিব । আমি মথাউৰীত থাকিলেও আপোনালৈ বাট চাই থাকিম । আমাক নেপাহৰিব ।"

চেনেহৰ বৰষুণ নামিছিল । কোনোবাই হাতযোৰ কৰি নমস্কাৰ যাচিছিল,





কোনোবাই হাতযোৰ চুই চাইছিল । মৃম্বৃৰ-য়াংমেহঁতৰ হাতৰ স্পৰ্শই মোক তেজৰ সম্পৰ্কতকৈয়ো অধিক ওচৰ চপাই আনিছিল । আটায়ে মোৰ আপোন ভাই-ভনী হৈ পৰিছিল । "ছাৰ নহয়, ককাইদেউ (চাংচি) বুলি ক'বা; আজিৰ পৰা মই তোমালোকৰেই এজন"—এইবুলি কৈ বিদায় লওঁতে কেইজনমানে হাতত চুমা খাই ক'লে—"ককাইদেউ, এই জ্বলি থকা হাৰিকেনটো আমি ওপৰলৈ দাঙি ধৰিম । আপুনি গৈ থাকোতে যেতিয়া হাৰিকেনৰ পোহৰ নেদেখা হ'ব তেতিয়া খুব জোৰেৰে চাইকেলৰ টিলিঙা বজাই দিব । আমিও এই জোনাক ৰাতি আপোনাক নেদেখালৈকে হাৰিকেন ওপৰলৈ ধৰি থাকিম আৰু টিলিঙাৰ মাত শুনিলেই হাৰিকেন তললৈ নমাই গাঁৱলৈ বুলি খোজ দিম ।"

মৃম্বৃৰ-য়াংমেহঁতক দিবলৈ একোৱেই নাছিল চেনেহ, মৰম আৰু আন্তৰিকতাৰ বাহিৰে । আটাইৰে প্ৰেমত পৰিলোঁ । "প্ৰেম মানে সংস্কৃতি, ..." লেনিনে কোৱা এইষাৰ কথা মনৰ মাজত বহুবাৰ আওৰাইছিলোঁ । মৃম্বৃৰ-য়াংমেহঁতৰ হাতত চুমা খাই কৈছিলোঁ—"১৯৯৮ৰ দৰে বানপানী হ'লে মই সাঁতুৰি হ'লেও তোমালোকৰ কাষলৈ আহিম । কিন্তু বানপানী ৰুধিবলৈ তোমালোকে সংগ্ৰাম কৰিবা, কৃষকৰ পথাৰবোৰ বচাবলৈ যত্ন কৰিবা, প্ৰতিবাদ কৰিবা তোমালোকৰ ওপৰত চলা শোষণ-নিৰ্যাতনৰ । আমি তোমালোকৰ লগত থাকিম । তোমালোক আমাৰ, আমি তোমালোকৰ । আহো আজিলৈ—আকৌ আহিম মৰমৰ মৃম্বৃৰ-য়াংমেহঁত । তোমালোক কুশলে থাকা ।" জোনালীয়ে চাইকেলখন আগবঢ়াই দিছিল । অইংনিতম্ এটা আওৰাই চাইকেলৰ পেডেলত ভৰি দিছিলোঁ ঃ

"গুৱাহাটীত দুঃদাগ্‌গম্ বৰপেটাত দুঃদাগ্‌গম
অয়ি ঙৱিক্ আগমদীম্ পাঃ মুন্ চুলাপী ।"
(দূৰণিৰ গুৱাহাটীত বা বৰপেটাত থাকিলেও
তোমাৰ বতৰা সদায় পাই থাকিম ।)

(আমাৰ অসম । ১৩ এপ্ৰিল, ২০০০ চন)

# কুৰি শতিকাৰ অসমীয়া সাহিত্যৰ চমু খতিয়ান

কুৰি শতিকাৰ অসমীয়া সাহিত্য বুলি ক'লে আমি এই শতিকাটোৰ ভিতৰতে সৃষ্ট সাহিত্যক বুজোঁ । এটা শতিকা, অৰ্থাৎ এশবছৰীয়া অসমীয়া সাহিত্যৰ খতিয়ান লোৱাটো বৰ সহজ কথা নহয় । এই এশবছৰীয়া খতিয়ান হ'ব লাগিব নিৰ্দিষ্ট সময়ছোৱাৰ এক স্বয়ংসম্পূৰ্ণ বুৰঞ্জী অথবা একো একোটা দশকৰ একত্ৰিত মূল্যায়ন ।

কুৰি শতিকাটো অসমীয়া সাহিত্যৰ দুটা দিশৰ পৰা তাৎপৰ্যপূৰ্ণ । এই শতিকাতেই অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ অৱসান ঘটা বুলি কোৱা হয়; আৰু আনহাতে আধুনিক যুগৰো আৰম্ভণি ঘটে । ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পিছৰে পৰাই অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হোৱা বুলি কোৱা হয় । ১৯৩৮ চনত ৰোমাণ্টিক যুগৰ দুগৰাকী অন্যতম কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰ কুমাৰ আগৰৱালাৰ মৃত্যু ঘটে । একেটা বছৰতে জন্ম লাভ কৰে যুগান্তকাৰী অসমীয়া আলোচনী 'জয়ন্তী'য়ে । 'জয়ন্তী'য়ে নতুন ৰূপত আত্মপ্ৰকাশ কৰে ১৯৪৩ চনত । জয়ন্তীৰ পাতত ৰোমাণ্টিক ভাৱাবেগৰ বিৰুদ্ধে যি প্ৰগতিবাদী সাহিত্য-আন্দোলন গঢ়ি উঠে তাৰ মাজেদি কুৰি শতিকাৰ অসমীয়া সাহিত্যই এক নতুন আয়তন লাভ কৰে । এই প্ৰগতিবাদী ধাৰাৰ মাজেৰেই অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণি ঘটা বুলি কোৱা হয় ।

কুৰি শতিকাৰ অসমীয়া সাহিত্যত আধুনিক যুগৰ আৰম্ভণি সম্পৰ্কে আমি যি সময়-সীমাৰ কথা উল্লেখ কৰিছোঁ তাৰ মাজেৰে অসমীয়া সাহিত্যত এক দাৰ্শনিক চিন্তাৰ বন্ধনমুক্তিৰ ৰেঙণি দেখা পাওঁ । কিন্তু ৰোমাণ্টিক যুগৰ ভাৱ-বিলাসী সাহিত্যক আশ্ৰয় কৰি আমি সাহিত্যৰ যুগ বিভাজন কৰিলে উনবিংশ শতিকাৰ আৰম্ভণিৰে পৰা অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হোৱা বুলি ধৰিব পাৰোঁ । ডঃ বাণীকান্ত কাকতিৰ মতে উনবিংশ শতিকাৰ প্ৰাৰম্ভণিৰে পৰা অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হয় । হেম বৰুৱাই 'সাহিত্য আৰু সমস্যা' শীৰ্ষক গ্ৰন্থত অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণি সম্পৰ্কে কৈছে যে, ১৮১৩ চনত বঙ্গদেশৰ শ্ৰীৰামপুৰৰ পৰা প্ৰকাশ কৰা বাইবেল শাস্ত্ৰৰ অসমীয়া ভাঙণিৰ জৰিয়তে আমাৰ সাহিত্যত আধুনিক যুগটোৰ সূচনা হয় ।





দৰ্শন আৰু ভাৱাদৰ্শৰ ভেটিত অসমীয়া সাহিত্যৰ যুগ বিভাজন কৰিলে আমি ওপৰত উল্লেখ কৰি অহা ধৰণেই কুৰি শতিকাৰ সাহিত্যৰ মূল্যায়ণ কৰিব লাগিব । অৰ্থাৎ ১৮৮৯ খৃঃত জন্ম হোৱা 'জোনাকী' আলোচনীৰ পৰা ১৯৩৮ চনৰ 'জয়ন্তী' আলোচনীৰ সময়চোৱালৈ ৰোমাণ্টিক সাহিত্যৰ যুগ আৰু ১৯৩৯ চনৰ পৰা বৰ্তমানলৈকে আধুনিক সাহিত্যৰ যুগ বুলি আমি অসমীয়া সাহিত্যৰ যুগ বিভাজন কৰিব পাৰোঁ ।

কুৰি শতিকাৰ এই দুটা যুগতেই অসমীয়া সাহিত্যই যথেষ্ট বিকাশ লাভ কৰিছে । উপন্যাস, গল্প, কবিতা, নাটক, সমালোচনা-সাহিত্য, জীৱনী সাহিত্য আদিয়ে কুৰি শতিকাৰ ৰোমাণ্টিক যুগৰ কালছোৱাত যি বিকাশ লাভ কৰিল তাৰ মাজেদি আমি অসমীয়া সাহিত্যত পাওঁ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, নলিনীবালা দেৱী, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষ্মীধৰ শৰ্মা, ধীৰেন দত্ত, আনন্দ চন্দ্ৰ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰ দৰে সাহিত্যিকসকলক । অসমীয়া চুটিগল্পৰ অভ্যুদয় 'জোনাকী'ৰ পাততে আৰম্ভ হ'লেও 'আৱাহন' আৰু 'বাঁহী'ৰ পাততেই তাৰ নতুন ক'লা-কৌশলৰ প্ৰয়োগ ঘটা দেখিবলৈ পাওঁ । অসমীয়া চুটিগল্পৰ নিৰ্মাতা বুলি লক্ষ্মীনাথ বেজবৰুৱাকেই কোৱা হয় । তেওঁক অসমৰ পুৰণি সাধুকথা আৰু আধুনিক চুটিগল্পৰ সংযোজক বুলি ডঃ মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত উল্লেখ কৰি গৈছে । বেজবৰুৱাৰ পৰা লক্ষ্মীধৰ শৰ্মালৈকে এই সময়ছোৱাত অসমীয়া চুটিগল্পই ভাষা-শৈলী, কাহিনী আৰু বক্তব্যৰ দিশত বিশেষ অভিনৱত্ব অৱলম্বন কৰে । আধুনিক যুগৰ আৰম্ভণিৰে পৰা বীণা বৰুৱা ছদ্মনাম লৈ বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া চুটিগল্প, উপন্যাস আৰু আলোচনা সাহিত্যত অসমৰ সমাজ-জীৱনৰ বহুমাত্ৰিক দিশৰ যি অপূৰ্ব চিত্ৰণ ঘটাই গৈছে তাৰ মাজেদি অসমীয়া সাহিত্যই এক নতুন মাত্ৰা লাভ কৰিছে । বিৰিঞ্চি কুমাৰ বৰুৱাৰ পৰৱৰ্তী যিসকল ঔপন্যাসিক, গল্পকাৰে অসমীয়া সাহিত্যত নতুনত্ব আৰু বিষয় বৈচিত্ৰ্যৰ অভিনৱত্বৰ প্ৰকাশ ঘটাইছে তেওঁলোকৰ মাজত অন্যতম হ'ল ত্ৰৈলোক্যনাথ গোস্বামী, ৰায়হান শ্বাহ, কৃষ্ণ ভূএগ, চৈয়দ আব্দুল মালিক, মহিম বৰা, হোমেন বৰগোহাঞি, ভবেন্দ্ৰনাথ শইকীয়া, উমাকান্ত শৰ্মা, শীলভদ্ৰ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সৌৰভ কুমাৰ চলিহা আদি । আৱাহনৰ দিনৰে পৰা অসমীয়া গল্প-সাহিত্যত হৰিপ্ৰসাদ গোৰ্খাৰায়, গোবিন্দ চন্দ্ৰ পৈৰা আদিৰ দৰে লেখকে বিভিন্ন জনগোষ্ঠীৰ পৰা ওলাই আহি অসমীয়া সাহিত্যক চহকী কৰিছে । অসমীয়া গল্প, উপন্যাস, কবিতা আৰু আলোচনা-সাহিত্যত বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ ধাৰা পৰৱৰ্তী সময়ত যিসকলে চহকী কৰিছে তেওঁলোকৰ মাজত অন্যতম হ'ল—জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভা, সীতানাথ ব্ৰহ্মচৌধুৰী, যোগেশ দাস, ৰংবং তেৰাং, ড° যতীন মিপুন, এম. ইব্ৰাহীম আলি, চৈয়দ আব্দুল মালিক, ইমৰান শ্বাহ, ইদ্ৰিছ আলী, এম

ইলিম উদ্দিন দেৱান, সমীৰ তাঁতী, সনন্ত তাঁতী, ড° অমলেন্দু গুহ, ৰবীন্দ্ৰ সৰকাৰ, হেমাঙ্গ বিশ্বাস, সুভাষ সাহা, চমছেৰ আলী, ইছমাইল হোছেইন আদি ।

অসমীয়া উপন্যাস-সাহিত্যই বিৰিঞ্চি কুমাৰ বৰুৱা (বীণা বৰুৱা, ৰাস্না বৰুৱা), চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নিৰুপমা বৰগোহাঞি, নীলিমা দত্ত, ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, চন্দ্ৰপ্ৰসাদ শইকীয়া, অৰূপ পটঙ্গীয়া কলিতা, অৰুণ শৰ্মা, ভবেন্দ্ৰ নাথ শইকীয়া আদিৰ হাতত এক সুনিপুণ সাহিত্য-অস্ত্ৰৰূপে চিনাকী লাভ কৰিছে । বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম', হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা', চৈয়দ আব্দুল মালিকৰ 'সুৰুযমুখীৰ স্বপ্ন', ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শৃঙ্খল', নীলিমা দত্তৰ 'আকাশবন্তি' আদি গ্ৰন্থ অসমীয়া উপন্যাস সাহিত্যৰ মাইলৰ খুটি । উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য' আৰু 'ভাৰশু পক্ষীৰ জাক' উপন্যাসত অসমৰ সমাজ জীৱনৰ দ্বন্দ, সংঘাত আৰু সমন্বয়ে যিৰূপত আত্মপ্ৰকাশ কৰিছে সেয়া অসমীয়া উপন্যাস সাহিত্যত বিৰল । নীলিমা দত্তৰ 'আকাশবন্তি' উপন্যাসখনতে হিন্দু-মুছলমান সমন্বয়ৰ অপূৰ্ব কাহিনীৰ চিত্ৰায়ণ ঘটিছে । সত্তৰৰ দশকত ৰচিত এই উপন্যাসখনক আমি সমন্বয়ৰ ক্ষেত্ৰত সামাজিক আধাৰ হিচাপে চিহ্নিত কৰিব পাৰোঁ । শেহতীয়াভাৱে নাট্যকাৰ অৰুণ শৰ্মায়ো 'আশীৰ্বাদৰ ৰং' শীৰ্ষক উপন্যাসত অসমৰ সমাজ জীৱনৰ নতুন কিছুমান দিশৰ প্ৰকাশ ঘটাইছে যিবোৰ দিশ আন বহুতৰেই উপন্যাসত অনুপস্থিত । তুলনামূলকভাৱে নবীন ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, অৰূপা পটঙ্গীয়া, অনুৰাধা শৰ্মা পূজাৰী আৰু ৰীতা চৌধুৰীৰ উপন্যাসৰ ভাষা-শৈলী আৰু মনস্তাত্বিক দিশটো অতি প্ৰকট আৰু হৃদয়গ্ৰাহী ।

গল্প আৰু উপন্যাসৰ এই চমু আলোচনাত আমি কুৰি শতিকাৰ মুষ্টিমেয় গল্পকাৰ আৰু ঔপন্যাসিকৰ সৃষ্টিকৰ্মৰ বিশেষ কিছুমান দিশহে মাথোন আলোচনা কৰিলোঁ । এই চমু আলোচনাৰ পৰা আমি শ্ৰেষ্ঠ লেখক আৰু শ্ৰেষ্ঠ গ্ৰন্থৰ বিচাৰ কৰাটো কঠিন । কাৰণ কোনো এজন লেখকৰেই লেখা এটাক আমি সম্পূৰ্ণ নিৰ্দোষ বুলি ক'ব নোৱাৰোঁ অথবা লেখক এজনেও তেওঁৰ লেখাটোক স্বয়ংসম্পূৰ্ণ আৰু শ্ৰেষ্ঠতৰ বুলি দাবী কৰিব নোৱাৰে । বিখ্যাত ঔপন্যাসিক ৰাজা ৰাওৱে ভাৰতীয় গল্পৰ শ্ৰেষ্ঠতা নিৰূপণ কৰিবলৈ গৈ এটা লেখাত উল্লেখ কৰিছিল যে,—"ভাৰতৰ এটা গল্পকো মই গল্প হিচাপে সম্পূৰ্ণ নিৰ্দোষ বুলি ডাঠি ক'ব নোৱাৰো । শৰৎ চন্দ্ৰ, ৰবীন্দ্ৰ নাথ, প্ৰেমচন্দ আদি শ্ৰেষ্ঠ গল্প-লেখক নিশ্চয় আছিল; কিন্তু তথাপিও তেওঁলোকৰ গল্পকো মই একেবাৰে নিৰ্দোষ বা আদৰ্শস্থানীয় গল্প বুলিব নোৱাৰোঁ ।" অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো আমি সাহিত্যৰ বিচাৰ কৰিবলৈ যাওঁতে ৰাজাৰাওৰ কথাষাৰ বিবেচনা কৰি চাব পাৰোঁ । অসমীয়া সাহিত্যৰ আলোচক-সমালোচক সকলেও কোনো এখন গ্ৰন্থকেই





সকলো দিশৰ পৰা শ্ৰেষ্ঠ বুলি ক'ব পৰা নাই । উপন্যাসৰ ক্ষেত্ৰত শ্ৰেষ্ঠতাৰ বিচাৰ কৰাটো সহজ; কিন্তু গল্প, কাব্যগ্ৰন্থ বা আলোচনা গ্ৰন্থৰ ক্ষেত্ৰত শ্ৰেষ্ঠতাৰ বিচাৰ কৰাটো বৰ কঠিন । ধৰা হ'ল হোমেন বৰগোহাঞিৰ 'ইছমাইল শ্বেখৰ সন্ধানত' গল্পটো কুৰি শতিকাৰ তিনিটা শ্ৰেষ্ঠ গল্পৰ এটা । সেইবুলি বৰগোহাঞিৰ সমগ্ৰ গল্প- গ্ৰন্থই শ্ৰেষ্ঠ নহয় । কবিতাৰ ক্ষেত্ৰতো আমি এই কথা ক'ব পাৰোঁ । বামপন্থী কবি ধীৰেন দত্তৰ কবিতাৰ মূল্যায়ন কৰিবলৈ গৈ বিশিষ্ট কবি নৱকান্ত বৰুৱাই ১৯৭৩ চনত লিখিছিল ঃ "মোক যদি কোনোবাই দহটা শ্ৰেষ্ঠ অসমীয়া কবিতাৰ নাম সোধে, তাৰ মাজৰ এটা হ'ব 'কাঠমিস্ত্ৰীৰ ঘৰ' ।" ধীৰেন দত্তৰ কবিতা সম্পৰ্কে নৱকান্ত বৰুৱাৰ এই মূল্যায়ন আন কবি বা আলোচকে হয়তো মানি নল'বও পাৰে । অথবা এনে ঘটনাওতো ঘটিব পাৰে যে কোনোবাই তোষামোদকাৰীৰ ভূমিকা লৈ তেওঁৰ অনুগ্ৰাহী কবি এজনৰ এটা নিকৃষ্ট কবিতাকো কৈ দিলে শ্ৰেষ্ঠ কবিতা বুলি । আনহাতে এজন শ্ৰেষ্ঠ কবিকো তেওঁৰ শত্ৰু লেখকে সাধাৰণ কবিৰ পৰ্যায়লৈ নমাই আনিব পাৰে পৰিকল্পিত আলোচনা আৰু সমালোচনাৰে । পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ কবি পাব্‌লো নেৰুদাৰ জীৱনৰ এটা ঘটনাকেই এই ক্ষেত্ৰত উদাহৰণ হিচাপে ল'ব পাৰোঁহক । জো ব্ৰো লোমছ নামৰ এগৰাকী লেখকে পাব্‌লো নেৰুদাক এগৰাকী নিকৃষ্ট লেখকৰূপে চিহ্নিত কৰিবলৈ সুদীৰ্ঘ চল্লিশ বছৰ ধৰি সংগ্ৰাম কৰি ২৫ খন আলোচনী প্ৰকাশ কৰিছিল আৰু সেই আলোচনীবোৰৰ মুখ্য উদ্দেশ্য আছিল পাব্‌লো নেৰুদাৰ কুৎসা ৰটনা কৰা আৰু সাহিত্য জগতৰ পৰা নেৰুদাৰ বিদায় নিশ্চিত কৰা । নেৰুদাক বিশ্বাসঘাতক, ঘৃণ্য অপৰাধী, নামী পাপী আৰু বিকৃত জীৱনৰ উপাসক বুলি জো ব্ৰো লোমছে তেওঁৰ আলোচনীবোৰত প্ৰচাৰ কৰিছিল । অথচ এটা সময়ত চৰম হতাশাত ভুগি লোমছে বৃদ্ধ বয়সত আত্মহত্যা কৰিছিল । অকল জো ব্ৰো লোমছেই নহয়, উৰুগুৱেৰ কবি ৰিবোৱোৱে নেৰুদাৰ ডক্টৰেট ডিগ্ৰী বাতিল কৰিবলৈ অক্সফোৰ্ড ইউনিভাৰচিটিলৈ বহুবাৰ লিখিছিল, ১৯৬৩ চনৰ ন'বেল বটা বাছনি তালিকাৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ টকা খৰচ কৰি ষ্টকহ' মলৈ গৈছিল । এইগৰাকী ৰিবোৱোৱেই নেৰুদাক ট্ৰটস্কিৰ হত্যাকাৰী বুলি প্ৰচাৰ কৰিছিল । নেৰুদাই তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'Memoirs' ত এইবোৰ কথা উল্লেখ কৰিছে । সাহিত্যৰ ক্ষেত্ৰত দালালি বৃত্তিৰ এক উদাহৰণ দাঙি ধৰি নেৰুদাই গ্ৰন্থখনৰ 'সাহিত্যিক শত্ৰু' অধ্যায়ত লিখিছে যে, তেওঁৰ যেতিয়া ওঠৰ বছৰ বয়স তেতিয়া এগৰাকী লেখকে নেৰুদালৈ প্ৰস্তাৱ আগবঢ়ালে যে দুয়ো মিলি যৌথ সম্পাদনাত এখন সাহিত্য-সমালোচনামূলক আলোচনী প্ৰকাশ কৰিব য'ত সেই লেখক গৰাকীয়ে নেৰুদাক এজন অদ্বিতীয় প্ৰতিভাবান কবি হিচাপে প্ৰতিষ্ঠিত কৰাৱ আৰু নেৰুদাই তেওঁক তীক্ষ্ণ বুদ্ধিসম্পন্ন, বহুমুখী আৰু অসাধাৰণ প্ৰতিভাবান এজন সাহিত্যিক আৰু সমালোচক হিচাপে স্বীকৃতি দিব । নেৰুদাই ওঠৰ বছৰ বয়সতেই তেনে প্ৰস্তাৱক

দালালি বৃত্তি বুলি অভিহিত কৰিছিল ।

অসমীয়া সাহিত্যৰ কুৰি শতিকাৰ শ্ৰেষ্ঠ লেখক আৰু গ্ৰন্থৰ বিচাৰ কৰিবলৈ যাওঁতে আমি বহু ক্ষেত্ৰত অনুভৱ কৰিছো যে, সাহিত্যৰ বিচাৰত 'দালালি বৃত্তি'ৰ পৰা আমাৰ একাংশ আলোচক ওলাই আহিব পৰা নাই । বহু সময়ত গোষ্ঠীকেন্দ্ৰিকতা আৰু স্বজনপ্ৰীতিয়েও আলোচক সকলক এটা গণ্ডীৰ ভিতৰত আৱদ্ধ কৰি ৰাখিবলৈ বাধ্য কৰাইছে । অসমীয়া সাহিত্যৰ বিকাশ আৰু শ্ৰেষ্ঠত্বৰ বিচাৰৰ ক্ষেত্ৰত এনে প্ৰৱণতাই বাৰুকৈয়ে হেঙাৰৰূপে থিয় দিছে । আলোচকসকলে এক নিৰপেক্ষ আৰু বস্তুনিষ্ঠ বিশ্লেষণেৰে জাতীয় সাহিত্যৰ আশানুৰূপ বিকাশ ঘটাব পাৰে ।

কুৰি শতিকাৰ অসমীয়া সাহিত্যত শ্ৰেষ্ঠ লেখক আৰু শ্ৰেষ্ঠ গ্ৰন্থৰ খতিয়ান ল'বলৈ যাওঁতে আমি সীমাবদ্ধ জ্ঞান, অধ্যয়ন আৰু নিৰপেক্ষ দৃষ্টিভংগীৰে নিম্নোক্ত ধৰণে দৃষ্টিপাত কৰিব পাৰোঁ ।

(ক) জীৱনীমূলক সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ', ডিম্বেশ্বৰ নেওগৰ 'যুগনায়ক শংকৰদেৱ' ।

(খ) জীৱনীমূলক শ্ৰেষ্ঠ উপন্যাস ঃ মেদিনী চৌধুৰীৰ 'ফেৰেংগাদাও', নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' ।

(গ) পৌৰাণিক কাহিনীৰ চৰিত্ৰভিত্তিক উপন্যাস ঃ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' ।

(ঘ) বুৰঞ্জী আৰু দেশপ্ৰেমমূলক উপন্যাস ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম', নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাঁড়', দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'জঙ্গম' আদি ।

(ঙ) জীৱন-বিষয়ক শ্ৰেষ্ঠ উপন্যাস ঃ বীণা বৰুৱাৰ 'জীৱনৰ বাটত', মামনি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', হোমেন বৰগোহাঞিৰ 'অস্তৰাগ', চৈয়দ আব্দুল মালিকৰ 'সুৰুমুখীৰ স্বপ্ন', ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' আদি ।

(চ) সমন্বয়-চিন্তাৰ শ্ৰেষ্ঠ উপন্যাস ঃ অৰুণ শৰ্মাৰ 'আশীৰ্বাদৰ ৰং', নীলিমা দত্তৰ 'আকাশবন্তি', উমাকান্ত শৰ্মাৰ 'ভাৰত্ত পক্ষীৰ জাক', ৰংবং তেৰাংৰ 'ৰংমিলিৰ হাঁহি' আদি ।

(ছ) সমাজ-সমালোচনামূলক শ্ৰেষ্ঠ উপন্যাস ঃ অৰুণ শৰ্মাৰ 'আশীৰ্বাদৰ ৰং' ।

(জ) শ্ৰেষ্ঠ গল্পপুথি ঃ ভবেন্দ্ৰ শইকীয়াৰ 'শৃঙ্খল', যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ', স্নেহ দেৱীৰ 'একুকি গল্প', মহিম বৰাৰ 'কাঠনিবাৰীৰ ঘাট', লক্ষ্মীনাথ বেজবৰুৱাৰ 'আঘোণী বাঈ' আদি ।

(ঝ) আলোচনামূলক সাহিত্য গ্ৰন্থ ঃ ডঃ হীৰেন গোহাঁইৰ 'অসমীয়া জাতীয়





জীৱনত মহাপুৰুষীয়া পৰম্পৰা', মেদিনী চৌধুৰীৰ 'লুইত বৰাক আৰু ইছলাম' আদি ।

(ঞ) আলোচনামূলক লোক-সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থ ঃ শশী শৰ্মাৰ 'অসমৰ লোক-সাহিত্য', বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া ভাষা আৰু সংস্কৃতি', ভৃগুমুণি সম্পাদিত 'মিচিং সংস্কৃতিৰ আলেখ্য' আদি ।

(ট) চিন্তামূলক আলোচনা গ্ৰন্থ ঃ নলিনীধৰ ভট্টাচাৰ্যৰ 'কবিতাৰ কথা', বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য', ডঃ মহেশ্বৰ নেওগৰ 'শ্ৰীশ্ৰীশংকৰদেৱ', ভৱানন্দ দত্তৰ 'অসমীয়া কবিতাৰ কাহিনী' আদি ।

(ঠ) আত্মজীৱনীমূলক শ্ৰেষ্ঠ গ্ৰন্থ ঃ 'কৃষ্ণ শৰ্মাৰ ডায়েৰী', শৈলধৰ ৰাজখোৱাৰ 'অতীতৰ সোঁৱৰণী', উমা শৰ্মাৰ 'বাট বুলি বুলি ভাগৰি পৰিলে' আদি ।

(ড) শ্ৰেষ্ঠ প্ৰগতিবাদী কাব্যগ্ৰন্থ ঃ হেমাঙ্গ বিশ্বাসৰ 'কুলখুৰাৰ চোতাল', নলিনীধৰ ভট্টাচাৰ্যৰ 'নদী আছেনে ঘৰত', হীৰেন ভট্টাচাৰ্যৰ 'সুগন্ধি পখিলা', সমীৰ তাঁতীৰ 'যুদ্ধভূমিৰ কবিতা', 'মোহন কৃষ্ণ মিশ্ৰৰ 'সমদল' আদি ।

(ঢ) শ্ৰেষ্ঠ নাটক ঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী', লক্ষ্মীধৰ শৰ্মাৰ 'চিৰাজ', ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শতাব্দী', মহেন্দ্ৰ বৰঠাকুৰৰ 'শৰাগুৰি চাপৰি' আদি ।

(ণ) শ্ৰেষ্ঠ কাব্যগ্ৰন্থ ঃ নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ', নীলমণি ফুকনৰ 'সাগৰতলিৰ শংখ' (ডঃ হীৰেন গোঁহাই সম্পাদিত), যতীন্দ্ৰ নাথ দুৱৰাৰ 'মৰমৰ সুৰ', ৰাম গগৈৰ 'হে পৃথিৱী অন্তৰতমা', কেশৱ মহন্তৰ 'তোমাৰ তেজ' আদি ।

মোৰ অধ্যয়নৰ সীমাবদ্ধতাৰ মাজত ওপৰত উল্লেখ কৰা গ্ৰন্থসমূহেই যে কুৰি শতিকাৰ শ্ৰেষ্ঠ অসমীয়া গ্ৰন্থৰূপে বিবেচিত হ'ব সেই কথা মই জোৰ দি ক'ব নোৱাৰোঁ । কাৰণ, এই শতিকাৰ অনেক শ্ৰেষ্ঠ গ্ৰন্থ মই অধ্যয়ন কৰা নাই অথবা মোৰ অধ্যয়নৰ সীমাবদ্ধতাৰ মাজত সেই গ্ৰন্থসমূহ সুলভ নহয় । সেয়ে কুৰি শতিকাৰ শ্ৰেষ্ঠ গ্ৰন্থ বাছি উলিওৱাটো মোৰ দৰে তৰুণ লেখকৰ বাবে জটিল কাম । আনহাতে শ্ৰেষ্ঠ লেখকৰ তালিকা এখন দাখিল কৰাটো গ্ৰন্থৰ তালিকাতকৈও অতি জটিল কাম । তৎসত্বেও মোৰ ব্যক্তিগত পৰ্যবেক্ষণ, অধ্যয়ন আৰু অভিজ্ঞতাৰ পৰা ক'ব পাৰোঁ যে, উপৰি উক্ত লেখকসকল আৰু তেওঁলোকৰ সাহিত্যকৰ্মই কুৰি শতিকাৰ অসমীয়া সাহিত্যত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে ।

(১৯৯৮ চনৰ ৩১ অক্টোবৰত প্ৰথম উত্তৰ-পূব গ্ৰন্থমেলাত আয়োজিত 'কুৰি শতিকাৰ অসমীয়া সাহিত্যৰ এটি খতিয়ান ঃ বিভিন্ন আলোচকৰ দৃষ্টিত শ্ৰেষ্ঠ লেখক আৰু শ্ৰেষ্ঠ গ্ৰন্থ' শীৰ্ষক আলোচনা চক্ৰত পঠিত ।)

# সাহিত্যৰ নোবেল পুৰস্কাৰ আৰু মহিলা সাহিত্যিক

বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ স্বীকৃতি হ'ল নোবেল পুৰস্কাৰ। ডিনামাইটৰ আৱিষ্কাৰক, চুইডেনৰ বিখ্যাত অভিযন্তা আলফ্ৰেড নোবেলৰ নামেৰে প্ৰচলিত এই পুৰস্কাৰটি ১৯০১ চনৰ পৰা প্ৰদান কৰা হয়। যুদ্ধৰ বিস্ফোৰক সামগ্ৰীৰ গৱেষণাত ওৰে জীৱন ব্যস্ত থাকিলেও আলফ্ৰেড নোবেলে যুদ্ধ বা মাৰণাস্ত্ৰ ভাল পোৱা নাছিল। তেওঁ অকপটে স্বীকাৰ কৰিছিল ঃ "মোৰ ইচ্ছা হয়, এই বিস্ফোৰণমুখী পৃথিৱীৰ বুকুত এটা শান্তিৰ গোলাপ ফুলাই থৈ যাওঁ।"

আলফ্ৰেড নোবেলৰ জন্ম ১৮৩৩ খৃষ্টাব্দৰ ২১ অক্টোবৰত। মস্তিষ্কৰ ৰক্তক্ষৰণ ঘটি ১৮৯৬ খ্ৰীষ্টাব্দৰ ১০ ডিচেম্বৰত নোবেলৰ মৃত্যু হয়। মৃত্যুৰ প্ৰায় এবছৰ আগত অৰ্থাৎ ১৮৯৫ খৃষ্টাব্দৰ ২৭ নৱেম্বৰত আলফ্ৰেড নোবেলে তেওঁৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিবোৰ উইল কৰি যায়। উইলত লিখিছিল ঃ

"The whole of my remaining realizable estate shall be dealt with in the following way.

The Capital shall be invested by my executors in safe securities and shall constitute a fund, the interest on which shall be annually distributed in the form of prizes to those who, during the preceding year, shall have conferred the greatest benefit of mankind. The said interest shall be divided in to five equal parts, which shall be apportioned as follows : one part to the person who shall have made the most important discovery or invention within the field of physics; one part to the person who shall have made the most important discovery within the domain of physiology or medicine; one part to the person who shall have produced in the field of literature the most outstanding work of an idealistic tendency; and one part to the person who shall have done the most or the best work for fraternity among nations, for the abolition or reduction of standing armies and for the holding and promotion of peace congresses."

(মোৰ সমস্ত স্থাৱৰ-অস্থাৱৰ সম্পত্তি এনেদৰে ব্যৱহাৰ কৰিব লাগিব ঃ





যথাযোগ্য নিৰাপত্তাৰ মাজত মোৰ ধনখিনি সংৰক্ষিত হ'ব আৰু এটা পুঁজি গঠন কৰা হ'ব। মোৰ আৰ্জিত ধনৰ পৰা যি পৰিমাণৰ সুদ পোৱা যাব তাৰ পৰা প্ৰতি বছৰে কেইটামান পুৰস্কাৰ প্ৰদান কৰা হ'ব। মানৱ জাতিৰ উন্নয়নত সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য অৱদানৰ বাবে এই পুৰস্কাৰ দিয়া হ'ব। সুদৰ টকা পাঁচ ভাগত ভাগ কৰি এভাগ পদাৰ্থবিদ্যাৰ আৱিষ্কাৰ, এভাগ ৰসায়নবিদ্যাৰ আৱিষ্কাৰ আৰু এভাগ শৰীৰবিদ্যা আৰু চিকিৎসাশাস্ত্ৰত নতুন অৱদান, এভাগ সাহিত্য ক্ষেত্ৰত অসাধাৰণ অৱদানৰ বাবে আৰু এভাগ আন্তৰ্জাতিক শান্তি স্থাপন আৰু নিৰস্ত্ৰীকৰণৰ বাবে মুখ্য ভূমিকা গ্ৰহণকাৰীক দিয়া হ'ব।)

সাহিত্যৰ নোবেল পুৰস্কাৰটি প্ৰদান কৰাৰ দায়িত্ব ষ্টকহমৰ চুইডিছ একাডেমীক দিয়াৰ বাবে উইলখনত উল্লেখ কৰা হৈছে। (...that for literature by the Swedish Academy in Stockholm.)

চুইডিছ একাডেমীয়ে ১৯০১ খ্ৰীঃৰপৰা ১৯৯৮ খ্ৰীষ্টাব্দলৈ মুঠ ৯৫ গৰাকী সাহিত্যিকক সাহিত্যৰ নোবেল পুৰস্কাৰ প্ৰদান কৰে। ইয়াৰ ভিতৰত মহিলা সাহিত্যিক হ'ল ৯ গৰাকী। আটাইতকৈ বেছিসংখ্যক মহিলা সাহিত্যিকে নোবেল পুৰস্কাৰ পাইছে শেষৰ দহটা বছৰত।

কুৰি শতিকাৰ সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰা নগৰাকী মহিলা সাহিত্যিকৰ দুগৰাকী চুইডেনৰ, দুগৰাকী আমেৰিকাৰ আৰু একোগৰাকীকৈ চিলি,নৰৱে ইটালী,মেক্সিকো আৰু পোলেণ্ডৰ।

বিশ্ব-সাহিত্যৰ প্ৰথম গৰাকী নোবেল জয়ী লেখিকা হ'ল ছেলমা লাগেৰলফ। চুইডেনৰ এইগৰাকী ঔপন্যাসিকে ১৯০৯ খৃঃত সাহিত্যৰ নোবেল বঁটা লাভ কৰে। ১৮৫৮ চনৰ ২০ নৱেম্বৰত দক্ষিণ চুইডেনৰ ভাৰ্ণলেণ্ডত ছেলমাৰ জন্ম। মাত্ৰ তিনি বছৰ বয়সত তেওঁ পক্ষাঘাত ৰোগত আক্ৰান্ত হয়। খোজকাঢ়িব নোৱাৰাত ছেলমাই ঘৰতেই লিখা-পঢ়া আৰম্ভ কৰে। তেওঁ লেখক হিচাপে আত্মপ্ৰকাশ কৰাৰ অন্তৰালত এটা কাহিনী আছে। স্কুল এখনত শিক্ষকতা কৰি থাকোতে ছেলমাই 'ইভান' নামৰ চুইডিছ মাহেকীয়া আলোচনীয়ে পতা গল্প প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰথম পুৰস্কাৰ লাভ কৰে। তেতিয়াৰে পৰা সম্পাদকৰ অনুৰোধত তেওঁ লিখিবলৈ লয় আৰু পিচলৈ লেখিকা হিচাপে স্বীকৃতি লাভ কৰে।

ছেলমাৰ লেখাত মূলতঃ জন্মভূমিৰ সাধাৰণ মানুহৰ জীৱন প্ৰতিফলিত হৈছে। ১৮৯১ চনত প্ৰকাশ পায় প্ৰথম উপন্যাস 'দ্যা ষ্টোৰী অব্ গোষ্টাবাৰ্লিং'। পৰৱৰ্তী উপন্যাস 'ইনভিজিবল লিংকচ' প্ৰকাশ পায় ১৮৯৪ চনত। ছেলমাৰ আন দুখন উল্লেখযোগ্য উপন্যাস হ'ল 'দ্যা মিৰাকলচ অব অ্যান্টিক্ৰিষ্ট' (১৮৯৮) আৰু 'এডভেঞ্চাৰ অৱ নীলচ'। তেওঁৰ লেখাৰ আন এটা বৈশিষ্ট্য হ'ল গভীৰ মানৱিক

আবেদন আৰু মৰ্মস্পৰ্শিতা । তেওঁৰ জীৱনৰ অতীত আৰু ভৱিষ্যতৰ এক মনস্তাত্বিক সংযোগ ঘটাইছিল তেওঁৰ লেখাবোৰত । চিৰদিন অবিবাহিত এইগৰাকী হৃদয়বান লেখিকাৰ মৃত্যু হয় ১৯৪০ খৃঃৰ ১৬ মাৰ্চত ৮১ বছৰ বয়সত ।

নোবেল কমিটীৰ কেবাগৰাকী সদস্যৰ ঘোৰ প্ৰতিবাদ সত্বেও চুইনবাৰ্ণ, ষ্ট্ৰিণ্ডবাৰ্গ আদি লেখকক অতিক্ৰমি ১৯০৯ চনত নোবেল কমিটীয়ে ছেলমাক নোবেল পুৰস্কাৰ পোৱা বুলি ঘোষণা কৰে । ছেলমাৰ বিপক্ষে ভোট দিয়া সদস্যৰ ভিতৰত নোবেল কমিটীৰ সম্পাদকো আছিল অন্যতম ।

১৯১৪ খৃঃত ছেলমা নোবেল পুৰস্কাৰ কমিটীৰ সদস্য নিৰ্বাচিত হয় । প্ৰথম প্ৰেমৰ সংঘাত, শাৰীৰিক পঙ্গুত্ব আদিক অতিক্ৰমি এইগৰাকী লেখিকাই চুইডিছ সাহিত্যত অপূৰণীয় অৱদান দি গৈছে । নোবেল পুৰস্কাৰ গ্ৰহণৰ দিনা ষ্টকহমৰ একাডেমি কক্ষত তেওঁ যি হৃদয়স্পৰ্শী ভাষণ প্ৰদান কৰিছিল তাৰ কিয়দংশ এনে ধৰণৰ ঃ "..ইয়ালৈ অহাৰ সময়ত ষ্টকহমগামী এখন ট্ৰেইনত উঠি বহিলো । সন্ধিয়াৰ ট্ৰেইন । অৰ্ধেক পোহৰ অৰ্ধেক অন্ধকাৰ । চুপচাপ শুনিছিলো ট্ৰেইনৰ ঝক্‌ঝক শব্দ । ইয়াৰ আগতে ষ্টকহমত হয় পৰীক্ষা দিবলৈ বা কিতাপৰ পাণ্ডুলিপি লৈ প্ৰকাশকৰ ওচৰলৈ আহিছিলো । এইবাৰ গৈ আছো পুৰস্কাৰ ল'বলৈ, এইটোও কিবা যেন লাগিছে ।" এইগৰাকী ৰৰেণ্যা লেখিকাক ১৯০৭ চনত আপচালা বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰীৰে সন্মানিত কৰে ।

ইটালীৰ লেখিকা গ্ৰাজিয়া দেলেদ্দাই (Grazia Deledda) দ্বিতীয় গৰাকী মহিলা সাহিত্যিকৰূপে সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰে । ১৮৭১ খৃঃৰ ২৭ ছেপ্তেম্বৰত দেলেদ্দাৰ জন্ম । ফ্ৰক পিন্ধা দিনৰে পৰাই তেওঁ লিখিবলৈ আৰম্ভ কৰে । মাত্ৰ ১৩ বছৰৰ বয়সত দেলেদ্দাৰ এটা লেখা ইলাষ্ট্ৰেচনসহ বিখ্যাত আলোচনী 'ষ্টাৰ অব্ ছাৰ্ডিনিয়া'ত প্ৰকাশ পায় । তাৰ পিছৰে পৰা তেওঁ লিখে তেওঁৰ বিখ্যাত গ্ৰন্থ—দ্যা মাদাৰ, কোচিমা (আত্মজীৱনী), ফ্লাৱাৰ অৱ ছাৰ্ডিনিয়া, আৰনেষ্ট ছ'ল অব্ দ্যা লিভিং, দ্যা চিক্ৰেট অব্ দ্যা চ'লিটাৰী ম্যেন, দ্যা ইভিল ৰে, ইন দ্যা ডেজাৰ্ট আৰু দ্যা ওল্ড ম্যেন অব্ দ্যা মাউন্টেন আদি ।

দেলেদ্দাক নোবেল পুৰস্কাৰ প্ৰদান কৰা সময়ত তেওঁৰ মূল প্ৰতিদ্বন্দী আছিল ফ্ৰান্সৰ বিখ্যাত লেখক এডুৱাৰ্ড এষ্টনী (Edouard Estaunie), আমেৰিকাৰ লেখক এডিথ হোৱাৰ্টন আৰু নিজ দেশৰেই এডা নেগৰি (Ada Negri), চিজাৰ পাচ্‌কাৰেলা (Ceasare Pascarella) আৰু হেইজ । তৎসত্বেও দেলেদ্দাই নোবেল পুৰস্কাৰ পায় 'for her idealistically inspired writtings' ৰ বাবে ।

মাত্ৰ এবছৰ বিৰতিৰ পিচত ১৯২৮ খৃঃত সাহিত্যৰ নোবেল বঁটা লাভ কৰে





তৃতীয় গৰাকী মহিলা সাহিত্যিক চিগ্‌ৰিড উন্দচেৎ । নৰৱেৰ মহিলা সাহিত্যিক উন্দচেৎয়ে মাত্ৰ ৪৬ বছৰ বয়সত নোবেল পুৰস্কাৰ পায় । নোবেল কমিটীয়ে তেওঁলোকৰ প্ৰতিবেদনত উন্দচেৎৰ সাহিত্যকৃতি সম্পৰ্কে উল্লেখ কৰি কৈছেঃ "principally for her powerful description of northern life during the middle ages."

উন্দচেৎৰ জন্ম ১৮৮২ খৃঃৰ ২০ মে'ত, ডেনমাৰ্কত । ৬৭ বছৰ বয়সতে ১৯৪৯ খৃঃৰ ১০ জুনত তেওঁৰ মৃত্যু হয় । উন্দচেৎৰ উল্লেখযোগ্য ৰচনা হ'ল—'ওলাভ ওদুনচন এণ্ড হিজ চিল্ড্ৰেন', 'দ্যা ওৱাইল্ড অৰ্কিড' আদি । উন্দচেৎয়ে নোবেল পুৰস্কাৰৰ সমস্ত ধন দান কৰি দিয়ে ।

বিশ্ব-সাহিত্যৰ নোবেল পুৰস্কাৰ বিজয়ী চতুৰ্থগৰাকী মহিলা সাহিত্যিক হ'ল আমেৰিকাৰ পাৰ্ল এছ বাক । দেলেদ্দাতকৈ সুদীৰ্ঘ ১২ বছৰ পিছত, পাৰ্ল বাকে ১৯৩৮ চনত নোবেল পুৰস্কাৰ লাভ কৰে । সেইবাৰ পাৰ্ল বাকৰ প্ৰতিদ্বন্দী আছিল এলবাৰ্ট আইনষ্টাইন । চীনৰ সামাজিক পৰিবেশত ডাঙৰ-দীঘল হোৱা এইগৰাকী আমেৰিকাবাসী লেখিকাৰ লেখাত চীনা-সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ আছে । ১৯১০ খৃঃৰ পৰা সাহিত্য-জীৱন আৰম্ভ কৰা পাৰ্ল বাকৰ অন্যতম সাহিত্য-কীৰ্তি হ'ল (উপন্যাস) ঃ East Wind West Wind (1929), All Men are Brother, This Proud Heart, The Exile, The Promise, White American Means to Me ইত্যাদি ।

পাৰ্ল বাকৰ জন্ম হয় ১৮৯২ খৃঃৰ ২৬ জুনত । ১৯১৭ খৃঃত কৃষিবিদ জন বাকৰ সৈতে বিবাহপাশত আৱদ্ধ হয় । ১৯৩৪ খৃঃত বিবাহ বিচ্ছেদ হোৱাৰ পিছত আমেৰিকাত স্থায়ীভাৱে থাকিবলৈ লয় । ১৯৩৫ খৃঃত দ্বিতীয়বাৰৰ বাবে বিয়া হয় 'এছিয়া' কাকতৰ প্ৰকাশক ৰিচাৰ্ড ৱেলচৰ সৈতে । পিছলৈ পাৰ্ল বাকে 'এছিয়া' পত্ৰিকাৰ উপদেষ্টা-সম্পাদকৰ পদ গ্ৰহণ কৰে ।

কৈশোৰৰ পৰা সাহিত্যৰ অনুৰাগী এইগৰাকী লেখিকাই নোবেল পুৰস্কাৰ পোৱাত বিশ্ব সাহিত্যৰ অনেক নামী-দামী লেখকে প্ৰকাশ্যে অসন্তুষ্টি প্ৰকাশ কৰিছিল । তৎসত্বেও নোবেল পুৰস্কাৰ কমিটীৰ মন্তব্যত পাৰ্ল বাকৰ সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে কোৱা হৈছিল—"For her rich and trully epic description of peasant life in China and for her biographical masterpieces."

সাহিত্যৰ পঞ্চমগৰাকী নোবেল বঁটা বিজয়ী হ'ল চিলিৰ গেব্ৰিয়েলা মিস্ত্ৰাল । মিস্ত্ৰাল হ'ল লেটিন আমেৰিকাৰ প্ৰথম নোবেল বিজয়িনী । মিস্ত্ৰালৰ প্ৰকৃত নাম লুছিয়া গডোই আলকাইয়াগা । জন্ম চিলিৰ ভিকুনাত, ১৮৮৯ খৃঃৰ ৭ এপ্ৰিলত । শিক্ষকতাৰ মাজতেই তেওঁ কাব্য-চৰ্চা আৰম্ভ কৰে । মিস্ত্ৰালৰ কবিতাৰ অন্তৰ্লীন মাধুৰ্য হ'ল ব্যৰ্থ প্ৰেম আৰু সংগীতময়তা । ১৯৪৫ খৃঃত মিস্ত্ৰালক নোবেলে পুৰস্কাৰ দিয়া হয় । তেওঁ আছিল মূলতঃ গাঁৱলীয়া কবি । নিজৰ কবিতাৰ ক্ষেত্ৰত অসন্তুষ্ট এইগৰাকী

কবিয়ে 'message' নামৰ কবিতাত লিখিছিল ঃ "I am a peasant and as a peasant I shall live and die."

মিস্ত্রালৰ আচল নাম Lucila Godoy; পিতৃ Jeronimo Godoy আছিল স্কুল শিক্ষক আৰু খনিৰ মালিক। মিস্ত্রালৰ জন্মৰ পিছত তেওঁৰ পিতৃয়ে কন্যাৰ দুৰৱস্থাক কেন্দ্র কৰি এটা কবিতা লিখে আৰু পিছদিনাই নিৰুদ্দেশ হয়। মাকৰ সান্নিধ্যতেই সমগ্র জীৱন কটায় মিস্ত্রালে। ৰোমিলিও ইউৰেটা নামৰ এগৰাকী ৰেলকৰ্মীৰ সৈতে ভালপোৱা গঢ়ি উঠাৰ কিছুদিন পিছতেই বিচ্ছেদ ঘটে। মদ, নাৰী আৰু চুৰি কাৰ্যত লিপ্ত ৰোমিলিওৰ পকেটৰ পৰা মিস্ত্রালে লেখা পোষ্টকাৰ্ড এটি উদ্ধাৰ কৰা হয়। এই ঘটনাক কেন্দ্র কৰি মিস্ত্রালে লিখে 'Despair' (১৯২১)। স্পেনিচ ভাষাতো কবিতা লিখে। স্কুলৰ চাকৰি এৰি পিছলৈ চৰকাৰী চাকৰিত সোমাই কেতিয়াবা ৰাষ্ট্রদূত আৰু কেতিয়াবা কনছাল হিচাপে দেশৰ বাহিৰত কটায়। ১৯৫৭ চনৰ ১১ এপ্রিলত মিস্ত্রালৰ মৃত্যু হয়। তেওঁৰ বিখ্যাত ৰচনাসমূহৰ অন্যতম হ'ল Jala, Wine Piess ইত্যাদি। চুইডিছ একাডেমীয়ে মিস্ত্রালৰ নাম নোবেল পুৰস্কাৰ বিজেতাৰূপে ঘোষণা কৰাৰ সময়ত তেওঁৰ কাব্যৰ বৈশিষ্ট্য সম্পৰ্কে কৈছিল—"For her lyric poetry, which inspired by powerful immotions has made her name a symbol of the idealistic aspirations of the entire Latin-American World."

ইজৰাইলৰ প্রখ্যাত সাহিত্যিক যোচেফ আগননৰ সৈতে একত্রভাৱে ১৯৬৬ খৃঃৰ সাহিত্যৰ নোবেল বঁটা দিয়া হয় চুইডেনৰ লেখিকা নেলী চাক্চক। নেলী চাক্চ (Nelly Sachs) হ'ল নোবেল পুৰস্কাৰ পোৱা ষষ্ঠগৰাকী মহিলা সাহিত্যিক। কবি নেলীয়ে নোবেল পুৰস্কাৰ পায় ৭৫ বছৰ বয়সত। নেলীৰ জন্ম বাৰ্লিনত, ১৮৯১ খৃঃৰ ১০ ডিচেম্বৰত। একেদিনাই মৃত্যু হৈছিল নোবেল দাতা আলফ্রেড নোবেলৰ। ১৯৪০ খৃঃত নেলী চুইডেনলৈ গুছি আহে। নেলীৰ সাহিত্য-কৰ্মৰ প্রথম স্তৰ গঢ়ি উঠে জাৰ্মানত। নাৎছী শাসনৰ ভয়াবহতাৰ বিৰুদ্ধে মাত মাতি নেলীয়ে স্বদেশ এৰি চুইডেনত আশ্রয় লয়। মৃত্যুভয়ে সদায় নেলীক খেদি ফুৰাত তেওঁ নাৎছী ভয়াবহতাৰ পৰা মুক্তি পাবলৈ প্রচুৰ কবিতা লিখিছিল। নেলীৰ মতে মৃত্যুভয়ে তেওঁক ভাষা দিছে। নেলীয়ে লিখিছে—"I only wrote because I had to free myself."

নেলীৰ আদৰ্শ কবি হ'ল ১৯০৯ নোবেল পুৰস্কাৰ জয়ী চুইডিছ কবি ছেলমা লাগেৰলফ। নেলীয়ে জাৰ্মানৰ পৰা ছেলেমালৈ নিয়মিত চিঠি লিখিছিল। কিন্তু নেলী চুইডেনলৈ অহাৰ আগতেই ছেলমাৰ বিয়োগ ঘটে।

১৭ বছৰ বয়সৰ পৰা নেলীয়ে কবিতা লিখিছিল। তেওঁৰ কবিতাৰ বিষয় হ'ল প্রকৃতি। নোবেল কমিটীয়ে নেলীৰ সাহিত্য-কৃতি সম্পৰ্কে দিয়া চমু মতামত এনে





ধৰণৰ ঃ "For her outstanding lyrical and dramatic writtings, which interpriate Israeil's destiny with touching strength."

নেলীৰ বিখ্যাত কাব্যগ্রন্থসমূহৰ ভিতৰত অন্যতম হ'ল "Journey into a Dusttles Realm" (১৯৬১)।

সাহিত্যত নোবেল পুৰস্কাৰ পোৱা সপ্তমগৰাকী মহিলা সাহিত্যিক হ'ল দক্ষিণ আফ্রিকাৰ ঔপন্যাসিক নাদিন গাৰ্ডিমাৰ। গাৰ্ডিমাৰে ষষ্ঠগৰাকী নোবেল জয়ী (১৯৬৬) মহিলা সাহিত্যিকতকৈ সুদীৰ্ঘ ২৫ বছৰ পিচত (১৯৯১) নোবেল পুৰস্কাৰ পায়। গাৰ্ডিমাৰ হ'ল দক্ষিণ আফ্রিকাৰ প্রথমগৰাকী নোবেল জয়ী সাহিত্যিক। এসময়ত দক্ষিণ আফ্রিকাৰ শ্বেতাংগ চৰকাৰে গাৰ্ডিমাৰৰ লেখা নিষিদ্ধ ঘোষণা কৰিছিল।

১৯২৩ খৃঃৰ ২০ নৱেম্বৰত নাদিন গাৰ্ডিমাৰৰ জন্ম। নিজে শ্বেতাংগ হৈয়ো তেওঁ কৃষ্ণাঙ্গৰ প্রতি আছিল সথেষ্ট সহানুভূতিশীল। শ্বেতাঙ্গসকল দক্ষিণ আফ্রিকাত সংখ্যালঘু। গাৰ্ডিমাৰৰ মতে তেওঁ সংখ্যালঘুৰ মাজত সংখ্যালঘু (belongs to a minority within the minority)।

মাত্র তেৰ বছৰ বয়সৰ পৰা গাৰ্ডিমাৰে লিখিবলৈ লয়। দক্ষিণ আফ্রিকাৰ জাতীয়তাবাদী নেতা পল ক্রুগাৰৰ স্মৃতিত স্কুলৰ বহীত তেওঁ এটা অপূৰ্ব চুটি কবিতা লিখে। কবিতাটি এনে ধৰণৰ ঃ

Noble in heart
Noble in mind
Never deceitful
Never unkind...

কবিতা লিখিলেও গাৰ্ডিমাৰ জনাজাত হয় গল্পকাৰ আৰু ঔপন্যাসিক হিচাপেহে। ১৯৪৯ খৃঃত তেওঁৰ প্রথম গল্প সংকলন 'Face to Face' প্রকাশ পায়। তেতিয়া গাৰ্ডিমাৰৰ বয়স ২৫ বছৰ। পাঠক সমাজত গাৰ্ডিমাৰ সমাদৃত হয়। ক্রমান্বয়ে প্রকাশ পায় গাৰ্ডিমাৰৰ গল্প-গ্রন্থ 'দ্যা ছফট্ ভয়েছ অৱ দ্যা ছাৰপেন্ট' (১৯৫২), উপন্যাস 'দ্যা লাইং ডেছ' (১৯৫৩), 'এ ওৱাৰ্ল্ড অৱ ষ্ট্রেঞ্জাৰচ' (১৯৫৮), 'এ গেষ্ট অৱ অনাৰ' (১৯৭০), 'বাৰ্জাৰচ্ ডটাৰ (১৯৭৯), 'জুলাইচ পিপল' (১৯৮১), 'মাই ষ্ট'ৰী' (১৯৭০), 'জাম্প এণ্ড অদাৰ ষ্টোৰিজ' (১৯৯১) আদি গ্রন্থ।

মূলতঃ বৰ্ণবাদবিৰোধী লেখিকা হিচাপে খ্যাত এইগৰাকী লেখিকাই নোবেল পুৰস্কাৰ পোৱাৰ উপৰিও তেওঁৰ 'দ্যা কনজাৰভেশনিষ্ট' উপন্যাসৰ বাবে ১৯৭৪ চনত কমনৱেলথ বুকাৰ বঁটা আৰু অন্যান্য আন্তঃৰাষ্ট্রীয় সাহিত্য বঁটা লাভ কৰিছিল। বৰ্তমানে জোহান্সবাৰ্গত বাস কৰি থকা এইগৰাকী লেখিকা আন্তৰ্জাতিক পেন ক্লাবৰো উপ-সভানেত্রী।

১৯২৮ খৃঃৰ নোবেল জয়ীৰ অভিলেখ স্পৰ্শ কৰি মাত্ৰ এবছৰ বিৰতিৰ পিছত ১৯৯৩ খৃঃত সাহিত্যৰ নোবলে পুৰস্কাৰ লাভ কৰে অষ্টমগৰাকী মহিলা সাহিত্যিক আমেৰিকাৰ টনি মৰিছনে । তেওঁৰ সাহিত্যতো কৃষ্ণাঙ্গৰ প্ৰৱেশে নতুন মাত্ৰা প্ৰদান কৰিছে । নোবেল কমিটীয়ে মৰিছনক নোবেল পুৰস্কাৰ জয়ী বুলি ঘোষণা কৰা সময়ত দিয়া মন্তব্য এনে ধৰণৰ ঃ "For her novels characterised by visionary force and poetic import gives life to an essential aspect of American reality."

১৯৩১ খৃঃৰ ১৮ ফেব্ৰুৱাৰীত আমেৰিকাৰ অহিঅ'ৰ লোৰাইনত টনি মৰিছনৰ জন্ম । তেওঁৰ পূৰ্বৰ নাম আছিল এন্থনি উফোৰ্ড । মৰিছনৰ পিতৃ জৰ্জ উফোৰ্ড আছিল কাৰখানাৰ ওৱেল্ডাৰ, ঝাড়ুদাৰ । কেতিয়াবা গাড়ী ধুয়ো পৰিয়াল চলাইছিল । মাতৃ ৰামাহ উইলিচ আছিল সমাজ সেৱিকা । মাতৃৰ প্ৰতিবাদী মানসিকতাই মৰিচনৰ ওপৰতে যথেষ্ট প্ৰভাৱ পেলায় । মৰিছনৰ মতে, তেওঁ যি অমানৱীয় পৰিস্থিতিৰ সৈতে যুদ্ধ কৰিছিল সেয়া সম্ভৱ হৈছিল একমাত্ৰ মাকৰ বাবেই ।

টনি মৰিছন হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰী আছিল । পিছলৈ তেওঁ একেই বিশ্ববিদ্যালয়ৰ শিক্ষকৰূপে নিযুক্ত হয় । ১৯৬৪ খৃঃত বিবাহ-বিচ্ছেদ হোৱাৰ পিছত চাকৰিৰ পৰাও পদত্যাগ কৰে । দুই পুত্ৰসহ নিউইয়ৰ্কত বসবাস কৰিবলৈ লোৱাৰ পিছৰে পৰা সাহিত্যত গভীৰভাৱে মনোনিবেশ কৰে । ১৯৬৯ খৃঃত প্ৰকাশ পায় জনপ্ৰিয় উপন্যাস 'The Bluest Eye' । নিউইয়ৰ্ক টাইমচ পত্ৰিকাত সমালোচক জন লিওনদে উপন্যাসখন সম্পৰ্কে লিখে—'মোৰ ধাৰণা হয় মৰিছনৰ এই ৰচনাটি উপন্যাস নহয়, এটা কবিতা, যন্ত্ৰণাৰ কবিতা । এই উপন্যাস ইতিহাসৰ এটা পৃষ্ঠা, মানুহৰ আপোন সংগীত ।"

১৯৭৩ খৃঃত প্ৰকাশ পায় 'চুলা' উপন্যাস । উপন্যাসৰ আঙ্গিক, জীৱন্ত সংলাপ, ভাষাৰ সংযমশীলতা আৰু আবেগৰ ফালৰ পৰা উপন্যাসখন অধিক উন্নত বুলি সমালোচকসকলে মন্তব্য কৰিছে । টনি মৰিছনৰ তৃতীয় উপন্যাস 'ছং অব ছলোমন' প্ৰকাশ পায় ১৯৭৭ খৃঃত । ১৯৭৮ খৃঃত উপন্যাসটিয়ে জাতীয় পুৰস্কাৰ লাভ কৰে । মৰিছনৰ চতুৰ্থ উপন্যাস 'টাৰ বেবী' প্ৰকাশ পায় ১৯৮১ খৃঃত । ১৯৮৭ খৃঃত প্ৰকাশিত পঞ্চমখন উপন্যাস 'বেলাভেড'এ পুলিৎজাৰ পুৰস্কাৰ লাভ কৰে । মৰিছনৰ সৰ্বশেষ উপন্যাস 'জাজ'ৰ (১৯৯২) বাবেই তেওঁ ১৯৯৩ খৃঃত সাহিত্যৰ নোবেল বঁটা লাভ কৰে ।

কুৰি শতিকাৰ সৰ্বশেষ গৰাকী মহিলা সাহিত্যিকৰূপে সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰে পোলেণ্ডৰ কবি ভিছলাভা ছিমবোৰস্কাই । ১৯৯৬ খৃঃৰ নোবেল জয়ী ভিছলাভা হ'ল এই সন্মান লাভ কৰা নৱমগৰাকী মহিলা সাহিত্যিক । আনহাতে





তেওঁ হ'ল তৃতীয়গৰাকী পোলিশ সাহিত্যিক । ইয়াৰ আগতে ১৯০৫ খৃঃত এইচ ছিয়ন কিয়েউইৎচ আৰু ১৯২৪ খৃঃত লাডিশ্লি ৰেমেণ্টে এই সন্মান লাভ কৰিছিল ।

১৯৪৫ খৃঃত ভিছলাভাৰ প্ৰথম কবিতা 'শব্দৰ সন্ধানত মই' প্ৰকাশ পায় । বৰ্তমানলৈ ভিছলাভাৰ ইংৰাজীত অনুদিত কাব্যগ্ৰন্থ হ'ল-'ভিউ উইথ এ গ্ৰেন অব ছেণ্ড', 'পিপল অন এ ব্ৰিজ', চাউণ্ডচ ফিলিংচ থটচ' আৰু 'চেভেনটি প'য়েমচ' । সমালোচকে ভিছলাভাক 'কবিতাৰ মোৎজাৰ্ট' বুলি উল্লেখ কৰিছে । তেওঁৰ কবিতাত মূলতঃ সামাজিক বাস্তৱতা, সমাজ, সমাজতন্ত্ৰ আৰু সৰ্বহাৰাৰ কথা প্ৰকাশ পালেও তেওঁ প্ৰেম আৰু যন্ত্ৰণাৰ কবিতাও লিখিছিল । চুইডিছ একাডেমীয়ে ভিছলাভাৰ কবিতা সম্পৰ্কে কৈছে—"For her poetry that with ironic precision allows the historical and biological context to come to light in fragments of human reality."

জটিল আঙ্গিক আৰু দুৰ্বোধ্য শব্দালংকাৰেৰে ভৰা ভিছলাভাৰ কবিতা । সেয়ে ভিছলাভাৰ কবিতা আন ভাষাত কমকৈ অনুদিত হৈছে । তেওঁৰ শেষ কাব্যগ্ৰন্থ 'The End and the Beginning' ত মৃত্যু সম্পৰ্কে লেখা এক প্ৰতীকধৰ্মী কবিতাত ভিছলাভাৰ জীৱন আৰু মৃত্যু সম্পৰ্কীয় অনুভৱ প্ৰকাশ পাইছে ঃ

"To die
This we cannot do to a cat
What can a cat do in the empty
apartment."

একান্ত নিৰ্জনতা ভাল পোৱা কবি গৰাকীয়ে ৭৩ বছৰ বয়সত নোবেল বঁটা লাভ কৰাৰ তিনি বছৰ আগতে (১৯৯৩) স্বামীৰ বিয়োগ ঘটে । উপৰি উক্ত কবিতাটি স্বামীৰ মৃত্যুৰ পিছতেই লিখা । কবিতাৰ উপৰিও ভিছলাভাই গীত লিখিছিল । নিজৰ সম্পৰ্কে কবিগৰাকীৰ ধাৰণা—"I don't think much of myself, but I am afraid that saying that will be taken as trying to charm the audience."

যোৱা এটা শতিকাত মাত্ৰ নগৰাকী মহিলা সাহিত্যিকে নোবেল পুৰস্কাৰ লাভ কৰাটো সাধাৰণ কথা । কিন্তু যিটো কথা আশাব্যঞ্জক সেয়া হ'ল ১৯৯১ খৃঃৰ পৰা ১৯৯৬ খৃঃলৈ—এই ছবছৰত তিনিগৰাকী মহিলা সাহিত্যিকে সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰিছে । বিশ্ব-সাহিত্যত মহিলা সাহিত্যিকৰ আগমনৰ ই এক শুভ ইংগিত ।

(অসম বাণী । ৰঙালী বিহু সংখ্যা, ২০০০ চন)

## ইছমাইল হোছেইন



**জন্ম ঃ** ১৯৬৫ চনৰ ২২ ফেব্ৰুৱাৰী। কয়াকুছি, জিলা ঃ বৰপেটা।

**শিক্ষা ঃ** বনৰাহাৰ প্ৰাথমিক বিদ্যালয়, কয়াকুছি হাইস্কুল, ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, কুজাৰপীঠ হাইস্কুল, কটন কলেজ, অসম ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউট, অসম ইঞ্জিনিয়াৰিং কলেজ। ইলেক্‌ট্ৰনিক্‌চ এণ্ড টেলিকম্যুনিকেচন ইঞ্জিনিয়াৰিঙৰ স্নাতক।

**সংস্থাপন ঃ** ইনষ্টিটিউট অৰ ইলেকট্ৰনিকচ্ ইঞ্জিনিয়াৰ্চ, অসম ইঞ্জিনিয়াৰিং কলেজ, প্ৰিনচ্ অব্ ৱেলচ্ ইনষ্টিটিউট অৱ ইঞ্জিনিয়াৰিং এণ্ড টেক্‌ন'ল'জী, অসম ইঞ্জিনিয়াৰিং ইন্‌ষ্টিটিউট (শিক্ষকতা, বৰ্তমান)

**প্ৰকাশিত কাব্যগ্ৰন্থ ঃ**

● জীৱন আৰু মানুহ বিষয়ক (লোকায়ত প্ৰকাশন, ১৯৯৪, ১৯৯৬। অসম সাহিত্য সভাই ১৯৯৫-৯৬ চনত শ্ৰেষ্ঠ মৌলিক অসমীয়া গ্ৰন্থ হিচাপে প্ৰদান কৰা অম্বিকাগিৰী ৰায়চৌধুৰী বঁটাপ্ৰাপ্ত গ্ৰন্থ) ● বিজ্ঞাপন (বনলতা, ১৯৯৯-২০০০) ● নৈপৰীয়া (বনলতা, ২০০৩) ● সাম্প্ৰদায়িকতাবাদ বিৰোধী অসমীয়া কবিতা (সম্পাদনা, লোকায়ত প্ৰকাশন, ১৯৯৬)

**অন্যান্য গ্ৰন্থ ঃ**

● জীৱন পথিক ৰাহুল সাংকৃত্যায়ন (লোকায়ত প্ৰকাশন, ১৯৯৪) ● ছফ্‌দৰ হাছমী আৰু বাটৰ নাট (সমন্বয় গ্ৰন্থালয়, ১৯৯৪) ● হিন্দু-মুছলমান প্ৰশ্ন ঃ সমন্বয় আৰু সংঘাত (ইম্‌প্ৰিণ্ট, ১৯৯৪) ● অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান (অনামিকা গ্ৰন্থালয়, ১৯৯৭, ১৯৯৮) ● সাহিত্যত সাম্প্ৰদায়িকতাবাদ আৰু ৰবীন্দ্ৰনাথ (লোকায়ত প্ৰকাশন, ১৯৯৮) ● গো-হত্যা আৰু সাম্প্ৰদায়িকতা (নন্দন প্ৰকাশন, ১৯৯৮) ● সংহতিৰ সন্ধানত (কেম্‌ব্ৰিজ ইণ্ডিয়া, ১৯৯৯) ● বিষ্ণুৰাভাৰ জীৱন আৰু দৰ্শন (জ্যোতি প্ৰকাশন, ১৯৯৯, ২০০০, ২০০২) ● কুৰি শতিকাৰ নোবেল বঁটাপ্ৰাপ্ত সাহিত্যিক ঃ জীৱন আৰু সাহিত্য (বনলতা, ২০০০) ● ঢকুৱাখনাৰ ফাটবিহু (শিৱপ্ৰসাদ গগৈৰ সৈতে যুটীয়াভাৱে সম্পাদিত (কেম্‌ব্ৰিজ ইণ্ডিয়া, ২০০০) ● কিতাপ আৰু সমালোচনা (কবি-সঙ্গম, ২০০১) ● জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু দৰ্শন (জ্যোতি প্ৰকাশন, ২০০১, ২০০২) ● চৰ-চাপৰিৰ সমাজ সমীক্ষা (সম্পাদনা, অসম সাহিত্য সভা, ২০০১) ● চাপৰিৰ সূৰ্য (উপন্যাস, জাৰ্ণাল এম্প'ৰিয়াম, ২০০১) ● অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্য (বনলতা, লোক-সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থ হিচাপে ২০০২-২০০৩ চনৰ ৰেবানাথ শৰ্মা বঁটাপ্ৰাপ্ত) ● ফাটবিহুৰ ইতিহাস আৰু ঐতিহ্য (জ্যোতি প্ৰকাশন, ২০০২) ● কুৰি শতিকাৰ বিতৰ্ক (নন্দন প্ৰকাশন, ২০০২) ● কবিতা আৰু আবৃত্তি (বনলতা, ২০০৩) ● জীৱন আৰু জ্ঞানৰ অন্বেষণ (ধেমাজি বুক ষ্টল, ২০০৩) ● জীৱন-প্ৰজ্ঞা (সম্পাদনা, নতুন সাহিত্য পৰিষদ, ২০০৩)।